GPS S6 04 (M)
Exam Code: PSM6D

অসমৰ ৰাজনীতি ঃ অতীত আৰু বৰ্তমান

ষষ্ঠ ষাণ্মাসিক

ৰাজনীতি বিজ্ঞান (প্ৰধান)

খণ্ড ১



কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° **শান্তনু** চক্রৱর্ত্তী, কটন বিশ্ববিদ্যালয়
ড° ধ্রুবপ্রতীম **শর্মা**, গুৱাহাটী বিশ্ববিদ্যালয়
ড° শুভ্রজিৎ কোঁৱৰ, গুৱাহাটী বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° বিপুল দাস, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
১ আৰু ৮	গৌতম দাস, ন-কছাৰী মহাবিদ্যালয়, যোৰহাট	পল্লৱ বৰুৱা, সর্বোদয় মহাবিদ্যালয়, যোৰহাট
২,৩,৪,৫,৬ আৰু ৭	পল্লৱ বৰুৱা, সর্বোদয় মহাবিদ্যালয়, যোৰহাট	পল্লৱ বৰুৱা, সর্বোদয় মহাবিদ্যালয়, যোৰহাট

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ ড° ৰুনজুন বর্মন, সন্দিকৈ ছোৱালী মহাবিদ্যালয়, গুৱাহাটী
ভাষা সম্পাদনা ঃ ড° নিভা ৰাণী ফুকন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
গাঁথনিক সম্পাদনা ঃ পেচিফিক্ লেজাৰ প্রিণ্টচ্, গণেশগুৰি, গুৱাহাটী - ৭৮১০০৬

প্রথম প্রকাশ ঃ অক্টোৱৰ, ২০১৯

ISBN : 978-93-89559-45-3

© কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ দ্বাৰা সর্বস্বত্ব সংৰক্ষিত,
কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ লিখিত অনুমতি অবিহনে গ্রন্থস্বত্ব জাননীৰ দ্বাৰা সুৰক্ষিত এই মুদ্রণ বা ইয়াৰ যিকোনো অংশ প্রতিলিপিকৰণ, স্কেনিং, বাণীবদ্ধকৰণ তথা তথ্য সংৰক্ষণ নাইবা পুনৰুদ্ধাৰ পদ্ধতিৰ লগতে বর্তমানে জ্ঞাত বা ভৱিষ্যতে উদ্ভাৱন-সম্ভৱ যিকোনো বৈদ্যুতিক, ডিজিটেল বা যান্ত্রিক উপায়েৰে প্রকাশ, প্রেৰণ, হস্তান্তৰ বা সংৰক্ষণ কৰিব নোৱাৰিব।
কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা নতুন দিল্লীৰ দূৰ শিক্ষা পৰিষদৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ

হাউচ্‌ফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী - ৭৮১০০৬
Web : www.kkhsou.org

স্নাতক মহলা, কলা
ৰাজনীতি বিজ্ঞান
বিষয়সূচী

মুঠ নম্বৰ- ১০০

পৃষ্ঠা নং

অধ্যায় ১ ঃ অসমত ঔপনিৱেশিক যুগৰ আৰম্ভণি ৯-২৪

বৃটিছৰ অসম অধিগ্রহণঃ পৃষ্ঠভূমি, আহোম শাসনৰ পতন, বার্মীজ আক্রমণ, বৃটিছৰ হস্তক্ষেপ, ইয়াণ্ডাবু সন্ধি, বৃটিছৰ অসম অধিগ্রহণ; বৃটিছ শাসনৰ সুদৃঢ়কৰণ; অস্থায়ী প্রশাসন, বংগ প্রেচিডেন্সী, মুখ্য আয়ুক্তৰ প্রদেশ; ভাৰতত বৃটিছ শাসনৰ বিৰুদ্ধে চলা প্রাৰম্ভিক বিদ্রোহঃ গোমধৰ কোঁৱৰৰ বিদ্রোহ

(১৮২৮), দ্বিতীয় বিদ্রোহ (১৮২৯), তৃতীয় বিদ্রোহ (১৮৩০), খাচীসকলৰ বিদ্রোহ (১৮২৯), বৃটিছ শাসনৰ বিৰুদ্ধে চলা বিদ্রোহবোৰৰ পৰিণাম আৰু তাৎপর্য।

অধ্যায় ২ ঃ ১৮৫৭ চনৰ বিদ্রোহ আৰু অসম ২৫-৩৪

অসমত ১৮৫৭ চনৰ বিদ্রোহ, মণিৰাম দেৱানৰ ভূমিকা

অধ্যায় ৩ ঃ ৰাইজমেলৰ ভূমিকা; ফুলগুৰি ধেৰা, জয়ন্তীয়াসকলৰ বিদ্রোহ ৩৫-৪৬

ৰাইজমেলৰ ভূমিকা; ফুলগুৰি ধেৰা, ১৮৬১; জয়ন্তীয়াসকলৰ বিদ্রোহ, ১৮৬০-১৮৬৩ চন

অধ্যায় ৪ ঃ কৃষক বিদ্রোহ ৪৭-৫৬

১৮৯৩-১৮৯৪ চনত হোৱা অসম বিদ্রোহ, ৰঙিয়া, লাচিমা আৰু পথৰুঘাট ঃ এক নৱজাগৰণ

অধ্যায় ৫ ঃ অসমীয়া জাতীয়তাবাদৰ বিকাশ ৫৭-৬৬

অসমীয়া জাতীয়তাবাদৰ বিকাশত অৱিহণা যোগোৱা কাৰকসমূহ, বংগ বিভাজন আৰু অসমত ইয়াৰ প্রভাৱ

অধ্যায় ৬ ঃ ঔপনিৱেশিক যুগত ছপাশাল আৰু ৰাজহুৱা সংগঠন ৬৭-৭৬

ঔপনিৱেশিক যুগত অসমত ছপাশালৰ বিকাশ, ঔপনিৱেশিক যুগত অসমত ৰাজনৈতিক সংগঠন আৰু ৰাজহুৱা অনুষ্ঠান- প্রতিষ্ঠানৰ বিকাশ ঃ যোৰহাট সার্বজনিক সভা, অসম সংঘ, সুৰমা উপত্যকা ৰাজনৈতিক সন্মিলন

অধ্যায় ৭ ঃ স্বাধীনতা আন্দোলন আৰু অসমঃ অসহযোগ আন্দোলন, আইন অমান্য আন্দোলন আৰু ভাৰত ত্যাগ আন্দোলন ৭৭-৯০

অসমত অসহযোগ আন্দোলন, অসমত আইন অমান্য আন্দোলন, অসমত ভাৰত ত্যাগ আন্দোলন

অধ্যায় ৮ ঃ কেবিনেট মিছন পৰিকল্পনা আৰু অসম ৯১-১০০

কেবিনেট মিছন পৰিকল্পনা আৰু অসম; স্বাধীনতা আৰু দেশ বিভাজন

পাঠ্যবিষয়ৰ পৰিচয়

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ ৰাজনীতি বিজ্ঞান বিষয় (প্ৰধান)ৰ ষষ্ঠ ষাণ্মাসিকৰ চতুৰ্থ পাঠ্যবিষয়টোৰ শিৰোনাম হ'ল " অসমৰ ৰাজনীতি ঃ অতীত আৰু বৰ্তমান"। ঔপনিৱেশিক যুগৰ পৰা বৰ্তমান সময়লৈকে অসমৰ সমাজ-ৰাজনৈতিক ব্যৱস্থাটোৰ সৈতে জড়িত বিভিন্ন দিশ বুজাত শিক্ষাৰ্থীসকলক সহায় কৰিব পৰাকৈ এই পাঠ্যবিষয় প্ৰস্তুত কৰা হৈছে। আমি বিচাৰোঁ, ৰাজনীতি বিজ্ঞানৰ স্নাতক মহলাৰ শৈক্ষিক কাৰ্যসূচী অধ্যয়ন কৰি থকা শিক্ষাৰ্থীয়ে নিজ ৰাজ্যখনৰ ৰাজনৈতিক ব্যৱস্থাটোৰ সৈতে জড়িত বিভিন্ন বিষয়ত পুংখানুপুংখ জ্ঞানৰ অধিকাৰী হওক। উল্লিখিত কথাবোৰ মনত ৰাখি ঔপনিৱেশিক শাসনকালত অসমৰ ৰাজনৈতিক সংৰচনা আৰু প্ৰক্ৰিয়াবোৰৰ আলোচনাৰে পাঠ্যবিষয়টোৰ পাতনি মেলা হৈছে। প্ৰথম অধ্যায়ৰ আলোচনাৰ বিষয় হ'ল বৃটিছৰ অসম অধিগ্ৰহণ আৰু অসমত বৃটিছ শাসনৰ বিৰুদ্ধে চলা প্ৰাৰম্ভিক বিদ্ৰোহসমূহ। অধ্যায়টিত আহোম শাসনৰ পতন, অসমত বৃটিছৰ শাসন সুদৃঢ় হৈ পৰাৰ প্ৰক্ৰিয়া আৰু বৃটিছ শাসনৰ বিৰুদ্ধে চলা প্ৰাৰম্ভিক বিদ্ৰোহবোৰৰ পৰিণাম আৰু তাৎপৰ্য আলোচনা কৰা হৈছে। পাঠ্যবিষয়ৰ দ্বিতীয় অধ্যায়ত অসমত ১৮৫৭ চনৰ ঐতিহাসিক বিদ্ৰোহৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰা হৈছে। আলোচনাকালত এই বিদ্ৰোহত মণিৰাম দেৱানৰ ভূমিকাত আলোকপাত কৰা হৈছে। অসমত ঘটা বিভিন্ন ৰাজনৈতিক উন্মেষৰ ব্যাখ্যা হ'ল তৃতীয় অধ্যায়ৰ মূল বিষয়। অধ্যায়টি পঢ়ি শিক্ষাৰ্থীয়ে ৰাইজমেল, ফুলগুৰি ধেৰা আৰু জয়ন্তীয়াসকলৰ বিদ্ৰোহ সম্পৰ্কে জানিব পাৰিব। চতুৰ্থ আৰু পঞ্চম অধ্যায়ত অসমত কৃষক বিদ্ৰোহ আৰু অসমীয়া জাতীয়তাবাদৰ বিকাশ সম্পৰ্কে আলোচনা কৰা হৈছে. ৰঙিয়া, লাচিমা আৰু পথৰু ঘাটৰ কৃষক বিদ্ৰোহ হ'ল চতুৰ্থ অধ্যায়ত আলোচনা কৰা বিষয়। পঞ্চম অধ্যায়টিত বংগ বিভাজন আৰু অসমত ইয়াৰ প্ৰভাৱ তথা অসমীয়া জাতীয়তাবাদৰ বিকাশত অৰিহণা আগবঢ়োৱা কাৰকসমূহৰ বিষয়ে আলোচনা কৰা হৈছে। ষষ্ঠ অধ্যায়ত আলোচিত মুখ্য বিষয়সমূহ হ'ল ঔপনিৱেশিক যুগত অসমত ছপাশালৰ বিকাশ আৰু বিভিন্ন ৰাজনৈতিক তথা ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠানৰ জন্ম। অধ্যায়টিত যোৰহাট সাৰ্বজনিক সভা, অসম সংঘ আৰু সুৰমা উপত্যকা ৰাজনৈতিক সম্মিলনৰ বিষয়ে বহলাই আলোচনা কৰা হৈছে। স্বাধীনতা আন্দোলন আৰু অসম হ'ল সপ্তম অধ্যায়ৰ আলোচনাৰ কেন্দ্ৰীয় বিষয়। ইয়াত অসহযোগ আন্দোলন, আইন অমান্য আন্দোলন আৰু ভাৰত ত্যাগ আন্দোলনত অসমে লোৱা ভূমিকা বহলাই ব্যাখ্যা কৰা হৈছে। অষ্টম অধ্যায়ত কেবিনেট মিছন পৰিকল্পনা আৰু অসমত ইয়াৰ প্ৰভাৱ আলোচনা কৰা হৈছে। অধ্যায়টিত গ্ৰুপিং ব্যৱস্থা, অসমত এই বিষয়ত সৃষ্টি হোৱা প্ৰতিক্ৰিয়া, অসমৰ প্ৰতি এম. কে. গান্ধী আৰু অন্য ৰাষ্ট্ৰীয় নেতাৰ মনোভাৱ আদিৰ আলোচনাক স্থান দিয়া হৈছে।

নৱম অধ্যয়ত অসমৰ ৰাজ্যবোৰৰ পুনৰ্গঠন প্ৰক্ৰিয়াটোৰ বিষয়ে আলোচনা কৰা হৈছে। ইয়াত নাগালেণ্ডৰ গঠন তথা ১৯৭১ চনৰ উত্তৰ-পূৱ অঞ্চল (পুনৰ্গঠন) আইন আৰু অঞ্চলটোত ইয়াৰ প্ৰভাৱ বিশ্লেষণ কৰা হৈছে। অসমৰ ৰাজনৈতিক ব্যৱস্থাৰ আন দুটা গুৰুত্বপূৰ্ণ দিশ হ'ল ভাষা আন্দোলন আৰু অসম আন্দোলন। এই আন্দোলন দুটাৰ বিষয়ে দশম অধ্যায়ত আলোচনা কৰা হৈছে। আলোচনাত আন্দোলন দুটাৰ উৎপত্তি, প্ৰকৃতি আৰু গুৰুত্ব ব্যাখ্যা কৰা হৈছে। একাদশ অধ্যায়ৰ আলোচনাৰ কেন্দ্ৰীয় বিষয় হ'ল অসমৰ উগ্ৰপন্থী সমস্যা। ইয়াত ৰাজ্যখনত উগ্ৰপন্থী সমস্যা বৃদ্ধিৰ আঁৰৰ কাৰকসমূহ আৰু সংযুক্ত মুক্তি বাহিনী, অসম (ULFA) তথা এন ডি এফ বি (NDFB)ৰ দৰে উগ্ৰপন্থী সংগঠনসমূহৰ বিষয়ে আলোচনা কৰা হৈছে। অসমৰ ৰাজনীতিৰ আন দুটা গুৰুত্বপূৰ্ণ বিষয় হ'ল ষষ্ঠ অনুসূচী আৰু পাহাৰীয়া এলেকাবোৰত স্বায়ত্ব শাসনৰ দাবীত চলা আন্দোলনসমূহ। দ্বাদশ অধ্যায়ত স্বায়ত্ব শাসন বিচাৰি চলা বিভিন্ন আন্দোলনৰ বিভিন্ন দিশ ব্যাখ্যা কৰা হৈছে। ত্ৰয়োদশ অধ্যায়ত বড়োলেণ্ড আন্দোলন আৰু বড়োলেণ্ড টেৰিট'ৰিয়েল পৰিষদ (BTC) গঠন প্ৰক্ৰিয়াত আলোকপাত কৰা হৈছে। ভাৰতৰ ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক ৰাজনীতিত আঞ্চলিকতাবাদে গুৰুত্বপূৰ্ণ

ভূমিকা পালন কৰি আহিছে। সেয়েহে চতুর্দশ অধ্যায়ত অসমত আঞ্চলিকতাবাদৰ বিকাশ আৰু আঞ্চলিক ৰাজনৈতিক দলবোৰৰ উত্থান সম্পর্কে আলোচনা কৰা হৈছে। পঞ্চদশ অধ্যায়ৰ আলোচনাৰ মূল বিষয় হ'ল অসমত মহিলাৰ ৰাজনৈতিক ক্ষেত্রখনত অংশগ্রহণৰ প্রকৃতি। ইয়াত স্বাধীনতা আন্দোলনত অসমীয়া মহিলাৰ ভূমিকা আৰু স্বাধীনতাৰ পাছত চলা বিভিন্ন জনপ্রিয় আন্দোলনত মহিলাৰ অংশগ্রহণ সম্পর্কে বহলাই আলোচনা কৰা হৈছে।

"অসমৰ ৰাজনীতি ঃ অতীত আৰু বর্তমান" শীর্ষক পাঠ্যবিষয়টো খণ্ড-১ আৰু খণ্ড-২ নামৰ দুটা খণ্ডত ভগোৱা হৈছে। খণ্ড-১ ত মুঠ আঠটা অধ্যায় (অধ্যায় ১-৮) আৰু খণ্ড-২ ত মুঠ সাতটা অধ্যায় (অধ্যায় ৯-১৫)সন্নিৱিষ্ট কৰা হৈছে।

খণ্ড- ১ৰ পৰিচয়

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে পৰিচালনা কৰা স্নাতক মহলাৰ ৰাজনীতি বিজ্ঞান (প্ৰধান) বিষয়ৰ ষষ্ঠ ষাণ্মাসিকৰ চতুৰ্থ পাঠ্যবিষয় অথবা কাকতখনৰ এইটো হ'ল প্ৰথম খণ্ড। এই পাঠ্যবিষয়ৰ শিৰোনাম হ'ল "অসমৰ ৰাজনীতিঃ অতীত আৰু বৰ্তমান"। প্ৰথম খণ্ডটিত মুঠ আঠটা অধ্যায় (অধ্যায় ১-৮) সন্নিৱিষ্ট কৰা হৈছে।

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ ৰাজনীতি বিজ্ঞান বিষয় (প্ৰধান)ৰ ষষ্ঠ ষাণ্মাসিকৰ চতুৰ্থ পাঠ্যবিষয়ৰ শিৰোনাম হ'ল " অসমৰ ৰাজনীতি ঃ অতীত আৰু বৰ্তমান"। ঔপনিৱেশিক যুগৰ পৰা বৰ্তমান সময়লৈকে অসমৰ সমাজ-ৰাজনৈতিক ব্যৱস্থাটোৰ সৈতে জড়িত বিভিন্ন দিশ বুজাত শিক্ষাৰ্থীক সহায় কৰিব পৰাকৈ এই পাঠ্যবিষয়টো প্ৰস্তুত কৰা হৈছে। আমি বিচাৰোঁ, ৰাজনীতি বিজ্ঞানৰ স্নাতক মহলাৰ শৈক্ষিক কাৰ্যসূচী অধ্যয়ন কৰি থকা শিক্ষাৰ্থীসকলে নিজ ৰাজ্যখনৰ ৰাজনৈতিক ব্যৱস্থাটোৰ সৈতে জড়িত বিভিন্ন বিষয়ত পুংখানুপুংখ জ্ঞানৰ অধিকাৰী হওক। উল্লিখিত কথাবোৰ মনত ৰাখি ঔপনিৱেশিক শাসনকালত অসমৰ ৰাজনৈতিক সংৰচনা আৰু প্ৰক্ৰিয়াবোৰৰ আলোচনাৰে পাঠ্যবিষয়টোৰ পাতনি মেলা হৈছে। প্ৰথম অধ্যায়ৰ আলোচনাৰ বিষয় হ'ল বৃটিছৰ অসম অধিগ্ৰহণ আৰু অসমত বৃটিছ শাসনৰ বিৰুদ্ধে চলা প্ৰাৰম্ভিক বিদ্ৰোহসমূহ। অধ্যায়টিত আহোম শাসনৰ পতন, অসমত বৃটিছৰ শাসন সুদৃঢ় হৈ পৰাৰ প্ৰক্ৰিয়া আৰু বৃটিছ শাসনৰ বিৰুদ্ধে চলা প্ৰাৰম্ভিক বিদ্ৰোহবোৰৰ পৰিণাম আৰু তাৎপৰ্য আলোচনা কৰা হৈছে। পাঠ্যবিষয়ৰ দ্বিতীয় অধ্যায়ত অসমত ১৮৫৭ চনৰ ঐতিহাসিক বিদ্ৰোহৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰা হৈছে। আলোচনাকালত এই বিদ্ৰোহত মণিৰাম দেৱানৰ ভূমিকাত আলোকপাত কৰা হৈছে। অসমত ঘটা বিভিন্ন ৰাজনৈতিক উন্মেষৰ ব্যাখ্যা হ'ল তৃতীয় অধ্যায়ৰ মূল বিষয়। অধ্যায়টি পঢ়ি শিক্ষাৰ্থীয়ে ৰাইজমেল, ফুলগুৰি ধেৰা আৰু জয়ন্তীয়াসকলৰ বিদ্ৰোহ সম্পৰ্কে জানিব পাৰিব। চতুৰ্থ আৰু পঞ্চম অধ্যায়ত অসমত কৃষক বিদ্ৰোহ আৰু অসমীয়া জাতীয়তাবাদৰ বিকাশ সম্পৰ্কে আলোচনা কৰা হৈছে. ৰঙিয়া, লাচিমা আৰু পথৰু ঘাটৰ কৃষক বিদ্ৰোহ হ'ল চতুৰ্থ অধ্যায়ত আলোচনা কৰা বিষয়। পঞ্চম অধ্যায়টিত বংগ বিভাজন আৰু অসমত ইয়াৰ প্ৰভাৱ তথা অসমীয়া জাতীয়তাবাদৰ বিকাশত অৰিহণা আগবঢ়োৱা কাৰকসমূহৰ বিষয়ে আলোচনা কৰা হৈছে। ষষ্ঠ অধ্যায়ত আলোচিত মুখ্য বিষয়সমূহ হ'ল ঔপনিৱেশিক যুগত অসমত ছপাশালৰ বিকাশ আৰু বিভিন্ন ৰাজনৈতিক তথা ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠানৰ জন্ম। অধ্যায়টিত যোৰহাট সাৰ্বজনিক সভা, অসম সংঘ আৰু সুৰমা উপত্যকা ৰাজনৈতিক সম্মিলনৰ বিষয়ে বহলাই আলোচনা কৰা হৈছে। স্বাধীনতা আন্দোলন আৰু অসম হ'ল সপ্তম অধ্যায়ৰ আলোচনাৰ কেন্দ্ৰীয় বিষয়। ইয়াত অসহযোগ আন্দোলন, আইন অমান্য আন্দোলন আৰু ভাৰত ত্যাগ আন্দোলনত অসমে লোৱা ভূমিকা বহলাই ব্যাখ্যা কৰা হৈছে। অষ্টম অধ্যায়ত কেবিনেট মিছন পৰিকল্পনা আৰু অসমত ইয়াৰ প্ৰভাৱ আলোচনা কৰা হৈছে। অধ্যায়টিত গ্ৰুপিং ব্যৱস্থা, অসমত এই বিষয়ত সৃষ্টি হোৱা প্ৰতিক্ৰিয়া, অসমৰ প্ৰতি এম. কে. গান্ধী আৰু অন্য ৰাষ্ট্ৰীয় নেতাৰ মনোভাৱ আদিৰ আলোচনাক স্থান দিয়া হৈছে।

এই পাঠ্যবিষয়টি অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অৰ্থ সন্নিবিষ্ট হৈছে। সেইদৰে— 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। প্ৰতিটো অধ্যায়ত থকা 'চিন্তা-চৰ্চা কৰক' সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্ৰগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্ৰগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই

চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্ৰসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেইকেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্ৰস্তুত কৰা হৈছে। আপুনি বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেইকেইখন অধ্যয়ন কৰিব পাৰিব।

অধ্যায় ১ ঃ অসমত ঔপনিৱেশিক যুগৰ আৰম্ভনি

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ আহোম ৰাজ্যৰ অৱনতি

১.৪ মানৰ আক্রমণ

১.৪.১ বৃটিছৰ হস্তক্ষেপ

১.৪.২ ইয়াণ্ডাবু সন্ধি

১.৫ বৃটিছৰ অসম অধিগ্রহণ

১.৬ বৃটিছ শাসনৰ দৃঢ়কৰণ আৰু অস্থায়ী প্রশাসন

১.৬.১ বেংগল প্রেচিডেন্সি

১.৭ চীফ কমিছনাৰৰ অধীনস্থ প্রদেশ

১.৮ অসমত বৃটিছ শাসনৰ বিৰুদ্ধে প্রাৰম্ভিক বিদ্রোহ

১.৮.১ গোমধৰ কোঁৱৰৰ বিদ্রোহ (১৮২৮)

১.৮.২ দ্বিতীয় বিদ্রোহ (১৮২৯)

১.৮.৩ তৃতীয় বিদ্রোহ (১৮৩০)

১.৮.৪ খাছি সকলৰ বিদ্রোহ (১৮২৯)

১.৯ বৃটিছ শাসনৰ বিৰুদ্ধে প্রাৰম্ভিক বিদ্রোহ সমূহৰ ফলাফল আৰু গুৰুত্ব

১.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.১১ অধিক জানিবলৈ

১.১২ অগ্রগতিৰ খতিয়ান

১.১৩ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনিঃ

- ভাৰতত ইউৰোপীয় শক্তিৰ প্রৱেশৰ পটভূমি ব্যাখ্যা কৰিব পাৰিব
- আহোম ৰাজ্যৰ অৱনতি আৰু পতনৰ বিষয়ে জানিব পাৰিব
- অসমত মানৰ আক্রমণৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- অসম অধিগ্রহণ কৰিবলৈ বৃটিছসকলে গ্রহণ কৰা নীতিৰ আভাস দিব পাৰিব
- চীফ কমিচনাৰ শাসিত ৰাজ্যৰ বিষয়ে জানিব পাৰিব
- অসমত বৃটিছ শাসনৰ বিৰুদ্ধে প্রাৰম্ভিক অৱস্থাত গঢ় লৈ উঠা বিদ্রোহসমূহৰ সম্পর্কে জানিব।

১.২ পৰিচয়

১৫ শ আৰু ১৬ শ শতিকাৰ এটা উল্লেখনীয় বৈশিষ্ট্য হৈছে বিশ্বৰ বিভিন্ন অঞ্চলত ইউৰোপীয় শক্তিসমূহে তেওঁলোকৰ নিয়ন্ত্রণ বিস্তাৰ কৰিবলৈ কৰা প্রচেষ্টা। ভাৰত আৰু আমেৰিকালৈ সাগৰীয় গতিপথ আৱিষ্কাৰৰ ফলত ইউৰোপীয় শক্তিসমূহে বিশ্বৰ বিভিন্ন প্রান্তত তেওঁলোকৰ ঔপনিৱেশিক শাসন প্রতিষ্ঠা কৰিবলৈ নিজকে নিয়োগ কৰিছিল। এনেকৈ এক নতুন বণিক শ্রেণী আৰু পুঁজি বিনিয়োগ কৰিবলৈ নতুন ঠাইৰ সন্ধান কার্যৰ সূচনা হ'ল। এই সময়চোৱাতে কেঁচা সামগ্রী আৰু খাদ্য বস্তুৰ অতিৰিক্ত চাহিদাৰ সৃষ্টি হ'ল। বস্তুৰ বর্ধিত চাহিদা পূৰাবলৈ নতুন নতুন বজাৰে বিকাশ লাভ কৰিলে। সকলো ইউৰোপীয় শক্তিৰ ভিতৰত ইংলেণ্ডে ঔপনিৱেশিক সম্প্রসাৰণৰ নেতৃত্ব লৈছিল। এই ক্ষেত্রত ইয়াৰ প্রচেষ্টাক শিল্প বিপ্লৱ হোৱাৰ পৰা বৈজ্ঞানিক আৰু ঔদ্যোগিক শক্তিয়ে সহায় কৰিছিল। সমগ্র ১৯শ শতিকাতে একে শাসনক কেন্দ্র কৰি গঢ়ি উঠা এখন সাম্রাজ্য ই গঢ়ি তুলিছিল। সমগ্র বিশ্বতে ঔপনিবেশিককাৰীসকলৰ প্রৱেশৰ পদ্ধতি একে আছিল। বণিক অথবা মিচনেৰীসকলৰ আগমনে ইয়াক খৰতকীয়া কৰি তুলিছিল। ভাৰতত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে বিভিন্ন উপকূলীয় অঞ্চলত বাণিজ্য ঘাটি স্থাপন কৰিছিল। ইংলেণ্ডত তৈয়াৰী বস্তুবোৰৰ বিক্রীৰ বাবে ভাৰতৰ বাণিজ্যিক ঘাটিসমূহ ইয়াৰ অন্তৰংগ অংগ হৈ পৰিছিল। বাণিজ্যই ক্রমান্বয়ে অর্থনৈতিক নিয়ন্ত্রণ আৰু অৱশেষত ৰাজনৈতিক নিয়ন্ত্রণলৈ লৈ গৈছিল। কম সময়ৰ ভিতৰতে ভাৰত বৃটিছৰ গতানুগতিক উপনিৱেশলৈ সলনি হৈছিল। ভাৰতৰ আকর্ষণীয় ভূখণ্ডই বৃটিছসকলক ইয়াৰ প্রতি লোভ বঢ়ালে আৰু তেওঁলোকে ইয়াৰ চাৰিওকাষে থকা অব্যৱহৃত ভূখণ্ডৰ দিশে সম্প্রসাৰণৰ বাবে দৃষ্টি নিক্ষেপ কৰিবলৈ ধৰিলে। এই প্রসংগতে বৃটিছসকলে অসমৰ প্রতি ইয়াৰ মনোযোগ দিবলৈ ধৰে।

প্রাৰম্ভিক অৱস্থাত বৃটিছ ঔপনিৱেশিবাদীসকলে অসম আৰু হিমালয়ৰ পূর্বাঞ্চলত ইয়াৰ সম্পদ আৰু ৰণকৌশলগত অৱস্থিতিৰ কাৰণে মনোযোগ দিছিল, কিয়নো এই অঞ্চলৰ তিব্বত, চীন আৰু বার্মাৰ সৈতে এক সমূহীয়া সীমান্ত আছিল। বৃটিছসকলে বিদেশত বজাৰৰ সন্ধান কৰিছিল মূলত ইংলেণ্ডৰ আৰু সাধাৰণভাৱে ইউৰোপৰ অর্থনৈতিক অৱস্থাৰ ওপৰত নির্ভৰ কৰি। বংগৰ দেৱানী লাভ কৰাৰ পাছত ইষ্ট ইণ্ডিয়া কোম্পানী মধ্যযুগৰ আহোম ৰাজ্যৰ প্রত্যক্ষ সংস্পর্শলৈ আহিছিল। ইংৰাজসকলৰ আগমনৰ আগলৈকে এই অঞ্চল দক্ষিণ-পূব এছিয়াত আটাইতকৈ বেছি বিস্তৃত হৈ থকা টাই জনসংখ্যাৰ শান (Shan) দলৰ এটা ভাগ আহোমসকলে শাসন কৰিছিল যি ১৩ শ শতিকাৰ প্রথম ভাগত পাটকাই পাৰ হৈ শিৱসাগৰৰ দাঁতিকাষৰীয়া অঞ্চলত থিতাপি লৈ চুকাফাক তেওঁলোকৰ ৰজা হিচাপে সিংহাসনত বহুৱায়। বৃটিছসকলৰ সীমান্তৱর্তী ৰাজ্যবোৰৰ সৈতে দীঘলীয়া বাণিজ্যিক মিলামিছা আছিল। মানসকলৰ এই অঞ্চলত কাম-কাজ বৃটিছৰ বাণিজ্যিক আগ্রহৰ প্রতি অনুপযোগী হিচাপে বিবেচিত হৈছিল। তদুপৰি, উত্তৰ-পূৱ সীমান্তৰ অসুৰক্ষিত অৱস্থাই বেংগলৰ নিৰাপত্তাৰ প্রতি ভাবুকিৰ সৃষ্টি কৰিছিল যাৰ বাবে ফ'র্ট উইলিয়ামৰ কর্তৃপক্ষই অসমত তেওঁলোকৰ প্রভাৱ বিস্তাৰ কৰিবলৈ বাধ্য হৈছিল।

বৃটিছ চৰকাৰে ১৮২৪ চনত মানসকলৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে আৰু ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ যাগেদি অসম ইষ্ট ইণ্ডিয়া কোম্পানীক অর্পণ কৰা হয়।

১.৩ আহোম ৰাজ্যৰ অৱনতি

১৩ শ শতিকাৰ প্রথম অৱস্থাত, দক্ষিণ পূৱ এছিয়াৰ বিখ্যাত টাই বা থাই পৰিয়ালৰ শান শাখাৰ সদস্য, আহোমসকলে চুকাফাৰ অধীনত ব্রহ্মপুত্র উপত্যকাত এক নতুন ৰাজ্য প্রতিষ্ঠা কৰিছিল। আহোম পুৰাবৃত্তকাৰ (Chronicler) সকলৰ মতে, চুকাফাই ১২১৫ খ্রীষ্টাব্দত নিজ দেশ মাওলুং ত্যাগ কৰি হুকং উপত্যকা হৈ পাটকাই অভিমুখে গতি কৰে। তেওঁ ১৮২৮ চনত ব্রহ্মপুত্র উপত্যকাত উপস্থিত হৈ চৰাইদেউত ১২৫৩ চনত নতুন ৰাজ্যৰ ৰাজধানী পাতি বসতি স্থাপন কৰালৈকে ইঠাইৰপৰা সিঠাইলৈ ভ্রমি ফুৰে যিয়ে তেওঁক এক নতুন ৰাজ্য প্রতিষ্ঠা কৰাত সক্ষম কৰাৰ লগতে সমগ্র ব্রহ্মপুত্র উপত্যকাকে সামৰি লৈছিল আৰু প্রায় ৬০০ বছৰ কাল অতিক্রম কৰিছিল। যেতিয়া চুকাফা ব্রহ্মপুত্র উপত্যকাত উপস্থিত হৈছিল তেওঁ পুৰাবৃত্তকাৰ সকলক ঘটনাপ্রৱাহৰ নথি ৰাখিবলৈ আদেশ দিছিল। ইয়েই আছিল অসমত বুৰঞ্জী ৰচনাৰ আৰম্ভণি, যি ভাৰতীয় ইতিহাস প্রণয়নলৈ এক মূল্যবান অৱদান আছিল।

১২৬৮ চনত চুকাফাৰ মৃত্যু হৈছিল আৰু তেওঁৰ পুত্র চুতেউফা (১২৬৮-১২৮১) উত্তৰাধিকাৰী নির্বাচিত হৈছিল। তেওঁ ৰাজ্যৰ সীমা নামদাং নদীলৈকে সম্প্রসাৰণ কৰিছিল। চুবিনফাৰ (১২৮১-১২৯৩) পৰা চুপিমফাৰ (১৪৯৩-৯৭) ৰাজত্বকাললৈকে ২০০ তকৈ বেছি এক দীঘলীয়া সময় জুৰি আহোমসকলে ৰাজ্যৰ কোনো সম্প্রসাৰণ কৰা নাছিল। আহোম ৰাজ্যৰ ভূখণ্ডৰ প্রথম সম্প্রসাৰণ হৈছিল চুহুঙমুঙৰ (১৪৯৭-১৫৩৯) ৰাজত্বকালত যাৰ ৰাজত্বকালচোৱা আহোমৰ ৰাজনৈতিক আৰু সাংস্কৃতিক ইতিহাসৰ আন এক নতুন যুগ আছিল। আহোম শক্তিৰ নিয়মীয়া সম্প্রসাৰণে আন এটা সম্প্রসাৰণবাদী শক্তি কোচসকলৰ লগত সংঘর্ষত লিপ্ত হ'ব লগা হৈছিল যি ৰৰনদীৰ পশ্চিম দিশে থকা অঞ্চলত বিশ্বসিংহৰ অধীনত নিজকে গৰাকী কৰি তুলিছিল। নৰনাৰায়ণৰ বিচক্ষণ শাসন আৰু সেনাপতি চিলাৰায়ৰ সামৰিক নেতৃত্বত কোচসকলে আহোমসকলক ক্ষমতাৰ পৰা আঁতৰাব বিচাৰিছিল। ১৫৮১ খ্রীষ্টাব্দত কোচ ৰাজ্য কোচবিহাৰ, সোণকোষৰ পশ্চিমফাল আৰু ইয়াৰ পূব দিশত কোচ হাজো এই দুভাগত বিভক্ত হয়, যি কোচ ৰাজ্যক অতিকৈ দুর্বল কৰি তুলিছিল। প্রতাপসিংহৰ (১৬০৩-১৬৪১) ৰাজত্বকালত আহোমৰ ৰাজনৈতিক নেতৃত্ব জয়ন্তীয়া ৰাজ্যলৈকে বিস্তাৰিত হৈছিল, যি কছাৰী ৰাজ্যৰ দক্ষিণত অৱস্থিত আছিল। জয়ন্তীয়া ৰজাৰ প্রচেষ্টাত ৰাজনৈতিক সম্পর্ক স্থাপন হৈছিল যি আহোম ৰজা প্রতাপসিংহলৈ এগৰাকী ৰাজকুমাৰীক বিয়া দিয়াৰ প্রস্তাৱ দিছিল আৰু এনেকৈয়ে বাস্তৱত কৰতলীয়া হৈ পৰিছিল।

১৭ শ শতিকাৰ দ্বিতীয় দশকত আহোমসকল মোগলৰ সৈতে সশস্ত্র সংঘর্ষত লিপ্ত হৈছিল যাৰ প্রভাৱ উত্তৰ-পূবৰ বাহিৰে সমগ্র উপমহাদেশতে বিস্তাৰিত হৈ পৰিছিল। উত্তৰ-পূব মোগলৰ ৰাজনৈতিক নিয়ন্ত্রণৰ বাহিৰত আছিল। প্রতাপসিংহৰ (১৬০৪-১৬৪১) ৰাজত্বকালৰ সময়ৰে পৰা আহোমসকলৰ পশ্চিম দিশে গতি বেছি শক্তিশালী হৈ পৰিছিল আৰু ই মোগলৰ লগত

সংঘর্ষ অনিবার্য কৰি তুলিছিল। আহোমে কৃতকার্যতাৰে মোগলৰ অগ্রগতিক বাধা দিবলৈ সক্ষম হৈছিল আৰু ব্রহ্মপুত্রৰ উত্তৰ পাৰে বৰনদী আৰু দক্ষিণ পাৰে অসুৰৰ আলি দুয়োখন ৰাজ্যৰ মাজৰ সীমা হৈ পৰে। যিকি নহওঁক, গোটেই শতিকাটোতে পূৱ দিশত মোগলৰ সম্প্রসাৰণ চলি আছিল আৰু দুয়োপক্ষৰ মাজত কেইবাবাৰো সশস্ত্র সংঘর্ষ হৈছিল। ১৬৬২-৬৩ চনৰ মিৰজুমলাৰ অভিযানৰ সময়ত আহোমসকলে খন্তেকীয়া পৰাজয়ৰ সন্মুখীন হ'ব লগা হৈছিল আৰু ঘিলাধাৰীঘাট (জানুৱাৰী ১৬৬৩ খ্রীষ্টাব্দ)ৰ সন্ধি কৰিবলৈ বাধ্য হৈছিল। সুদক্ষ সেনাপতি লাচিত বৰফুকনৰ অধীনত আহোমসকলে ১৬৭১ খ্রীষ্টাব্দত শৰাইঘাটৰ যুদ্ধত মোগলসকলক শোচনীয়ভাৱে পৰাস্ত কৰে। গদাধৰ সিংহই শেষৰজন মোগলক ১৬৮২ চনত গুৱাহাটীৰপৰা খেদি পঠিয়াই। আগলৈ মানস নদী আহোমৰ ৰাজ্যৰ পশ্চিমৰ সীমা হৈ পৰে।

ৰুদ্রসিংহৰ (১৬৯৫-১৭১৪) ৰাজত্বকালত আহোমৰ শক্তি শীর্ষ বিন্দুত উপনীত হৈছিল। তেওঁৰ অধীনত আহোমৰ অভিজাত শ্রেণীটো পূর্বতকৈ বেছি সু-সংগঠিত হৈ ৰজাৰ পক্ষত থিয় দি সামন্তবাদী নীতি আৰু ইচ্ছা-আকাংক্ষাক উৎসাহিত কৰিছিল কিন্তু, একে সময়তে প্রজাসাধাৰণৰ লগত প্রত্যক্ষ সংঘর্ষত লিপ্ত হৈছিল যি স্থানীয় ভূ-স্বামী আৰু নৱবৈষ্ণৱ সংস্কাৰকসকলৰ অধীনত সংগঠিত কৰিবলৈ আৰম্ভ কৰিছিল। পৰৱর্তী ৰজা শিৱসিংহৰ ৰাজত্বকালত ৰাজনৈতিক সংকটে ধর্মীয় সংঘর্ষৰ ৰূপ লৈছিল যি ইয়াত জড়িত হৈ পৰিছিল আৰু তেওঁৰ পূর্বপুৰুষে লোৱা সামৰিক আঁচনি চিৰদিনৰ কাৰণে ত্যাগ কৰিব লগা হৈছিল। ইয়াৰ পৰা আগলৈ আহোম ৰাজতন্ত্রৰ অৱনতিৰ চিন স্পষ্ট হৈ পৰিছিল।

দুর্বল আৰু অবিবেচক ৰজাই সিংহাসন অধিকাৰ কৰিছিল আৰু প্রত্যেক উত্তৰাধিকাৰিয়েই ক্ষমতাৰ বাবে হেতা ওপৰা কৰিবলৈ ধৰিছিল। এই অৱস্থাৰ সুযোগ গ্রহণ কৰি এক সামাজিক আৰু ধর্মীয় উপসম্প্রদায় মোৱামৰীয়াসকলে, ১৭৭৮ খ্রীষ্টাব্দত বিদ্রোহ আৰম্ভ কৰি, ৰাজশক্তিক দমন কৰি শাসকীয় ৰজা গৌৰীনাথ সিংহক সিংহাসনচ্যুত কৰিছিল যি গুৱাহাটীলৈ পলাই গৈ বৃটিছৰ পৰা সহায় বিচাৰি আবেদন জনাইছিল। এইদৰেই কেপ্তেইন ৱেলছৰ অসম অভিযান আৰম্ভ হৈছিল আৰু ১৭৯৩ চনত গৌৰীনাথক পুনৰ সিংহাসনত বহুওৱা হৈছিল। যি কি নহওক, চাৰ জন শোৰৰ (গৱর্ণৰ জেনেৰেল) নিযুক্তিৰ কাৰণে ৱেলচক অসমৰ পৰা ঘূৰাই নিয়া হৈছিল যিয়ে অহস্তক্ষেপ নীতিৰ পোষকতা কৰিছিল আৰু যাৰ পৰিণতিস্বৰূপে অসম পুনৰ পূর্বৰ বিশৃংখল, অৰাজক আৰু আভ্যন্তৰীণ সংঘাতৰ পৰিস্থিতিলৈ ঘূৰি গৈছিল।

লক্ষ্মীসিংহৰ (১৭৬৯-১৭৮০) ৰাজত্বকালত আহোম ৰাজতন্ত্রলৈ প্রথম ভাবুকি আহি পৰিছিল এদল মোৱামৰীয়া সত্রৰ শিষ্যৰ পৰা যি এক দীর্ঘ সময় জুৰি শাসক পক্ষৰ তৰোৱালৰ ভাবুকিত দিন কটাইছিল। ধর্মীয় কাৰণত আৰম্ভ হৈ এই বিদ্রোহে ৰাজনৈতিক ৰূপ ধাৰণ কৰি গোটেই ব্রহ্মপুত্র উপত্যকাকে প্রভাৱিত কৰিছিল। ১৭৬৯ চনৰ প্রথম মোৱামৰীয়া বিদ্রোহৰ পৰা আহোম ৰাজ্য এলানি গৃহযুদ্ধ কন্দলত ডুব গৈছিল, যি মানসকলৰ বলপূর্বক প্রৱেশ খৰতকীয়া কৰিছিল আৰু বৃটিছসকলৰ হস্তক্ষেপ অৱধা�ৰিত কৰি তুলিছিল। ইয়াৰ পৰিণতি স্বৰূপে ৰাজ্যখনে স্বাধীনতা হেৰুৱাব লগা হৈছিল আৰু ১৮২৬ চনত ভাৰতৰ বৃটিছ সাম্রাজ্যত চামিল হ'ব লগা হৈছিল।

লক্ষ্মী সিংহৰ ১৭৮০ চনত মৃত্যু হোৱাত তেওঁৰ পুত্ৰ গৌৰীনাথ সিংহ (১৭৮০-১৭৯৫) সিংহাসনৰ উত্তৰাধিকাৰী হয়। তেওঁ মোৱামৰীয়াসকলৰ তীব্ৰ শত্ৰু আছিল আৰু মোৱামৰীয়া সকলক তেওঁ উৎপীড়ন চলাইছিল। কিন্তু নিষ্ঠুৰ দমনেও মোৱামৰীয়াসকলক পৰাভূত কৰিবপৰা নাছিল। আহোম ৰাজতন্ত্ৰৰ বিৰুদ্ধে তেওঁলোকে কৰা প্ৰতিৰোধ অধিক কঠিন হৈ পৰিছিল। ১৭৮২ চনৰ এপ্ৰিল মাহত বিদ্ৰোহীসকলে গড়গাঁৱৰ ৰাজপ্ৰসাদৰ চৌহদত প্ৰৱেশ কৰি ৰজাক হত্যাৰ প্ৰচেষ্টা চলাইছিল আৰু নগৰখন জ্বলাই দিছিল। কিন্তু ৰজা ৰংপুৰলৈ পলাই যাবলৈ সক্ষম হৈছিল। মোৱামৰীয়াসকল তেতিয়া ৰংপুৰলৈ আগবাঢ়ি গৈছিল যদিও নগৰখনত প্ৰৱেশ কৰিবপৰা নাছিল। এক তীব্ৰ সংঘৰ্ষত যথেষ্ট সংখ্যক মোৱামৰীয়াক হত্যা কৰা হৈছিল আৰু বাকীসকলে বিভিন্ন দিশত পলায়ন কৰিছিল। এই অমানৱীয় কাৰ্যই পৰিস্থিতি অধিক জটিল কৰি তুলিছিল আৰু ষড়যন্ত্ৰৰ পাছত ষড়যন্ত্ৰই দেখা দিছিল। ১৭৮৮ চনৰ জানুৱাৰীত গৌৰীনাথ সিংহ গুৱাহাটীলৈ পলাই গৈ ৰাজ্যৰ বিভিন্ন প্ৰান্তৰপৰা মানুহ সংগ্ৰহ কৰি মোৱামৰীয়া সকলৰ সৈতে যুঁজ দিবলৈ পঠাইছিল। মোৱামৰীয়া বিদ্ৰোহে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ মানুহক আহোমৰ শাসনৰ বিৰুদ্ধে জাগি উঠাত আৰু স্বাধীনতা আৰু ন্যায়ৰ কাৰণে যুঁজ দিবলৈ অনুপ্ৰাণিত কৰিছিল। ফলস্বৰূপে, হঠাৎ খেল প্ৰথাৰ পতন ঘটিছিল আৰু আহোম ৰাজতন্ত্ৰৰ পক্ষে বিদ্ৰোহ দমন কৰাটো কঠিন হৈ পৰিছিল কিয়নো সমগ্ৰ প্ৰশাসন ব্যৱস্থাটো সামৰিক যন্ত্ৰ আৰু আৰ্থ-সামাজিক সংগঠন পাইক বা খেল প্ৰথাৰ ওপৰত নিৰ্ভৰশীল আছিল। আহোম শাসনৰ সোণালী দিনৰ সময়ত এই খেল প্ৰথাই নিয়াৰিকৈ কাৰ্য সম্পাদন কৰিছিল।

অৱশেষত গৌৰীনাথ সিংহই বাহিৰা লোকৰ পৰা সহায় ল'বলৈ সিদ্ধান্ত গ্ৰহণ কৰে। গোৱালপাৰাত থকা কোম্পানীৰ লোক হিউজ বেইলীলৈ তেওঁ এখন পত্ৰ লিখি সামৰিক সাহায্য বিচাৰিলে। গৌৰীনাথৰ সহায়ৰ বাবে বেইলীয়ে অলপ বৰকান্দাজৰ ব্যৱস্থা কৰি গুৱাহাটীলৈ পঠালে। গুৱাহাটীলৈ অহাৰ পথত তেওঁলোকক দৰঙৰ বিদ্ৰোহী যুৱৰাজ কৃষ্ণনাৰায়ণে আগভেটি ধৰিলে। আহোম ৰজাই তেতিয়া গোৱালপাৰাৰ লোণ কৰৰ ডেনিয়েল ৰাচলৈ আন এখন পত্ৰ লিখিছিল যি চুবেদাৰ চৈত সিঙৰ অধীনত ৭০০ বৰকান্দাজ সৈন্য তেওঁৰ সহায়ৰ কাৰণে পঠালে। এই সময়চোৱাতে দৰঙৰ কৃষ্ণনাৰায়ণ আৰু হৰদত্তই আহোম ৰাজতন্ত্ৰৰ বিৰুদ্ধে এক বিদ্ৰোহ আৰম্ভ কৰিছিল। ১৭৯১ চনৰ জুলাইত কৃষ্ণনাৰায়ণে কোচবিহাৰৰ কমিচনাৰ হেনৰী ডগলাছক ৫০০১ ৰাজমোহৰী টকাৰ বিনিময়ত বৃটিছ চৰকাৰৰ পৰা সামৰিক সাহায্য বিচাৰে। বৰকান্দাজ সৈন্যৰ সহায়ত কৃষ্ণনাৰায়ণ আৰু হৰদত্তই ১৭৯১ চনৰ ডিচেম্বৰত অসমত প্ৰৱেশ কৰে। কৃষ্ণনাৰায়ণৰ অগ্ৰগতিৰ কথা শুনি গৌৰীনাথ সিংহই শান্তিৰ প্ৰস্তাৱ আগবঢ়ায়, কিন্তু কৃষ্ণনাৰায়ণ এই প্ৰস্তাৱত অমান্তি হয়। নিজ সামৰিক শক্তিৰে বৰকান্দাজসকলক খেদিবলৈ অসমৰ্থ হৈ গৌৰীনাথ সিংহই ৰংপুৰৰ কালেক্টৰ মিঃ লামচডেনৰ ওচৰত (Lumsden) সামৰিক সাহায্যৰ আবেদন জনায়। ৰজাই কোনো প্ৰকাৰৰ সহায় নাপালে। নিজ সৈন্যবাহিনীৰ দ্বাৰা পৰিস্থিতি নিয়ন্ত্ৰণ কৰিব নোৱাৰি ৰজাই পুনৰ এবাৰ ভাৰতৰ গৱৰ্ণৰ জেনেৰেল লৰ্ড কৰ্ণৱালিচলৈ সামৰিক সাহায্য বিচাৰি পত্ৰ লিখিছিল। সেইমতে, ১৭৯২ চনৰ চেপ্তেম্বৰত কেপ্তেইন ওৱেলছৰ সেনাপতিত্বত ৩৬০ জন চিপাহীৰ লেঃ মেক গ্ৰেয়ৰক সহকাৰী হিচাপে, এনচাইন উদক নিৰীক্ষক আৰু ডাঃ জন পিটাৰ ৰেডক সহকাৰী চার্জন হিচাপে অসমলৈ পঠালে। কেপ্তেইন ওৱেলছৰ অভিযানৰ ফলস্বৰূপে গৌৰীনাথ সিংহই ১৭৯৩ চনত পুনৰ এবাৰ

সিংহাসনত আৰোহণ কৰিছিল। যি কি নহওক, চাৰ জন শোৱৰ নিযুক্তিৰ পাছত হস্তক্ষেপ বিৰোধী নীতিৰ কাৰণে কেপ্তেইন ৱেলছক অসমৰ পৰা ঘূৰাই নিয়া হৈছিল। ফলস্বৰূপে, অসম পুনৰ পূৰ্বৰ অৰাজক আৰু আভ্যন্তৰীণ সংঘাতৰ পৰিস্থিতিলৈ ঘূৰি গৈছিল।

গৌৰীনাথ সিংহৰ ১৭৯৫ চনৰ আগষ্ট মাহত কোনো পুৰুষ উত্তৰাধিকাৰী নোহোৱাকৈ মৃত্যু হয়। পূৰ্ণানন্দ বুঢ়াগোঁহাইয়ে কিনাৰামক পুনৰ অধিস্থিত ব্যৱস্থা কৰিলে, যি সিংহাসনত আৰোহণ কৰি হিন্দু নাম কমলেশ্বৰ সিংহ লয়। তেতিয়াৰপৰা পূৰ্ণানন্দ কার্যতঃ ৰাজ্যখনৰ শাসক হয়। কমলেশ্বৰ সিংহৰ ১৮১১ খ্ৰীষ্টাব্দত মৃত্যুৰ পাছত চন্দ্রকান্ত সিংহ আহোম ৰাজ্যৰ ৰজা হয়। পূৰ্ণানন্দ বুঢ়াগোহায়ে ডেকা ৰজা চন্দ্রকান্তৰ (১৮১১-১৭) ওপৰত অনুচিত প্রভাৱ খটুৱাই আৰু বাস্তৱত ৰজাৰ নামত শাসন চলায়। নামনি অসমৰ ৰজাৰ প্রতিনিধি বৰফুকনে বুঢ়াগোঁহাইৰ এই বাক্তিগত শাসনৰ তীব্র বিৰোধিতা কৰিছিল। এই দুই বিষয়াৰ মাজত শত্রুতাই এনে পর্যায় পালেগৈ যে বুঢ়াগোঁহাইয়ে এজন জ্যেষ্ঠ বিষয়াক পর্যাপ্ত সৈন্য লগত দি বৰফুকনক গ্রেপ্তাৰ কৰি ৰাজধানীলৈ আনিবলৈ পঠালে। বৰফুকনে এই বিষয়ে জানিব পাৰি কলিকতালৈ বৃটিছৰ সহায় বিচাৰি পলাই যায়। বৃটিছৰপৰা কোনো সহায় নোপোৱাত তেওঁ আভাত (Ava) থকা মান ৰাজসভাৰ পৰা সহায় বিচাৰি তালৈ যায়। এনেকৈ মানসকলে যি পশ্চিম দিশত নিজৰ প্রভাৱ বিস্তাৰ কৰিবলৈ উৎকণ্ঠাৰে বাট চাই আছিল, ১৮১৭ চনত তেওঁলোকৰ আৱির্ভাৱ ঘটিছিল।

১.৪ মানৰ আক্রমণ

প্রথম আক্রমণ (১৮১৭)

পূৰ্ণানন্দ বুঢ়াগোঁহাই আৰু বদনচন্দ্র বৰফুকনৰ মাজত সৃষ্টি হোৱা সংঘাতৰ ফলত বুঢ়াগোঁহাইয়ে বৰফুকনক ধৰিবলৈ এটা সেনাদল প্রেৰণ কৰিছিল। কিন্তু, বুঢ়াগোহাঁইৰ উদ্দেশ্যৰ বিষয়ে আগতীয়া বাতৰি পাই বদন বেংগললৈ পলাই যাবলৈ সক্ষম হয়। তেওঁ গৱর্ণৰ জেনে�ৰেলৰ পৰা সামৰিক সাহার্য ল'বলৈ চেষ্টা কৰি বিফল হৈ মান ৰজা বদয়াপায়াৰ ৰাজসভালৈ গৈ পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ বিৰুদ্ধে সহায় বিচাৰিছিল। মান ৰজাৰ অসমীয়া ৰাণী, এজন আহোম বিষয়াৰ জীয়ৰী ৰঙিলী গাভৰুৰ কাৰণে বদনচন্দ্রৰ সুবিধা হৈছিল। ৰাণীৰ যোগেদি বদনে মান ৰজাক এদল সৈন্য দি তেওঁক সহায় কৰিবলৈ ৰাজী কৰিছিল। অসমৰ আভ্যন্তৰীণ বিষয়ত হস্তক্ষেপৰ সুযোগত থকা মান ৰজা বদয়াপায়াৰ কাৰণে বদন তেওঁৰ ৰাজসভাত উপস্থিত হোৱাটো ভগৱান প্রদত্ত সুবিধা আছিল। বদয়াপায়াই এটা শক্তিশালী বাহিনী বদনক সহায় কৰিবলৈ পঠিয়াইছিল। মান সেনাবাহিনী ১৮১৭ চনৰ প্রথম ভাগত নামৰূপত উপস্থিত হৈছিল। মান সৈন্যৰ অগ্রগতিৰ বিষয়ে জানিব পাৰি প্রধান মন্ত্রীয়ে তেওঁলোকক বাধা দিবলৈ সৈন্যৰ সাতটা দলৰ ব্যৱস্থা কৰিছিল। সেই মুহূর্তত বুঢ়াগোঁহাই খণ্ডত উগ্র হৈ পৰি সম্ভৱতঃ হৃদৰোগত আক্রান্ত হৈ মৃত্যুবৰণ কৰিছিল। বদনচন্দ্র ১৮১৭ চনৰ মার্চত যোৱহাটত প্ররেশ কৰি চন্দ্রকান্ত সিংহক তেওঁৰ ভূমিকা পালন কৰি যাবলৈ অনুমতি প্রদান কৰে কিন্তু, তেওঁ নিজেই কার্যতঃ শাসক হৈ পৰে। মান সৈন্যই ১৮১৭ চনৰ এপ্রিলত যোৱহাট ত্যাগ কৰে।

দ্বিতীয় আক্রমণ **(১৮১৯)**

মান সৈন্যৰ প্রস্থানৰ পাছত অসমত বদনচন্দ্র আৰু ধনী বৰবৰুৱাৰ মাজত কাজিয়াৰ সূত্রপাত হৈছিল। বদনচন্দ্রক ৰূপসিং নামৰ এজন ভেৰোণীয়া সৈন্যৰ দ্বাৰা হত্যা কৰা হৈছিল। অসমৰ এই সকলো ঘটনাৰ বাতৰি মান ৰাজসভাত লাভ কৰাৰ পাছত বদনৰ হত্যাৰ পোতক তুলিবলৈ আৰু চন্দ্রকান্তক পুনৰ সিংহাসনত বহুৱাবলৈ আলুমিঙিৰ অধীনত এটা শক্তিশালী সেনাবাহিনী প্রেৰণ কৰা হৈছিল। দুয়োপক্ষৰ মাজত ১৮১৯ চনৰ ফেব্রুৱাৰী মাহত জাঁজীৰ ওচৰৰ ফুলপাণি ছিগাত প্রথম সংঘর্ষ হৈছিল। মানসেনা যোৰহাটত প্রৱেশ কৰি চন্দ্রকান্তক সিংহাসনত বহুৱাইছিল। কিন্তু ৰজা নামতহে আছিল আৰু প্রকৃত শাসন চলাইছিল মান সেনাপতিসকলে। এনেকৈ মানসকলে অসমত তেওঁলোকৰ নিয়ন্ত্রণ স্থাপন কৰিছিল। মিঙিমাহা তিলৰাক ২০০০ সৈন্যৰ সৈতে অসমৰ শাসনৰ দায়িত্ব অর্পণ কৰি ১৮১৯ চনৰ এপ্রিলত আলুমিঙিয়ে যোৰহাট ত্যাগ কৰে।

তৃতীয় আক্রমণ (১৮২১)

১৮২০ চনৰ জানুৱাৰীত মিঙিমাহা তিলোৱাই অসম এৰি ৰাজ্যৰ শাসনভাৰ পতলংগ বৰবৰুৱাৰ হাতত গতাই ব্রহ্মদেশলৈ যায়। কিন্তু পতলংগ বৰবৰুৱাই চন্দ্রকান্ত সিংহক মানৰ আনুগত্যৰ বিৰুদ্ধে ৰাজি কৰে। যেতিয়া মিঙিমাহা অসমলৈ ঘূৰি আহিছিল তেওঁ পতলংগৰ অসৎ উদ্দেশ্য সন্দেহ কৰি হত্যা কৰে। এই কথাত চন্দ্রকান্তই নিজৰ জীৱনৰ নিৰাপত্তাৰ প্রতি শংকিত হৈ গুৱাহাটীলৈ পলাই যায়। মানসকলে ১৮২১ চনত যোগেশ্বৰ সিংহ নামৰ এজনক অসমৰ সিংহাসনত বহুৱায়। চন্দ্রকান্তই মানসকলক অসমৰ পৰা খেদিবলৈ চেষ্টা কৰিছিল আৰু ১৮২২ চনৰ জুনত মানৰ লগত তেওঁৰ শেষ সংঘর্ষ হয়, য'ত তেওঁ শোচনীয়ভাৱে পৰাস্ত হয়। ইয়েই অসমৰ পৰা আহোম ৰাজতন্ত্রৰ বিলুপ্তিৰ সূচনা কৰে। অসমত মানসকলৰ কাম-কাজে ইংৰাজসকলৰ বাণিজ্যিক ক্ষেত্রত ক্ষতি কৰিছিল। তদুপৰি উত্তৰ-পূব সীমান্তৰ নিৰাপত্তাহীনতাই বংগৰ সুৰক্ষাৰ প্রতি ভাবুকিৰ সৃষ্টি কৰিছিল। সেয়েহে ফর্ট উইলিয়ামৰ কর্তৃপক্ষই অসমত তেওঁলোকৰ প্রভাৱ বিস্তাৰ কৰিবলৈ বাধ্য হৈছিল। ১৮২৪ চনত বৃটিছ চৰকাৰে ব্রহ্মদেশৰ ওপৰত যুদ্ধ ঘোষণা কৰে আৰু এটা সেনাদল ব্রহ্মপুত্রলৈকে আগবাঢ়ি আহি ৰংপুৰ দখল কৰে আৰু মানসকলক নিজ ভূখণ্ডলৈ ঘূৰি যাবলৈ শক্তি প্রয়োগ কৰে। অৱশেষত, ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ দ্বাৰা আভাৰ ৰজাই অসমৰ ওপৰত তেওঁৰ দাবী আত্মসমর্পণ কৰে।

১.৪.১ বৃটিছৰ হস্তক্ষেপ

শেষৰ আহোম ৰজাসকলৰ অদুৰদর্শিতা আৰু অদক্ষতা, ৰাজনৈতিক অস্থিৰতা আৰু আহোম অভিজাত মন্ত্রী-বিষয়াসকলৰ প্রশাসনযন্ত্রত নিজৰ শ্রেষ্ঠতা প্রতিপন্ন কৰাৰ অঘোষিত প্রতিযোগিতাই ব্রহ্মদেশৰ ৰজাক অসমৰ আভ্যন্তৰীণ বিষয়ত হস্তক্ষেপ কৰাৰ সোণালী সুযোগ প্রদান কৰিছিল। সেই সময়ত বহ্মদেশৰ ৰজাই সাম্রাজ্যবাদী নীতি অনুসৰণ কৰিছিল আৰু অসম, কাছাৰ আৰু মণিপুৰ অধিগ্রহণ কৰি নিজ ৰাজ্যৰ সীমা বিস্তাৰ কৰিব বিচাৰিছিল।

মানসকলে কছাৰী ৰাজ্য আক্রমণ কৰাৰ লগে লগে ইংৰাজসকলে উত্তৰ- পূৱ ভাৰতৰ ৰাজনীতিত অংশগ্রহণ কৰিবলৈ আগবাঢ়ি আহে । মানসেনাইও লগে লগে চট্টগ্রামৰ ওচৰৰ বৃটিছৰ অধীনত থকা চাহপুৰী দ্বীপত আক্রমণ চলায় । ইয়াৰ পৰিণতিস্বৰূপে, ১৮২৪ চনৰ ৫ মার্চ তাৰিখে বৃটিছে ব্রহ্মদেশৰ ওপৰত যুদ্ধ ঘোষণা কৰে ।বৃটিছ আৰু ব্রহ্মদেশৰ মাজত সংঘটিত যুদ্ধ ১৮২৬ চনৰ ২৪ ফেব্রুৱাৰী তাৰিখে স্বাক্ষৰিত সন্ধিৰ জৰিয়তে সামৰণি পৰিছিল। ইয়াণ্ডাবু সন্ধিৰ চর্ত অনুযায়ী ব্রহ্মদেশৰ ৰজাই অসম আৰু ইয়াৰ অধীনস্থ ৰাজ্যসমূহৰ ওপৰত সকলো দাবী পৰিহাৰ কৰিছিল। এনেদৰে, বিজিত শক্তিহিচাপে ইংৰাজসকলে অসমৰ ওপৰত নিজৰ ৰাজনৈতিক কর্তৃত্ত স্থাপন কৰিছিল আৰু পর্যায়ক্রমে গোটেই ব্রহ্মপূত্র উপত্যকা বৃটিছৰ সামৰিক শাসনৰ অধীনলৈ আহিছিল।

১.৪.২ ইয়াণ্ডাবু সন্ধি

ইয়াণ্ডাবু সন্ধি আছিল ১৮২৬ চনৰ ২৪ ফেব্রুৱাৰীত স্বাক্ষৰিত হোৱা এক শান্তি চুক্তি যি প্রথম ইংগ-বার্মা যুদ্ধৰ পৰিসমাপ্তি ঘটাইছিল। ইংৰাজ পক্ষৰ হৈ জেনেৰেল চাৰ আর্কিবেল কেম্পবেল আৰু ব্রহ্মদেশৰ হৈ প্রাদেশিক শাসনকর্তা লিগেইং মহা মিন হল কিয়াও টিন (Legaing Maha Min HLa Kyaw Htin) য়ে স্বাক্ষৰ কৰিছিল।ইয়াণ্ডাবু সন্ধিৰ চর্তসমূহ তলত দিয়া ধৰণৰ আছিলঃ

- এফালে বৃটিছ আৰু আনফালে আভাৰ ৰজাৰ মাজত নিৰৱচ্ছিন্ন শান্তি আৰু বন্ধুত্ব থাকিব।
- ব্রহ্মদেশৰ ৰজা ব্যাগীদাওয়ে (Ba-gyi-daw) অসম আৰু ইয়াৰ চুবুৰীয়া ৰাজ্য কাছাৰ, জয়ন্তীয়া, মণিপুৰৰ ওপৰত থকা সকলো অধিকাৰ ত্যাগ কৰে আৰু ভৱিষ্যতেও কোনো অধিকাৰ সাব্যস্ত নকৰে বুলি প্রতিশ্রুতি দিয়ে।ই ব্রহ্মপুত্র উপত্যকাৰ আহোম ৰাজ্যত ইষ্ট ইণ্ডিয়া কোম্পানীৰ ৰাজনৈতিক অধিকাৰ স্থাপনক স্বীকৃতি দিয়ে।
- দুয়োখন ডাঙৰ ৰাষ্ট্রৰ মাজত সীমা ৰেখাক লৈ হোৱা বিবাদক বাধা দিবলৈ বৃটিছ চৰকাৰে অধিকাৰ কৰা আৰাকান প্রদেশ ধৰি ৰাখিব আৰু আভাৰ ৰজাই সকলো অধিকাৰ এৰি দিব।
- আভাৰ ৰজাই অধিকাৰ কৰা য়েহ, টেভয়, মাগুঁই আৰু টেনাচেৰিম বৃটিছ চৰকাৰক এৰি দিব।
- আভাৰ ৰজাই যুদ্ধৰ ক্ষতিপূৰণ হিচাপে এক কোটি টকা বৃটিছ চৰকাৰক দিবলৈ সন্মত হৈছিল।

১.৫ বৃটিছৰ অসম অধিগ্রহণ

অসম অধিগ্রহণ কৰাৰ পাছত বৃটিছসকলে অসমক নামনি অসম আৰু উজনি অসম নামেৰে দুটা ভাগত বিভক্ত কৰিছিল। গুৱাহাটীক মুখ্য কার্যালয় হিচাপে লৈ কামৰূপ, নগাঁও আৰু দৰঙৰ

এটা অংশ লৈ নামনি অসম গঠিত হৈছিল। উজনি অসম দৰঙৰ আনটো অংশ, বিশ্বনাথৰপৰা বুঢ়ীদিহিং নদীলৈকে ৰংপুৰক মুখ্য কার্যালয় হিচাপে লৈ গঠিত হৈছিল। ইয়াণ্ডাবু সন্ধিয়ে অসমত আহোমৰ শাসনৰ পৰিসমাপ্তি ঘটাইছিল। যিহেতু নামনি অসমৰপৰা ৰাজহ আহৰণৰ আশা স্পষ্ট আছিল, সেয়েহে ইয়াক বৃটিছৰ প্রত্যক্ষ অধীনলৈ অনা হৈছিল। মানৰ আক্রমণৰ সময়ত উজনি অসমৰ মানুহে যথেষ্ট কষ্ট ভোগ কৰিবলীয়া হৈছিল, প্রশাসন ব্যৱস্থা ভাগি পৰিছিল, জনসাধাৰণে চৰকাৰৰ ওপৰত সকলো আস্থা হেৰুৱাই পেলাইছিল। সেয়েহে উজনি অসমক প্রত্যক্ষ সামৰিক নিয়ন্ত্রণৰ অধীনলৈ অনাটো প্রয়োজনীয় হৈ পৰিছিল। ডেভিদ স্কটক নামনি অসমৰ জ্যেষ্ঠ আয়ুক্ত আৰু কর্ণেল ৰিচার্ডক উজনি অসমৰ কনিষ্ঠ আয়ুক্ত হিচাপে নিযুক্তি দিয়া হৈছিল। আৰম্ভণিতে অসমৰ জনসাধাৰণ বৃটিছ শাসনৰ অধীনত সুখী আছিল। অসমৰ সাধাৰণ জনতাই মানৰ আক্রমণৰ সময়ত সীমাহীন দুর্যোগ ভুগিবলগীয়া হৈছিল। তেওঁলোকে সেয়েহে এতিয়া বৃটিছৰ অধীনত শান্তি আৰু সমৃদ্ধিৰ আশা দেখিছিল। শাসক শ্রেণীটোৱেও ভাবিছিল বৃটিছ শাসনৰ অধীনত তেওঁলোকৰ শক্তি আৰু বিশেষ অধিকাৰ সমূহ সুৰক্ষিত হ'ব। কিন্তু বাস্তৱতএইটো হোৱা নাছিল। অতি সোনকালে বৃটিছ প্রশাসন ব্যৱস্থা বেলেগ ফালে গতি কৰিছিল। তেওঁলোকে নিজৰ ব্যৱসায় আৰু সমৃদ্ধিৰ প্রতিহে মনোযোগ দিছিল। সোনকালে মানুহৰ মনত অসন্তুষ্টিয়ে গা কৰি উঠিছিল।

১.৬ বৃটিছ শাসনৰ সুদৃঢ়কৰণ আৰু অস্থায়ী প্রশাসন

মানসকলৰ ৰংপুৰৰ পৰা ১৮২৫ চনৰ জানুৱাৰী মাহত প্রর্ত্যাপণৰ পাছত গোটেই ব্রহ্মপুত্র উপত্যকা বৃটিছৰ সামৰিক নিয়ন্ত্রণৰ অধীনলৈ আহিছিল। শীর্ষ চৰকাৰে এই অঞ্চলত অস্থায়ী প্রশাসন ব্যৱস্থাৰ সিদ্ধান্ত লৈছিল। ডেভিদ স্কট আৰু কর্ণেল ৰিচার্ডক যুটীয়া আয়ুক্ত হিচাপে নিযুক্তি দিয়া হৈছিল, স্কটে গুৱাহাটীক মুখ্য কার্যালয় হিচাপে লৈ পশ্চিম অসমৰ দায়িত্বত থাকিব আৰু ৰিচার্ডে ৰংপুৰক মুখ্য কার্যালয় হিচাপে লৈ পূব অসমৰ দায়িত্বত থাকিব। পূব অসমত সতর্ক সামৰিক নিৰীক্ষণৰ প্রয়োজন আছিল কিয়নো মানৰ নিষ্ঠুৰ আক্রমণৰ ফলত ই বেয়াকৈ ক্ষতিগ্রস্ত হৈছিল আৰু সমগ্র অঞ্চলটোতে অৰাজকতাই বিৰাজ কৰিছিল। কর্ণেল ৰিচার্ডে পূব অসমত অসামৰিক আৰু সামৰিক দুয়োটা কার্যই সম্পাদন কৰিব লগা হৈছিল। জ্যেষ্ঠ আয়ুক্ত ডেভিদ স্কটে পশ্চিম অসমৰ অসামৰিক বিভাগৰ দায়িত্বত আছিল। তেওঁ লগতে সমগ্র অঞ্চলটোৰ ৰাজ্য আৰু জনজাতিসকলৰ লগত ৰাজনৈতিক সম্পর্ক ৰক্ষাৰ দায়িত্বত আছিল। আন কথাত, ডেভিদ স্কটক সমগ্র উপত্যকাটোৰ আয়ুক্ত হিচাপে সকলো দায়িত্ব অর্পণ কৰা হৈছিল। তেওঁ নিজৰ কর্মশক্তি ৰাজহ সংগ্রহ, উপত্যকাটোৰ ন্যায়িক আৰু আৰক্ষী প্রশাসনৰ কামত লগাইছিল। স্কটৰ মূল নীতি আছিল যিমান দূৰ সম্ভৱ পুৰণা ব্যৱস্থা বাহাল ৰখা আৰু যিমান কমকৈ পাৰি নতুন নিয়মৰ প্রৱর্তন কৰা। উজনি অসমত পুৰণা 'পাইক' আৰু 'খেল' প্রথা বাহাল ৰখা হৈছিল। বৰবৰুৱাক ৰাজহ সংগ্রহৰ দায়িত্ব দিয়া হৈছিল। নামনি অসমত পৰাগণাত ভূমি ভাগ কৰা ব্যৱস্থাক বাহাল ৰখা হৈছিল, প্রত্যেক পৰাগণাকে চৌধুৰীৰ অধীনত ৰাজহ সংগ্রহৰ দায়িত্ব দি ৰখা হৈছিল। নগদ ধনেৰে কৰ আদায় কৰা হৈছিল। নামনি অসমৰ মানুহৰ বিভিন্ন কৰ সমূহৰ ভিতৰত আছিল বৃত্তিগত কৰ, ষ্টাম্প কৰ ইত্যাদি। শান্তি শৃংখলা বর্তাই

ৰাখিবলৈ বৃটিছৰ আৰক্ষী ব্যৱস্থা অনুসৰণ কৰা হৈছিল। ই এজন ডাৰোগা, এজন জামাদাৰ আৰু কিছুসংখ্যক কনিষ্টবলেৰে গঠিত আছিল। ন্যায়িক ব্যৱস্থাৰ কাৰণে বৰফুকন পদবীটো বাহাল ৰখা হৈছিল। অসামৰিক বিবাদ সমূহ তেওঁ নিস্পত্তি কৰিছিল। সৰু সুৰা অসামৰিক বিবাদ মীমাংসা কৰিবলৈ কিছুমান পঞ্চায়ত আদালতৰ ব্যৱস্থা আছিল। স্কটে সকলোবোৰ কাম অসমৰ কল্যাণৰ কাৰণে কৰিছিল। অসমৰ ইতিহাসৰ জটিল সময়ত স্কটে প্রশাসন ব্যৱস্থাক গতি প্রদান কৰিছিল। অসমত বৃটিছ শাসনৰ ভেঁটি প্রতিষ্ঠা কৰাত তেওঁ সকলো কঠিনতাৰ কৃতকার্যতাৰে মুখামুখি হৈছিল। যদিও কিছু ক্ষেত্রত বিফল হৈছিল, তথাপি শ্রেষ্ঠ বৃটিছ প্রশাসকসকলৰ মাজৰ এজন তেওঁ আছিল।

সামাজিক আৰু অর্থনৈতিক দিশৰ ভিত্তিত ডেভিদ স্কটে উজনি অসম অধিগ্রহণ কৰা নাছিল। তেওঁ ভাবিছিল যে ই বৃটিছৰ কাৰণে বোজা স্বৰূপ হৈ পৰিব। মানৰ আক্রমণৰ ফলত জনসাধাৰণ উৎখাত হৈ পৰিছিল আৰু চৰকাৰী প্রশাসন ব্যৱস্থাৰ ওপৰত আস্থা হেৰুৱাই পেলাইছিল। লগতে তেওঁ লক্ষ্য কৰিছিল যে আহোম অভিজাতবর্গ শত্রুতাপূর্ণ মেজাজত আছিল। গোমধৰ কোঁৱৰৰ মৃত্যুৰ পাছত ধনজয় বৰগোঁহাইয়ে নেতৃত্ব দিয়া এক ষড়যন্ত্রই বৃটিছৰ বিৰুদ্ধে ক্রোধৰ প্রতিফলন ঘটাইছিল। সেয়েহে, স্কটে উজনি অসমক বৃটিছ সাম্রাজ্যৰ অধীনলৈ নিয়াতকৈ আহোম ৰাজতন্ত্রৰ পুনৰ প্রতিষ্ঠাক অনুমোদন জনাইছিল। সেইমতে আহোম যুৱৰাজ পুৰন্দৰ সিংহক উজনি অসমৰ ৰজা হিচাপে সিংহাসনত বহুওৱা হৈছিল। বৃটিছসকলে ৰজাৰ লগত এখন সন্ধি স্বাক্ষৰিত কৰিছিল যে (ক) ৰজাই বছৰি ৫০,০০০ টকা কৰ হিচাপে পৰিশোধ কৰিব। (খ) ৰজাই বৃটিছৰ ৰাজনৈতিক এজেণ্টৰ পৰামর্শমতে শাসনকার্য চলাব। (গ) ৰজাক বিদেশী আক্রমণৰ পৰা সুৰক্ষা প্রদান কৰা হ'ব। বৃটিছসকলে অতি বিচক্ষণতাৰে ইয়াৰ উদ্দেশ্য সফল কৰিছিল যে তাৎক্ষণিকভাৱে অভিজাতসকলকো সন্তুষ্ট কৰিব লগা হৈছিল আৰু সঠিক সময়ত উজনি অসমো চামিল কৰিছিল কিয়নো পুৰন্দৰ সিংহৰ পক্ষে চুক্তিৰ চর্তবোৰ পূৰণ কৰাটো সম্ভৱ নাছিল। পুৰন্দৰ সিংহ ২৫ বছৰীয়া এজন ডেকা আছিল। তেওঁ নিজৰ নতুন অৱস্থাটোৰ কথা তেওঁৰ ওপৰত আৰোপ কৰা চুক্তি গ্রহণ কৰোতে উপলব্ধি কৰিব পৰা নাছিল। তেওঁৰ প্রশাসন ব্যৱস্থা আৰম্ভণিৰে পৰা বেয়াকৈ ক্ষতিগ্রস্ত হৈছিল আৰু ৰাজনৈতিক সমস্যাৰে ভৰি পৰিছিল। তেওঁক বৃটিছসকলে অনুমোদন জনাইছিল। অসমীয়া মানুহ আৰু অভিজাতবর্গই তেওঁৰ পৰিবর্তে চন্দ্রকান্ত সিংহক ৰজা হিচাপে বিচাৰিছিল কিয়নো পুৰন্দৰ সিংহই জীৱনৰ প্রথমচোৱা কাল বেংগলত অতিবাহিত কৰিছিল। যেতিয়া বৃটিছসকলে অসম নিজৰ অধীনলৈ নিছিল তেওঁলোকে বহুতো নতুন নীতি নিয়মৰ সূচনা কৰিছিল যি সাধাৰণ জনতাক অসুখী কৰি তুলিছিল। ফলস্বৰূপে, পুৰন্দৰ সিংহই বৃটিছৰ লগত কৰা সন্ধি বর্তাই ৰাখিব পৰা নাছিল। ১৮৩৫ চনৰপৰা ৰাজহৰ হঠাৎ পতন ঘটিছিল কাৰণ পুৰন্দৰ সিংহই বৃটিছক বছৰি পৰিশোধ কৰিবলগীয়া ধন নিয়মীয়াকৈ আদায় দিব পৰা নাছিল। এই চুক্তিৰ ভংগই বৃটিছ চৰকাৰক উজনি অসমৰ চামিলকৰণৰ সমর্থনত প্রচুৰ আৰু ন্যায়সংগত সুযোগ দিছিল। অৱশেষত, ১৮৩৮ চনত উজনি অসমক ভাৰতৰ বৃটিছ সাম্রাজ্যৰ লগত আনুষ্ঠানিকভাৱে চামিল কৰে। আন কথাত, অসমত বৃটিছ শাসনৰ ভেঁটি প্রতিষ্ঠা কৰা হৈছিল।

১.৬.১ বেংগল প্রেচিডেন্সি

বেংগলৰ শেষৰজন স্বাধীন নবাবৰ ১৭৫৭ চনৰ জুনত হোৱা পলাচী যুদ্ধ আৰু ১৭৬৪ চনৰ বক্সাৰ যুদ্ধত পৰাজয়ৰ পাছত ১৭৬৫ চনত বেংগল প্রেচিডেন্সি স্থাপন কৰা হৈছিল। বংগৰ গৱর্ণৰজন একে সময়তে বহুবছৰ ভাৰতৰ ৰাজপ্রতিনিধি হৈ আছিল। ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ পাছত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে অঞ্চলটো নিজৰ নিয়ন্ত্রণলৈ নিয়ে। বৃটিছ প্রশাসনিক ব্যৱস্থাৰ অধীনত অসম বেংগল প্রেচিডেন্সি নামৰ প্রদেশৰ এটা অংশ হৈ পৰে। অসম ১৮৭৩ চনলৈকে বিশাল বেংগল প্রেচিডেন্সিৰ প্রশাসনিক কর্তৃত্বৰ অধীন আছিল যি অসম, বেংগল, বিহাৰ, উৰিষ্যা, দিল্লীক লৈ সংযুক্ত প্রদেশ, মধ্য প্রদেশৰ অংশ আৰু চোটানাগপুৰক লৈ গঠিত আছিল। অসমক বেংগল প্রেচিডেন্সিৰ সৈতে চামিলকৰণে প্রশাসনিক দিশত কিছুমান ব্যৱহাৰিক সমস্যাৰ সৃষ্টি কৰিছিল যাৰ কাৰণে ১৮৭৪ চনৰ ৬ ফেব্রুৱাৰীৰ এক ঘোষণা পত্রৰ জৰিয়তে অসমৰ প্রশাসন এজন চীফ্ কমিচনাৰক অর্পণ কৰা হয়।

১.৭ চীফ্ কমিচনাৰৰ অধীনৰ প্রদেশ

অসম, বেংগল প্রেচিডেন্সিৰ অংশ হিচাপে, যি আগতেই এক বৃহৎ প্রদেশ আছিল, প্রশাসকসকলৰ কাৰণে কিছুমান সমস্যাৰ সৃষ্টি কৰিছিল। প্রথমতে, নৃ-গোষ্ঠীয় বৈচিত্র্য আছিল বিপৰীতধর্মী। দ্বিতীয়তে, প্রেচিডেন্সিৰ প্রশাসন ব্যৱস্থাই লেঃ গৱর্ণৰৰ বোজা বৃদ্ধি কৰিছিল। তৃতীয়তে, অসমত ইউৰোপীয় চাহ খেতিয়কসকলৰ 'অদ্বিতীয় স্থান' আছিল আৰু তেওঁলোকৰ বিশেষ বিবেচনাৰ প্রয়োজন আছিল। এনেকৈ বিশাল বেংগল প্রেচিডেন্সিৰ প্রশাসনিক অসুবিধাসমূহ কিছু সময় জুৰি অনুভৱ কৰাৰ পাছত এই বিষয়ত এটা সিদ্ধান্ত লোৱাটো প্রয়োজন হৈ পৰিছিল। সেয়েহে, পৰিষদৰ সদস্য, মুইৰয়ে অসমক চীফ্ কমিচনাৰ শাসিত ৰাজ্য কৰাৰ পোষকতা কৰিছিল, যিহেতু ই লেঃ গৱর্ণৰৰ বোজা পাতলোৱাৰ লগতে বেংগলতকৈ ভাৰতৰ প্রত্যক্ষ নিয়ন্ত্রণৰ অধীনলৈ নিলে প্রদেশখনত মুক্ত আৰু উন্নত প্রত্যাশা যোগাব। বেংগলৰ প্রশাসনিক বোজা লাঘৱ কৰা আৰু স্থানীয় প্রশাসন শক্তিশালী কৰাৰ উদ্দেশ্য লর্ড নর্থব্রুকে ২৩ অক্টোবৰত ভাৰতৰ সচিবলৈ অসমক চীফ্ কমিচনাৰ শাসিত প্রদেশলৈ নিয়াৰ চূড়ান্ত আয়োজনৰ কাৰণে এক প্রস্তাৱ প্রেৰণ কৰে। সেইমতে, ১৮৭৪ চনৰ ৬ ফেব্রুৱাৰীত অসম প্রদেশক গৱর্ণৰ জেনেৰেলৰ পৰিষদৰ তাৎক্ষণিক কর্তৃত্ব আৰু নিয়ন্ত্রণৰ অধীনত এজন চীফ্ কমিচনাৰক অর্পণ কৰা হয়। ১৮৭৪ চনৰ ৭ ফেব্রুৱাৰীত কর্ণেল আৰ.এইচ.কিটিংক অসমৰ প্রথম মুখ্য আয়ুক্ত হিচাপে নিযুক্তি দিয়া হয়। ১৮৭৪ চনৰ চেপ্তেম্বৰত চিলেট জিলাক অসমৰ লগত সংযুক্ত কৰা হৈছিল।

১.৮ অসমত বৃটিছ শাসনৰ বিৰুদ্ধে প্ৰাৰম্ভিক বিদ্রোহ

১.৮.১ গোমধৰ কোঁৱৰৰ বিদ্রোহ (১৮২৮)

ইষ্ট ইণ্ডিয়া কোম্পানীৰ মনোভাৱ আৰু কাম কাজৰ পৰা তেওঁলোকে অসমত খোপনি পোতাটো স্পষ্ট হৈ পৰিছিল। তেওঁলোকৰ কাম-কাজ আৰু নীতিত উচ্চ শ্রেণীটো অসন্তুষ্ট হৈ পৰিছিল। অভিজাত লোকসকলে পেন্সন আৰু নিম্ন পদবীত বিশেষ অধিকাৰসমূহ আঁতৰাই নিয়াটো বুজি উঠিছিল। তেওঁলোকে সেয়েহে আহোম ৰাজতন্ত্ৰৰ পুনৰ প্রতিষ্ঠা আৰু ৰংপুৰত থকা বৃটিছৰ ঘাটি দখল কৰাৰ প্রচেষ্টা চলাইছিল। ১৮২৮ চনত গোমধৰ কোঁৱৰ আৰু ধনজয় পিয়লী বুঢ়াগোহাঁইৰ নেতৃত্বত প্রথম প্রচেষ্টা চলোৱা হৈছিল। অভিজাত সকলে সমর্থন আগবঢ়োৱাৰ লগতে আক্রমণ চলোৱাৰ সময়োপযোগী ক্ষণ বুলি ভাবিছিল। গোমধৰ কোঁৱৰক আহোম ৰীতিমতে আনুষ্ঠানিকভাৱে সিংহাসনত বহুওৱা হৈছিল আৰু ওচৰৰ অঞ্চলসমূহৰপৰা মানুহ আৰু অস্ত্র শস্ত্র সংগ্রহ কৰা হৈছিল। ১৮২৮ চনৰ নৱেম্বৰত গোমধৰ যোৰহাটৰ পৰা বাৰ মাইল আঁতৰৰ মৰিয়নী অভিমুখে ৰাওনা হয়। মৰিয়নীলৈ যোৱাৰ পথত বিদ্রোহী সকলক বৃটিছসকলে ৰাদাৰফর্ডৰ নেতৃত্বত আগচি ধৰে। এক দুর্বল বাধা প্রদানৰ পাছত গোমধৰ নগা পাহাৰলৈ পলাই যায় আৰু কেইদিনমান পাছত তেওঁ নিজে আত্মসমর্পণ কৰে। গোমধৰ কোঁৱৰক যোৰহাটৰ পঞ্চায়তত বিচাৰ কৰা হৈছিল আৰু ৰাজদ্রোহ আৰু বিদ্রোহত জড়িত থকাৰ বাবে দোষী সাব্যস্ত কৰি মৃত্যুদণ্ড দিয়া হৈছিল। ধনঞ্জয় পিয়লী বুঢ়াগোহাঁই, যাক অর্থদণ্ড বিহা হৈছিল, তেওঁ নগা পাহাৰলৈ পলাই যাবলৈ সক্ষম হৈছিল।

১.৮.২ দ্বিতীয় বিদ্রোহ (১৮২৯)

গোমধৰ কোঁৱৰৰ বিদ্রোহ বিফল হোৱাৰ পাছত ১৮২৯ খৃষ্টাব্দত আহোম ৰজা যোগেশ্বৰ সিংহৰ বংশৰ গদাধৰ সিংহ নামৰ এজন আহোম ৰাজকোঁৱৰে ৰাজতন্ত্র পুনৰ প্রতিষ্ঠাৰ বাবে এই বিদ্রোহ সংঘটিত কৰিছিল। তেওঁ অসমত আহোম ৰাজতন্ত্র পুনৰ প্রতিষ্ঠাৰ বাবে শদিয়াত বাহৰ পাতি থকা চিপাহীসকলৰ সহায় বিচাৰিছিল। কিন্তু সহায়ৰ পৰিৱর্তে তেওঁলোকে গদাধৰক বন্দী কৰি গুৱাহাটীলৈ পঠিয়াই দিছিল। তদুপৰি, তেওঁ ব্রিটিছৰ বিৰুদ্ধে ব্রহ্মদেশৰ ৰজাৰ সমর্থন লাভ কৰাৰ উদ্দেশ্যেৰে নিজৰ ভনীয়েকক ব্রহ্মদেশৰ ৰজা ব্যাগীদাওলৈ (Ba-gyi-daw) বিয়া দিছিল। কিন্তু ব্যাগীদাওৱাই সক্রিয় সমর্থন আগবঢ়োৱাত গদাধৰ সিংহৰ এই বিদ্রোহ কলিতেই নির্মূল কৰা হৈছিল।

১.৮.৩ তৃতীয় বিদ্রোহ (১৮৩০)

১৮৩০ চনৰ পৰৱর্তী সময়ত আহোম ৰাজতন্ত্র পুনৰ স্থাপনৰ বাবে আন এক বিদ্রোহৰ সূত্রপাত হৈছিল। এই বিদ্রোহৰ নেতৃত্ব বহন কৰিছিল ধনঞ্জয় বৰগোঁহাইয়ে।

তেওঁক এই বিদ্রোহত সহায় আগবঢ়াইছিল পুত্র হৰনাথ, হৰকান্ত আৰু হেমনাথ, জোৱাঁই জিউৰাম দিহিঙ্গীয়া বৰুৱা, পিয়লী ফুকন আৰু আন বিদ্রোহী নেতাসকলে। তেওঁলোকে যুৱৰাজ ৰূপচান্দক ৰজা পাতিবলৈ বিচাৰিছিল আৰু বৃটিছৰ বিৰুদ্ধে এই বিদ্রোহত মোৱামৰীয়া, খামতি, চিংফৌ, খাচি, গাৰো আৰু নগা সকলৰ সহায় বিচাৰিছিল।

ধর্মীয় বিশ্বাস অনুসৰি দেওপূজা অনুষ্ঠিত কৰাৰ পাছত বিদ্রোহীসকলে এজন জমাদাৰৰ অধীনত ত্রিশজন সৈন্য লৈ ৰংপুৰ অভিমুখে ৰাওনা হয়। কিন্তু তেওঁলোকক পৰাস্ত কৰি ওভতাই পঠোৱা হৈছিল। ব্রিটিছসকলে ১৮৩০ চনৰ মাজ ভাগত বিদ্রোহ দমন কৰি ধর্মীয় বিশ্বাস অনুসৰি দেওপূজা অনুষ্ঠিত কৰাৰ পাছত বিদ্রোহীসকলে এজন জমাদাৰৰ অধীনত ত্রিশজন সৈন্য লৈ ৰংপুৰ অভিমুখে ৰাওনা হয়। কিন্তু তেওঁলোকক পৰাস্ত কৰি ওভতাই পঠোৱা হৈছিল। ব্রিটিছ সকলে ১৮৩০ চনৰ মাজ ভাগত বিদ্রোহ দমন কৰি বিদ্রোহৰ মূল নেতাসকলক গ্রেপ্তাৰ কৰা হৈছিল। যোৰহাটত অনুষ্ঠিত হোৱা পঞ্চায়তে ৰাজদ্রোহৰ অপৰাধত ৰূপচান্দ, হৰনাথ, জিউৰাম, পিয়লী আৰু বম চিংফৌক মৃত্যুদণ্ড বিহিছিল। কিন্তু ডেভিদ স্কটে পঞ্চায়তৰ বিচাৰ কিছু লাঘৰ কৰিছিল।

আগষ্ট মাহত যোৰহাটত পিয়লী বৰফুকন আৰু জীউৰামক ফাঁচি দিয়া হৈছিল। অন্যান্য বিদ্রোহীসকলৰ সা-সম্পত্তি বাজেয়াপ্ত কৰাৰ লগতে ঢাকা জেললৈ নিক্ষেপ কৰা হৈছিল। এইদৰেই ১৮৩০ চনৰ বিদ্রোহৰ পৰিসমাপ্তি ঘটিছিল।

এনেদৰে, অসমত বৃটিছৰ বিৰুদ্ধে সৃষ্টি হোৱা প্রাৰম্ভিক বিদ্রোহসমূহ শক্তিশালী আৰু সুসংগঠিত বৃটিছ সকলে কঠোৰ হাতেৰে দমন কৰিছিল।

১.৮.৪ খাচীসকলৰ বিদ্রোহ (১৮২৯)

বৃটিছ সকলৰ বিৰুদ্ধে খাচীসকলে অতি সু-সংগঠিত আৰু দৃঢ় প্রতিৰোধ আগবঢ়াইছিল। বার্মা যুদ্ধৰ সময়ত কিছুমান খাচী মুখিয়াল নেতাই দুৱাৰ অঞ্চলৰ ওপৰত অধিকাৰ হেৰুৱাইছিল। ১৮২৫ চনত ডেভিদ স্কটে তেওঁলোকৰ লগত নির্ধাৰিত নগদ ধনৰ দাবীৰে এক বুজাপৰা কৰিছিল যিটো পৰিশোধ কৰাটো তেওঁলোকৰ পক্ষে সম্ভৱ নাছিল। তিৰুৎ সিঙে খাচী জনগণক বৃটিছৰ বিৰুদ্ধে নেতৃত্ব দিছিল। ১৮২৮ চনৰ এপ্রিলত প্রায় ৫০০ মানুহৰ এদল লোকে তিৰুৎ সিঙৰ নেতৃত্বত আক্রমণ চলায় দুজন ইংৰাজ বিষয়া লেঃ বার্লটন (Burlton) আৰু বেডিংচফিল্ডৰ (Beddingsfield) উপৰিও নংখালুত ৬০ জন ভাৰতীয় চিপাহীক হত্যা কৰে। যাহওঁক, ১৮৩২ চনত তিৰুৎ সিঙে বশ্যতা স্বীকাৰ কৰে আৰু বৃটিছসকলে ৰজাক বশ্যতামূলক মিত্রতা নীতিৰ অধীনলৈ আনি খাচীসকলক শান্ত কৰিছিল।

১.৯ বৃটিছ শাসনৰ বিৰুদ্ধে প্রাৰম্ভিক বিদ্রোহসমূহৰ ফলাফল আৰু গুৰুত্ব

১৮২৮ চনত গোমধৰ কোঁৱৰে বৃটিছৰ চৰকাৰৰ বিৰুদ্ধে প্রথম প্রয়াস চলাইছিল। তেওঁৰ প্রধান উদ্দেশ্য আছিল আহোম ৰাজতন্ত্র পুনৰ প্রতিষ্ঠা কৰা আৰু বৃটিছসকলক খেদোৱা। যদিও

তেওঁ বিফল হৈছিল, ই বিদেশী শক্তিৰ বিৰুদ্ধে যুঁজ দিয়াত জনগণক অনুপ্ৰাণিত কৰিছিল। বৃটিছ চৰকাৰে সাধাৰণ কৃষকৰ ওপৰত যথেষ্ট কৰৰ বোজা আৰোপ কৰিছিল। ঔপনিবেশিক চৰকাৰ অসমৰ উন্নতিৰ প্ৰতি সম্পূৰ্ণৰূপে উদাসীন আছিল আৰু ইয়াৰ বিপৰীতে ৰাজহৰ নতুন উৎস ধৰি ৰখাৰ উদ্দেশ্যে যথেষ্ট উদ্যোগ লৈছিল যিয়ে অৱশেষত অসমৰ মাটিত বিদ্ৰোহৰ অগ্নি জ্বলাইছিল। সম্পদৰ শোষণ, জনসাধাৰণক শোচনীয় দৰিদ্ৰতালৈ সংকুচিত কৰা, জনজাতীয় এলেকাৰ আভ্যন্তৰীণ বিষয়ত হস্তক্ষেপ কৰা কাৰ্যই তেওঁলোকৰ মনত বৃটিছ চৰকাৰৰ প্ৰতি ঘৃণা আৰু অপমানৰ জন্ম দিছিল। যদিও বিদ্ৰোহ সমূহ বৃহৎ পৰিসৰত ইয়াৰ লক্ষ্য আৰু উদ্দেশ্য লাভ কৰাত বিফল হৈছিল তথাপি ই অন্য ঠাইৰ জনগণক বৃটিছৰ বিৰুদ্ধে বিদ্ৰোহ কৰাত উৎসাহিত কৰিছিল।



জানি থোৱা ভাল

- অসমৰ বুৰঞ্জী ৰচনাৰ আৰম্ভণি আহোম যুগত আৰম্ভ হৈছিল।
- অসমত আহোমৰ প্ৰথম ৰাজধানী আছিল চৰাইদেউ।
- প্ৰথম মোৱামৰীয়া বিদ্ৰোহৰ সূচনা হৈছিল ১৭৬৯ চনত।
- ইয়াণ্ডাবু সন্ধি ১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰীত স্বাক্ষৰিত হৈছিল যি অসমত আহোম শাসনৰ সমাপ্তি ঘটাইছিল। বৃটিছৰ হৈ চাৰ আৰ্চিবেল কেম্পবেলে এই চুক্তিত স্বাক্ষৰ কৰিছিল।
- গোমধৰ কোঁৱৰ, ধনঞ্জয় বৰগোঁহাই আৰু তেওঁৰ অনুগামীসকলে বৃটিছৰ অসম অধিগ্ৰহণৰ বিৰুদ্ধে ১৮২৮ চনত বিদ্ৰোহত লিপ্ত হৈছিল।
- আৰ.এইচ.কিটিং অসমৰ প্ৰথম চীফ্ কমিচনাৰ আছিল।
- অসমক বেংগল প্ৰেচিডেন্সিৰপৰা ১৮৭৪ চনত পৃথক কৰা হৈছিল।
- চিলেটক অসমৰ পৰা পৃথক কৰি ১৯৪৭ চনত পাকিস্তানক অন্তৰ্ভুক্ত কৰা হৈছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন১ঃ শুদ্ধ উত্তৰটো বাছি উলিয়াওক ঃ

ক) অসমত আহোম ৰাজ্যৰ প্ৰথম ৰাজধানী আছিল চৰাইদেও/গড়গাঁও/শিৱসাগৰ।

.....

খ) ইয়াণ্ডাবু সন্ধি ইষ্ট ইণ্ডিয়া কোম্পানী আৰু আহোম ৰজা/মান ৰজা/কছাৰী ৰজাৰ মাজত স্বাক্ষৰিত হৈছিল।

.....

গ) মোৱামৰীয়া বিদ্ৰোহৰ প্ৰথম পৰ্যায় ১৭৫৯/১৭৭৯/১৭৬৯ চনত আৰম্ভ হৈছিল।

.....

ঘ) অসমত ১৮২৮ চনত হোৱা বৃটিছ বিৰোধী বিদ্ৰোহৰ নেতৃত্ব দিছিল পিয়লী বৰুৱা/ গোমধৰ কোঁৱৰ/ধনজয় বৰগোহাঁইয়ে।

.....

প্রশ্ন ২ঃ খালী ঠাই পূৰ কৰক ঃ

ক) অসমৰ প্রথম চীফ্ কমিচনাৰ আছিল .....।

খ) অসমক বেংগল প্রেচিডেন্সিৰ পৰা ..... চনত পৃথক কৰা হৈছিল।

গ) তিৰুৎ সিং ..... নেতা আছিল।



১.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ১৫ শ আৰু ১৬ শ শতিকাৰ এটা উল্লেখনীয় বৈশিষ্ট্য হৈছে বিশ্বৰ বিভিন্ন অঞ্চলত ইউৰোপীয় শক্তিসমূহে তেওঁলোকৰ নিয়ন্ত্রণ বিস্তাৰ কৰিবলৈ কৰা প্রচেষ্টা।
- সকলো ইউৰোপীয় শক্তিৰ ভিতৰত ইংলেণ্ডে ঔপনিৱেশিক সম্প্রসাৰণৰ নেতৃত্ব লৈছিল। সমগ্র ১৯শ শতিকাতে একে শাসনক কেন্দ্র কৰি গঢ়ি উঠা এখন সাম্রাজ্য ই গঢ়ি তুলিছিল।
- ভাৰতত ইষ্ট ইষ্টিয়া কোম্পানীয়ে বিভিন্ন উপকূলীয় অঞ্চলত বাণিজ্য ঘাটি স্থাপন কৰিছিল। কম সময়ৰ ভিতৰতে ভাৰত বৃটিছৰ গতানুগতিক উপনিৱেশলৈ সলনি হৈছিল।
- ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ যাগেদি অসম ইষ্ট ইণ্ডিয়া কোম্পানীক অর্পণ কৰা হয়।
- ৰুদ্রসিংহৰ (১৬৯৫-১৭১৪) ৰাজত্বকালত আহোমৰ শক্তি শীর্ষ বিন্দুত উপনীত হৈছিল। লক্ষ্মীসিংহৰ (১৭৬৯-১৭৮০) ৰাজত্বকালত এদল মোৰামৰীয়া সত্রৰ শিষ্যৰ পৰা আহোম ৰাজতন্ত্রলৈ প্রথম ভাবুকি আহি পৰিছিল ।
- ইয়াণ্ডাবু সন্ধিৰ চর্ত অনুযায়ী পর্যায়ক্রমে গোটেই ব্রহ্মপূত্র উপত্যকা বৃটিছৰ সামৰিক শাসনৰ অধীনলৈ আহিছিল। ইয়াণ্ডাবু সন্ধিয়ে অসমত আহোমৰ শাসনৰ পৰিসমাপ্তি ঘটাইছিল।
- ১৮৭৪ চনৰ ৬ ফেব্রুৱাৰীত অসম প্রদেশক গৱর্ণৰ জেনে�ৰেলৰ পৰিষদৰ তাৎক্ষণিক কর্তৃত্ব আৰু নিয়ন্ত্রণৰ অধীনত এজন চীফ্ কমিচনাৰক অর্পণ কৰা হয়। ১৮৭৪ চনৰ ৭ ফেব্রুৱাৰীত কর্ণেল আৰ.এইচ.কিটিংক অসমৰ প্রথম মুখ্য আয়ুক্ত হিচাপে নিযুক্তি দিয়া হয়।
- ১৮৭৪ চনৰ চেপ্তেম্বৰত চিলেট জিলাক অসমৰ লগত সংযুক্ত কৰা হৈছিল।
- অসমত বৃটিছৰ বিৰুদ্ধে সৃষ্টি হোৱা প্রাৰম্ভিক বিদ্রোহসমূহ শক্তিশালী আৰু সুসংগঠিত বৃটিছসকলে কঠোৰ হাতেৰে দমন কৰিছিল।



১.১১ অধিক জানিবলৈ

ইংৰাজী গ্রন্থঃ

1. Barpujari, H.K. (1992). *The comprehensive history of Assam*. *Modern period: Yandabu to diarchy 1826-1919A.D*. Volume four. Guwahati: Publication Board of Assam.

2. Baruah, S.L. (2007). *A comprehensive history of Assam*. Delhi: Munshiram Manoharlal Publishers Pvt. Ltd.
3. Gogoi, P. (1968). *The Tai and Tai Kingdom*.
4. Lahirl, R.M. (1994). *Annexation of Assam*.



১.১২ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ

ক) চৰাইদেউ

খ) ব্ৰহ্মদেশৰ ৰজা।

গ) ১৭৬৯ চনত।

ঘ) গোমধৰ কোঁৱৰ

২ নং প্ৰশ্নৰ উত্তৰ ঃ

ক) আৰ. এইচ. কিটিং

খ) ১৮৭৪ চনত

গ) খাচী

১.১৩ আৰ্হি প্ৰশ্ন

ক) **অতি চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত লিখক)**

প্ৰশ্ন ১ঃ কোনজন আহোম ৰজাই যোৰহাটত প্ৰথম ৰাজধানী পাতিছিল?

প্ৰশ্ন ২ঃ আলুমিংগি কোন আছিল?

প্ৰশ্ন ৩ঃ বদনচন্দ্ৰ বৰফুকনক কোনে হত্যা কৰিছিল?

খ) **চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত লিখক)**

প্ৰশ্ন ১ঃ ইয়াণ্ডাবু সন্ধি

প্ৰশ্ন ২ঃ ডেভিদ স্কট

প্ৰশ্ন ৩ঃ গোমধৰ কোঁৱৰৰ বিদ্ৰোহ

গ) **ৰচনাধৰ্মী প্ৰশ্ন (উত্তৰসমূহ ৩০০-৫০০ শব্দৰ ভিতৰত লিখক)**

প্ৰশ্ন ১ঃ অসমত আহোম ৰাজ্যৰ অৱনতি আৰু পতনৰ বিষয়ে বৰ্ণনা কৰক।

প্ৰশ্ন ২ঃ অসমত মানৰ আক্ৰমণৰ সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ৩ঃ অসমত বৃটিছ সকলে কেনেকৈ তেওঁলোকৰ শক্তি সুদৃঢ় কৰিছিল সেই সম্পৰ্কে বৰ্ণনা কৰক।

****

অধ্যায় ২ ঃ ১৮৫৭ চনৰ বিদ্রোহ আৰু অসম

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ ১৮৫৭ চনৰ বিদ্রোহ আৰু অসম
২.৪ মণিৰাম দেৱানৰ ভূমিকা
২.৫ বৃটিছসকলৰ দ্বাৰা বিদ্রোহ দমন
২.৬ ১৮৫৭ চনৰ বিদ্রোহৰ প্রকৃতি
২.৭ বিদ্রোহৰ বিফলতাৰ কাৰণ
২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৯ অধিক জানিবলৈ
২.১০ অগ্রগতিৰ খতিয়ান
২.১১ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনিঃ

- ১৮৫৭ চনৰ বিদ্রোহৰ পটভূমি আৰু প্রকৃতিৰ বিষযে ব্যাখ্যা কৰিব পাৰিব
- বিদ্রোহৰ বিফলতাৰ কাৰণসমূহ বিশ্লেষণ কৰিব পাৰিব
- বিদ্রোহ দমন কৰিবলৈ বৃটিছসকলে গ্রহণ কৰা নীতিৰ বিষয়ে জানিব পাৰিব
- বিদ্রোহত মণিৰাম দেৱানৰ ভূমিকা আলোচনা কৰিব পাৰিব।

২.২ পৰিচয়

১৮৫৭ চনৰ বিদ্রোহক ভাৰতৰ ইতিহাসৰ এক গুৰুত্বপূর্ণ ঘটনা হিচাপে গণ্য কৰা হয়। ১৮৫৭ চনৰ ১০ মে' তাৰিখে দিল্লীৰপৰা ৫৮ কি.মি. নিলগৰ মিৰাটত (Meerut) কোম্পানীৰ চিপাহীসকলে বিদ্রোহ কৰাত ১৮৫৭ চনৰ বিদ্রোহৰ সূচনা হয়। মিৰাটৰ প্রথম বিদ্রোহৰ ফিৰিঙতি ১১ মে'ত দিল্লী, ৩০/৩১ মে'ত লক্ষ্ণৌ, ৪ জুনত কাণপুৰ, ৬ জুনত ঝান্সি, ২৫ জুলাইত ৰুহেলখণ্ড, জগদীশপুৰ আৰু বিহাৰলৈ সম্প্রসাৰণ হয়। এই বিদ্রোহে কোম্পানী শাসনৰ ভেঁটি কঁপাই তোলে। এই বিদ্রোহ কেৱল চিপাহীসকলৰ অসন্তুষ্টিৰ ফলত সৃষ্টি হৈছিল যদিও প্রকৃততে কিন্তু ই আছিল ঔপনিবেশিক শাসনৰ নীতি আৰু চৰিত্র, কোম্পানীৰ শাসনত জনসাধাৰণৰ মনত পুঞ্জীভূত হোৱা দুখ যন্ত্রণা আৰু বিদেশী শাসনৰ প্রতি থকা অসন্তুষ্টিৰে সৃষ্টি। সম্ভৱতঃ দেশৰ অর্থনৈতিক শোষণ আৰু ইংৰাজৰ দ্বাৰা ভাৰতৰ পৰম্পৰাগত অর্থনৈতিক গাঁথনিৰ ধ্বংস কার্যও এই বিদ্রোহৰ

আন এক উল্লেখযোগ্য কাৰণ আছিল। ইংৰাজসকলে হাতত লোৱা অধিগ্রহণ নীতিয়ে ভাৰতীয় শাসক আৰু মুখিয়ালসকলৰ মনত ব্যাপক অসন্তুষ্টিৰ সৃষ্টি কৰিছিল। ইংৰাজসকলে 'বশ্যতামূলক মিত্রতা নীতি'ৰ অধীনত তেওঁলোকৰ লগত চুক্তিত মিলিত হৈছিল। এই চুক্তিৰ জৰিয়তে সিন্ধ, পাঞ্জাৱ আৰু অৱধ অধিকাৰ কৰা হৈছিল। ইংৰাজসকলে তেওঁলোকে অধিকাৰ কৰা অঞ্চলসমূহৰ অভিজাত আৰু জমিদাৰসকলৰ ক্ষমতা নিঃশেষ কৰাৰ নীতি অনুসৰণ কৰিছিল। তেওঁলোকৰ বহুতকে মাটিৰপৰা বঞ্চিত কৰা হৈছিল। ইংৰাজসকলে আৰম্ভ কৰা নতুন ভূমি ৰাজহ নীতিৰ অধীনত মাটিৰ গৰাকী পুৰণা পৰিয়ালবোৰক আঁতৰোৱা হৈছিল। তদুপৰি ইংৰাজসকলৰ নীতি আৰু মনোভাৱে ভাৰতীয়সকলৰ মনত খ্রীষ্টান ধর্মলৈ ধর্মান্তৰিত কৰাৰ শংকাৰ সৃষ্টি কৰিছিল কিয়নো তেওঁলোকে ভাৰতীয়সকলৰ ধর্ম আৰু সংস্কৃতিক ধ্বংস কৰিবলৈ দৃঢ় হৈ পৰিছিল। চিপাহীসকল নিজৰ চাকৰিৰ অৱস্থাৰ ওপৰত অসন্তুষ্ট আছিল যদিও প্রকৃততে ধর্মৰ প্রতি ভাবুকিয়েহে তেওঁলোকক বিদ্রোহ কৰিবলৈ প্রৰোচিত কৰিছিল। সেই সময়ত এক নতুন ৰাইফলৰ প্রচলন কৰা হৈছিল। ইয়াৰ কার্টিজবোৰত গৰু আৰু গাহৰিৰ চর্বিৰ প্রলেপ দিয়া আছিল আৰু ইয়াক ৰাইফলত ভৰোৱাৰ আগতে কাগজৰ ঢাকনি মুখেৰে কামুৰি আঁতৰাব লগা হৈছিল। এই কার্টিজৰ ব্যৱহাৰে হিন্দু আৰু মুছলিম উভয় সম্প্রদায়ৰ চিপাহীৰে ধর্মীয় অনুভূতিত আঘাত সানিছিল। ইয়েই বিদ্রোহৰ তাৎক্ষণিক কাৰণ হৈ পৰিছিল।

২.৩ অসমত ১৮৫৭ চনৰ বিদ্রোহ

১৮৫৭ চনৰ বিদ্রোহে কোম্পানীৰ সাম্রাজ্যৰ এক বিস্তীর্ণ অঞ্চল গ্রাস কৰিছিল য'ত অসমো অন্তর্ভুক্ত নোহোৱাকৈ নাছিল। অসমত ১৮৫৭ চনৰ বিদ্রোহে জনসাধাৰণৰ মনত এক বৃটিছ বিৰোধী মনোভাৱ গঢ়ি তুলিছিল। আৰম্ভণিতে অসমৰ জনগণে অসমত বৃটিছ শাসন প্রতিষ্ঠাৰ ক্ষেত্রত আদৰণি জনাইছিল। অসমৰ অভিজাত লোকসকলে বৃটিছ শাসনৰ অধীনত তেওঁলোকৰ হেৰুৱা অধিকাৰ আৰু বিশেষ সা-সুবিধাসমূহ ঘূৰাই পাব বুলি আশা কৰিছিল। সাধাৰণ ৰাইজে মান সেনাৰ পৰা হাত সাৰিব বুলি আনন্দিত হৈ পৰিছিল। আহোম প্রশাসন ব্যৱস্থাত উচ্চ বিষয়াসকলৰ লগতে অভিজাত লোকসকলক দৰমহাৰ সলনি ভূমি আৰু লগুৱা প্রদান কৰা হৈছিল। অভিজাত আৰু আঢ্যৱন্ত লোকসকলে পাইকৰ সহায়ত কৃষি কার্য সম্পন্ন কৰাৰ লগতে কৃষিৰ কাৰণে নতুন মাটি উলিয়াইছিল। পাইকসকলৰ বিনামূলীয়া সেৱাৰ সুবিধা বা গইনা লৈ অভিজাতসকলে তেওঁলোকৰ শক্তি আৰু মর্যাদা অক্ষুণ্ণ ৰাখিছিল। কিন্তু জনসাধাৰণৰ ইচ্ছা আকাংক্ষা পূৰণ হোৱা নাছিল। বৃটিছসকলে অনুসৰণ কৰা নীতিয়ে কেৱল শাসক শ্রেণীৰে নহয় সমাজৰ অন্যান্য শ্রেণীৰ লোকসকলৰ ওপৰতো বিৰূপ প্রভাৱ পেলাইছিল।

বুৰঞ্জীবিদ স্বর্ণলতা বৰুৱাই উল্লেখ কৰিছে যে বৃটিছ চৰকাৰে কৰ আৰোপ আৰু সংগ্রহ কৰাৰ বাহিৰে দুর্গত কৃষকসকলৰ আর্থিক অৱস্থাৰ উন্নতিৰ ক্ষেত্রত উদাসীন মনোভাৱ দেখুৱাইছিল। বেণুধৰ শর্মাইও মত পোষণ কৰিছে যে মাটিৰ বা ভূমিৰ মান পুনৰ নির্ধাৰণ কৰাৰ লগতে ঘাট আৰু বজাৰ

ব্যৱহাৰকাৰীৰ পৰা পথ কৰ আহৰণ কৰাৰ ব্যৱস্থা কৰা হৈছিল। ঔপনিৱেশিক শক্তি হিচাপে বৃটিছসকলে সকলো প্রকাৰে তেওঁলোকৰ অর্থনৈতিক লাভালাভ অক্ষুণ্ণ ৰখাৰ প্রচেষ্টা চলাইছিল।

ইংৰাজসকলে অসমত নতুনকৈ আৰম্ভ কৰা প্রসাশনিক ব্যৱস্থাৰ লগত পুৰণি অভিজাত লোকসকলে ফেৰ মাৰিব পৰা নাছিল। তেওঁলোকে কেৱল বিশেষ অধিকাৰসমূহ হেৰুওৱাই নহয়, নতুন প্রশাসনিক গাঁথনিত তেওঁলোকে কর্মসংস্থাপনৰ সুবিধাও হেৰুৱাইছিল। অভিজাত লোকসকলে তেওঁলোকৰ পূর্বৰ সকলো সা-সুবিধা হেৰুৱাই অসন্তুষ্ট হৈ পৰিছিল। সাধাৰণ ৰাইজেও বৃটিছ চৰকাৰৰ ওপৰত বিশ্বাস হেৰুৱাইছিল কাৰণ তেওঁলোকে মানৰ আক্রমণৰপৰা ইংৰাজসকলে ৰক্ষা কৰিব বুলি আশা কৰিছিল যদিও সময়ৰ গতিত তেওঁলোকৰ তথাকথিত ত্রাণকর্তাৰ প্রকৃত উদ্দেশ্য বুজি উঠিছিল। এনে পৰিস্থিতিত মণিৰাম দত্ত বৰুৱা, মণিৰাম দেৱান নামেৰে জনাজাত আহোম ৰাজতন্ত্রৰ এক শক্তিশালী অভিজাত ব্যক্তিয়ে ১৮৫৭ চনৰ বিদ্রোহৰ সমসাময়িকভাৱে এক বিদ্রোহৰ পৰিকল্পনা কৰিছিল।

২.৪ মণিৰাম দেৱানৰ ভূমিকা

মণিৰাম দেৱানৰ ১৮০৬ চনৰ ১৭ এপ্রিল তাৰিখে জন্ম হৈছিল। তেওঁৰ দেউতাক ৰামদত্ত ৰজা কমলেশ্বৰ সিংহ (১৭৯৫-১৮১০) আৰু পুৰন্দৰ সিংহৰ (১৮৩৩-১৮৩৮) অধীনত দোলাকাষৰীয়া বৰুৱা হিচাপে কার্যনির্বাহ কৰিছিল। মণিৰাম এজন উচ্চাকাংক্ষী লোক আছিল আৰু প্রশাসনিক বিষয়ত তেওঁৰ বহুত সম্ভাৱনা আৰু সামর্থ আছিল। শক্তি, সামর্থ আৰু বুদ্ধিৰ বলত তেওঁ ইংৰাজসকলৰ বিশ্বাসভাজন হৈ পৰিছিল। ১৮২৮ চনত ডেভিদ স্কটে মণিৰাম দেৱানক উজনি অসমৰ চিৰস্তাদাৰ হিচাপে নিয়োগ কৰিছিল। প্রথম অৱস্থাত মণিৰামৰ 'বৃটিছ বিৰোধী বিদ্রোহৰ প্রতি কোনো সহানুভূতি নাছিল। কিন্তু লাহে লাহে তেওঁ বুজি উঠিল যে বৃটিছ শাসন বর্তি থাকিব আৰু অভিজাতসকলৰ পূর্বৰ অধিকাৰ আৰু বিশেষ সা-সুবিধা সমূহ পুনৰ উভতাই দিয়াৰ কোনো সম্ভাৱনা নাই। অসমক নামনি অসম আৰু উজনি অসম এই দুটা ভাগত ভাগ কৰা হৈছিল। গুৱাহাটীত মুখ্য কার্যালয় স্থাপন কৰি ডেভিদ স্কটক নামনি অসমৰ শাসনৰ দায়িত্ব অর্পণ কৰা হৈছিল। কোম্পানীয়ে নামনি অসমত এক সুস্থিৰ প্রশাসন স্থাপন কৰিবলৈ সক্ষম হৈছিল যদিও উজনি অসমৰ অৱস্থা সুবিধাজনক নাছিল। সেই সময়ৰ ভাৰতৰ গৱর্ণৰ জেনেৰেল লর্ড উইলিয়াম বেণ্টিংকে (১৮২৮-১৮৩৩) পুৰন্দৰ সিংহৰ লগত এক চুক্তি কৰিছিল যাৰ দ্বাৰা পুৰন্দৰ সিংহই বার্ষিক কৰ পৰিশোধ আৰু ৰাজনৈতিক এজেণ্টৰ আদেশ মানি চলিবলৈ সন্মত হৈছিল। লগতে কোম্পানীৰ অধীনৰ অঞ্চলত প্রচলিত নীতি নিয়ম মানি ন্যায় প্রদান কৰিবলৈ সন্মত হৈছিল। চুক্তিৰ আন এটা উল্লেখযোগ্য চর্ত আছিল যে যদি ৰজাই ইংৰাজ চৰকাৰৰ আনুগত্য অস্বীকাৰ কৰে তেন্তে কোম্পানীয়ে আন কোনো শাসকৰ হাতলৈ শাসনভাৰ হস্তান্তৰ কৰা অথবা তাৎক্ষণিকভাৱে নিজৰ অধীনলৈ অনাৰ অধিকাৰ সংৰক্ষণ কৰি ৰাখিছিল। ১৮৩৮ চনত ফ্রেন্সিছ জেনকিন্সে (Francis Jenkins) উজনি অসম ভ্রমণ কৰি পুৰন্দৰ সিংহৰ অধীনৰ অঞ্চলত

কুশাসনৰ দোহাই দি এই অঞ্চল তাৎক্ষণিকভাৱে কোম্পানীৰ শাসনৰ অধীনলৈ অনাৰ উপদেশ দি কলিকতা চৰকাৰক এই প্ৰতিবেদন দাখিল কৰে। অৱশেষত পুৱন্দৰ সিংহক ক্ষমতাচ্যুত কৰি উজনি অসম স্থায়ীভাৱে ইষ্ট ইণ্ডিয়া কোম্পানীৰ সাম্ৰাজ্যৰ লগত চামিল কৰা হয়। মণিৰামে সেই সময়ৰ বেংগলৰ ডেপুটি গৱৰ্ণৰ ৰবাৰ্টচনক (Robertson) সাক্ষাৎ কৰে। ৰবাৰ্টচনে তেওঁৰ সামাজিক মৰ্যাদাৰ লগত খাপ খোৱাকৈ এটা পদবী দিয়াৰ নিশ্চিতি প্ৰদান কৰে। পাছত মণিৰামক নাজিৰাত থকা অসম টি কোম্পানীৰ দেৱান পদত নিযুক্তি দিয়ে। কোম্পানীৰ অধীনত চাকৰি কৰি তেওঁ বৃটিছ বণিক গোষ্ঠীৰ পুঁজিবাদী শোষণক ভালদৰে উপলব্ধি কৰে। কিন্তু ইউৰোপীয় খেতিয়কসকলৰ দৰে কম দামত চাহ বাগানৰ বাবে আবাদী মাটিৰ (Waste land) পৰা বঞ্চিত কৰাত তেওঁৰ সকলো আশা মষিমূৰ হ'ল। মণিৰামে অনুভৱ কৰিলে যে ঔপনিৱেশিক শাসনৰ অধীনত তেওঁৰ ভৱিষ্যৎ অন্ধকাৰ।

মণিৰামে তেতিয়া চাৰিং ৰজা কন্দৰ্পেশ্বৰ সিংহৰ লগত সম্পৰ্ক স্থাপন কৰিলে যিজন ৰজাই ৰাজ পৰিয়াল পৰিচালনা কৰাৰ ক্ষেত্ৰত জটিল সমস্যাৰ সন্মুখীন হৈছিল। ১৮৫৩ চনত কলিকতাৰ সদৰ দেৱানী আদালতৰ বিচাৰক এন্দ্ৰিউ জন মফট মিলচ্‌ক (Andrews John Moffat Mills) উজনি অসমৰ স্থানীয় প্ৰশাসন ব্যৱস্থাৰ অনুসন্ধানৰ কাৰণে পঠাইছিল। কন্দৰ্পেশ্বৰ সিংহই মিলচক লগ ধৰি ইষ্ট ইণ্ডিয়া কোম্পানীৰ অধীনত তেওঁক কৰতলীয়া ৰজা হিচাপে ৰাখিবলৈ আবেদন জনায়। তেওঁৰ কথা ধৈৰ্য সহকাৰে শুনাৰ পাছত তেওঁৰ দাবীৰ অৰ্থহীনতাৰ প্ৰতি দৃষ্টি ৰাখি মিলচে তেওঁকে সিংহাসনত পুনৰ বহুৱাৰ ক্ষেত্ৰত নিৰাশ কৰিলে। এই ক্ষেত্ৰত মণিৰামে দুখন আৰ্জি পেচ কৰিছিল। এখনত তেওঁৰ পূৰ্বৰ কৰ্মৰাজীৰ স্বীকৃতি হিচাপে চৰকাৰৰ পৰা কিছু অনুগ্ৰহ বিচাৰিছিল আৰু আনখনত আহোম ৰাজতন্ত্ৰ পুনৰ স্থাপন কৰিবলৈ আবেদন জনাইছিল। যি কি নহওক, তেওঁৰ দুয়োখন আবেদন বৃটিছ চৰকাৰে নাকচ কৰিছিল। মিলচ চাহাবে আবেদন খাৰিজ কৰাত মণিৰামে কলিকতালৈ গৈ বংগৰ লেফটেনেণ্ট গৱৰ্ণৰ ওচৰত বিষয়টো উত্থাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিলে।

মণিৰাম কলিকতালৈ গৈ বংগৰ গৱৰ্ণৰ জেনেৰেলৰ ওচৰত ১৮৫৭ চনৰ ৬ মে' তাৰিখে আবেদন দাখিল কৰিছিল। গৱৰ্ণৰ জেনেৰেলে পুনৰ তেওঁৰ আবেদন নাকচ কৰিছিল। এইদৰে আবেদন নিবেদন জনাই নিৰাশ হৈ মণিৰামে বৃটিছৰ বিৰুদ্ধে প্ৰত্যক্ষ বিদ্রোহ কৰাৰ সিদ্ধান্ত লয়। মণিৰাম কলিকতাত থাকোতেই চিপাহী বিদ্রোহৰ সূত্ৰপাত হৈছিল আৰু গোটেই উত্তৰ আৰু মধ্য ভাৰতত বিদ্রোহৰ জুই জ্বলিছিল। মীৰাট আৰু দিল্লীত চিপাহী সকলৰ কৃতকাৰ্যতাত উৎসাহিত হৈ মণিৰামে অসমত থকা চিপাহীসকলক ঐক্যবদ্ধ কৰি বিদ্রোহ কৰাৰ সিদ্ধান্ত লয়। মণিৰামে তেতিয়া চাৰিং ৰজা কন্দৰ্পেশ্বৰ সিংহ আৰু তেওঁৰ সহকাৰী মহেশ চন্দ্ৰ গাভৰু মেলিয়া বৰুৱা ওৰফে পিয়লী বৰুৱালৈ গোপনে চিঠি পঠিয়াই সংযোগ স্থাপন কৰিলে। বিদ্রোহৰ মূল পৰিকল্পনাকাৰী মণিৰাম দেৱান আছিল যদিও পিয়লি বৰুৱাই ইয়াক কাৰ্যকৰী কৰিছিল। পিয়লি বৰুৱাই তাৎক্ষণিকভাৱে উগ্ৰসেন মৰঙী খোৱা গোহাঁই, কৃষ্ণদত্ত খঙীয়া বৰুৱা, লক্ষীনাথ সেনচোৱা বৰুৱা, কমলা চাৰিঙীয়া বৰুৱা, নীলকান্ত চোলাধৰা ফুকন, দুতিৰাম বৰুৱা, মুহিধৰ মুক্তিয়াৰ, উমাকান্ত শৰ্মা, মায়াৰাম নাজিৰ বাহাদুৰ গাঁওবুঢ়া,

ফৰমুদ আলি আদি নেতৃস্থানীয় ব্যক্তিক তেওঁৰ ফলীয়া কৰিলে। কম সময়তে বিদ্রোহৰ সমর্থকৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰিলে। মণিৰাম দেৱানে তেওঁৰ বিশ্বাসী সহযোগী পিয়লী বৰুৱা আৰু অন্যান্য অনুগামীসকলৰ সহায়ত অসমৰ বিভিন্ন অঞ্চল যেনে গুৱাহাটী, শদিয়া, গোলাঘাট, যোৰহাট আদিত বাহৰ পাতি থকা চিপাহীসকলক বিদ্রোহৰ কাৰণে সাজু হ'বলৈ অনুপ্রাণিত কৰিলে। বিদ্রোহীসকলে বিভিন্ন মুখ্য কার্যালয়ত সমসাময়িকভাৱে বিদ্রোহ কৰা, ইউৰোপীয়ান সকলক হত্যা কৰা আৰু তেওঁলোকৰ ঘৰ জ্বলোৱা আদি পৰিকল্পনা হাতত লোৱাৰ লগতে যোৰহাটলৈ সদলবলে আগুৱাই আহি চাৰিং ৰজাক অসমৰ ৰজা হিচাপে ঘোষণা কৰিবলৈ বিচাৰিছিল।


২.৫ বৃটিছসকলৰ দ্বাৰা বিদ্রোহ দমন

বৃটিছসকলে অসমৰ চিপাহীসকলৰ ষড়যন্ত্রৰ বিষয়ে জানিব পাৰি সতর্ক হৈ পৰে। এনে এক পৰিস্থিতিত মণিৰামে কন্দর্পেশ্বৰ সিংহলৈ পঠোৱা কেইখনমান চিঠি শিৱসাগৰৰ 'দাৰোগা' হৰনাথ বৰুৱাই হস্তগত কৰে আৰু এই চিঠিসমূহে মণিৰাম দেৱান আৰু চাৰিং ৰজা ষড়যন্ত্রত লিপ্ত থকাৰ প্রমাণ নিশ্চিত কৰে। শিৱসাগৰৰ প্রিন্সিপাল এছিচটেণ্ট চালর্চ হলৰয়দে তাৎক্ষণিকভাৱে সৈন্যবাহিনী প্রেৰণ কৰি বিদ্রোহীসকলক গ্রেপ্তাৰৰ ব্যৱস্থা হাতত লয়। সম্ভাব্য সাৱধানতা অৱলম্বন কৰাৰ পাছত ১৮৫৭ চনৰ ৭ চেপ্তেম্বৰত চাৰিং ৰজাক যোৰহাটৰ ৰাজপ্রসাদৰ পৰা বৃটিছ সৈন্যবাহিনীয়ে গ্রেপ্তাৰ কৰে। মণিৰামকো ১৮৫৭ চনৰ চেপ্তেম্বৰ মাহৰ কোনোবা এটা দিনত কলিকতাত গ্রেপ্তাৰ কৰা হয়। ১৮৫৭ চনৰ Act No. XIV অসমত বলবৎ হৈ থকাত কেপ্তেইন হলৰয়দক বিদ্রোহী সকলৰ বিৰুদ্ধে ব্যৱস্থা গ্রহণৰ ক্ষমতা প্রদান কৰা হয়। সেই অনুযায়ী হলৰয়দে ৰাজদ্রোহ আৰু বিদ্রোহ সংঘটিত কৰাৰ লগত জড়িত সকলোৰে বিচাৰ চলায়। ১৮৫৮ চনৰ ৯ ফেব্রুৱাৰীত হোৱা বিচাৰ কার্যত পিয়লি বৰুৱাক মৃত্যুদণ্ড বিহা হয়। মণিৰামক যোৰহাটলৈ আনি ২৩ ফেব্রুৱাৰী তাৰিখে বিচাৰ চলাই মৃত্যুদণ্ড বিহা হয়। ১৮৫৮ চনৰ ২৬ ফেব্রুৱাৰী, শুকুৰবাৰে দিনৰ দহ বজাত অসমৰ দুই মহান মুক্তি যুঁজাৰু মণিৰাম দেৱান আৰু পিয়লি বৰুৱাক যোৰহাট কাৰাগাৰত ফাঁচি দিয়া হয়। কন্দর্পেশ্বৰ সিংহক ৫০০ টকাৰ পেন্সন প্রদান কৰি গুৱাহাটীত বৃটিছৰ অধীনত ৰখা হয়। কিছু সংখ্যক চিপাহীক চাকৰিৰ পৰা বর্খাস্ত কৰা হয়। নীলকান্ত চোলাধৰা ফুকন, মায়াৰাম নাজিৰ, কমলা চাৰিঙীয়া বৰুৱা, লকী শেনচোৱা বৰুৱা, দুতিৰাম বৰুৱা, শ্বেখ বাহাদুৰ গাঁওবুঢ়া আদি অসমীয়া অভিজাত লোক সকলক আন্দামানলৈ দীপান্তৰ কৰিলে। এইদৰে ১৮৫৭ চনৰ বিদ্রোহৰ সামৰণি পৰে।

২.৬ ১৮৫৭ চনৰ বিদ্রোহৰ প্রকৃতি

অসমত ১৮৫৭ চনৰ বিদ্রোহক ৰাজতান্ত্রিক আছিল বুলি আখ্যা দিব পাৰি কিয়নো বিদ্রোহীসকলে ইয়াৰ জৰিয়তে অসমত আহোম ৰাজতন্ত্র পুনৰ প্রতিষ্ঠা কৰিব খুজিছিল। কিছু পৰিমাণে এই বিদ্রোহক উপনিবেশিক শাসনৰ বিৰোধী বুলিও ক'ব পাৰি কিয়নো মণিৰাম আৰু তেওঁৰ সহযোগীসকলে বৃটিছ শাসনৰ অধীনত সাধাৰণ জনতাৰ অসন্তুষ্টিৰ কথা ব্যক্ত কৰিছিল।

ভাৰতত প্রতিষ্ঠা কৰা বৃটিছৰ সর্বোচ ক্ষমতাক ভাৰতীয় জনগণে ১৮৫৭ চনৰ বিদ্রোহৰ দ্বাৰা প্রথম প্রত্যাহ্বান জনাইছিল। যদিও এই বিদ্রোহ উত্তৰ ভাৰতৰ এক সৰু অঞ্চলতে সীমাবদ্ধ আছিল, ১৮৫৭ চনৰ বিদ্রোহ আছিল বৃটিছ শাসন আঁতৰোৱাৰ প্রথম বিদ্রোহ। এংলো-ইউৰোপীয়ান ঐতিহাসিক সকলে ১৮৫৭ চনৰ বিদ্রোহক সশস্ত্র সেনাই কর্তৃপক্ষৰ বিৰুদ্ধে কৰা বিদ্রোহ বুলি কৈছিল। G.B. Molleson এ ইয়াক চিপাহী বিদ্রোহৰ বাহিৰে আন একো নহয় বুলি কৈছিল।' V.D. Savarkar য়ে এই বিদ্রোহক ভাৰতৰ স্বাধীনতাৰ হকে কৰা প্রথম যুদ্ধ বুলি অভিহীত কৰিছিল। ভাৰতৰ অন্যান্য প্রান্তত এই বিদ্রোহ প্রধানকৈ চিপাহীসকলে আৰম্ভ কৰিছিল আৰু পৰৱর্তী সময়ত সাধাৰণ জনগণে অংশগ্রহণ কৰিছিল। কিন্তু অসমত এই বিদ্রোহৰ মূল উদ্দেশ্য আছিল আহোম ৰাজতন্ত্র পুনৰ প্রতিষ্ঠা কৰা। মধ্যবিত্ত শ্রেণীটোৱে কন্দর্পেশ্বৰ সিংহক সিংহাসনত বহুৱাই তেওঁলোকৰ স্বার্থ সুৰক্ষিত কৰাৰ বাবে এই বিদ্রোহ আৰম্ভ কৰিছিল আৰু সেনা বাহিনী আৰু সাধাৰণ জনতাই বৃটিছৰ নতুন প্রশাসনিক ব্যৱস্থাত অসন্তুষ্ট হৈ ইয়াক সমর্থন জনাইছিল। অসমত এই বিদ্রোহৰ আন এটা উল্লেখনীয় দিশ আছিল যে যিসকল লোক বৃটিছৰ দ্বাৰা লাভান্বিত হৈছিল তেওঁলোকে কেৱল তেওঁলোকৰ গৰাকীৰ প্রতি অনুগত্য প্রকাশ কৰিছিল। বৃটিছৰ অনুগত এই অসমীয়াসকলৰ বাহিৰেও আন কিছুমান ব্যক্তিয়ে মণিৰাম আৰু তেওঁৰ সহযোগী সকলৰ তথ্যপাতি প্রকাশ কৰি চৰকাৰক সহযোগ কৰিছিল। অসমত ১৮৫৭ চনৰ বিদ্রোহৰ গুৰুত্ব এইয়ে যে ই অসমীয়া মানুহক একত্রিত কৰাৰ লগতে নিজৰ জাতিৰ বিষয়ে সচেতন কৰি তুলিছিল।



জানি থওঁ আহক

১৮৫৭ চনৰ বিদ্রোহৰ প্রকৃতি সম্পর্কে ঐতিহাসিক সকলৰ মতামত

- টি. আৰ. হোমচ্ (T. R. Holmes) - ই আছিল সভ্যতা আৰু বর্বৰতাৰ মাজৰ সংঘাত।
- চাৰ জন চিলি - দেশীয় নেতৃত্ববিহীন, জনসমর্থনহীন আৰু সম্পূর্ণৰূপে দেশপ্রেমহীন, স্বার্থপৰ চিপাহী বিদ্রোহ।
- ডিজৰেইলী - এক জাতীয় জাগৰণ।
- ড° এচ. এন. সেন - যি ধর্মৰ হকে যুঁজ হিচাপে আৰম্ভ হৈ স্বাধীনতা যুদ্ধ হিচাপে সামৰণি পৰিছিল।
- প্রফেচাৰ ষ্টেনলী - ই বিদ্রোহতকৈ যথেষ্ট বেছি আছিল .... যদিও প্রথম স্বাধীনতা যুদ্ধতকৈ বহুত কম আছিল।
- জৱাহৰলাল নেহৰু - ই আছিল সামন্তবাদী মুখিয়াল আৰু তেওঁলোকৰ অনুগামীসকলে নেতৃত্ব লোৱা সামন্তবাদীসকলৰ তীব্র বহিঃপ্রকাশ য'ত ব্যাপক বিদেশী বিৰোধী আবেগে সহযোগিতা আগবঢ়াইছিল।
- ভি.ডি.চাভাৰকাৰ (V.D. Savarkar) - ভাৰতৰ স্বাধীনতাৰ প্রথম যুদ্ধ।

২.৭ বিদ্রোহৰ বিফলতাৰ কাৰণ

অসমত ১৮৫৭ চনৰ বিদ্রোহ বিভিন্ন কাৰণত বিফল হৈছিল। তলত ইয়াক আলোচনা কৰা হ'ল।

- ১৮৫৭ চনৰ বিদ্রোহে অসমৰ সমগ্র অঞ্চলৰ লগতে সকলো দল আৰু সমাজৰ সকলো শ্রেণীৰ লোককে সামৰি ল'ব পৰা নাছিল। ই আছিল স্থানীয়, সীমাবদ্ধ আৰু সাংগঠনিকভাৱে দুর্বল। ডিব্রুগড়, যোৰহাট, গোলাঘাট আৰু কিছু অঞ্চলৰ মানুহৰ বাহিৰে অন্যান্য লোকে এই বিদ্রোহত অংশগ্রহণ কৰা নাছিল।
- বুজন সংখ্যক অসমীয়া মানুহে বৃটিছক বিদ্রোহ দমন কৰাৰক্ষেত্রত সক্রিয় সহযোগিতা আগবঢ়াইছিল। হৰনাথ বৰুৱা, মুহিধৰ শর্মা মুক্তিয়াৰ, কিনাৰাম পণ্ডিত, ত্রিলোচন নাজিৰ, নির্মল হাজৰিকা, দুর্গেশ্বৰ বুঢ়াগোঁহাই আৰু অন্যান্য বহুতে মণিৰাম আৰু তেওঁৰ সহযোগী সকলৰ সকলো তথ্য পাতি ফাদিল কৰি চৰকাৰক সহায় কৰিছিল। ইয়েও অসমত ১৮৫৭ চনৰ বিদ্রোহ বিফল হোৱাত যথেষ্ট পৰিমাণে অৱদান যোগাইছিল।
- এই বিদ্রোহ কোনো ইতিবাচক আৰু সৃষ্টিশীল চিন্তাধাৰাৰে অনুপ্রাণিত হোৱা নাছিল। সুস্পষ্ট কার্যসূচী, পৰিকল্পনা আৰু প্রয়োজনীয় টকা-পইচাৰ অভাৱেও বৃটিছক বিদ্রোহ দমন কৰাত সহায় কৰিছিল।
- আন এক কাৰণ হ'ল নবীন শিক্ষিত শ্রেণীটোৰ নেতিবাচক মনোভাৱ প্রদর্শন। তেওঁলোকে বিদ্রোহক সমর্থন জনোৱা নাছিল বৰং বৃটিছ শাসনে আধুনিকতাৰ কাম সম্পূর্ণ কৰাত সহায় কৰিব বুলি মিছাকৈ পতিয়ন গৈছিল।
- বৃটিছসকলৰ উচ্চমানৰ সামৰিক শক্তিও বিদ্রোহৰ বিফলতাৰ অন্যতম কাৰণ। ইউৰোপীয় সৈন্যবাহিনী আধুনিক অস্ত্র-শস্ত্রৰে সু-সজ্জিত আছিল। যুদ্ধ কৌশল আৰু পৰিচালনাৰ ক্ষেত্রত বৃটিছ সৈন্যবাহিনী দেশীয় লোকসকলতকৈ যথেষ্ট আগবঢ়া আছিল।



জানি থোৱা ভাল

- মণিৰাম দেৱানৰ দেউতাকৰ নাম আছিল ৰামদত্ত।
- পিয়লি বৰুৱাৰ প্রকৃত নাম আছিল মহেশ চন্দ্র গাভৰু মেলিয়া বৰুৱা।
- ১৮৫৮ চনৰ ২৬ ফেব্রুৱাৰীৰ দিনা মণিৰাম দেৱান আৰু পিয়লী বৰুৱাক যোৰহাট কাৰাগাৰত ফাঁচি দিয়া হৈছিল।
- ১৮৫৮ চনৰ বিদ্রোহৰ সময়ত ভাৰতবর্ষৰ গৱর্ণৰ জেনেৰেল আছিল লর্ড কেনিং।
- ১৮৫৭ চনৰ বিদ্রোহৰ নেতা নানা চাহাবে ফ্রান্সৰ তৃতীয় নেপোলিয়নলৈ বিদ্রোহৰ সময়ত তিনিখন চিঠি প্রেৰণ কৰিছিল।
- অগ্রণী বৃটিছ সাংসদ ডিজৰেইলীয়ে (Disraeli) ১৮৫৭ চনৰ বিদ্রোহক সামৰিক নহয়, "জাতীয় বিদ্রোহ" হিচাপে স্বীকাৰ কৰিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ সঠিক উত্তৰ বাচি উলিয়াওক

ক) মণিৰাম দেৱানক বৃটিছ প্রশাসনে প্রথমে উজনি অসমৰ চিৰস্তাদাৰ / দেৱান হিচাপে নিয়োগ কৰিছিল।

.....

খ) ১৮৫৭ চনৰ বিদ্রোহৰ সময়ত লর্ড উইলিয়াম বেণ্টিংক/লর্ড কেনিং ভাৰতৰ গৱর্ণৰ জেনেৰেল আছিল।

.....

গ) চার্লচ হলৰয়দ শিৱসাগৰৰ প্রিন্সিপাল এছিষ্টেণ্ট/ন্যায়াধীশ আছিল।

.....

ঘ) G. B. Molleson / V. D. Savarkar য়ে ১৮৫৭ চনৰ বিদ্রোহক ভাৰতৰ প্রথম স্বাধীনতা সংগ্রাম বুলি কৈছিল।

.....

প্রশ্ন ২ঃ খালী ঠাই পূৰ কৰক ঃ

ক) এ. জে. এম্. মিলৰ সম্পর্ণ নাম আছিল .....।

খ) কোঁৱৰ সিং ১৮৫৭ চনৰ বিদ্রোহৰ নেতা আছিল যি নেতৃত্ব দিয়া ঠাইখনৰ নাম আছিল .....।

গ) মণিৰাম দেৱানক ..... সৈতে ফাঁচি দিয়া হৈছিল।



২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলো


- ১৮৫৭ চনত উত্তৰ আৰু মধ্য ভাৰতত এক জনপ্রিয় বিদ্রোহৰ সূচনা হৈছিল। প্রাৰম্ভিক অৱস্থাত চিপাহী আৰু কোম্পানীৰ সেনাবাহিনীত কাম কৰা ভাৰতীয় সৈন্যই ইয়াক আৰম্ভ কৰিছিল যদিও অতিসোনকালেই অন্যান্যঅঞ্চললৈ বিয়পি পৰিছিল আৰু সাধাৰণ জনতা এইবিদ্রোহত জড়িত হৈ পৰিছিল।
- যথেষ্ট সংখ্যক কৃষক, শিল্পী আৰু সৈন্যই এই বিদ্রোহত অংশগ্রহণ কৰিছিল আৰু বৃটিছৰ শোষণৰ বিৰুদ্ধে বীৰত্বৰে যুঁজ দিছিল।
- অসমত মণিৰাম দেৱানৰ নেতৃত্বত অসমৰ জনগণে বৃটিছ শাসন আঁতৰাবলৈ বিদ্রোহত অংশগ্রহণ কৰিবলৈ বিচাৰিছিল। মণিৰাম আৰু তেওঁৰ সহযোগীসকলৰ মূল উদ্দেশ্য আছিল অসমত আহোম ৰাজতন্ত্র পুনৰ প্রৱর্তন কৰা।
- চিপাহী বিদ্রোহৰ প্রকৃতি সম্পর্কত ইতিহাসবিদসকলে বিভিন্ন মতামত আগবঢ়াইছে।

- Malleson, kaye আদি বৃটিছ ঐতিহাসিকসকলৰ মতে ই কেৱল চিপাহীসকলৰ বিদ্রোহ আছিল। কিন্তু কিছুমান জাতীয়তাবাদী ঐতিহাসিক যেনে V. D. Savarkar য়ে ইয়াক জাতিৰ স্বাধীনতাৰ হ'কে কৰা এক পৰিকল্পিত ৰণ হিচাপে বৰ্ণনা কৰিছে।
- অসমত বিদ্রোহৰ প্রকৃতি সম্পর্কে ক'ব পাৰি যে ই আছিল ৰাজতান্ত্রিক আৰু আংশিকভাৱে সাম্রাজ্যবাদ বিৰোধী।
- ১৮৫৭ চনৰ বিদ্রোহৰ আটাইতকৈ গুৰুত্বপূর্ণ দিশটো হৈছে ই জনসাধাৰণক একত্রিত কৰাৰ লগতে তেওঁলোকৰ মনত জাতীয়তাবাদী ভাৱধাৰা সৃষ্টি কৰিছিল।



২.৯ অধিক জানিবলৈ

1. Barpujari, H. K. (1992). *The comprehensive history of Assam*. *Modern period: Yandaboo to diarchy 1826-1919 A. D*. Volume four. Guwahati: Publication Board of Assam.
2. Baruah, S. L. (2007). *A comprehensive history of Assam*. Delhi: Munshiram Manoharlal Publishers Pvt. Ltd.
3. Chandra, B. (1971). *Modern India*. New Delhi.



২.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ

ক) চিৰস্তাদাৰ।

খ) লর্ড কেনিং।

গ) (প্রিন্সিপাল এচিচটেণ্ট) মুখ্য সহায়ক।

ঘ) ভি. ডি. চাভাৰকাৰ (V. D. Savarkar)

২ নং প্রশ্নৰ উত্তৰ ঃ

ক) এন্দ্রিউ জন মফ্‌ট মিল (Andrews John Moffat Mill)

খ) বিহাৰ

গ) পিয়লি বৰুৱা।



২.১১ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্নঃ

প্ৰশ্ন ১ঃ এন্দ্ৰিউ জন মফট মিলচ্ (Andrews John Moffat Mills) কোন আছিল ?

প্ৰশ্ন ২ঃ ১৮৫৭ চনৰ বিদ্রোহ সম্পৰ্কে ভি. ডি. সভৰকাৰৰ মন্তব্য লিখক ।

প্ৰশ্ন ৩ঃ ১৮৫৭ চনৰ বিদ্রোহৰ বিফলতাৰ এটা কাৰণ উল্লেখ কৰক ।

(খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ অসমৰ ১৮৫৭ চনৰ বিদ্রোহৰ প্ৰকৃতি আৰু গুৰুত্বৰ বিষয়ে লিখক।

প্ৰশ্ন ২ঃ মণিৰাম দেৱানে অসমত আহোম ৰাজতন্ত্ৰ কেনেকৈ পুনৰ প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছিল ?

প্ৰশ্ন ৩ঃ মণিৰাম দেৱানে কিয় বৃটিছ সকলক অসমৰ পৰা খেদিব খুজিছিল ?

(গ) ৰচনাধৰ্মী প্ৰশ্ন (উত্তৰসমূহ ৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ অসমৰ ১৮৫৭ চনৰ বিদ্রোহত মণিৰাম দেৱানৰ ভূমিকা আলোচনা কৰক।

প্ৰশ্ন ২ঃ অসমৰ ১৮৫৭ চনৰ বিদ্রোহৰ বিফলতাৰ কাৰণসমূহ আলোচনা কৰক।

****

অধ্যায় ৩ ঃ ৰাইজমেলৰ ভূমিকা, ফুলগুৰি ধেৰা, জয়ন্তীয়া বিদ্রোহ

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ ৰাইজমেল

- ৩.৩.১ ৰাইজমেলৰ অর্থ আৰু প্রকৃতি
- ৩.৩.২ ৰাইজমেলৰ লক্ষ্য আৰু উদ্দেশ্য
- ৩.৩.৩ ৰাইজমেলৰ ভূমিকা আৰু গুৰুত্ব

৩.৪ ফুলগুৰি ধেৰা, ১৮৬১

- ৩.৪.১ ফুলগুৰি ধেৰাৰ গুৰুত্ব

৩.৫ জয়ন্তীয়াসকলৰ বিদ্রোহ , ১৮৬০- ১৮৬৩

৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৭ অধিক জানিবলৈ

৩.৮ অগ্রগতিৰ খতিয়ান

৩.৯ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনিঃ

- ৰাইজমেলৰ অর্থ আৰু ভূমিকা সম্পর্কে শিকিব পাৰিব
- ফুলগুৰি ধেৰাৰ বিষয়ে জানিব পাৰিব
- জয়ন্তীয়াসকলৰ বিদ্রোহৰ সম্পর্কে বর্ণনা কৰিব পাৰিব।

৩.২ পৰিচয়

চিপাহী বিদ্রোহৰ পৰৱর্তী সময়চোৱাত বৃটিছ চৰকাৰে কিছুমান স্বেচ্ছাচাৰী আৰু অযুক্তিসংগত কৰ আৰোপ কৰিছিল যিয়ে অসম আৰু ইয়াৰ কাষৰীয়া পার্বত্য অঞ্চলত এলানী কৃষক বিদ্রোহৰ সূচনা কৰিছিল। অসমৰ বিভিন্ন অঞ্চলত কৃষকসকলে চৰকাৰৰ বিৰুদ্ধে তেওঁলোকৰ অসন্তুষ্টি প্রকাশ কৰিবলৈ ৰাইজমেল বা কৃষক সমাৱেশ আহ্বান কৰিছিল। নগাঁও চহৰৰ ওচৰৰ ফুলগুৰিত (১৮৬১) সংঘটিত হোৱা বিদ্রোহে অসমত কৃষক বিদ্রোহৰ আৰম্ভণি কৰিছিল। ১৮৬০ চনৰপৰা ১৮৬৩ চনলৈ জয়ন্তীয়া পাহাৰত বৃটিছ চৰকাৰৰ নতুন কৰ নীতিৰ বিৰুদ্ধে এক সাহসী বিদ্রোহ সংঘটিত হৈছিল যিয়ে জনসাধাৰণৰ অর্থনৈতিক জীৱনত প্রবাৰ পেলাইছিল। এই অধ্যায়টিত আমি ৰাইজমেলৰ ভূমিকাৰ লগতে ফুলগুৰি ধাৰা আৰু জয়ন্তীয়া বিদ্রোহৰ বিষয়ে আলোচনা কৰিম।

৩.৩ ৰাইজমেল

৩.৩.১ ৰাইজমেলৰ অর্থ আৰু প্রকৃতি

অসমত ৰাইজমেলক জনসাধাৰণৰ সভা আখ্যা দিয়া হয়। অসমীয়াত ৰাইজ শব্দটোৱে জনসাধাৰণক আৰু মেল শব্দটোৱে সভাক বুজায়। ৰাইজ শব্দটো ৰাজ্য শব্দৰপৰা অন্য হৈছে যিয়েই মূলত মধ্যযুগৰ অসমৰ কিছুমান অঞ্চলৰ প্রশাসনিক আৰু বিত্তীয় গোটক বুজায়। মেককেবে (Maccabe) নামৰ এজন ইংৰাজ বিষয়াই কৈছিল সামাজিক বিষয়সমূহৰ উদ্দেশ্য আগত ৰাখি গাঁও পঞ্চায়ত গঠন হৈছিল আৰু ক্রমান্বয়ে বিকশিত হৈ পাছত ই ৰাইজমেল নাম লৈছিল। তদুপৰি তেওঁ ৰাইজমেলক জনসাধাৰণৰ সামূহিক শক্তিৰ এক সাকাৰ ৰূপ বুলি বর্ণনা কৰিছে। বুৎপত্তিৰ দিশৰপৰা 'মেল' শব্দটোৱে কিছুমান প্রশ্নৰ সিদ্ধান্ত গ্রহণ কৰিবলৈ একগোট হোৱা মানুহৰ সভাক বুজায়। অসমত 'মেল' আছিল সেই সময়ৰ এক সন্মানজনক অনুষ্ঠান আৰু অসমীয়া সমাজৰ এক স্বীকৃতিপ্রাপ্ত বৈশিষ্ট্য কাৰণ একমাত্র মেলৰ যোগেদিয়েই জনসাধাৰণে স্থানীয় বিষয় ববীয়াৰ শোষণৰ পৰা সুৰক্ষা লাভ কৰিছিল।

বৃটিছ সকলৰ আগমনৰ আগতে অসমৰ কৃষক সমাজৰ মন এক গভীৰ বিষন্নতা আৰু বিশ্বাসৰ অভাৱে নিৰিষ্ট কৰি ৰাখিছিল। বৃটিছসকলৰ আগমনৰ পাছতো অৱস্থাৰ কোনো উন্নতি সাধন নহ'ল। বৃটিছসকলে সূচনা কৰা নতুন প্রশাসনিক সালসলনিয়ে কৃষকসকলক বেয়াকৈ প্রভাৱিত কৰিছিল আৰু তেওঁলোকৰ অৱস্থা শোচনীয় হৈ পৰিছিল। বৃটিছসকলে শাৰীৰিক শ্রমৰ পৰিৱর্তে মুদ্রাৰ যোগেদি কৰ গ্রহণ কৰাৰ ব্যৱস্থা কৰিছিল। সেয়েহে নগদ ধনৰ চাহিদা তীব্রভাৱে বৃদ্ধি পাইছিল আৰু কৃষকসকলে বর্ধিত চাহিদা পূৰণ কৰিবলৈ সক্ষম হোৱা নাছিল। নগদ ধনৰ যোগেদি কৰ আহৰণ কৰা এই নীতিয়ে কৃষকসকলৰ মাজত বিৰূপ প্রভাৱ আৰু দুর্ভোগৰ সৃষ্টি কৰিছিল। সাধাৰণ শস্য উৎপাদন পদ্ধতিৰ কোনো পৰিৱর্তন সাধন নকৰা আৰু কৃষিকার্যৰ সম্প্রসাৰণ নঘটোৱাকৈ বৃটিছ চৰকাৰে সময়ে সময়ে কৰৰ পৰিমাণ বৃদ্ধি কৰিছিল। অর্থনৈতিক কাৰণত সৃষ্ট অসন্তুষ্টিয়ে কৃষকসকলৰ মনত ৰাজনৈতিক সচেতনতা গঢ়ি তুলিছিল আৰু ই অসমত বৃটিছ শাসনক সংগঠিত প্রত্যাহ্বান জনোৱাত পথ প্রদর্শক আছিল। বাস্তৱতে, সাধাৰণ জনতাই স্বতঃস্ফূর্তভাৱে সামাজিক আৰু ৰাজনৈতিক কাৰণত ৰাইজমেল আহ্বান কৰাত আগভাগ লৈছিল আৰু ই ঊনবিংশ শতিকাৰ অসমৰ কৃষক সমাজৰ এক অতুলনীয় বৈশিষ্ট্য আছিল।

- **ৰাইজমেলৰ প্রকৃতি**

  প্রকৃতিগতভাৱে ৰাইজমেল আছিল সাম্রাজ্যবাদ বিৰোধী। ৰাইজমেলে ৰাইজৰ বৃহত্তৰ স্বার্থত অন্যায়ৰ বিৰুদ্ধে মাত মাতিছিল আৰু এনেকৈ পৰোক্ষভাৱে মানৱ

অধিকাৰ সংৰক্ষণ বৰ্তাই ৰাখিছিল। ৰাইজমেলে ৰাজহ বৃদ্ধিক এক অমংগলীয়া পৰিকল্পনা আৰু ত্রুটিপূৰ্ণ পদক্ষেপ হিচাপে গণ্য কৰিছিল। ধৰ্মনিৰপেক্ষতা ৰাইজমেলৰ এক মৌলিক বৈশিষ্ট্য আছিল। ৰাইজমেলে ঔপনিবেশিক শাসকগোষ্ঠীৰ ভূমি নীতি আৰু কৃষকসকলৰ ওপৰত চলোৱা শোষণৰ বিৰুদ্ধে ঐক্যবদ্ধ কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্রহণ কৰিছিল। কৃষকসকলে ৰাইজমেলে তেওঁলোকক সঠিক দিশত আগবঢ়াই নিয়া, কৰৰ বোজা আৰু শোষণ পৰা মুক্তি দিয়াৰ আশা কৰি ৰাইজমেলত সক্রিয় অংশগ্রহণ কৰিছিল। ৰাইজমেলে উদ্দেশ্য সিদ্ধিৰ ক্ষেত্রত বিফল হৈছিল যদিও ঔপনিবেশিক চৰকাৰক আংশিক পৰিমাণে কৰৰ পৰিমাণ হ্রাস কৰিবলৈ বাধ্য কৰিছিল।

ৰাইজমেলৰ এক সাংগঠনিক দিশ আছিল ডাক প্রথাৰ প্রচলন আৰু লাথিয়ালৰ সৃষ্টি। জৰুৰীকালীন অৱস্থাত ৰাইজমেলে কিছুমান গোপনীয় সিদ্ধান্ত লৈছিল আৰু দূৰৈত অৱস্থিত গাঁওসমূহলৈ এক গোপন বার্তা প্রেৰণ কৰিবলৈ ডাকোৱাল নিযুক্তি দিয়া হৈছিল। এই ডাকোৱালসকলে এখন গাঁৱৰপৰা আন এখন গাঁৱলৈ এই বার্তা কঢ়িয়াইছিল। এনেকুৱা কিছু সংখ্যক কৃষকো আছিল যি চৰকাৰক বর্ধিত হাৰত খাজনা আদায় দিব খুজিছিল আৰু আন কিছু সংখ্যকে নিজৰ মানুহৰে নিলাম হোৱা সম্পত্তি ক্রয় কৰিবলৈ বিচাৰিছিল। যিসকল মানুহে ৰাজহ আদায় দিবলৈ সক্ষম হোৱা নাছিল তেনে লোকৰ সম্পত্তি বাজেয়াপ্ত কৰা হৈছিল। এই দুই শ্রেণীৰ কৃষকক ভিতিগ্রস্ত কৰিবলৈ লাথিয়াল নিয়োগ কৰা হৈছিল।

ৰাইজমেলৰ আন এটা লক্ষণীয় দিশ আছিল যে এই মেল নামঘৰ বা মছজিদত অনুষ্ঠিত হৈছিল। মেলকীসকলে (Leaders) নামঘৰ আৰু মছজিদ নির্বাচন কৰাত সম্ভৱত কিছু কাৰণ আছিল। প্রথমতে, ধর্মীয় স্থান হিচাপে চৰকাৰী চোৰাংচোৱাৰ চকু এই স্থানত পৰা নাছিল। দ্বিতীয়তে, মেলকীসকলৰ কাৰণে সকলোকে ধর্মীয় স্থানত একত্রিত কৰা আৰু ভগৱানৰ নামত শপত লোৱাত সহজ হৈ পৰিছিল। ৰাইজমেলৰ প্রকৃতি পঞ্চায়তৰ দৰে আছিল যদিও ইয়াৰ কাম-কাজ কেৱল পঞ্চায়ততে সীমাবদ্ধ নাছিল। কোনো সময়ত ই কেৱল এখন গাঁৱৰে মুখপাত্র হিচাপে কাম কৰা নাছিল বৰঞ্চ এখন বা ততোধিক 'তহচিল'ৰ মুখপাত্র হিচাপে কাম কৰিছিলি। ৰাইজমেলৰ নিয়মানুবর্তিতা ভংগ কৰা লোকক এঘৰীয়া কৰা আৰু অভিশাপ দিয়াৰ ক্ষেত্রত ৰাইজমেলে কঠোৰ নিয়ম মানি চলিছিল।

চমুকৈ ক'ব পাৰি যে ৰাইজমেলে আর্থ-সামাজিক আৰু ৰাজনৈতিক আন্দোলনত মানুহক উলিয়াই আনি একত্রিত কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল যি ঔপনিবেশিক শাসনাধিষ্ঠ অসমত ৰাজনৈতিক আৰু জাতীয় সচেতনতা গঠনত আগবঢ়াই নিছিল। ১৮৬১ চনৰপৰা ১৮৯৪ চনলৈ সংঘটিত অসমৰ কৃষক বিদ্রোহৰ মূল চালিকা শক্তি আছিল ৰাইজমেল।

৩.৩.২ ৰাইজমেলৰ লক্ষ্য আৰু উদ্দেশ্য

- ৰাইজমেলে চৰকাৰৰ ওচৰত জনসাধাৰণৰ আৰ্থ-সামাজিক সমস্যাসমূহ উত্থাপন কৰিবলৈ চেষ্টা কৰিছিল।
- ৰাইজমেলে কৃষকসকলৰ পাৰম্পৰিক আগ্রহক সুৰক্ষিত কৰিব বিচৰাৰ লগতে তেওঁলোকক বিভিন্ন ধৰণৰ শোষণৰ পৰা সুৰক্ষা দিছিল।
- ৰাইজমেলৰ আন এটা উদ্দেশ্য আছিল জাতি, ধর্ম আৰু নৃগোষ্ঠীয় দল নির্বিশেষে কৃষকসকলৰ গতিশীলতা আৰু একাত্মবোধ প্রদর্শন কৰা।
- ৰাইজমেলৰ আন এটা লক্ষ্য আছিল চৰকাৰক ৰাজহৰ হাৰ আৰু অন্যান্য কৰ হ্রাস কৰিবলৈ দাবী জনোৱাৰ পৰিৱর্তে বাধ্য কৰোৱা।
- ৰাইজমেলে চৰকাৰৰ কার্যত কৃষকসকলৰ হেৰোৱা গৌৰৱ উদ্ধাৰৰ বাবে চেষ্টা চলাইছিল।

৩.৩.৩ ৰাইজমেলৰ ভূমিকা আৰু গুৰুত্ব

ঊনবিংশ শতিকাৰ অসমত ৰাইজমেলে এক গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিছিল। আন কথাত ক'বলৈ গ'লে, ৰাইজমেল হৈছে কৃষকসকলৰ সমৱেত অভিযান। এই বিষয়ত এম. শর্মাই মন্তব্য আগবঢ়াইছে যে ৰাইজমেল সমূহ এনে অনুষ্ঠান আছিল য'ত কৃষকসকলে অতি গুৰুত্বপূর্ণ অংশগ্রহণকাৰী আছিল। অসমত 'মেল' আছিল সেই সময়ৰ এক সন্মানজনক অনুষ্ঠান আৰু অসমীয়া সমাজ জীৱনৰ এক"স্বীকৃতিপ্রাপ্ত বৈশিষ্ট্য"। ই এনে এক সংগঠন আছিল যাৰ যোগেদি জনসাধাৰণে স্থানীয় বিষয়ববীয়াৰ শোষণৰ পৰা নিৰাপত্তা আৰু সুৰক্ষা আশা কৰিব পাৰিছিল।

ৰাইজমেলে ১৮৬১ চনৰ ফুলগুৰি বিদ্রোহৰ সময়ত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল। ফুলগুৰিৰ ওচৰে পাজৰে ৰাইজৰ মেল অনুষ্ঠিত হৈছিল আৰু ইয়াৰ বেছি সংখ্যকতেই স্থানীয় নেতাসকলে সক্রিয় সমর্থন আগবঢ়াইছিল। বাৰপূজীয়া, ৰহা, কামপুৰ, চাপৰি আৰু যমুনামুখৰ কৃষকসকল ফুলগুৰিত সমবেত হৈ ৰাইজমেল অনুষ্ঠিত কৰি তেওঁলোকৰ সমস্যাৰ বিষয়ে আলোচনা কৰিছিল। এই মেলৰ মুখ্য উদ্দেশ্য আছিল পাণৰ ওপৰত আৰোপ কৰা কৰৰ বিৰুদ্ধে প্রতিবাদ কৰা আৰু আফু খেতিৰ নিষেধাজ্ঞাৰ বিৰুদ্ধে ক্ষোভ প্রকাশ কৰা। নিজ নিজ মেলৰ নেতাসকলৰ নেতৃত্বত ভালেকেইখন গাঁৱৰ গাঁওবাসী একত্রিত হৈ শাসক শ্রেণীৰ শোষণৰ পৰা নিজকে সুৰক্ষা দিবলৈ সিদ্ধান্ত গ্রহণ কৰিছিল। দুখিতঃ কৃষকসকলে তেওঁলোকৰ দাবী পূৰণ নোহোৱা পর্যন্ত সংগ্রাম চলাই যোৱাৰ থিৰাং কৰে। এনেকৈ এই সু-সংগঠিত আৰু সমবেত মেলে জনসাধাৰণৰ সমস্যাসমূহৰ আলোচনাৰ পর্যাপ্ত সুযোগ দিয়াই নহয়, স্বাধীনতাৰ উদ্যাম আৰু আত্ম নির্ভৰশীলতা বৃদ্ধি কৰিছিল।

১৮৮৩ চনত চৰকাৰে মাটিৰ খাজনা বৃদ্ধিৰ বাবে কিছুমান নীতি গ্রহণ কৰিছিল। কৃষকসকলে তেওঁলোকৰ সুৰক্ষাৰ কাৰণে পুনৰ ৰাইজমেলৰ আশ্রয় লয়। দৰং আৰু কামৰূপ জিলাৰ বিভিন্ন অঞ্চলত এনে ভালেমান 'মেল' অনুষ্ঠিত হৈছিল। কৃষকসকলে তেওঁলোকৰ অসহনীয় কৰৰ লগত জড়িত বিষয় আলোচনা কৰাৰ লগতে চৰকাৰী নীতিৰ প্রতিবাদ কৰাৰ সিদ্ধান্ত গ্রহণ কৰে। এনেকৈ ৰাইজমেলে সকলো সম্প্রদায়ৰ কৃষকক চৰকাৰৰ বিৰুদ্ধে একত্রিত কৰাত যথেষ্ট পৰিমাণে কৃতকার্য হৈছিল।

১৮৯২ চনত ৰঙিয়া আৰু লাচিমাত ৰাইজমেলে এক সক্রিয় ভূমিকা গ্রহণ কৰিছিল। ৰঙিয়া আৰু লাচিমাৰ কৃষকসকলৰ এই সাহসী বিদ্রোহে উত্তৰ কামৰূপৰ বিভিন্ন অঞ্চলৰ কৃষকসকলক মাটিৰ খাজনা বৃদ্ধিৰ বিৰোধিতা কৰাত অনুপ্রাণিত কৰিছিল। কম সময়ৰ ভিতৰতে নলবাৰী, বৰমা, বজালী আৰু বিভিন্ন অঞ্চলত ৰাইজমেল অনুষ্ঠিত হৈছিল। দৰং জিলাৰ পথৰুঘাট তহচিলৰ কৃষকসকলৰ মাজত ১৮৯৪ চনৰ ২৬ জানুৱাৰীত অনুষ্ঠিত হোৱা ৰাইজমেলত বর্ধিত হাৰত খাজনা আদায় নিদিয়াৰ সিদ্ধান্ত গ্রহণ কৰিছিল। সাম্রাজ্যবাদী শাসক শ্রেণীয়ে কৃষিৰ ক্ষেত্রত লোৱা নীতি আৰু কৃষকক কৰা শোষণৰ বিৰুদ্ধে কৃষক শ্রেণীক একত্রিত কৰাত ৰাইজমেলে এক গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিছিল। ৰাইজমেলে ঊনবিংশ শতিকাত জনসাধাৰণৰ মনত সচেতনতা বৃদ্ধিত সহায় কৰিছিল। শ্রুতিদেৱ গোস্বামীৰ মতে ৰাইজমেল ১৮৬১ চনৰপৰা ১৮৯৪ চনলৈ হোৱা কৃষক বিদ্রোহৰ প্রধান শক্তি আৰু মূল চালিকা শক্তি আছিল যি শক্তিশালী ঔপনিবেশিক শ্রেণীটোৰ দমন আৰু শোষণমূলক কার্যৰ প্রতিবাদী বিদ্রোহৰ নেতৃত্ব বহন কৰিছিল।

৩.৪ ফুলগুৰি ধেৰা, ১৮৬১

ইষ্ট ইণ্ডিয়া কোম্পানীৰ পৰা বৃটিছ ৰাজ পৰিয়ালৰ হাতলৈ ক্ষমতা হস্তান্তৰ হোৱাটো ভাৰতীয় কৃষকসকলৰ কাৰণে মাৰাত্মক হৈ পৰিছিল। ১৮৫৭ চনৰ বিদ্রোহৰ ঘাটি পূৰাবলৈ ইংৰাজ চৰকাৰে নতুন কৰ নীতি গ্রহণ কৰিছিল। ফলস্বৰূপে ভাৰতৰ বিভিন্ন প্রান্তৰ কৃষকসকলে ঔপনিবেশিকতাবাদী চৰকাৰৰ নতুন কৰ নীতিৰ বিৰুদ্ধে বিদ্রোহত লিপ্ত হৈছিল।

নতুনকৈ আৰোপিত অত্যাধিক কৰৰ বোজাই অসমৰ কৃষকসকলৰ মাজত ধুমুহাৰ সৃষ্টি কৰিছিল। ১৮৬০ চনত গোৱালপাৰা আৰু কামৰূপ জিলাত আয়কৰ লগোৱা হৈছিল। গছ-কটা আৰু সোণ নিস্কাষণৰ ওপৰতো কৰ আৰোপ কৰা হৈছিল। নদী আৰু বিলত মাছ মৰা অধিকাৰ বেছি টকা আদায় দিয়া লোকক দিয়া হৈছিল। একে সময়তে অসমত 'ষ্টাম্প কৰ' (Stamp Duty) লগোৱা হৈছিল। ১৮৬১-৬২ চনত কামৰূপ, দৰং আৰু গোৱালপাৰা জিলাত আবকাৰী কৰ বহোৱাৰ লগতে আফু খেতি নিষিদ্ধ কৰা হৈছিল কিয়নো আফু খেতি কৰা বাৰী আৰু চাপৰি মাটিত নিচেই কম হাৰত কৰ আৰোপ কৰা হৈছিল।

অসমৰ আটাইতকৈ বেছি আফু উৎপাদন কৰা জিলা হিচাপে আবকাৰী কৰ প্ৰৱৰ্তন কৰাত নগাঁও অতি বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছিল। তেনে সময়তে বৃটিছ চৰকাৰে ঘৰবাৰী আৰু পাণ খেতিৰ ওপৰতো কৰ আৰোপ কৰাৰ চিন্তা চৰ্চা কৰি থকা বুলি এক উৰাবাতৰি নগাঁও জিলাত বিয়পি পৰিছিল। এই কথাই ফুলগুৰি অঞ্চলৰ লালুং আৰু কছাৰী জনজাতি লোকসকলক আন্দোলন কৰিবলৈ বাধ্য কৰিছিল। ১৮৬১ চনৰ ১৭ চেপ্তেম্বৰ তাৰিখে আফু খেতি নিষিদ্ধকৰণৰ আৰু পাণ খেতিৰ ওপৰত কৰ আৰোপ কৰাৰ প্ৰতিবাদ কৰিবলৈ সদৰ ক'ৰ্টৰ ওচৰত প্ৰায় এক হাজাৰ লোক সমবেত হৈছিল। কিছু সংখ্যক প্ৰতিবাদী কৃষকে নগাঁৱৰ উপায়ুক্তৰ কাৰ্যালয়ত বল প্ৰয়োগ কৰি প্ৰৱেশ কৰিছিল। উপায়ুক্ত হাৰ্বাট স্কনচে (Herbert scones) ধৈৰ্য সহকাৰে কৃষকসকলৰ আপত্তি শুনিবলৈ অমান্তি হৈছিল। স্কনচে অনাধিকাৰ প্ৰৱেশকাৰীক জৰিমণা বিহাই নহয় দিনটোৰ বাকীচোৱা সময় তেওঁলোকক আটক কৰি ৰাখিছিল। ৯ অক্টোবৰৰ পৰৱৰ্তী প্ৰচেষ্টাতো ৰায়তসকলে হাৰ্বাট স্কনচৰ পৰা কোনো সদুত্তৰ নাপালে। এই কথাই জনসাধাৰণক বৃটিছ চৰকাৰৰ লগত সহযোগিতা নকৰিবলৈ বাধ্য কৰিছিল। তেওঁলোকে বৃটিছ প্ৰশাসনক কোনো ধৰণৰ কৰ আদায় নিদিয়াৰ সিদ্ধান্তও গ্ৰহণ কৰিছিল। আনকি, ক্ষোভিত ৰায়তসকলে তেতিয়া ১৫ অক্টোবৰৰপৰা পাঁচদিনীয়াকৈ ফুলগুৰিত ৰাইজমেল অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। সেইদিনা ফুলগুৰিত প্ৰায় এহেজাৰ ৰাইজ সমবেত হৈছিল। জনতাক ছত্ৰভংগ দিয়াবলৈ স্কনচে (scones) নগাঁও কাৰাগাৰৰ ডাৰোগা হলধৰ বৰুৱাৰ অধীনত এক পুলিচ বাহিনী প্ৰেৰণ কৰিছিল। হলধৰ বৰুৱা ৰাইজমেল অনুষ্ঠিত কৰা ঠাইত উপস্থিত হৈ জনতাক সেই স্থান ত্যাগ কৰিবলৈ আদেশ দিছিল, কিন্তু জনতাই তেওঁৰ আদেশ অগ্ৰাহ্য কৰিছিল। ইয়াৰ ফলত হলধৰ বৰুৱাই খৰতকীয়াকৈ সেই স্থানৰ পৰা পিছ হুহুকি আহিবলৈ বাধ্য হয়। পিছদিনা একে উদ্দেশ্যৰে এটা পুলিচ বাহিনী পঠিয়াইছিল যদিও সম্পূৰ্ণ বিফল হয়। ১৭ অক্টোবৰৰ দিনা ফুলগুৰিত প্ৰায় তিনিৰপৰা চাৰি হাজাৰ কৃষক একগোট হৈছিল। পুলিচ বাহিনী সভা অনুষ্ঠিত হোৱা ঠাইত উপস্থিত হৈ নেতাসকলক গ্ৰেপ্তাৰ কৰিছিল। কিন্তু উত্তেজিত জনতাই বল প্ৰয়োগ কৰি কাৰাবন্দীসকলক মুক্ত কৰিছিল। পৰৱৰ্তী দিনা স্কনচে সহকাৰী উপায়ুক্ত লেঃ চিংগাৰক এটা পুলিচ বাহিনীৰ সৈতে ফুলগুৰিলৈ প্ৰেৰণ কৰিছিল। ফুলগুৰিত উপস্থিত হৈ প্ৰায় তিনি হাজাৰ লোকৰ সমাবেশ দেখা পায় আৰু সৰহ সংখ্যক জনতাই হাতত একোডালকৈ লাঠি লৈ আছিল। সেই সময়ত অসমীয়া মানুহে জীৱ-জন্তু খেদিবলৈ বা বাটত পৰি থকা অদৰকাৰী বস্তু আঁতৰাবলৈ হাতত একোডাল লাঠি লৈ ফুৰিছিল। এই কথাত খং উঠি চিংগাৰে জনতাক তেওঁলোকৰ হাতত থকা লাঠিসমূহ তলত থৈ সেই স্থান ত্যাগ কৰিবলৈ নিৰ্দেশ দিছিল। ইয়াৰ পিছত সংঘটিত হতাহতিত মৈৰা সিং নামৰ এজন লোকে এডাল লাঠিৰে চিংগাৰৰ মূৰত আঘাত কৰে আৰু মৰিয়াই হত্যা কৰিছিল। চিংগাৰৰ লগত থকা পুলিচ বাহিনীয়ে তেতিয়া সেই স্থানৰ পৰা পলায়ন কৰে আৰু চিংগাৰৰ মৃতদেহটো কলং নদীত পেলাই দিয়া হয়। এদল বিক্ষোভকাৰী ৰহা অভিমুখে গৈ তাত থকা পুলিচ চকী আক্ৰমণ কৰে। ৰহা থানাৰ বিষয়া গৰাকীৰো চিংগাৰৰ দৰে একে দশা হয়।

পৰিস্থিতি গম্ভীৰ হৈ পৰাত স্কনচে অসম লঘূ পদাতিক বাহিনীৰ এক সশস্ত্র বাহিনী লগত লৈ পৰিস্থিতি নিয়ন্ত্রণ কৰিবলৈ নিজে সেই স্থানত উপস্থিত হয়। গুলিয়াগুলীত বহুত মানুহৰ মৃত্যু হোৱাৰ লগতে আন বহুতো আঘাতপ্রাপ্ত হয়। চিংগাৰৰ হত্যাকাণ্ডত জড়িত ৪১ জন মানুহক গ্রেপ্তাৰ কৰাৰ পাছতে প্রভাৱিত অঞ্চলৰ আইন শৃংখলা স্বাভাৱিক হয়। প্রায় ৮/৯ জন লোকক মৃত্যুদণ্ড বিহাৰ লগতে আন্দামান দ্বীপলৈ নির্বাসন দিয়া হৈছিল।

৩.৪.১ ফুলগুৰি ধেৰাৰ গুৰুত্ব

ফুলগুৰিৰ বিদ্রোহে কেৱল অসমৰে নহয় ভাৰতৰো কৃষক বিদ্রোহৰ ইতিহাসত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল। ঔপনিবেশিক গোষ্ঠীৰ বিৰুদ্ধে ই আছিল অসমৰ প্রথম জনপ্রিয় কৃষক বিদ্রোহ। চৰকাৰে এই বিদ্রোহ কঠোৰ হাতেৰে দমন কৰিবলৈ সক্ষম হৈছিল যদিও ফুলগুৰিৰ কৃষকসকলৰ ত্যাগ অথলে যোৱা নাছিল। অৱশেষত বৃটিছ চৰকাৰে অন্যায়মূলক কৰৰ গাঁথনিটোৰ পুনৰীক্ষণ কৰিবলৈ বাধ্য হৈছিল।

ফুলগুৰি বিদ্রোহৰ ক্ষেত্রত এইটো আঙুলিয়াই দেখুৱাব পাৰি যে এই বিদ্রোহত কৃষকসকলে নিজে নিজৰ সিদ্ধান্ত গ্রহণ কৰিছিল আৰু কৃষকৰ সমস্যাৰ প্রতিবাদ সাব্যস্ত কৰিবলৈ ৰাইজ ঘৰৰ বাহিৰ ওলাই আহিছিল। ই অসমত কৃষক বিদ্রোহৰ সূচনা কৰিছিল কাৰণ ইয়াত দুর্দশাগ্রস্ত কৃষকসকলে উমৈহতীয়া কাৰণত ঐক্যবদ্ধভাৱে যুঁজিছিল। একে সময়তে ফুলগুৰিৰ ঘটনাই বিদেশী শাসনৰ বিৰুদ্ধে বহল ভিত্তিত স্বাধীনতা সংগ্রামৰ উদ্যম সৃষ্টি কৰিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ঃ কোন চনত অসমৰ গোৱালপাৰা আৰু কামৰূপ জিলাত আয়কৰ লগোৱা হৈছিল?

.....

প্রশ্ন ২ঃ হার্বার্ট স্ক'নচ কোন আছিল?

.....

৩.৫ জয়ন্তীয়াসকলৰ বিদ্রোহ, ১৮৬০- ১৮৬৩

জয়ন্তীয়া শব্দটো হিন্দুসকলৰ দেৱী দুর্গাৰ অৱতাৰ জয়ন্তীয়া দেৱী অথবা জয়ন্তেশ্বৰীৰ পৰা লোৱা হৈছে। জয়ন্তীয়াসকলক চিনটেং হিচাপে জনা গৈছিল যি উত্তৰ-পূব ভাৰতৰ জয়ন্তীয়া পাহাৰৰ বাসিন্দা আছিল। ১৮৩৫ চনত জয়ন্তীয়া পাহাৰ বৃটিছ সাম্রাজ্যৰ লগত চামিল কৰা হৈছিল। সমভূমি অঞ্চলত বৃটিছসকলে প্রত্যক্ষভাৱে শাসন কৰিছিল আৰু

পাহাৰীয়া অঞ্চলত পোন্ধৰজন দলৈ আৰু চাৰিজন চর্দাৰ নিয়োগ কৰি পৰোক্ষ শাসন চলাইছিল। ১৮৬০ চনত জয়ন্তীয়া পাহাৰত বৃটিছ চৰকাৰৰ বিৰুদ্ধে প্রথম জনপ্রিয় বিদ্রোহ আৰম্ভ হৈছিল। জয়ন্তীয়াসকলৰ প্রৱজনমুখী প্রকৃতিৰ কাৰণে তেতিয়ালৈকে প্রত্যক্ষ কৰৰ পৰা মুক্ত আছিল কাৰণ তেওঁলোক সাধাৰণতে ঝুম খেতিত জড়িত আছিল। কিন্তু ১৮৬০ চনত ঘৰ-বাৰীৰ ওপৰত কৰ আৰু ষ্টাম্প কৰ আৰোপ কৰাত পৰিস্থিতিৰ আমূল পৰিৱর্তন ঘটিছিল। বৃটিছসকলে সূচনা কৰা কিছুমান প্রশাসনিক ব্যৱস্থাৰ বিৰুদ্ধে জয়ন্তীয়াসকল মুক্ত বিদ্রোহত লিপ্ত হৈছিল যিয়ে জয়ন্তীয়া ৰাইজৰ ধর্মীয় অনুভূতিত আঘাত কৰাৰ লগতে অর্থনৈতিক দিশত প্রভাবিত কৰিছিল। তেওঁলোকে জয়ন্তীয়াপুৰ, মুলাগুল আৰু জাফলঙৰ পুলিচ থানা আক্রমণ কৰে। চেৰাৰ বিষয়াজনে তেতিয়া এদল সৈন্য লৈ জোৱাইলৈ (Jowai) ততাতৈয়াকৈ যায়। বৃটিছ চৰকাৰে প্রাৰম্ভিক অৱস্থাতেই এই বিদ্রোহ দমন কৰিছিল কাৰণ বিদ্রোহীসকল সুসংগঠিত নাছিল।

জয়ন্তীয়া পাহাৰত ৰাজনৈতিক অস্থিৰতা চলি থাকিল। ১৮৬১ চনৰ ২৮ ডিচেম্বৰত জয়ন্তীয়া পাহাৰত ইউ. কিয়াং নংবাৰ নেতৃত্বত এক ঐতিহাসিক বিদ্রোহ সংঘটিত হৈছিল। তেওঁ বৃটিছসকলক খেদাই আগৰ ৰজাক সিংহাসনত বহুওৱাৰ উদ্দেশেৰে জয়ন্তীয়াসকলক সংগঠিত কৰিছিল। ১৮৬১ চনত জোৱাইৰ ওচৰৰ চিনটেং (Synten) ত নেতৃস্থানীয় ব্যক্তিসকলৰ এখন সভা অনুষ্ঠিত হৈছিল। জয়ন্তীয়াসকলে ইউ. কিয়াং নংবাক তেওঁলোকৰ মুখ্য নেতা হিচাপে নির্বাচন কৰিছিল যিয়ে এক সৈন্যদল গঠন কৰাৰ লগতে গোটেই সম্প্রদায়টোৰ সমর্থন আদায় কৰিবলৈ সক্ষম হৈছিল। বৃটিছ চৰকাৰে দলৈসকলৰ ক্ষমতা হ্রাস কৰাত তেওঁলোকে ইচ্ছাকৃতভাৱে বিদ্রোহত সহযোগ কৰিছিল। বৃটিছসকলে জয়ন্তীয়া পাহাৰ নিজ ৰাজ্যৰ লগত চামিল কৰাৰ পাছত দলৈসকলক দুর্নীতিগ্রস্ত স্বভাৱৰ কাৰণে বৃটিছ কর্তৃক্ষই তেওঁলোকৰ ক্ষমতা হ্রাস কৰিবলৈ ১৮৫০ চনত জোৱাইত এজন ডাৰোগা নিয়োগ কৰে। ১৮৬১ চনৰ ২৮ ডিচেম্বৰত জয়ন্তীয়া সকলে জোৱাইৰ ওচৰৰ জাফলঙত (Jaflong) ঢাল আৰু তৰোৱাল লৈ বহুৰেকীয়া নৃত্য উৎসৰ (pastieh) পালন কৰিছিল। কিন্তু জয়ন্তীয়াসকলে ঢাল আৰু তৰোৱাল ব্যৱহাৰ কৰাটো নিষিদ্ধ আছিল। জাফলঙৰ এক পুলিচ বাহিনী তাত উপস্থিত হৈ জনতাক খেদি পঠিয়ায়। বৃটিছ বিষয়াসকলৰ প্রৰোচনা মূলক আচৰণে জয়ন্তীয়াবাসীক এক হিংসাত্মক বিদ্রোহত লিপ্ত হ'বলৈ বাধ্য কৰিছিল। কাৰণ ১৮৬১ চনৰ ২৯ ডিচেম্বৰ তাৰিখে মৃতদেহ কঢ়িয়াই নিয়া এক শোভাযাত্রাক ইংৰাজ বাহিনীয়ে বাধা প্রদান কৰিছিল। ১৮৬২ চনৰ ১৭ জানুৱাৰীত প্রায় ৬০০ জয়ন্তীয়া লোকে জোৱাইত থকা সামৰিক আস্থান আক্রমণ কৰি অস্ত্রৰ ভঁৰাল অধিকাৰ কৰে। তদুপৰি বিদ্রোহী সকলে সামৰিক আস্থানটো অৱৰোধ কৰে। এদল বিদ্রোহীয়ে চেৰাপুঞ্জীলৈ যোৱা পথটোও ভেঁটা দিয়ে।

জোৱাইৰ সামৰিক আস্থান অৱৰোধৰ বাতৰি চেৰাপুঞ্জীত লাভ কৰাৰ লগে লগে খাচী-জয়ন্তীয়া পাহাৰৰ উপায়ুক্ত ই. ডব্লিউ.ৰাওলাটে (E.W.Rowlatt) এক শক্তিশালী বাহিনীৰ

সৈতে জোৰাই অভিমুখে ৰাওনা হয় আৰু সামৰিক আস্থানটো পুনৰ অধিকাৰ কৰে। ৩৩ নং দেশীয় লঘূ বাহিনীক বিদ্রোহীসকলৰ মূল ঘাটিত অৱতীর্ণ কৰা হৈছিল। ইতিমধ্যে, ৪৪ নং জাতীয় লঘূ বাহিনীৰ এটা দল আৰু বেংগল সামৰিক পুলিচ জোৰাই অভিমুখে গৈছিল। বিদ্রোহীসকলক দমন কৰিবলৈ সামৰিক অভিযান তীব্রতৰ কৰি তোলা হৈছিল আৰু খাদ্য সামগ্রীৰ যোগান বন্ধ কৰি গাঁও ভূঁই জ্বলাই খাদ্য সামগ্রী নষ্ট কৰি দিয়া হৈছিল। কিন্তু, বৃটিছ সকলৰ মৃতকৰ সংখ্যা দিনক দিনে বৃদ্ধি পোৱাত 'ইষ্টার্ণ কমাণ্ডাৰ' ব্রিগেডিয়াৰ জেনেৰেল জি. ডি. চাৱাৰে (G.D.Showers) বিদ্রোহীসকলৰ লগত আলোচনা কৰাৰ সিদ্ধান্ত লয়। তেওঁ খেৰিমৰ ৰাজা ৰাৱণ সিং আৰু চেৰাৰ ৰাজা ৰাম সিংঙক মধ্যস্থতাকাৰী হিচাপে নিয়োগ কৰে। বৃটিছ চৰকাৰে ইউ কিয়াং নংবাক ধৰিব পাৰিলে এক হাজাৰ টকাৰ পুৰস্কাৰো ঘোষণা কৰিছিল।

১৮৬৩ চনৰ মাজভাগৰপৰা জয়ন্তীয়া বিদ্রোহে ইয়াৰ শক্তি হেৰুৱাবলৈ ধৰে। চৰকাৰে গাঁওসমূহ ধ্বংস কৰাৰ লগতে দোষী নির্দোষী সকলোকে শাস্তি প্রদান কৰি কঠোৰ হাতেৰে বিদ্রোহ দমন কৰে। অৱশেষত ইউ. কিয়াং নংবাক বন্দী কৰা হয়। সামৰিক আদালতত তেওঁৰ বিচাৰ চলোৱা হয় আৰু মত্যুদণ্ড বিহা হয়। জোৰাইত (Jowai) তেওঁক ৰাজহুৱাভাৱে ফাঁচি দিয়া হয়। শেষত, ১৮৬৩ চনৰ এপ্রিল মাহত বাকী বিদ্রোহী নেতাসকলে চৰকাৰৰ ওচৰত আত্মসমর্পণ কৰাত জয়ন্তীয়া বিদ্রোহৰ অন্ত পৰে।

ইউ. কিয়াং নংবাৰ নেতৃত্বত সংঘটিত হোৱা জয়ন্তীয়া বিদ্রোহ ফুলগুৰিৰ বিদ্রোহতকৈ সম্পূর্ণ পৃথক আছিল। ই আছিল এক জনজাতীয় বিদ্রোহ। কৃষিভিত্তিক সমস্যা লৈ এই বিদ্রোহ সংঘটিত হোৱা নাছিল। ইংৰাজ চৰকাৰৰ প্রশাসনিক ব্যৱস্থাই জয়ন্তীয়া সকলৰ ধর্মীয় অনুভূতিত আঘাত কৰাৰ লগতে সামাজিক জীৱনক প্রভাৱিত কৰাত এই বিদ্রোহ সংঘটিত হৈছিল।

- **জয়ন্তীয়া বিদ্রোহৰ বিফলতাৰ কাৰণ**

জয়ন্তীয়াসকলে ঔপনিৱেশিক শক্তিক তেওঁলোকৰ ভূমিৰপৰা বিতাৰণ কৰা আৰু পূর্বৰ ৰজাক পুনৰ সিংহাসনত বহুৱাবলৈ এক সাহসিক প্রচেষ্টা চলাইছিল যদিও জয়ন্তীয়া বিদ্রোহ বিফলতাৰে অন্ত পৰিছিল। জয়ন্তীয়াসকলৰ প্রধান দুর্বলতা আছিল শক্তিশালী বৃটিছ বাহিনীক বাধা দিয়াৰক্ষেত্রত সঠিক বুজাপৰাৰ অভাৱ। বৃটিছ সৈন্যবাহিনীৰ শক্তি সম্পর্কে জয়ন্তীয়া সকলৰ কোনো স্পষ্ট ধাৰণা নাছিল। বিদ্রোহীসকলে ঘৰত নির্মাণ কৰা তেওঁলোকৰ পৰম্পৰাগত অস্ত্র যেনে- যাঁঠি, ধনু-কাঁড় আৰু তৰোৱাল আদিৰে যুঁজ দিয়াৰ বিপৰীতে বৃটিছ সকলে আধুনিক অস্ত্র -শস্ত্রেৰে যুঁজ দিছিল। তাৰোপৰি, ইংৰাজসকলৰ শক্তিশালী কূটনৈতিক নীতিয়ে বিদ্রোহ দমন কৰাত তেওঁলোকক সহায় কৰিছিল।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন ৩ ঃ ১৮৬২ চনৰ জয়ন্তীয়া বিদ্রোহৰ নেতা কোন আছিল?

.....

প্রশ্ন ৪ ঃ E. W. Rowlatt কোন আছিল?

.....



৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমত ৰাইজমেলক জনসাধাৰণৰ সভা আখ্যা দিয়া হয়। অসমীয়াত ৰাইজ শব্দটোৱে জনসাধাৰণক আৰু মেল শব্দটোৱে সভাক বুজায়।
- ৰাইজ শব্দটো ৰাজ্য শব্দৰপৰা অন্য হৈছে যিয়েই মূলত মধ্যযুগৰ অসমৰ কিছুমান অঞ্চলৰ প্রশাসনিক আৰু বিত্তীয় গোটক বুজায়।
- প্রকৃতিগতভাৱে ৰাইজমেল আছিল সাম্রাজ্যবাদ বিৰোধী। ৰাইজমেলে ৰাইজৰ বৃহত্তৰ স্বার্থত অন্যায়ৰ বিৰুদ্ধে মাত মাতিছিল আৰু এনেকৈ পৰোক্ষভাৱে মানৱ অধিকাৰ সংৰক্ষণ বর্তাই ৰাখিছিল।
- ৰাইজমেলে আর্থ-সামাজিক আৰু ৰাজনৈতিক আন্দোলনত মানুহক উলিয়াই আনি একত্রিত কৰাত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল যি ঔপনিবেশিক শাসনাধিষ্ঠ অসমত ৰাজনৈতিক আৰু জাতীয় সচেতনতা গঠনত আগবঢ়াই নিছিল।
- বৃটিছ চৰকাৰৰ দ্বাৰা কিছুমান নতুন কৰৰ প্রৱর্তন আৰু নগাঁও জিলাত পাণ খেতিৰ ওপৰত লগাব লগা সম্ভাব্য কৰে ১৮৬১ চনৰ ঐতিহাসিক ফুলগুৰি বিদ্রোহৰ সূচনা কৰিছিল।
- ফুলগুৰিৰ বিদ্রোহে কেৱল অসমৰে নহয় ভাৰতৰো কৃষক বিদ্রোহৰ ইতিহাসত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল। ঔপনিবেশিক গোষ্ঠীৰ বিৰুদ্ধে ই আছিল অসমৰ প্রথম জনপ্রিয় কৃষক বিদ্রোহ।
- ১৮৬০ চনত জয়ন্তীয়া পাহাৰত বৃটিছ চৰকাৰৰ বিৰুদ্ধে প্রথম জনপ্রিয় বিদ্রোহ আৰম্ভ হৈছিল। ১৮৬১ চনৰ ২৮ ডিচেম্বৰত জয়ন্তীয়া পাহাৰত ইউ. কিয়াং নংবাৰ নেতৃত্বত এক ঐতিহাসিক বিদ্রোহ সংঘটিত হৈছিল।
- ইউ. কিয়াং নংবাৰ নেতৃত্বত সংঘটিত হোৱা জয়ন্তীয়া বিদ্রোহ ফুলগুৰিৰ বিদ্রোহতকৈ সম্পূর্ণ পৃথক আছিল। ই আছিল এক জনজাতীয় বিদ্রোহ। ইংৰাজ চৰকাৰৰ প্রশাসনিক ব্যৱস্থাই জয়ন্তীয়াসকলৰ ধর্মীয় অনুভূতিত আঘাত কৰাৰ লগতে সামাজিক জীৱনক প্রভাৱিত কৰাত এই বিদ্রোহ সংঘটিত হৈছিল।


- নংবাই বৃটিছ প্রশাসনৰ বিৰুদ্ধে এক শক্তিশালী প্রতিৰোধ আগবঢ়াইছিল যদিও অৱশেষত বৃটিছ চৰকাৰে ষড়যন্ত্র কৰি বন্দী কৰে আৰু ৰাজহুৱাকৈ ফাঁচি দিয়ে।



৩.৭ অধিক জানিবলৈ

1. Barpujari, H. K. (1992). *The comprehensive history of Assam*. Guwahati: Publication Board Assam.
2. Baruah, S. L. (2009). *A comprehensive history of Assam*. New Delhi: Munshiram Manoharlal.
3. Goshwami, M., Pujari, S., Dutta, U. (2012). *Asomor etihash*. Jorhat, Assam: Grantha-Sanskriti Edu Cell.
4. Goswami, S. D. (1986). *Raij versus raj: The Nogaon outbreak (1861)* in historical perspective in J.B. Bhattacharjee's (Ed.) *studies in the economic history of North East India*. Shillong: NEHU.
5. Sharma, M. (1989). *The peasant uprising and middle class hegemony-The case of Assam*. NEIHA.





৩.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ১৮৬০ চনত।

২ নং প্রশ্নৰ উত্তৰ ঃ ফুলগুৰি বিদ্রোহৰ সময়ত নগাঁও জিলাৰ উপায়ুক্ত আছিল।

৩ নং প্রশ্নৰ উত্তৰ ঃ ইউ কিয়াং নংবা।

৪ নং প্রশ্নৰ উত্তৰ ঃ খাচী-জয়ন্তীয়া পাহাৰৰ উপায়ুক্ত আছিল।

৩.৯ আৰ্হি প্রশ্ন

ক) অতি চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ ৰাইজমেল কি?

প্রশ্ন ২ঃ হলধৰ বৰুৱা কোন আছিল?

প্রশ্ন ৩ঃ জয়ন্তীয়া বিদ্রোহ কেতিয়া আৰম্ভ হৈছিল?

প্রশ্ন ৪ঃ পেষ্টিয়েহ (Pastieh) কি?

খ) চমু প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰসমূহ লিখক)

প্রশ্ন ১ঃ ৰাইজমেলৰ গুৰুত্বৰ বিষয়ে চমুকৈ লিখক।

প্রশ্ন ২ঃ জয়ন্তীয়া বিদ্রোহ বিফল হোৱাৰ দুটা প্রধান কাৰণ ব্যাখ্যা কৰক।

প্রশ্ন ৩ঃ ফুলগুৰি ধাৱাৰ বিদ্রোহৰ বিষয়ে চমুৱাই আলোচনা কৰক।

গ) ৰচনাধর্মী প্রশ্ন (উত্তৰসমূহ ৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ ঔপনিৱেশিক শাসনৰ সময়চোৱাৰ অসমৰ কৃষক বিদ্রোহত ৰাইজমেলৰ ভূমিকা আৰু গুৰুত্ব আলোচনা কৰক।

প্রশ্ন ২ঃ দলৈসকল কোন আছিল? দলৈসকলৰ প্রধান কার্যসমূহ উল্লেখ কৰক।

প্রশ্ন ৩ঃ জয়ন্তীয়া বিদ্রোহত ইউ কিয়াং নংবাৰ ভূমিকাৰ বিষয়ে আলোচনা কৰক।

****

অধ্যায় ৪ ঃ কৃষক বিদ্রোহ

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ কৃষক বিদ্রোহ
৪.৪ অসমৰ কৃষক বিদ্রোহ, ১৮৯৩-১৮৯৪
৪.৪.১ ৰঙিয়া বিদ্রোহ
৪.৪.২ লাচিমা বিদ্রোহ
৪.৪.৩ পথৰুঘাট বিদ্রোহ
৪.৪.৪ এক নৱজাগৰণ
৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৬ অধিক জানিবলৈ
৪.৭ অগ্রগতিৰ খতিয়ান
৪.৮ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনিঃ

- কৃষক বিদ্রোহৰ সংজ্ঞা আৰু পটভূমিৰ বিষয়ে পৰিচিত হ'ব পাৰিব
- অসমৰ কৃষক বিদ্রোহৰ বিষয়ে জ্ঞান অর্জন কৰিব পাৰিব
- কামৰূপৰ ৰঙিয়া আৰু লাচিমা বিদ্রোহৰ বিষয়ে জানিব পাৰিব
- পথৰুঘাটৰ বিদ্রোহৰ বিষয়ে জানিব পাৰিব
- অসমত জাতীয়তাবাদী ৰাজনৈতিক চিন্তাধাৰাৰ বিকাশত নৱজাগৰণৰ প্রভাৱৰ বিষয়ে পৰিচিত হ'ব।

৪.২ পৰিচয়

মানৱ সভ্যতাৰ সুদীর্ঘ ইতিহাসত পৃথিৱীৰ বিভিন্ন দেশে বহুতো হিংসাত্মক কৃষক বিদ্রোহৰ অভিজ্ঞতা লাভ কৰিছে। প্রাৰম্ভিক অৱস্থাত কৃষক বিদ্রোহসমূহ সামন্তবাদী বা অর্ধ সামন্তবাদী সমাজৰ চাপ বা হেঁচাৰ ফলত সংঘটিত হৈছিল। কিন্তু, ভাৰতত ঔপনিৱেশিক শাসনকালত বহুতো কৃষক বিদ্রোহে গা কৰি উঠিছিল। ঔপনিৱেশিক শাসনৰ অধীনত পৰম্পৰাগত কুটীৰ শিল্পৰ বিলুপ্তি, ভূমিৰ মালিকীস্বত্বৰ পৰিৱর্তন, অত্যাধিক ঋণ আৰু কৃষকসকলৰ দৰিদ্রতাই ভাৰতত বহুতো কৃষক বিদ্রোহৰ সূচনা কৰিছিল।

ঊনবিংশ শতিকাৰ অসমৰ কৃষক বিদ্রোহসমূহ ঔপনিবেশিক শাসনৰ সাম্ৰাজ্যবাদী নীতিৰ বিৰুদ্ধে গঢ় লৈ উঠিছিল। ঔপনিবেশিক চৰকাৰে গ্ৰহণ কৰা অৰ্থনৈতিক নীতিসমূহে ভাৰতৰ কৃষকসকললৈ দুৰ্দশা নমাই আনিছিল। চৰকাৰৰ স্বেচ্ছাচাৰী কৰ নীতিৰ বিৰুদ্ধে বহু ক্ষেত্ৰত কৃষকসকল বিদ্রোহত লিপ্ত হৈছিল। অসমৰ বিভিন্ন অঞ্চলত কৃষকসকল ৰাইজ মেলত মিলিত হৈ চৰকাৰৰ বিৰুদ্ধাচৰণ কৰি গভীৰ প্ৰতিবাদ সাব্যস্ত কৰিছিল। ফুলগুৰিৰ বিদ্রোহৰ ত্ৰিশ বছৰ পাছত দৰং জিলাৰ মঙলদৈ মহকুমাৰ পথৰুঘাট আৰু উত্তৰ কামৰূপ জিলাৰ ৰঙিয়া আৰু লাচিমাৰ কৃষকসকলে চৰকাৰৰ বিৰুদ্ধে এক শক্তিশালী প্ৰতিবাদ গঢ়ি তুলিছিল যাক অসমৰ কৃষক বিদ্রোহ আখ্যা দিয়া হয়।

৪.৩ কৃষক বিদ্রোহ

ইংৰাজী 'Agrarian' শব্দটোৱে মাটিৰ লগত জড়িত, ইয়াৰ পৰিচালনা আৰু বিতৰণৰ যিকোনো ব্যৱস্থাকে বুজায়। ইংৰাজী 'Revolt' বা ইয়াৰ অসমীয়া প্ৰতিশব্দ বিদ্রোহে বৃহৎ সংখ্যক মানুহে হিংসাত্মক আৰু অদমনীয় ৰূপত আচৰণ কৰাৰ অৱস্থাক বুজায়।

ৰাজনীতি বিজ্ঞানী এণ্ঠনী পেৰেইৰা (Anthony Pareira)ৰ মতে কৃষক বিদ্রোহ হৈছে "কোনো এক দেশ বা অঞ্চলৰ কৃষকে তেওঁলোকৰ জীৱনৰ মানদণ্ডৰ উন্নতিৰ উদ্দেশেৰে গঢ়ি তোলা সামাজিক আন্দোলন।"

কৃষক বিদ্রোহত কৃষক শ্ৰেণীৰ বিদ্রোহ অন্তৰ্নিহিত হৈ থাকে যি কৃষিভূমিত কৃষিকাৰ্য কৰা আৰু ইয়াৰ মালিকীস্বত্বৰ লগত জড়িত। বেছি ভাগ বা সৱহ সংখ্যক কৃষক বিদ্রোহ অৰ্থনৈতিক বিষয়ক লৈ সংঘটিত হৈছিল। কিন্তু ভাৰতত স্বাধীনতাৰ পূৰ্বে আৰু স্বাধীনতাৰ পৰৱৰ্তী সময়চোৱাত বিভিন্ন কৃষক শ্ৰেণীয়ে ধন ধাৰলৈ দিয়া মহাজন, জমিদাৰ আৰু ঔপনিবেশিক চৰকাৰৰ বিৰুদ্ধে মুক্ত বিদ্রোহৰ আশ্ৰয় লৈছিল। উল্লেখযোগ্য যে কৃষক বিদ্রোহসমূহৰ কৃতকাৰ্যতা আৰু অংশগ্ৰহণকাৰী শ্ৰেণীটোৰ শক্তি সদায় নেতৃবৃন্দৰ দক্ষতা, বিষয়, সমবেত ৰাইজৰ ধৰণ আৰু কৰ্তৃপক্ষৰ সহাঁৰিৰ ওপৰত নিৰ্ভৰ কৰে। প্ৰাক্-স্বাধীনতাৰ কালচোৱাত ভাৰতৰ প্ৰায় সকলো অঞ্চলেই কৃষক বিদ্রোহৰ সন্মুখীন হৈছিল। কৃষি কাৰ্যৰ লগত জড়িত বনুৱা, শিল্পী আদি সমাজৰ সকলো শোষিত শ্ৰেণীয়ে এই বিদ্রোহত জড়িত হৈ পৰিছিল। ইয়াৰ ভিতৰত উল্লেখযোগ্য হৈছে গুজৰাটৰ খেদা, মালাবাৰ উপকূলৰ মপিলা, বিহাৰৰ চম্পাৰণ, বংগৰ টিভাগা আৰু অসমৰ পথৰুঘাট, ৰঙিয়া আৰু লাচিমাৰ বিদ্রোহ। দক্ষিণ ভাৰতত কৃষক বিদ্রোহ হৈছিল ধন ধাৰে দিয়া মহাজনৰ বিৰুদ্ধে, বেংগলত হৈছিল নীল-বাগানৰ মালিকৰ বিৰুদ্ধে, কিন্তু অসমত এই কৃষক বিদ্রোহে গা কৰি উঠিছিল চৰকাৰৰ শোষণৰ বিৰুদ্ধে।

৪.৪ অসমৰ কৃষক বিদ্রোহ ১৮৯৩-১৮৯৪

১৮৬৮-৬৯ চনত বৃটিছ চৰকাৰে ব্ৰহ্মপুত্ৰ উপত্যকাৰ জিলাসমূহৰ ৰূপিত আৰু অনাৰূপিত মাটিৰ কৰ ২৫ ৰ পৰা ৫০ শতাংশলৈ বৃদ্ধি কৰিছিল। কামৰূপ আৰু দৰং জিলাৰ ৰাইজে এই

অনাকাংক্ষিত কৰ বৃদ্ধিৰ বিৰুদ্ধে ৰাইজ মেল অনুষ্ঠিত কৰিছিল। ঠিক একেদৰে, লক্ষীমপূৰৰ জনসাধাৰণেও তেওলোকৰ বেছিভাগ ভূমিয়েই আত্মসমর্পন কৰিলে। কৃষকসকলৰ প্রতিবাদ দমন আৰু ৰাইজ মেল অনুষ্ঠিত কৰাত বাধা দিবলৈ চৰকাৰে সকলো ঠাইতে সেনাবাহিনী নিয়োগ কৰিলে। ৰাইজে তেতিয়া উপায়ন্তৰ হৈ নামঘৰ বা মছজিদত সকলো সম্প্রদায়ৰ অভাৱ অভিযোগৰ নিষ্পত্তিৰ উদ্দেশ্যে একত্রিত হ'ব লগা হৈছিল। কিন্তু চৰকাৰে পুনৰ এবাৰ ৰাজহ বৃদ্ধি কৰাত পৰিস্থিতি ক্রমাৎ জটিল হৈ পৰিছিল। এনে এক পৰিস্থিতিত ঊনবিংশ শতিকাৰ শেষৰ ফালে কৃষক ৰাইজ বিদ্রোহত লিপ্ত হ'বলৈ বাধ্য হৈ পৰিছিল। ১৮৯৩ চনৰ ডিচেম্বৰ মাহত অসমৰ চীফ কমিছনাৰ ছাৰ উইলিয়াম ৱার্ডে নকৈ কৰ আৰোপ কৰি মাটিৰ খাজনা ৭০-৮০ শতাংশ আৰু কিছু ঠাইত ১০০ শতাংশ পর্যন্ত বৃদ্ধি কৰিলে। অৱশেষত কামৰূপৰ ৰঙিয়া আৰু লাচিমা, দৰং জিলাৰ পথৰুঘাটৰ ৰাইজে এলানি বিদ্রোহ আৰম্ভ কৰিছিল যাক অসমৰ কৃষক বিদ্রোহ আখ্যা দিয়া হয়। ১৮৯৪ চনৰ ৪ জানুৱাৰী তাৰিখে অনুষ্ঠিত হোৱা ৰাইজমেলত টেঙাবাৰীৰ ৰাইজে চৰকাৰক খাজনা আদায় নিদিয়াৰ প্রস্তাৱ লোৱাৰ লগতে গাঁওবাসীৰ নিলামত যোৱা সম্পত্তি ক্রয় কৰিলে তেনে লোকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱাৰ সিদ্ধান্ত গ্রহণ কৰিছিল। এই কৃষক বিদ্রোহলানি বৃটিছ চৰকাৰৰ লগতে মাৰোৱাৰী ব্যৱসায়ীসকলৰ বিৰুদ্ধে সংঘটিত হৈছিল কাৰণ ৰাইজে ভাবিছিল যে আভ্যন্তৰীণ বাণিজ্যৰ যোগেদি মাৰোৱাৰী ব্যৱসায়ীসকলে অসমৰ জনসাধাৰণক শোষণ কৰি আহিছিল।

- **অসমত কৃষক বিদ্রোহ সংঘটিত হোৱাৰ কাৰক**

  কৃষকসকলৰ বর্ধিত অসন্তুষ্টি স্বত্বেও বংগ আৰু অসমৰ কর্তৃপক্ষই নতুন কৰ আৰোপ কৰা আৰু প্রযোজ্য মাটিৰ খাজনা বৃদ্ধি বন্ধ কৰা নাছিল। ১৮৬১ চনত হ'পকিনছনে (Hopekinson) সংগৃহীত কৰৰ ৰাহি অংশ জনকল্যাণমূলক কামত ব্যৱহাৰ কৰাৰ উদ্দেশ্য আগত ৰাখি মাটিৰ খাজনা বৃদ্ধি কৰিব বিচাৰিছিল। হ'পকিনছনৰ প্রস্তাৱে ৰাজহ ব'র্ডৰ অনুমোদন নাপালে যদিও জেনকিন্সে পূর্বতে অনুমোদন জনোৱা ৰাস্তা, দলং আদি মেৰামতি আৰু পুনৰ নির্মাণৰ কাৰণে অতিৰিক্ত পুঁজি গঠনৰ প্রস্তাৱত সন্মতি প্রদান কৰে। পৰৱর্তী প্রচেষ্টাত হ'পকিনছনে প্রদেশখনৰ সকলো জিলাতে সমপৰিমাণৰ দৰ নির্ধাৰণ কৰাৰ উদ্দেশ্য মাটিৰ খাজনা বৃদ্ধিৰ প্রস্তাৱ দাঙি ধৰে। এই ক্ষেত্রত তেওঁৰ প্রস্তাৱে বংগৰ চৰকাৰৰ অনুমোদন লাভ কৰে। ১৯৬৮-৬৯ চনত চৰকাৰে ব্রহ্মপুত্র উপত্যকাৰ সকলো জিলাতে ৰূপিত আৰু অনাৰূপিত মাটিৰ খাজনা ২৫ ৰ পৰা ৫০ শতাংশলৈ বৃদ্ধি কৰে।

  নতুন কৰ আৰোপণৰ ফলত অৱশেষত ১৮৮৩-৮৪ চনত কামৰূপ আৰু দৰং ৰাইজৰ অসন্তুষ্টিয়ে হিংসাত্মক ৰূপ ধাৰণ কৰে।

জানি থোৱা ভাল



"D.D.Kosambi আৰু R.S.Sharma ই Daniel Thorner ৰ লগলাগি পোন প্রথমবাৰৰ বাবে কৃষকসকলক ভাৰতৰ ইতিহাসৰ অধ্যয়নৰ বিষয়বস্তুৰ অন্তর্ভুক্ত কৰিছিল।"

৪.৪.১ ৰঙিয়াৰ কৃষক বিদ্রোহ

১৮৯৩ চনৰ ২৪ ডিচেম্বৰ তাৰিখে ৰঙিয়া বজাৰৰ লুটপাত কৰাৰ লগে লগে ৰঙিয়াৰ বিদ্রোহৰ সূত্রপাত হয়। সেইদিনা আবেলিলৈ ক্ষুদ্র জনতাই ৰঙিয়াৰ ওচৰৰ বেলাগাঁৱত (Belagaon) এখন ৰাইজমেল অনুষ্ঠিত কৰে। মেলৰ পাছত উত্তেজিত ৰাইজে ৰঙিয়া বজাৰৰ জুপুৰিবোৰ ভাঙি বিধ্বস্ত কৰে আৰু ৩০ ডিচেম্বৰৰ দিনা মাৰোৱাৰী বণিকৰ দোকান লুটপাত চলাব বুলি ভাবুকি প্রদান কৰে কাৰণ ৰাইজে মাৰোৱাৰী দোকানীজনৰ উপস্থিতিৰ কাৰণেই তেওঁলোকৰ মাটিৰ খাজনা বৃদ্ধি হৈছিল বুলি ভাৰিছিল। ৩০ ডিচেম্বৰৰ দিনা প্রায় ৩ হাজাৰ লোক ৰঙিয়াত সমবেত হৈ গোটেই নিশা প্রতিবাদ সাব্যস্ত কৰে। লগতে উত্তেজিত জনতাই ৰঙিয়া থানা, ডাকঘৰ আৰু টহচিলদাৰ অফিচ ধ্বংস কৰিম বুলি ভাবুকি প্রদান কৰে। কিন্তু সহকাৰী পুলিচ অধীক্ষক Mr.Reilly ৰ অধীনত এদল পুলিচ বাহিনী সময় মতে ঘটনাস্থলীত উপস্থিতি হোৱাত পৰিস্থিতি শাম কাটে।

১৮৯৩ চনৰ ৬ জানুৱাৰী তাৰিখে কামৰূপৰ উপায়ুক্ত R.B.MacCabe এদল পুলিচ বাহিনী লৈ ৰঙিয়াত উপস্থিত হয় ২৪ ডিচেম্বৰৰ ঘটনাৰ লগত জড়িত কেইবাজনো ব্যক্তিক গ্রেপ্তাৰ কৰে। এই গ্রেপ্তাৰৰ ঘটনাই ৰাইজক অধিক আক্রমণৰপৰা বিৰত ৰাখিব নোৱাৰিলে। ১০ জানুৱাৰীত ৰঙিয়া থানাৰ কাষৰ এক মুকলি পথাৰত প্রায় তিনি হাজাৰ লোক সমবেত হয়। তাৰে কিছু সংখ্যকে হাতত একোডালকৈ লাঠী লৈ আছিল। উপায়ুক্তই তেওঁলোকক আঁতৰি যাবলৈ কৈছিল যদিও তেওঁলোক অমান্তি হৈছিল। তাৰ পৰিৱর্তে তেওঁলোকে "বর্ধিত হাৰত কৰ আদায় নিদিওঁ" ধ্বনি দি ৰঙিয়া থানা অভিমুখে আগবাঢ়ি গৈছিল। আবেলিলৈ ৰাইজে ৰঙিয়া থানাত বন্দী কৰি ৰখা তেওঁলোকৰ সহযোগীসকলক মুকলি কৰি আনিবলৈ বলপূর্বকভাবে থানাত প্রৱেশ কৰে। উত্তেজিত জনতাই থানাৰ ভিতৰৰ কেইটামান ঘৰ অধিকাৰ কৰাত পুলিচে গুলীচালনা কৰে। পুলিচৰ গুলীচালনাত জনতাই সেই স্থান ত্যাগ কৰিবলৈ বাধ্য হয়। উক্ত ঘটনাত কিমান সংখ্যক লোকৰ মৃত্যু হয় সেই বিষয়ে সঠিক তথ্য নাই যদিও যথেষ্ট সংখ্যক লোকৰ পুলিচৰ গুলীচালনাত মৃত্যু হৈছিল। পৰিস্থিতিৰ জটিলতাৰ প্রতি লক্ষ্য ৰাখি আৰু ওচৰ চুবুৰীয়া এলেকাত অধিক বিপদৰ আশংকাত উপায়ুক্তই তেজপুৰ আৰু দৰং সীমান্তৰ পৰা অতিৰিক্ত পুলিচ বাহিনী মাতি পঠালে। টহচিলদাৰৰ কাৰণে শক্তিশালী কোঠ নির্মাণ কৰাৰ লগতে ৰঙিয়া, নলবাৰী, বৰমা আৰু বজালী অঞ্চলৰ সকলো অনুমতিপ্রাপ্ত বন্দুক বাজেয়াপ্ত কৰিবলৈ নির্দেশ দিছিল। জিলা কর্তৃপক্ষই ৰঙিয়াৰ লগতে পাটি দৰং, নলবাৰী, তামুলপুৰ, হাজো, বৰমা, বজালী আৰু সৰুক্ষেত্রী মৌজাত প্রশাসনৰ অনুমতি অবিহনে ৰাইজ মেল অনুষ্ঠিত কৰাত নিষেধাজ্ঞা জাৰি কৰিছিল। প্রভাৱিত অঞ্চলৰ গাঁও বুঢ়াসকলক শান্তি শৃংখলা বজাই ৰখা আৰু কৰ সংগ্রহত সহায় কৰাৰ উদ্দেশ্যেৰে বিশেষ কনিষ্টবলৰ (Under section 17, Act V of 1881) দায়িত্ব প্রদান কৰা হৈছিল। ৰঙিয়া অঞ্চললৈ শান্তি শৃংখলা ঘূৰি অহাৰ কেইদিনমানৰ ভিতৰত চৰকাৰে মুঠ ৯০,০০০ ৰ ভিতৰত ৬০,০০০ হাজাৰ টকা মাটিৰ খাজনা সংগ্রহ কৰিবলৈ সক্ষম হৈছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ ৰঙিয়াৰ কৃষক বিদ্রোহ কেতিয়া আৰম্ভ হৈছিল?

.....

প্রশ্ন ২ ঃ মিঃ ৰেলী (Reilly) কোন আছিল?

.....

৪.৪.২ লাচিমা কৃষক বিদ্রোহ

লাচিমা সৰুক্ষেত্রী মৌজাৰ অধীনৰ এখন গাঁও। এই গাঁৱৰ বাসিন্দাসকল অতি দুখীয়া আছিল আৰু সঘন খাজনা বৃদ্ধিৰ ফলত তেওঁলোক বেয়াকৈ ক্ষতিগ্রস্ত হৈছিল। নলবাৰী, বজালী আৰু বৰমা অঞ্চলত ৰাইজমেল পূর্বৰ দৰেই সক্রিয় হৈ আছিল। ইংৰাজ চৰকাৰে সর্থেবাৰীৰ মৌজাদাৰ আৰু মণ্ডলক ৰাজহ সংগ্রহ কৰিবলৈ কঠোৰ নির্দেশ দিছিল। ১৮৯৪ চনৰ ২১ জানুৱাৰী তাৰিখে মণ্ডলক লগত লৈ মৌজাদাৰে কাপলা নামৰ গাঁওখনলৈ খাজনা সংগ্রহ কৰিবলৈ গৈছিল। সেই অঞ্চলৰ কৃষকসকলে তেওঁলোকৰ অৱস্থাৰ বিষয়ে আলোচনা কৰিবলৈ এখন ৰাইজমেলত মিলিত হৈছিল। সেইসময়ত চাৰিজন পুলিচসহ এজন মুখ্য কনিষ্টবল কৃষকসকলক ৰাইজমেল অনুষ্ঠিত কৰাত বাধা দিবলৈ উপস্থিত হৈছিল। ৰাইজমেলত উপস্থিত থকা কৃষকসকল পুলিচৰ বাধা প্রদানত হিংস্র হৈ পৰে। তেওঁলোকে মৌজাদাৰ আৰু মণ্ডলক আক্রমণ কৰে। ১৮৯৪ চনৰ ২৮ জানুৱাৰীৰ দিনা মণ্ডলজনৰ মৃত্যু হয়। পুলিচে অনুসন্ধান আৰু জেৰা কৰাৰ কাৰণে পয়সত্তৰজন লোকক গ্রেপ্তাৰ কৰে। এই ঘটনাৰ বাতৰি পাই কামৰূপৰ উপায়ুক্ত R.B.MacCabe য়ে ২৪ জানুৱাৰীৰ আবেলি ত্রয়োদশ বেংগল পদাতিক বাহিনীৰ (13th Bengal Infantry) এদল সেনা লৈ লাচিমালৈ যাত্রা কৰে। পিছদিনা পুৱা দোষী নেতাসকলক গ্রেপ্তাৰৰ যো-জা চলাই ৫৯ জন লোকক গ্রেপ্তাৰ কৰি অস্থায়ী লক্ আপত ৰাখে। এই গ্রেপ্তাৰৰ প্রতিবাদত প্রায় ৩০০০ ৰাইজ কেম্পৰ সন্মুখত একত্রিত হয়। লগতে সতীর্থসকলৰ মুক্তি আৰু খাজনা পুনঃ নির্ধাৰণৰ আদেশ বাতিলৰ দাবীৰে প্রায় ৬০০০ কৃষকৰ স্বাক্ষৰ সম্বলিত এখন স্মাৰক পত্র উপায়ুক্তক প্রদান কৰে। কিন্তু কামৰূপৰ উপায়ুক্তই চৰকাৰৰ দাবীত অটল থকাৰ লগতে কৃষকসকলে খাজনা পৰিশোধ নকৰিলে ভয়ংকৰ পৰিস্থিতিৰ সন্মুখীন হ'ব লাগিব বুলি সকিয়নী প্রদান কৰে। লগে লগে কৃষকসকল উত্তেজিত হৈ পৰে আৰু উপায়ুক্তৰ দিশে আগবাঢ়ি যায়। কিন্তু মেককেবে কৃষকসকলৰ ওপৰত গুলীচালনাৰ নির্দেশ দিয়াত তেওঁলোকে অৱশেষত চত্রভংগ দিয়ে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৩ ঃ লাচিমা ক'ত অৱস্থিত?

.....

প্রশ্ন ৪ ঃ মেককেবে কোন আছিল?

.....

৪.৪.৩ পথৰুঘাটৰ কৃষক বিদ্রোহ

ৰঙিয়া আৰু লাচিমাৰ বিদ্রোহৰ পাছত দৰং জিলাৰ মঙলদৈ মহকুমাৰ পথৰুঘাটত সংঘটিত হোৱা কৃষক বিদ্রোহ অসম বুৰঞ্জীৰ এক উল্লেখযোগ্য ঘটনা। অমলেন্দু গুহৰ মতে, ''অসমৰ কৃষক বিদ্রোহসমূহৰ ভিতৰত ই আছিল আটাইতকৈ কৰুণ ঘটনা।'' ১৮৯৪ চনৰ জানুৱাৰী মাহত পথৰুঘাটত এক ভয়ংকৰ কৃষক বিদ্রোহৰ সূচনা হৈছিল। কৃষকসকলে ৰাইজ মেলৰ জৰিয়তে খাজনাৰ হাৰ বৃদ্ধিৰ প্রতিবাদ কৰাৰ লগতে চৰকাৰক খাজনা প্রদান কৰিব খোজা ব্যক্তিকো বাধা প্রদান কৰিছিল। দৰং জিলাৰ উপায়ুক্ত জে.ডি.এণ্ডাৰচনে (J.D. Anderson) ছিপাঝাৰ, কলাইগাঁও আৰু মঙলদৈত চাৰি দিন ধৰি অনুষ্ঠিত হোৱা ৰাইজ মেলৰ বিষয়ে চোৰাংচোৱাৰপৰা ১৮৯৪ চনৰ ২৪ জানুৱাৰী তাৰিখে খবৰ লাভ কৰে। এণ্ডাৰছনে তেতিয়া বিদ্রোহী কৃষকসকলৰ বিৰুদ্ধে এক কঠিন পদক্ষেপ গ্রহণ কৰাৰ উদ্দেশ্যৰে সীমান্ত পুলিচ বাহিনীৰ কমাণ্ডেণ্ট জে.আৰ.বেৰিংটনৰ লগ হৈ সোতৰ জন সশস্ত্র পুলিচ আৰু বাৰ জন চিপাহী লৈ তেজপুৰৰ পৰা পথৰুঘাটলৈ ৰাওনা হয়। যাত্রাপথত তেওঁৰ বাৰৰ পৰা চৈধ্য মাঘলৈ পথৰুঘাটত অনুস্থিত হ'বলগীয়া ৰাইজমেললৈ আমন্ত্রণ জনাই গছত আঁৰি ৰখা এখন জাননী দৃষ্টিগোচৰ হয়। এই ৰাইজমেলখন নতুন খাজনাৰ নিৰিখ হ্রাস কৰিবলৈ জিলা কর্তৃপক্ষৰ ওচৰত দাবী জনাবলৈ আহ্বান কৰা হৈছিল।

২৮ জানুৱাৰীৰ ৰাতিপুৱা বেৰিংটনে এদন পুলিচ বাহিনী লগত লৈ দোষী সাব্যস্ত হোৱা কৃষকসকলৰ সম্পত্তি বাজেয়াপ্ত কৰিৱলৈ যাওঁতে প্রায় দুশ মানুহ তেওঁলোকক বাধা দিবলৈ আগবাঢ়ি আহিছিল। বেৰিংটন আৰু তেওঁৰ লগত যোৱা বাহিনীটো আক্রমণৰ সন্মুখীন হোৱাৰ আগতেই পলাই সাৰিবলৈ সক্ষম হ'ল। ৰাইজে তেতিয়া উপায়ুক্তই জিৰণী লোৱা অস্থায়ী কেম্পৰ পিনে অগ্রসৰ হয়। ৰায়তসকল নিৰস্ত্র অৱস্থাত থকা আৰু কোনো হিংসাত্মক কার্যকলাপৰ লক্ষণ নেদেখাত উপায়ুক্ত জে.ডি. এণ্ডাৰচনে তেওঁলোকক কেম্পৰ সন্মুখৰ মুকলি ফিল্ডত লগ কৰিছিল। প্রথমতে তেওঁ ৰায়তসকলক ভাৰত চৰকাৰৰ নির্দেশনাৰ বিষয়ে অৱগত কৰে আৰু ৰায়তসকলক কোনো মেল অনুষ্ঠিত নকৰিবলৈ নির্দেশ দিয়ে। লগতে ৰায়তসকল আঁতৰি নগ'লে ভয়ংকৰ পৰিণতিৰ সন্মুখীন হ'ব লাগিব বুলি সকিয়াই দিয়ে। এই সতর্কবাণী স্বত্বেও ৰায়তসকলে তেওঁলোকৰ দাবী মানি নোলোৱালৈকে সেই স্থান পৰিত্যাগ কৰিবলৈ অমান্তি হয়। বেৰিংটন আৰু তেওঁৰ পুলিচ বাহিনীয়ে তেওঁলোকক ওচৰৰে এখন মুকলি ঠাইলৈ বলপূর্বকভাবে লৈ যায়। সেই স্থানত পূর্বৰে পৰা ৰৈ থকা বিশাল জনতাই পুলিচ বাহিনীৰ ওপৰত লাঠী, বাঁহ, মাটিৰ চপৰা আদি দলিয়াবলৈ ধৰে। এই আক্রমণত পুলিচ বাহিনীৰ কিছুমান অংগক্ষত হয় আৰু আন কিছুমান অন্ধ হয়। উপায়ন্তৰ হৈ বেৰিংটনে উত্তেজিত জনতাক আঁতৰাই পঠাবলৈ পুলিচ বাহিনীক গুলীচালনাৰ আদেশ দিয়ে। চৰকাৰী তথ্য মতে পুলিচৰ গুলীচালনাত পোন্ধৰ জন ৰায়তৰ মৃত্যু হোৱাৰ লগতে ছয়ত্রিশ জন আঘাতপ্রাপ্ত হয়। চৰকাৰী পুলিচ বাহিনীয়ে গাঁওবাসীৰ ওপৰত অত্যাচাৰ চলোৱাৰ লগতে তেওঁলোকৰ সা-সম্পত্তিৰ অনিষ্ট সাধন কৰে। শেষত গাঁওবাসীয়ে বর্ধিত হাৰত খাজনা আদায় দিবলৈ বাধ্য হয়। এই বিদ্রোহত কৃষকসকলে পুলিচ বাহিনীৰ ওপৰত মাটিৰ চপৰা দলিয়াইছিল বাবে ইয়াক গাওবাসীসকলৰ মাজত 'দলি ৰাণ' (Doli Ran) হিচাপেও

জনা যায়। এই ঘটনাটোৰ স্মৃতি ৰক্ষার্থে কৰি নৰোত্তম দাসে 'দলি পূৰাণ' (Doli Puran) নামেৰে এটি জনপ্রিয় কৰিতাও ৰচনা কৰিছিল।

অসমৰ কৃষক বিদ্রোহৰ ইতিহাসত পথৰুঘাটৰ কৰুণ ঘটনাটো ৰায়তসকলৰ নিজ অধিকাৰ সাব্যস্ত কৰাৰ এক বীৰোচিত প্রচেষ্টা আছিল। "The Indian Nation"ৰ ১৮৯৪ চনৰ ২১ এপ্রিলৰ সংখ্যাত ৰায়তসকলৰ দুর্দশাক আবেগিক নহয় প্রকৃত বুলি বর্ণনা কৰিছিল। "অমৃত বাজাৰ পত্রিকা"ই উল্লেখ কৰিছিল যে দক্ষিণ ভাৰতত ৰায়তসকলে ধন ধাৰে দিয়া মহাজনৰ বিৰুদ্ধে, বেংগলত নীল খেতিৰ মালিকৰ বিৰুদ্ধে (১৮৬০) পাবনাত জমিদাৰৰ বিৰুদ্ধে (১৮৭২) বিদ্রোহ কৰিছিল, কিন্তু অসমত এই বিদ্রোহ আছিল চৰকাৰৰ খাজনা বৃদ্ধিৰ প্রতিবাদত মুকলি বিদ্রোহ।



জানি থওঁ আহক

"২০০০ চনৰ পৰা প্রত্যেক বছৰৰ ২৯ জানুৱাৰীৰ দিনা ভাৰতীয় সেনাবাহিনীয়ে পথৰুঘাটৰ শ্বহীদ সকলক শ্রদ্ধা নিবেদন কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৫ঃ পথৰুঘাট ক'ত অৱস্থিত?

.....

প্রশ্ন ৬ঃ জে.আৰ বেৰিংটন কোন আছিল?

.....

- **১৮৯৩-৯৪ চনৰ কৃষক বিদ্রোহৰ বিফলতাৰ কাৰণসমূহ**

১৮৯৩-৯৪ চনৰ কৃষক কিছুমান মৌলিক কাৰণত বিফলতা হৈছিল যিবোৰক তলত উল্লেখ কৰা ধৰণে ভাগ কৰিব পাৰি---

- কৃষকসকলৰ পৰম্পৰাগত অস্ত্র-শস্ত্রই বৃটিছৰ আধুনিক অস্ত্র-শস্ত্রৰ লগত ফেৰ মাৰিব পৰা নাছিল। তেওঁলোকে বৃটিছ সৈন্যৰ বিৰুদ্ধে যাঠি, ধনু-কাঁড় আৰু দা ব্যৱহাৰ কৰিছিল। ই কামৰূপ আৰু দৰঙৰ কৃষকসকলৰ পৰাজয়ৰ এটা মূল কাৰণ আছিল।
- বৃটিছসকলৰ শক্তি আৰু যোগ্যতাক হেয়জ্ঞান কৰাটোও কৃষকসকলৰ পৰাজয়ৰ আন এটা কাৰণ আছিল।
- স্থানীয় নেতাসকল ঔপনিবেশিক চৰকাৰৰ নেতৃবৃন্দতকৈ ৰণ-কৌশল, দক্ষতা আৰু সিদ্ধান্ত গ্রহণত নিম্ন খাপৰ আছিল।
- সেই সময়ত অসমৰ জনসাধাৰণ অর্থনৈতিক জটিলতাৰ সন্মুখীন হৈছিল। সেই কাৰণে তেওঁলোকে কর্তৃপক্ষৰ বিৰুদ্ধে এখনো নির্ণায়ক যুঁজ আগবঢ়াব পৰা নাছিল।

৪.৪.৪ এক নৱজাগৰণ

১৮৯৩-৯৪ চনৰ অসমৰ কৃষক বিদ্রোহে সামাজিক আৰু ৰাজনৈতিক সচেতনতা গঢ়ি এক নতুন যুগৰ সূচনা কৰিছিল আৰু ঔপনিবেশিক চৰকাৰৰ বিৰুদ্ধে এক সু-সংগঠিত প্রত্যাহ্বান

থিয় কৰাৰ পথ প্ৰশস্ত কৰি তুলিছিল। ৰাইজমেলে সৃষ্টি কৰা কৃষকসকলৰ ঐক্যবদ্ধ শক্তিয়ে পৰৱৰ্তী কেইটামান দশকত অসমৰ সামাজিক আৰু ৰাজনৈতিক দৃশ্যপট সলনি কৰিছিল।

ঊনবিংশ শতিকাৰ শেষাৰ্ধত পশ্চিমীয়া শিক্ষাৰ বিকাশৰ ফলত অসমত এক শিক্ষিত শ্ৰেণীৰ সৃষ্টি হৈছিল। ৰাইজমেলৰ জৰিয়তে তেওঁলোকে ৰাইজৰ দুখ-দুৰ্গতিৰ বিষয়ে চৰকাৰক অৱগত কৰিছিল। পশ্চিমীয়া শিক্ষাৰ বিকাশে অসমত যুক্তিবাদী চিন্তাধাৰা প্ৰতিষ্ঠা কৰি সমাজৰ আওপুৱণি অন্ধবিশ্বাস আৰু কু-প্ৰথাসমূহ দূৰ কৰিছিল। ঊনবিংশ শতিকাৰ শেষৰফালে সমাজৰ গোড়া শ্ৰেণীটোৰ দৃষ্টিভংগী ক্ৰমান্বয়ে পৰিবৰ্তন হৈছিল। উচ্চ বৰ্ণৰ হিন্দু পৰিয়ালৰ ছাত্ৰসকলক পশ্চিমীয়া শিক্ষাৰ উচ্চ শিক্ষা গ্ৰহণ কৰিবলৈ কলিকতাৰ প্ৰেচিডেন্সি কলেজলৈ পঠোৱা হৈছিল। ১৯০১চনত গুৱাহাটীত স্থাপন কৰা কটন কলেজে অসমত উচ্চ শিক্ষাৰ বিকাশত যথেষ্ট বৰঙণি আগবঢ়াইছিল।

১৮৮৪ চনত জগন্নাথ বৰুৱাই গঠন কৰা যোৱহাট সাৰ্বজনিক সভা অসমৰ ৰাজনৈতিক সংগঠনৰ ইতিহাসৰ এক মাইলৰ খুঁটি আছিল। সাৰ্বজনীন সভাই চৰকাৰৰ শিক্ষা নীতিৰ ওপৰত সতৰ্ক দৃষ্টি ৰাখিছিল। ইয়াৰ উপৰি সভাই স্থানীয় লোকৰ কৰ্ম সংস্থাপন আৰু তেওঁলোকৰ কৰ্মস্থলীৰ অৱস্থাৰ উন্নয়ন আৰু দৰমহা বৃদ্ধিৰ দাবী জনাইছিল।

ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰতিষ্ঠাৰ আগত অসমত এদল শিক্ষিত ব্যক্তিয়ে ৰায়ত সভা গঠন কৰিছিল। এই ৰায়ত সভাৰ মূল উদ্দেশ্য আছিল মাটিৰ খাজনা বৃদ্ধিৰ প্ৰতিবাদ কৰা আৰু ৰাজ্যৰ জনসাধাৰণৰ দুখ দুৰ্দশাৰ ছৰি প্ৰশাসনৰ আগত দাঙি ধৰা। অসমত ১৯২১ চনলৈকে জাতীয় কংগ্ৰেছৰ যিকোনো স্থানতে অনুষ্ঠিত হোৱা অধিবেশনলৈ প্ৰতিনিধি প্ৰেৰণ কৰিছিল। দেৰীচৰণ বৰুৱা ১৮৮৬ চনত কলিকতাত অনুষ্ঠিত হোৱা ভাৰতৰ জাতীয় কংগ্ৰেছৰ দ্বিতীয় অধিৱেশনত অংশগ্ৰহণ কৰা প্ৰথম অসমীয়া আছিল।

ঔপনিৱেশিক শাসনত অসমৰ জনসাধাৰণে যি দুৰ্বিসহ জীৱন কটাইছিল সেই সম্পৰ্কে সজাগতা সৃষ্টিত শিৱসাগৰ, নগাঁও, দৰং, কামৰূপ আৰু লক্ষীমপুৰ জিলাৰ ৰাইজ মেল আৰু ৰায়ত সভাই এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। ১৮৮৪ চনৰ আশে-পাশে গঠন হোৱা তেজপুৰ ৰায়ত সভা গাঁওসমূহত অধিক জনপ্ৰিয় আছিল। ১৮৮৭ চনত তেজপুৰ ৰায়ত সভাই 'তেজপুৰ টাউন হল' নিৰ্মাণ কৰিছিল যিটো অসমত এই প্ৰকাৰৰ প্ৰথম সভাঘৰ আছিল।

আনন্দৰাম বৰুৱা আৰু গুণাভিৰাম বৰুৱাৰ নেতৃত্বত শিৱসাগৰ আৰু নগাঁৱত যথাক্ৰমে অসম দেশ হিতৈষিণী সভা (১৮৮৫) আৰু জ্ঞান প্ৰদায়িনী সভা (১৮৮৭) গঠন হৈছিল। ইয়াৰ মূল উদ্দেশ্য আছিল অসমবাসীৰ মাজত উচ্চ জ্ঞানৰ প্ৰসাৰ ঘটোৱা।

অসমৰ নৱজাগৰণৰ বাটকটীয়া পুৰুষ আছিল আনন্দৰাম ঢেকিয়াল ফুকন। তেওঁ উপলব্ধি কৰিছিল যে আধুনিক শিক্ষাৰ জৰিয়তেহে অসমবাসীৰ প্ৰগতি সম্ভৱপৰ হৈ উঠিব। তেওঁ অসমবাসীক মধ্যযুগীয় ধ্যান ধাৰণা পৰিত্যাগ কৰি পশ্চিমীয়া সাহিত্য, দৰ্শন, বিজ্ঞানৰ জ্ঞান আহৰণ কৰিবলৈ আহ্বান জনাইছিল। তেওঁ বাংলাৰ সলনি অসমীয়া ভাষা ব্যৱহাৰৰ সপক্ষে দৃঢ় মত আগবঢ়াইছিল আৰু অসমীয়া ভাষা পুনৰ প্ৰৱৰ্তনৰ হকে যথেষ্ট অৰিহণা যোগাইছিল।

১৮৭৪ চনৰপৰা ১৯০৫ চনলৈকে অসমত কোনো বিধানসভা নথকাত অসমৰ জনসাধাৰণ বিধানমণ্ডলীয় কাম কাজৰ পৰা বঞ্চিত হ'ব লগা হৈছিল। ১৯০০ চনৰ মাৰ্চ মাহত ভাৰতৰ ভাইচৰয়

লর্ড কার্জনে অসম ভ্রমণ কৰিছিল। Assam Frontier Tea Company Limited, Dibrugarh ৰ অধীক্ষক জে.এলষ্টোনে (J. Alstone) আদৰণি ভাষণত ভাইচৰয়ক অসমৰ যোগাযোগ আৰু পৰিবহণ ব্যৱস্থাৰ উন্নতি সাধনৰ আহবান জনায়। লগতে তেওঁ ভাৰতৰ বিধায়িনী পৰিষদত (Indian Legislative Council) অসমৰ কাৰণে এটা স্থায়ী আসনৰ (Seat) অনুৰোধ জনায়।



৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ঊনবিংশ শতিকাৰ অসমৰ কৃষক বিদ্রোহসমূহ ঔপনিবেশিক শাসনৰ সাম্রাজ্যবাদী নীতিৰ বিৰুদ্ধে গঢ় লৈ উঠিছিল। ঔপনিবেশিক চৰকাৰে গ্রহণ কৰা অর্থনৈতিক নীতিসমূহে ভাৰতৰ কৃষকসকললৈ দুর্দশা নমাই আনিছিল।
- কৃষক বিদ্রোহত কৃষক শ্রেণীৰ বিদ্রোহ অন্তর্নিহিত হৈ থাকে যি কৃষিভূমিত কৃষিকার্য কৰা আৰু ইয়াৰ মালিকীস্বত্বৰ লগত জড়িত। কৃষি কার্যৰ লগত জড়িত বনুৱা, শিল্পী আদি সমাজৰ সকলো শোষিত শ্রেণীয়ে এই বিদ্রোহত জড়িত হৈ পৰিছিল।
- ১৮৯৩ চনৰ ২৪ ডিচেম্বৰ তাৰিখে ৰঙিয়া বজাৰৰ লুটপাত কৰাৰ লগে লগে ৰঙিয়াৰ বিদ্রোহৰ সূত্রপাত হয়।
- ১৮৯৩-৯৪ চনৰ অসমৰ কৃষক বিদ্রোহে সামাজিক আৰু ৰাজনৈতিক সচেতনতা গঢ়ি এক নতুন যুগৰ সূচনা কৰিছিল আৰু ঔপনিবেশিক চৰকাৰৰ বিৰুদ্ধে এক সু-সংগঠিত প্রত্যাহ্বান থিয় কৰাৰ পথ পশস্ত্র কৰি তুলিছিল।
- পশ্চিমীয়া শিক্ষাৰ বিকাশে অসমত যুক্তিবাদী চিন্তাধাৰা প্রতিষ্ঠা কৰি সমাজৰ আওপুৰণি অন্ধবিশ্বাস আৰু কু-প্রথা সমূহ দূৰ কৰিছিল।
- ১৯০১চনত গুৱাহাটীত স্থাপন কৰা কটন কলেজে অসমত উচ্চ শিক্ষাৰ বিকাশত যথেষ্ট বৰঙণি আগবঢ়াইছিল।



৪.৬ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1. Borpuzari, H.K. (Ed.). (1992). *The comprehensive history of Assam*. Vol. (iv), Vol. (v), Guwahati: Publication Board of Assam.
2. Borpuzari, H.K. (Ed.). (1963). *Assam in the days of company*. Lawyers' political history of Assam (Vol.I).
3. Boruah, S.L. (1985). *A comprehensive history of Assam*. New Delhi: Munshiram Monoharlal.
4. Goswami, M., Pujari, S. , Dutta, U. (2012). *Asomor etihash*. Jorhat, Assam: Grantha-Sanskriti Edu Cell.

5. Sarma, D. (1957). *Patharughatar ran*. Mangaldai: Page 1-28.

অসমীয়া গ্ৰন্থ ঃ

১) মৃদুলা গোস্বামী ঠাকুৰ, সৌমিত্ৰ পূজাৰী, উৎপল দত্ত (২০১২)ঃ *অসমৰ ইতিহাস*। গ্ৰন্থ-সংস্কৃতি এ'ডু চে'ল, যোৰহাট, অসম।

৪.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ১৮৯৩ চনৰ ২৪ ডিচেম্বৰ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ সহকাৰী আৱক্ষী অধীক্ষক।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ লাচিমা সৰুক্ষেত্ৰী মৌজাৰ অধীনৰ এখন গাঁও।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ কামৰূপ জিলাৰ উপায়ুক্ত।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ দৰং জিলাৰ মঙলদৈ মহকুমাত।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ পথৰুঘাটৰ বিদ্রোহৰ সময়ত সীমান্ত পুলিচৰ সেনাধ্যক্ষ আছিল।

৪.৮ আৰ্হি প্ৰশ্ন

ক) অতি চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ 'Agrarian' শব্দটোৱে কি বুজায়?

প্ৰশ্ন ২ঃ কৃষক বিদ্রোহ বুলিলে কি বুজা যায়?

প্ৰশ্ন ৩ঃ Sir William Ward কোন আছিল?

প্ৰশ্ন ৪ঃ J. D. Anderson কোন আছিল?

প্ৰশ্ন ৫ঃ যোৰহাট সাৰ্বজনিক সভা কোন চনত গঠন হৈছিল?

প্ৰশ্ন ৬ঃ তেজপুৰ ৰায়ত সভা কেতিয়া গঠন হৈছিল?

খ) চমু প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰসমূহ লিখক)

প্ৰশ্ন ১ঃ ৰঙিয়াৰ বিদ্রোহৰ বিষয়ে চমু টোকা লিখক।

প্ৰশ্ন ২ঃ লাচিমাৰ বিদ্রোহৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ৩ঃ অসমৰ কৃষক বিদ্রোহ বিফল হোৱাৰ কাৰণসমূহ চমুকৈ লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (উত্তৰসমূহ ৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ ১৮৯৩-৯৪ চনৰ অসমৰ কৃষক বিদ্রোহ কি আছিল? অসমত কৃষক বিদ্রোহ সংঘটিত হোৱা কাৰণবোৰ আলোচনা কৰক।

প্ৰশ্ন ২ঃ পথৰুঘাটৰ কৃষক বিদ্রোহৰ বিষয়ে চমুৱাই আলোচনা কৰক।

প্ৰশ্ন ৩ঃ অসমৰ কৃষক বিদ্রোহৰ পাছত সৃষ্টি হোৱা নৱজাগৰণৰ বিষয়ে আলোচনা কৰক।

****

অধ্যায় ৫ ঃ অসমীয়া জাতীয়তাবাদৰ বিকাশ

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য
৫.২ পৰিচয়
৫.৩ অসমীয়া জাতীয়তাবাদী ভাবধাৰা বিকাশত অৰিহণা যোগোৱা কাৰকসমূহ
৫.৪ বংগভংগ আৰু অসমত ইয়াৰ প্রভাৱ
৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলো
৫.৬ অধিক জানিবলৈ
৫.৭ অগ্রগতিৰ খতিয়ান
৫.৮ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনিঃ

- ভাৰতত জাতীয়তাবাদৰ বিকাশৰ বিষয়ে জানিব পাৰিব
- অসমত জাতীয়তাবাদৰ বিকাশত অৰিহণা যোগোৱা কৰাকসমূহৰ বিষয়ে জানিব পাৰিব
- বংগভংগ আৰু অসমত ইয়াৰ প্রভাৱৰ বিষয়ে সম্যক জ্ঞান লাভ কৰিব পাৰিব।

৫.২ পৰিচয়

'জাতীয়তাবাদ' শব্দটোৱে কোনো এখন দেশৰ ৰাজনৈতিক স্বাধীনতাৰ হকে মত পোষণ কৰাকে বুজায়। জাতীয়তাবাদ হৈছে কোনো এখন দেশৰ ৰাজনৈতিক, সামাজিক আৰু অর্থনৈতিক অৱস্থাৰ উত্তৰণৰ হকে আগ্রহ প্রকাশ কৰা।

ভাৰতীয় ইতিহাস প্রণয়ন সম্পর্কীয় অধ্যয়নে ভাৰতত জাতীয়তাবাদৰ উত্থানক আংশিকভাৱে ইংৰাজসকলৰ সাম্রাজ্যবাদী নীতিৰ ফল আৰু কিছু পৰিমাণে ভাৰতীয়সকলৰ এই সাম্রাজ্যবাদী নীতিৰ বিৰুদ্ধে প্রতিক্রিয়াৰ ফল বুলি বর্ণনা কৰিছে। R. Coupland য়ে "ভাৰতৰ জাতীয়তাবাদ ইংৰাজ শাসনৰ সন্তান" বুলি বর্ণনা কৰিছে। প্রকৃততে, ভাৰতৰ জাতীয়তাবাদ বৃটিছ শাসনৰ অবাঞ্ছিত সন্তান আছিল যাক বৃটিছসকলে জন্মৰ সময়ত আহাৰ খুৱাবলৈ অস্বীকাৰ কৰিছিল আৰু পৰৱর্তী সময়ত দমন কৰিবলৈ চেষ্টা চলাইছিল। বাস্তৱতে, ভাৰতৰ জাতীয়তাবাদৰ উত্থানত বহুতো কাৰকে অৰিহণা যোগাইছিল। সেই সমূহ হৈছে ভাৰতৰ নৱজাগৰণৰ প্রভাৱ, ভাৰতত ইংৰাজসকলে হাতত লোৱা আধুনিকীকৰণৰ প্রশাখাসমূহ আৰু ভাৰতত ইংৰাজ শাসনৰ প্রতিক্রিয়া। ফৰাচী বিপ্লৱে বিশ্বব্যাপি সূচনা কৰা জাতীয়তাবাদ আৰু স্বায়ত্ব শাসনৰ অধিকাৰৰ ধাৰণাইও আংশিকভাৱে ভাৰতৰ জাতীয়তাবাদৰ উত্থানত অৰিহণা যোগাইছিল।

বৃটিছ শাসনৰ অধীনত ভাৰতত প্ৰতিষ্ঠা হোৱা ৰাজনৈতিক আৰু প্ৰশাসনিক ঐক্যই ভাৰতত জাতীয়তাবাদৰ স্পৃহা গঢ়ি তুলিছিল। যোগাযোগ ব্যৱস্থাৰ উন্নতিৰ ফলত দেশখন পূবৰ পৰা পশ্চিমলৈ আৰু উত্তৰপৰা দক্ষিণলৈ একত্ৰিত হৈছিল আৰু ইয়েই গোটেই ভাৰতবৰ্ষ জুৰি জাতীয়তাবাদৰ উত্থানত বহুলভাৱে অৰিহণা যোগাইছিল। তদুপৰি, আধুনিক শিক্ষাৰ প্ৰচলন আৰু ইংৰাজী আৰু মাতৃভাষা মাধ্যমৰ ছপাশালৰ বিকাশ সাধনে গণমত সৃষ্টি আৰু জাতীয়তাবাদী ভাৱধাৰা বিকাশত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। ভাৰতৰ সামাজিক আৰু ধৰ্মীয় সংস্কাৰ আন্দোলনসমূহৰ প্ৰগতিশীল চিন্তাধাৰাৰ উপৰি ইউৰোপ আৰু লেটিন আমেৰিকাৰ দেশসমূহক সমসাময়িকভাবে প্ৰভাৱিত কৰা জাতীয়তাবাদৰ ধাৰণাইও সমগ্ৰ ভাৰতবৰ্ষ জুৰি জাতীয়তাবাদৰ মত আৰু অনুভূতিৰ উত্তৰণ ঘটাইছিল।

৫.৩ অসমীয়া জাতীয়তাবাদী ভাৱধাৰা বিকাশত অৰিহণা যোগোৱা কাৰকসমূহ

অসমত বৃটিছ শাসনৰ প্ৰতিষ্ঠাৰ পাছৰে পৰা তেওঁলোকে চলোৱা অৰ্থনৈতিক শোষণে জনসাধাৰণৰ মনত যথেষ্ট অসন্তুষ্টিৰ সৃষ্টি কৰিছিল যিয়ে অৱশেষত জাতীয়তাবাদী ভাৱধাৰাৰ বিকাশ ঘটাইছিল। তদুপৰি আধুনিক শিক্ষাৰ প্ৰচাৰ, ছপাশালৰ বিকাশ আৰু বিভিন্ন ৰাজনৈতিক সংগঠনৰ গঠনে অসমত জাতীয়তাবাদী ভাবধাৰা বিকাশত বহুলভাৱে অৰিহণা যোগাইছিল। অসমত জাতীয়তাবাদৰ বিকাশত অৰিহণা যোগোৱা কাৰকসমূহক তলত উল্লিখিত ভাগত ভাগ কৰিব পাৰিঃ

- **ৰাইজ মেল আৰু ৰায়ত সভাৰ ভূমিকা**

  ১৮৬০ চনৰ পৰা ১৮৯৪ চনলৈকে এই সময়ছোৱাত আহোম ৰাজকুমাৰ আৰু অভিজাত সকলৰ বাহিৰেও সাধাৰণ কৃষকসকলে ৰাইজ মেলৰ দ্বাৰা একত্ৰিত হৈ বৃটিছৰ কৰ নীতিৰ বিৰুদ্ধাচৰণ কৰিছিল। কৃষকসকলক সমবেত কৰি বৃটিছ চৰকাৰৰ বিৰুদ্ধে চলোৱা বিদ্ৰোহত ৰাইজে মেলে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। মেক্‌কেবে নামৰ এজন ইংৰাজ বিষয়াই ৰাইজ মেলক জনসাধাৰণৰ সামূহিক শক্তিৰ এক মূৰ্ত ৰূপ বুলি বৰ্ণনা কৰিছে। ইয়াৰ ভিতৰত আটাইতকৈ উল্লেখযোগ্য হৈছে ফুলগুৰি ৰাইজ মেল (১৮৬১) ৰঙিয়া ৰাইজ মেল (১৮৯৩), লাচিমা ৰাইজ মেল (১৮৯৪) আৰু পথৰুঘাটৰ (১৮৯৪) ৰাইজ মেল। ১৯ শ শতিকাৰ শেষৰফালে ৰাইজ মেল ক্ৰমান্বয়ে ৰায়তসভাৰ লগত চামিল হৈ পৰে। তেজপুৰ ৰায়তসভা, গণক পুখুৰী ৰায়ত সভা ন-দুৱাৰ ৰায়ত সভা, জামুগুৰি ৰায়ত সভা আদি বহুতো ৰায়ত সভাই অসমৰ জনসাধাৰণক তেওঁলোকৰ অধিকাৰ সাব্যস্তৰ হকে যুঁজ দিবলৈ সংগঠিত কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। বৃটিছ সৈন্য বাহিনীয়ে এই কৃষক বিদ্ৰোহসমূহ কঠোৰ হাতেৰে দমন কৰিছিল যদিও এই ৰাইজ মেল আৰু ৰায়ত সভাসমূহে গঢ়ি তোলা আৰ্থ-সামাজিক আৰু ৰাজনৈতিক আন্দোলনে অসমত ঔপনিবেশিক শাসনৰ সময়ত ৰাজনৈতিক সচেতনতা বৃদ্ধিত পৰোক্ষভাৱে অৰিহণা যোগাইছিল।

- **আধুনিক শিক্ষা আৰু অসমত নৱজাগৰণৰ বিকাশ**

১৮৩৫ চনত ছাৰ চার্লচ ই ট্রেভেলিয়ান, টি. বি. মেকলে আৰু লর্ড উইলিয়াম বেণ্টিংকে (ভাৰতৰ গৱর্ণৰ জেনেৰেল) ভাৰতত ইংৰাজী শিক্ষা প্রৱর্তনৰ সিদ্ধান্ত লয়। ইয়াৰ মূল উদ্দেশ্য আছিল প্রশাসন যন্ত্র সূচাৰু ৰূপে পৰিচালনা কৰিবলৈ ভাৰতীয়সকলৰ মাজৰ পৰা এক শ্রেণীৰ শিক্ষিত ব্যক্তি সৃষ্টি কৰা। ভাৰত চৰকাৰে ১৮৮২ চনত অসমলৈ বিত্তীয় সাহার্য আগবঢ়োৱাৰ প্রস্তাব গ্রহণ কৰে, যিয়ে অসমৰ প্রাথমিক আৰু মাধ্যমিক শিক্ষাৰ উল্লেখনীয় বিকাশ সাধিছিল। ১৮৮০ চনত অসমত প্রায় ১৭৬০ খন প্রাথমিক আৰু ৯৮ খন উচ্চ মাধ্যমিক স্কুল প্রতিষ্ঠা হৈছিল।

আমেৰিকান ব্যপ্তিষ্ট মিচনেৰীসকলে অসমত প্রাথমিক বিদ্যালয় প্রতিষ্ঠা কৰি আৰু অসমীয়া ভাষাত পাঠ্যপুথি প্রণয়ন কৰি অসমীয়া সাহিত্যৰ ভেঁটি গঢ়ি তুলিছিল। নাথান ব্রাউনে ১৮৪৮ চনত প্রথম অসমীয়া ব্যাকৰণ লিখি উলিয়াইছিল আৰু মাইলচ ব্রনচনে ১৮৬৭ চনত প্রথম অসমীয়া অভিধান সম্পূর্ণ কৰাৰ লগতে প্রকাশ কৰিছিল। মিচনেৰীসকলে অসমৰ প্রথম আলোচনী 'অৰুনোদয়' প্রকাশ কৰিছিল। অৰুনোদয় অসমত জন্ম হোৱা বাতৰিকাকত আৰু আলোচনীসমূহৰ প্রেৰণাদায়ক আছিল।

ক্রমান্বয়ে আধুনিক শিক্ষাৰ প্রচলনৰ ফলত অসমবাসীৰ ৰাজনৈতিক চিন্তাধাৰাই এক নতুন গতি লাভ কৰিছিল। কলিকতাত কলেজীয়া, চিকিৎসা বিজ্ঞান আৰু কাৰিকৰী শিক্ষা গ্রহণ কৰিবলৈ যোৱা অসমৰ সম্ভ্রান্ত পৰিয়ালৰ সন্তান আৰু ছাত্র-বৃত্তি লাভ কৰা ছাত্র-ছাত্রীসকলে ৰাজা ৰামমোহন ৰায়, ঈশ্বৰ চন্দ্র বিদ্যাসাগৰ, কেশৱ চন্দ্র সেন আৰু দেৱেন্দ্র নাথ ঠাকুৰ আদি সেই সময়ৰ প্রগতিশীল দৃষ্টিভংগী সম্পন্ন ব্যক্তিৰ সংস্পর্শলৈ আহে। এই শিক্ষিত অসমীয়া যুৱচামে 'জাতীয়তাবাদী চিন্তাধাৰা'ৰ গদ্য, কবিতা, চুটি গল্প আৰু নাটক আদি ৰচনা কৰিছিল। অম্বিকাগিৰি ৰায়চৌধুৰী, প্রসন্নলাল চৌধুৰী, বিনন্দ চন্দ্র বৰুৱা আৰু ডিম্বেশ্বৰ নেওগৰ কবিতাসমূহ গভীৰভাৱে দেশভক্তিমূলক আছিল। কমলাকান্ত ভট্টাচার্যই এলানি চিন্তা উদ্বেগকাৰী ৰচনাৰ যোগেদি অসমবাসীক উদ্যমী, চিন্তাশীল আৰু দেশভক্তি পৰায়ণ হ'বলৈ আহ্বান জনাইছিল। অসমীয়া সাহিত্যৰ ক্রমবর্দ্ধমান আৰু ধীৰ বিকাশে অৱশেষত জাতীয়তাবাদী চিন্তাবাদী চিন্তাধাৰাৰ সৃষ্টি কৰিছিল।



জানি থোৱা ভাল

হেমচন্দ্র গোস্বামীয়ে প্রথম অসমীয়া চতুর্দশপদী কবিতা *প্রিয়তমাৰ চিঠি* ৰচনা কৰিছিল।

- **ছপাশাল আৰু ৰাজহুৱা সংগঠন**

অসমত ছপাশালৰ আৰম্ভণি ভাৰতত বৃটিছ শাসনৰ আন এক সুফল আছিল। অসমত প্রথম ছপাশাল স্থাপনৰ সন্মান নাথান ব্রাউন আৰু অলিভাৰ কাট্টাৰ নামৰ দুজন আমেৰিকাৰ ব্যাপ্তিষ্ট মিছনেৰীক যঁচা হয় যিয়ে ১৮৩৬ চনৰ আৰম্ভণিৰপৰা ছপাকার্য আৰম্ভ কৰিছিল। আৰম্ভণিতে তেওঁলোকে শদিয়াত ছপাশাল স্থাপন কৰিছিল যদিও ১৮৪৬ চনত ইয়াক

শিৱসাগৰলৈ স্থানান্তৰ কৰিছিল। ক্রমান্বয়ে আউনীআটি সত্রত 'ধর্মপ্রকাশ প্রেছ' আৰু গুৱাহাটীত 'চিদানন্দ প্রেছ' নামৰ মাতৃভাষাৰ ছপাশাল গঢ় লৈ উঠে। ঔপনিবেশিক শাসকসকলে সময়ে সময়ে অসংখ্য সীমাবদ্ধতা আৰোপ কৰা স্বত্বেও ঊনবিংশ শতিকাৰ শেষৰফালে ভাৰতীয়সকলৰ মালিকানাধীন ইংৰাজী আৰু মাতৃভাষাৰ বাতৰিকাকতৰ অভূতপূর্ব বিকাশ সাধন হৈছিল।

হেমচন্দ্র বৰুৱাৰ সম্পাদনাত প্রকাশিত প্রথম এংল'-অসমীয়া সাপ্তাহিক *The Assam News* য়ে জনসাধাৰণৰ সমূহীয়া সমস্যাসমূহৰ ওপৰত ৰাইজৰ মতামত গঠনত কৃতকার্য হৈছিল। মাহেকীয়া কাকত *মৌ*য়ে দৈনন্দিন জীৱনৰ জ্বলন্ত সমস্যাসমূহ যোগ্যভাবে উপস্থাপন কৰিছিল। *মৌ* য়ে স্থানীয় নিকায়সমূহত সদস্য মনোনীত কৰা প্রচলিত ব্যৱস্থাক মুক্তভাবে সমালোচনা কৰিছিল। এই বাতৰি কাকতখনে ভাৰতীয় জাতীয় কংগ্রেছৰ আদর্শক সমর্থন কৰাৰ লগতে অসমৰ জনসাধাৰণৰ দুখ-দুর্দশাৰ প্রতিকাৰ সাধনৰ ক্ষেত্রত ৰায়ত সভাই গ্রহণ কৰা নীতি আৰু পদ্ধতিক দোষাৰোপ কৰিছিল।

অসমীয়া ছপাশালে ৰাজ্যত ৰাইজৰ মতামত গঠন আৰু জাতীয়তাবাদৰ পৃষ্ঠপোষকতা কৰাৰ ক্ষেত্রত এক গুৰুত্বপূর্ণ ভূমিকা লৈছিল। পদ্মনাথ গোহাঁই বৰুৱাৰ সম্পাদনাত প্রকাশ হোৱা *বিজুলী*য়ে (১৮৯১) শাসক আৰু জনসাধাৰণৰ মাজৰ যোগসূত্রৰ ভূমিকা গ্রহণ কৰা পৰিলক্ষিত হৈছিল। *The Assam* (১৮৯৪), *The Advocate of Assam* (১৯০৪-০৭) আৰু *আসাম বিলাসিনী* স্পষ্টৰূপত জাতীয়তাবাদী ভাবধাৰাৰ আছিল। *The Advocate of Assam* য়ে জাতীয়তাবাদ, স্বদেশী আৰু স্বৰাজৰ প্রতিনিধিত্ব কৰিছিল। এই কাকতে সেই সময়ত অসমত প্রচলিত ভূমি সংক্রান্তীয় আইনসমূহক কঠোৰভাবে জগৰীয়া কৰিছিল কাৰণ সেই আইনসমূহে কৃষকসকলৰ ভূমিৰ ওপৰত স্থায়ী অধিকাৰ প্রত্যাখান কৰিছিল। সুৰমা উপত্যকাৰ বেংগলী সাপ্তাহিক *সুৰমা*ই ৰাইজৰ মতামত গঠনত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল। চিলেটৰ পৰা প্রকাশিত *দেশবন্ধু* আৰু *প্রজাশক্তি* নামৰ চৰমপন্থী কাকত দুখনে বংগভংগৰ সময়ত জনসাধাৰণক জাতীয়তাবাদৰ আদর্শেৰে উদ্বুদ্ধ কৰিছিল।

- **অসম এচ'চিয়েচন আৰু ৰাজনৈতিক সচেতনতাৰ বিকাশ**

১৮৮৫ চনত ভাৰতীয় জাতীয় কংগ্রেছৰ জন্ম ভাৰতৰ ৰাজনৈতিক সংগঠনৰ ইতিহাসৰ এক স্মৰণীয় ঘটনা। ভাৰতৰ অন্যান্য প্রদেশৰ দৰে অসমৰ শিক্ষিত শ্রেণীটোৱেও চৰকাৰৰ ওচৰত ৰাইজৰ ইচ্ছা আৰু দাবীক উপস্থাপন কৰিব পৰা এক বহল ভিত্তিক ৰাজনৈতিক অনুষ্ঠানৰ প্রয়োজনীয়তা অনুভৱ কৰিছিল। 'অসমীয়া ভাষা উন্নতি সাধিনী সভা'ই (১৮৮৮)অসমীয়া ভাষাক চহকী কৰাৰ উপৰি অসমবাসীৰ মাজত একতা আৰু দেশপ্রেমৰ ভাব গঢ়ি তোলাত কৃতকার্য হৈছিল। ১৮৮৪ চনত জগন্নাথ বৰুৱাই 'যোৰহাট সার্বজনিক সভা' নামৰ অসমৰ প্রথম ৰাজনৈতিক অনুষ্ঠান গঠন কৰিছিল। সভাৰ মূল উদ্দেশ্য আছিল ''চৰকাৰক ৰাইজৰ আশা-আকাংক্ষাৰ বিষয়ে অৱগত কৰোৱা আৰু চৰকাৰৰ নীতি উদ্দেশ্য

ৰাইজক বুজোৱা।" সভাই ১৮৮৬ চনৰ চৰকাৰৰ ভূমি ৰাজহ ব্যৱস্থাৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছিল। ১৯০৭ চনত জগন্নাথ বৰুৱাৰ মৃত্যু হোৱাত আৰু পৰৱৰ্তী সময়ত ইয়াৰ সদস্য সকলৰ মাজত বিভাজন হোৱাত সভাৰ কাম কাজ যথেষ্ট স্থবিৰ হৈ পৰে। তেতিয়াৰপৰা অসম এচ'চিয়েচনে চৰকাৰক ৰাইজৰ প্ৰয়োজনীয়তা আৰু দুখ-দুৰ্দশা অৱগত কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। পূৰ্ববংগ আৰু অসম নামৰ নতুন প্ৰদেশখন গঠনৰ পাছত অসম এচ'চিয়েচনে লে. গৱৰ্ণৰৰ ওচৰত প্ৰাদেশিক আইন সভাত অসমৰ প্ৰতিনিধিত্বৰ দাবী তুলিছিল। ইয়াৰ প্ৰচেষ্টাতেই অসমে ভাৰতৰ অন্যান্য গুৰত্বপূৰ্ণ প্ৰদেশবোৰৰ সৈতে সমমৰ্যাদা লাভ কৰিছিল। অৱশ্যে, ১৯২১ চনত অসম প্ৰদেশ কংগ্ৰেছ গঠনৰ পাছত অসম এচ'চিয়েচন স্থবিৰ হৈ পৰিছিল।

১৯০৬ চনৰ এপ্ৰিল মাহত বিপিন চন্দ্ৰ পাল, কামিনী কুমাৰ চন্দা আৰু কেইজনমান প্ৰখ্যাত জমিদাৰ, বণিক আৰু মিৰচদাৰৰ প্ৰচেষ্টাত The Surma Valley Political Conference গঠন হৈছিল। ই আৰম্ভণিৰ পৰাই গভীৰ জাতীয়তাবাদৰ আদৰ্শৰে অনুপ্ৰাণিত হৈছিল। এই সন্মিলনে স্বদেশী আন্দোলনলৈ পূৰ্ণ সহযোগিতা আগবঢ়াইছিল। এই সন্মিলনে দেশীয় বিদ্যালয় প্ৰতিষ্ঠাৰ লগতে যুৱচামক লাঠী আৰু তৰোৱাল চালনাৰ শাৰীৰিক প্ৰশিক্ষণ প্ৰদানৰ পোষকতা কৰিছিল। ইয়াৰ নেৰানেপেৰা প্ৰচেষ্টাৰ ফলতে সমগ্ৰ সুৰমা উপত্যকা স্বদেশী আন্দোলনৰ ঘোৰ সমৰ্থক হৈ পৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ লৰ্ড উইলিয়াম বেণ্টিং কোন আছিল?

.....

প্ৰশ্ন ২ ঃ কোনে অসমত প্ৰথম ছপাশাল স্থাপন কৰিছিল?

.....

প্ৰশ্ন ৩ ঃ বিজুলী বাতৰি কাকতখন কোনে সম্পাদনা কৰিছিল?

.....

৫.৪ বংগ বিভাজন আৰু অসমত ইয়াৰ প্ৰভাৱ

১৯০৫ চনত সেই সময়ৰ ভাৰতৰ গৱৰ্ণৰ জেনেৰেল লৰ্ড কাৰ্জনে বংগক পূৰ্ববংগ আৰু অসম নামৰ দুখন প্ৰদেশত ভাগ কৰিছিল। বংগ বিভাজন কাৰ্জনৰ আভ্যন্তৰীণ নীতিৰ এক উৎকৃষ্ট নিদৰ্শন আছিল। সেই সময়ত বেংগল বিকশিত কংগ্ৰেছী আন্দোলনৰ স্নায়ু কেন্দ্ৰ আছিল। সেয়েহে ইংৰাজ চৰকাৰে বেংগল প্ৰদেশক দুভাগ কৰি বৰ্ধিত জাতীয়তাবাদী চেতনাক বাধা দিবলৈ এক পৰিকল্পনা হাতত লৈছিল। চৰকাৰী পক্ষৰপৰা বংগ বিভাজনৰ সপক্ষে যুক্তি আগবঢ়াইছিল যে মৈমনসিং আৰু বেকাৰগঞ্জ অঞ্চলৰ পূব দিশে থকা জিলাসমূহত ব্যাপক হাৰত আইন শৃংখলা বিঘ্নিত হোৱাৰ লগতে অপৰাধী কাৰ্যকলাপ সংঘটিত হৈছিল আৰু পুলিচ প্ৰশাসনে এই অৱস্থাৰ সৈতে ফেৰ মাৰিব পৰা নাছিল। বংগৰ লেঃ জেনেৰেলজনেও এই বৃহৎ অঞ্চলৰ আইন শৃংখলা

সুস্থিৰভাবে পৰিচালনা কৰাত ব্যর্থ হৈছিল। সেয়েহে, প্রশাসনিক দক্ষতাৰ কাৰণে বংগ আৰু অসমৰ সীমা পুনৰ নির্ধাৰণ কৰাতো প্রয়োজনীয় হৈ পৰিছিল। ৰাজনৈতিক দৃষ্টিকোণৰ পৰা, চৰকাৰে হিন্দু বসতিপ্রধান বংগীয় মধ্যবিত্ত শ্রেণীটোক অকলশৰীয়া কৰাৰ উপৰি বংগৰ সীমান্তত এখন মুছলীম বসতিপ্রধান প্রদেশ গঠন কৰিবলৈ বিচাৰিছিল।

জানি থোৱা ভাল



জর্জ নাথানিয়েল কার্জন, কেলেচটনৰ প্রথম মার্কুইজ, লর্ড কার্জন হিচাপে জনাজাত। তেওঁ বৃটিছ কনজাৰভেটিভ দলৰ ৰাষ্ট্রনেতা আছিল আৰু ১৮৯৮ চনৰপৰা ১৯০৫ চনলৈ ভাৰতৰ ভাইচৰয় হিচাপে সেৱা আগবঢ়াইছিল।

- **বংগ বিভাজনত ভূমিকা লোৱা কাৰকসমূহ**

১৮৭৪ চনত অসমক বেংগল প্রশাসনৰ পৰা পৃথক কৰা হৈছিল। কিন্তু ই বংগ চৰকাৰক কোনো উল্লেখনীয় সকাহ দিব নোৱাৰিলে। ১৮৯৩ চনত অসমৰ চিফ্ কমিচনাৰ উইলিয়াম ৰার্ডে দক্ষিণ লুচাই পাহাৰৰ আগতে সমগ্র চিটাগং অঞ্চলটো অসমৰ অধীনলৈ অনাত জোৰ দিছিল। সেয়েহে, ভাৰত চৰকাৰে ১৮৯৬ চনত সমগ্র চিটাগং অঞ্চল স্থানান্তৰ কৰা সম্পর্কত বেংগল আৰু অসম চৰকাৰৰ মতামত বিচাৰিলে। লেঃ গৱর্ণৰ চি. চি. ষ্টিভেনচে (১৮৯৭) চিটাগং অঞ্চলৰ স্থানান্তৰৰ সপক্ষে নাছিল। তেওঁৰ মতে এই স্থানান্তৰ কার্য সম্পাদনৰ আগতে চিটাগং আৰু অসমৰ মাজত যোগাযোগ ব্যৱস্থাৰ যথেষ্ট উন্নতি সাধনৰ প্রয়োজন। তেওঁৰ পৰৱর্তি লেঃ গৱর্ণৰ আলেকজেণ্ডাৰ মেকেঞ্জীৰ মতে এই প্রশাসনিক ব্যৱস্থাৰ ফলত চিটাগং অঞ্চলৰ কোনো বিশেষ লাভ নহয়।

ইয়াৰ বিপৰীতে, অসমৰ চিফ কমিচনাৰ উইলিয়াম ৰার্ডে স্থানান্তৰকৰণৰ প্রবল দাবিদাৰ আছিল। তেওঁৰ বর্ণনা মতে নতুন প্রশাসনিক ব্যৱস্থাই চৰকাৰক প্রশাসনৰ বিভিন্ন বিভাগত অসমবাসীৰ কাৰণে পৃথক কর্মসংস্থাপনৰ সৃষ্টি কৰিব। ঠিক সেইদৰে, চিটাগং অঞ্চলৰ জিলাসমূহে বেংগলৰ দৰে বৃহৎ প্রদেশৰ পৰিৱর্তে অসমৰ দৰে সৰু প্রদেশৰ লগত চামিল হৈ থাকিলে বেছি গুৰুত্ব লাভ কৰিব। কিন্তু, উইলিয়াম ৰার্ডৰ উত্তৰসূৰী হিচাপে অসমত খুব কম সময়ৰ বাবে চিফ কমিচনাৰ হিচাপে কার্যনির্বাহ কৰা চাৰ হেনৰি কটনে এই প্রস্তাৱটোক "অশুভ পৰামর্শ" বুলি অভিহিত কৰিছিল।

বংগৰ লেঃ গৱর্ণৰ এন্দ্রিউ ফ্রেজাৰে (Andrew Fraser) ১৯০৩ চনৰ ২৮ মার্চ তাৰিখে বংগ চৰকাৰৰ প্রশাসনিক বোজা হ্রাস কৰাৰ উদ্দেশ্য চিটাগং অঞ্চলৰ স্থানান্তৰ সম্পর্কত ভাইচৰয় লর্ড কার্জনলৈ এটা টোকা লিখাৰ পাছত বিষয়টো পুনৰ এবাৰ চর্চাৰ বিষয় হৈ পৰে। অসমৰ চিফ কমিচনাৰ জে.বি.ফুলাৰে (J.B.Fuller) এই বিস্তীর্ণ অঞ্চলটোৰ সীমাৰ সালসলনিয়ে অসমৰ প্রশাসনিক ব্যৱস্থাৰ উন্নতি সাধাৰ লগতে অসম- বেংগল ৰেল লাইনৰ কাম ক্ষীপ্র গতিত সম্পন্ন হ'ব বুলি এই প্রস্থাৱক পূর্ণ সমর্থন জনাইছিল।

অসমত থকা ইউৰোপীয় চাহ খেতিয়কসকলে ১৯০০ চনত ভাইচৰয় লর্ড কার্জনে অসম ভ্রমণ কৰা সময়ত অসমৰ পৰিবহন আৰু যোগাযোগ ব্যৱস্থাৰ উন্নতি কৰিবলৈ আবেদন জনোৱাৰ লগতে চিটাগঙক অসমৰ লগত চামিল কৰি সাগৰলৈ বাট মুকলি কৰিবলৈ আহ্বান জনাইছিল।

১৯০৪ চনত লর্ড কার্জনে পুনৰ বিতৰণৰ সমস্যাটোৰ অন্তর্দৃষ্টিৰ কাৰণে পূর্ববংগ ভ্রমণ কৰিছিল। বেংগল আৰু অসমৰ চৰকাৰে কেইমাহমানৰ ভিতৰতে আঁচনিখনৰ পূর্ণাংগ ৰূপ দিয়ে আৰু ১৯০৪ চনৰ ২৬ ডিচেম্বৰ তাৰিখে ভাইচৰয় কার্জনৰ অনুমোদন লাভ কৰে। ১৯০৫ চনৰ ২৯ আগষ্ট তাৰিখে প্রস্তাৱিত নতুন প্রদেশখনৰ ঘোষণাপত্রই Secretary of State ৰ সন্মতি লাভ কৰে আৰু ১ ছেপ্তেম্বৰত ভাৰত চৰকাৰে ইয়াক আনুষ্ঠানিকভাৱে ঘোষণা কৰে। ১৯০৫ চনৰ ১৬ অক্টোবৰত চিটাগংক লৈ 'পূর্ববংগ আৰু অসম' নামৰ এখন নতুন প্রদেশৰ সৃষ্টি হয়। নতুন প্রদেশখনৰ মুঠ মাটি কালি ১ লাখ ৬ হাজাৰ ৫৪০ বর্গমাইল আৰু মুঠ জনসংখ্যা ৩১ নিযুত আছিল। নতুন প্রদেশখনৰ মুখ্য কার্যালয় আছিল ঢাকাত। এই নতুন প্রদেশখনক এজন পৃথক লেঃ গৱর্ণৰ অধীনলৈ নিয়া হয়। বেম্পফিল্ড ফুলাৰ (Bampfylde Fuller) ক ইয়াৰ প্রথম লেঃ গৱর্ণৰ হিচাপে নিয়োগ কৰা হয়।

ফুলাৰে কার্যভাৰ গ্রহণ কৰাৰ পাছতেই অসমৰ জনসাধাৰণৰ অন্তৰ জয় কৰাৰ উদ্দেশ্যেৰে অসম ভ্রমণ কৰে। অসমলৈ আহি তেওঁ জনসাধাৰণক নিশ্চিতি প্রদান কৰে যে ছাত্রসকলে ছাত্রবৃত্তি লাভ কৰাৰ লগতে ব্রহ্মপুত্র উপত্যকাৰ চৰকাৰী কামত অসমৰ লোকে নিয়োগৰ ক্ষেত্রত বিশেষ অধিকাৰ লাভ কৰিব। ইয়াৰ উপৰি বিধানপৰিষদত অসমৰ স্থানীয় নিকায়সমূহৰ প্রতিনিধিয়েও অংশীদাৰিত্ব লাভ কৰিব।

- **অসমত বংগ বিভাজনৰ প্রভাৱ**

বংগ বিভাজনৰ পাছত সমগ্র দেশতে ধর্ণা আৰু প্রতিবাদী কার্যসূচী গ্রহণ কৰা হৈছিল। বংগৰ বুদ্ধিজীৱীসকলে ইয়াক ঐক্যবদ্ধ বংগীয় জাতীয়তাবাদক দুর্বল কৰিবলৈ চলোৱা এক প্রয়াস বুলি অভিহিত কৰিছিল। তেওঁলোকে বংগ বিভাজনক বাংলাসকলৰ পৰম্পৰা, ইতিহাস আৰু ভাষাৰ প্রতি এক ভাবুকি হিচাপে গণ্য কৰিছিল। জাতীয়তাবাদী নেতাসকলৰ মতে বংগভংগ আঁচনিখন ধর্মৰ ভিত্তিত জনসাধাৰণক বিভাজন কৰাৰ বাবে যুগুতোৱা হৈছিল। আনকি লর্ড কার্জনেও তেওঁৰ পূর্ববংগ ভ্রমণৰ সময়ত কৈছিল যে প্রস্তাৱিত বংগ বিভাজনৰ পৰিকল্পনাটোৰ এটা উদ্দেশ্য হৈছে এখন মুছলিম বসতিপ্রধান প্রদেশৰ সৃষ্টি কৰা য'ত মুছলমানসকলৰ সংখ্যাগৰিষ্ঠতা হ'ব আৰু তেওঁলোকৰ অনুগামীসকলৰ প্রভাৱ বিস্তাৰ হ'ব। নতুন প্রদেশখনৰ আৰম্ভণিৰ দিনা ১৬ অক্টোবৰত সমগ্র বংগতে ৰাষ্ট্রীয় শোক দিবস পালন কৰা হয়। প্রাৰম্ভিক অৱস্থাত সভা-সমিতি, ধর্ণা আৰু চৰকাৰ বিৰোধী শ্লোগান দিয়া কার্যসূচীৰে বংগভংগ বিৰোধী আন্দোলনৰ সূচনা হৈছিল যদিও পৰৱর্তি পর্যায়ত বিদেশী সামগ্রী আৰু শিক্ষানুষ্ঠান বর্জন কার্যসূচীও ইয়াৰ লগত চামিল হৈছিল। স্বদেশী সামগ্রীৰ ব্যৱহাৰ আৰু মাতৃভাষাৰ বিদ্যালয় স্থাপন আদিও বংগভংগ আন্দোনৰ

অংশ হৈ পৰিছিল। বংগত এক নজিৰবিহীন জাতীয়তাবাদী আলোড়ন সংঘটিত হৈছিল য'ত হিন্দু, মুছলমান, খ্ৰীষ্টিয়ান আৰু অন্যান্য সম্প্ৰদায়ৰ লোকে সমানে অংশ লৈছিল। এই আন্দোলনক স্বদেশী আন্দোলন আখ্যা দিয়া হয় আৰু ই পৰৱৰ্তী বছৰসমূহত ভাৰতীয় স্বাধীনতা আন্দোলনৰ পথ প্ৰদৰ্শক হৈ পৰিছিল।

লৰ্ড কাৰ্জনৰ বংগভংগ বিভাজন আঁচনিৰ প্ৰত্যক্ষ অংশীদাৰ হিচাপে অসমেও স্বদেশী আন্দোলনৰ ধূমূহা অনুভৱ কৰিছিল। বংগীয় নেতাসকলৰ আহ্বান মৰ্মে অসমৰ বৰাক আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ হিন্দু-মুছলীম উভয় সম্প্ৰদায়ে সমূহীয়াভাৱে বংগভংগ বিৰোধী দিবস পালন কৰে। ধুবুৰীত পুৱাবেলা এক বিশাল সংকীৰ্তনৰ আয়োজন কৰা হৈছিল য'ত হিন্দু, মুছলমান, শিখ সকলো সম্প্ৰদায়ৰ লোকে অংশগ্ৰহণ কৰিছিল। একেদিনা আবেলিলৈ ডিব্ৰুগড় চহৰৰ হিন্দু আৰু মুছলমান বাসিন্দাসকলে এক বিশাল শোভাযাত্ৰা উলিয়াইছিল। তেওঁলোকে ৰাষ্ট্ৰীয় সংগীত পৰিৱেশন আৰু 'বন্দে মাতৰম' আৰু 'আল্লাহু-আকবৰ' ধ্বনিৰে নগৰৰ মাজেৰে এক বিশাল শোভাযাত্ৰা উলিয়ায়। সুৰমা উপত্যকাৰ চিলেট, হাবিগঞ্জ, মৌলবী বজাৰ, শিলচৰ, কৰিমগঞ্জ আৰু বদৰপুৰত বংগভংগ বিৰোধী সভা অনুষ্ঠিত হৈছিল। ইয়াত সুৰমা ভেলী এচ'চিয়েচনে (Surma Valley Association) স্বদেশী তথা স্বৰাজৰ আদৰ্শ জনসাধাৰণৰ মাজত প্ৰচাৰ কৰিছিল।

সুৰেন্দ্ৰ নাথ বেনাৰ্জী, বিপিন চন্দ্ৰ পাল, এ.ৰছুল, অশ্বিনী কুমাৰ দত্ত আৰু অৰবিন্দ ঘোষৰ তত্ত্বাৱধানত বংগৰ বিভিন্ন অঞ্চলত গঠন হোৱা কিছু সংখ্যক চৰমপন্থী সংগঠন আৰু গোপন বিপ্লৱী সমাজৰ গঠনৰ পাছত বংগভংগ আন্দোলনে এক নতুন মোৰ লৈছিল। বাল গংগাধৰ তিলক আৰু লালা লাজপত ৰায় আদি অন্যান্য প্ৰখ্যাত নেতাই বৃটিছৰ সাম্ৰাজ্যবাদী নীতিৰ বিৰুদ্ধে সামৰিক জাতীয়তাবাদৰ (চৰমপন্থা) সূচনা কৰিছিল যি সমগ্ৰ ভাৰততে পূৰ্ণ সমৰ্থন লাভ কৰিছিল। চৰমপন্থী সংগঠনৰ মাজত স্বদেশী তথা স্বৰাজৰ আদৰ্শ জনপ্ৰিয় হৈ পৰিছিল।

অম্বিকাগিৰি ৰায়চৌধুৰী, ৰক্তিম বৰা, ত্ৰিগুণা বৰুৱা আৰু অন্যান্য কিছু সংখ্যক অসমৰ শিক্ষিত যুৱক চৰমপন্থী আদৰ্শৰ প্ৰতি আকৰ্ষিত হৈছিল। অম্বিকাগিৰি ৰায়চৌধুৰীয়ে 'সেৱা সংঘ' নামৰ এটা স্বেচ্ছাসেৱী সংগঠন আৰম্ভ কৰিছিল যদিও পুলিচ বাহিনীৰ সতৰ্ক দৃষ্টিত বেছি সফলতা লাভ নকৰিলে। তেওঁ *বন্দিনী ভাৰত* নামৰ এখন দেশভক্তিমূলক নাটক ৰচনা কৰিছিল যাৰ পাণ্ডুলিপি পুলিচে হস্তগত কৰিছিল।

১৯১১ চনৰ ১২ ডিচেম্বৰত দিল্লী দৰবাৰত বহা এক ৰাজ ঘোষণাপত্ৰৰ জৰিয়তে বংগ বিভাজনৰ সিদ্ধান্ত প্ৰত্যাহাৰ কৰা হয় আৰু অসমৰ লগতে কাচাৰ, চিলেট গোৱালপাৰা আৰু পাহাৰীয়া অঞ্চলসমূহ এজন চিফ কমিচনাৰৰ অধীনলৈ নিয়া হয়। ১৯১২ চনৰ ১ এপ্ৰিলৰ পৰা অসম পুনৰ চিফ কমিচনাৰ শাসিত প্ৰদেশলৈ ৰূপান্তৰ হয় আৰু শ্বিলঙত ইয়াৰ বিধান সভা স্থাপন কৰা হয়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৪ ঃ চাৰ এন্দ্রিউ ফ্রেজাৰ কোন আছিল?

.....

প্রশ্ন ৫ ঃ নতুনকৈ গঠিত প্রদেশ পূর্ববংগ আৰু অসমৰ প্রথম লেঃ জেনেৰেল কোন আছিল?

.....

প্রশ্ন ৬ ঃ *বন্দিনী ভাৰত* কোনে ৰচনা কৰিছিল?

.....



৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ঊনবিংশ শতিকাৰ শেষৰফালে ৰাইজমেলে অসমৰ ৰাইজৰ মাজত সামাজিক আৰু ৰাজনৈতিক ঐক্য গঢ়ি তুলিছিল আৰু তেওঁলোকৰ ৰাজনৈতিক অধিকাৰৰ বিষয়ে সজাগ কৰি তুলিছিল।
- অসমত পশ্চিমীয়া শিক্ষাৰ প্রসাৰ আৰু ছপাশাল স্থাপনেও জনসাধাৰণৰ মনত জাতীয় সচেতনতা বৃদ্ধিত বহুল পৰিমাণে অৰিহণা যোগাইছিল।



- চনত ভাৰতীয় জাতীয় কংগ্রেছৰ জন্মই জাতীয়তাবাদৰ বিকাশত প্রেৰণা যোগাইছিল। গঢ়ি উঠা বিভিন্ন সংগঠন, যেনে- যোৰহাট সার্বজনিক সভা, অসম এচ'চিয়েচন, সুৰমা ভেলী পলিটিকেল কনফাৰেন্স আৰু অন্যান্য বহুতো সংগঠনে অসমৰ জনসাধাৰণৰ মনত ৰাজনৈতিক সচেতনতা বৃদ্ধিত বহুল পৰিমাণে অৰিহণা যোগাইছিল।
- বংগ বিভাজনৰ পাছত সমগ্র অসম আৰুবেংগল প্রদেশতে ধর্ণা আৰু প্রতিবাদী কার্যসূচী গ্রহণ কৰা হৈছিল।
- বংগভংগ আন্দোলনে বিদেশী সামগ্রী বর্জন আৰু স্বদেশী সামগ্রীৰ ব্যৱহাৰৰ কার্যসূচী গ্রহণ কৰিছিল।
- বংগভংগ আন্দোলনে সমগ্র দেশতে জনসচেতনতা বৃদ্ধি কৰি জনসাধাৰণৰ মনত গভীৰ জাতীয়তাবাদী মনোভাৱৰ সৃষ্টি কৰিছিল।



৫.৬ অধিক জানিবলৈ

1. Barua, S. (1985). *A comprehensive history of Assam*. New Delhi: Munshiram monoharlal.
2. Borpujari, H. K. (Ed.). (1993). *The comprehensive history of Assam*. Vol. (v), Publication Board of Assam.

3. Goswami, C. (2008). *Nationalism in Assam*. New Delhi: Mittal Publication.
4. Grover, B.L. & Grover, S. (1998). *A new outlook at modern Indian history*. New Delhi: S. Chand & Company Ltd.



৫.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ভাৰতৰ গৱর্ণৰ জেনেৰেল (১৮২৮-৩৫) আছিল।
২ নং প্রশ্নৰ উত্তৰ ঃ নাথান ব্রাউন আৰু অলিভাৰ কাট্টাৰ ।
৩ নং প্রশ্নৰ উত্তৰ ঃ পদ্মনাথ গোঁহাই বৰুৱা।
৪ নং প্রশ্নৰ উত্তৰ ঃ বেংগলৰ লেঃ গৱর্ণৰ আছিল।
৫ নং প্রশ্নৰ উত্তৰ ঃ বেম্পফিল্ড ফুলাৰ (Bampfylde Fuller)
৬ নং প্রশ্নৰ উত্তৰ ঃ অম্বিকাগিৰি ৰায়চৌধুৰী।



৫.৮ আৰ্হি প্রশ্ন

ক) অতি চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ 'জাতীয়তাবাদ' শব্দটোৱে কি বুজায়?
প্রশ্ন ২ঃ অসমীয়া ভাষাত প্রথম ব্যাকৰণ কোনে ৰচনা কৰিছিল?
প্রশ্ন ৩ঃ সূৰমা ভেলী পলিটিকেল কনফাৰেন্স কেতিয়া গঠন হৈছিল?
প্রশ্ন ৪ঃ যোৰহাট সার্বজনিক সভা কোনে গঠন কৰিছিল?
প্রশ্ন ৫ঃ ছাৰ হেনৰি কটন কোন আছিল?

খ) চমু প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰসমূহ লিখক)

প্রশ্ন ১ঃ ভাৰতত জাতীয়তাবাদৰ উত্থানৰ কাৰকসমূহৰ বিষয়ে চমুটোকা লিখক।
প্রশ্ন ২ঃ অসমত জাতীয়তাবাদী ভাৱধাৰা গঢ়ি উঠাত আধুনিক শিক্ষাৰ প্রভাৱৰ বিষয়ে উল্লেখ কৰক।
প্রশ্ন ৩ঃ জাতীয়তাবাদৰ বিকাশত অসমৰ ছপাশালৰ ভূমিকাৰ বিষয়ে চমুকৈ আলোচনা কৰক।

গ) ৰচনাধর্মী প্রশ্ন (উত্তৰসমূহ ৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ অসমত জাতীয়তাবাদৰ বিকাশত অৰিহণা যোগোৱা কাৰকসমূহৰ বিষয়ে চমুকৈ আলোচনা কৰক।
প্রশ্ন ২ঃ বংগ বিভাজনৰ বিভিন্ন কাৰণসমূহ বর্ণনা কৰক।
প্রশ্ন ৩ঃ অসমত বংগ বিভাজনৰ প্রভাৱৰ বিষয়ে বর্ণনা কৰক।

****

অধ্যায় ৬ ঃ ঔপনিবেশিক শাসনকালত ছপাশাল আৰু ৰাজহুৱা সংগঠন

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ ঔপনিবেশিক শাসনকালত অসমত ছপাশালৰ বিকাশ
৬.৪ ঔপনিবেশিক শাসনকালত অসমত ৰাজনৈতিক অনুষ্ঠান আৰু ৰাজহুৱা সংগঠনৰ বিকাশ
৬.৫ যোৰহাট সার্বজনিক সভা
৬.৬ অসম এচ'চিয়েচন
৬.৭ সুৰমা উপত্যকাৰ ৰাজনৈতিক সভা
৬.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলো
৬.৯ অধিক জানিবলৈ
৬.১০ অগ্রগতিৰ খতিয়ান
৬.১১ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনিঃ

- ঔপনিবেশিক শাসনৰ সময়চোৱাত বিকাশ লাভ কৰা অসমৰ প্রেছৰ বিষয়ে জানিব পাৰিব
- ঔপনিবেশিক শাসনৰ সময়চোৱাত উত্থান হোৱা ৰাজনৈতিক অনুষ্ঠান আৰু ৰাজহুৱা সংগঠন আদিৰ বিষয়ে সম্যক জ্ঞান অর্জন কৰিব পাৰিব
- ঔপনিবেশিক শাসনকালত ছপাশাল আৰু ৰাজহুৱা সংগঠনসমূহৰ ভূমিকা সম্পর্কে ব্যাখ্যা কৰিব পাৰিব।

৬.২ পৰিচয়

এই অধ্যায়ত আমি ঔপনিবেশিক শাসনত অসমত ছপাশালৰ (প্রেছৰ) বিকাশৰ বিষয়ে আলোচনা কৰিম। ১৮৩৫ চনৰ প্রেছ আইনৰ উদাৰ নীতিয়ে ভাৰততে প্রেছৰ বিকাশত উৎসাহ যোগাইছিল। ভাৰতীয় ভাষাত ছপা কৰা প্রথম বাতৰি কাকত বংগদেশৰপৰা প্রকাশ কৰা হৈছিল। প্রেছে জনগণৰ মতামতক ৰাষ্ট্রৰ গুৰুত্বপূর্ণ বিষয়সমূহৰ ভিত্তিত শক্তিশালী কৰাত সহায় কৰিছিল। প্রেছৰ যোগেদি জনসাধাৰণে চৰকাৰৰ অন্যায় আৰু শোষণমূলক নীতিসমূহৰ বিৰুদ্ধে মত পোষণ কৰিছিল।

প্ৰথম বাতৰিৰ আলোচনী অৰুনোদয়ৰ জন্ম অসমত প্ৰেছৰ বিকাশৰ ইতিহাসৰ এক স্মৰণীয় ঘটনা। ই পৰৱৰ্তী সময়ত অলেখ বাতৰিকাকত আৰু আলোচনীৰ জন্ম দিছিল। ঊনবিংশ শতিকাৰ শেষৰ ভাগত কিছু সংখ্যক প্ৰগতিশীল দৃষ্টিভংগীৰ অসমীয়া লোকে জনগণৰ আগ্ৰহক প্ৰভাৱিত কৰা বিষয়সমূহক গুৰুত্ব প্ৰদান কৰিবলৈ ভালে সংখ্যক বাতৰিকাকত প্ৰকাশ কৰিছিল।

এই অধ্যায়ত আমি ঔপনিবেশিক শাসনকালৰ সময়চোৱাত অসমত উত্থান হোৱা ৰাজনৈতিক সংস্থা আৰু ৰাজহুৱা সংগঠনৰ বিষয়েও আলোচনা কৰিম। ১৮৮৫ চনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ জন্মৰ লগে লগে সমগ্ৰ দেশতে ভালেমান ৰাজনৈতিক সংস্থাৰ উত্থান হৈছিল। ঊনবিংশ শতিকাৰ আশীৰ দশকত 'উজনি অসম সংস্থা', 'নগাঁও ৰায়ত সভা', 'যোৰহাট সার্বজনিক সভা', 'অসম এচ'চিয়েচন', 'সুৰমা ভেলী পলিটিকেল কন্‌ফাৰেন্স' আদি ভালে সংখ্যক ৰাজনৈতিক সংস্থাই অসমীয়া লোকৰ মুখপাত্ৰ হিচাপে কাম কৰাৰ লক্ষ্যৰে গঠন হৈছিল। এই সংস্থাসমূহৰ যোগেদি, বহুতো ক্ষেত্ৰত অসমীয়া বুদ্ধিজীৱী শ্ৰেণীটোৱে ঔপনিবেশিক শাসক সকলৰ সন্মুখত জনগণৰ ইচ্ছা আকাংক্ষাক কৃতকার্যতাৰে প্ৰতিফলিত কৰিছিল। এই সংস্থাসমূহে সেই সময়ৰ আর্থ-সামাজিক, ৰাজনৈতিক আৰু সাংস্কৃতিক বিষয়সমূহত গুৰুত্ব প্ৰদান কৰাৰ লগতে জনগণৰ মাজত জাতীয়তাবাদী ভাবধাৰা গঢ়ি তুলিছিল।

৬.৩ উপনিবেশিক শাসনকালত অসমত ছপাশালৰ বিকাশ

ছপাশালৰ আৱিষ্কাৰে আধুনিক সমাজ আৰু সভ্যতাৰ বৈপ্লৱিক পৰিৱর্তন সাধন কৰিছিল। ইউৰোপত ছপাশালৰ আৱিস্কাৰক জার্মানীৰ জোহান্স গুটেনবার্গে ১৪৩৯ চনৰ সময়চোৱাত তেওঁৰ ছপাশাল প্ৰতিষ্ঠা কৰিছিল। ই প্ৰতিলিপি কার্যক আগতকৈ সহজ কৰি তুলিছিল। ১৪৫৩ চনত তেওঁৰ প্ৰেছত বাইবেল ছপা কৰা হৈছিল।

ভাৰতীয় প্ৰেছ কম-বেছি পৰিমাণে কোম্পানী শাসনৰ ফল আৰু প্ৰথমে বেংগল প্ৰেছ হিচাপে ভুমুকি মাৰিছিল। অসমত আমেৰিকান ব্যাপ্টিষ্ট মিচনেৰীসকলে ছপাশাল আৰম্ভ কৰাৰ আগতে কিছুমান দেশীয় বাতৰিকাকত, যেনে- *সমাচাৰ দর্পন*, *সমাচাৰ চন্দ্ৰিকা সোমপ্ৰকাশ*, *সঞ্জীৱনী* আৰু *মাসিক পত্ৰিকা* আদিয়ে জনমত সৃষ্টি আৰু অসমৰ ৰাজনৈতিক, সামাজিক আৰু অর্থনৈতিক বিষয়ত মতামত আগবঢ়াইছিল।

প্ৰেছৰ বিকাশ আৰু অসমীয়া ভাষা-সাহিত্যত ইয়াৰ প্ৰভাৱ অসমৰ প্ৰেছৰ ইতিহাসৰ এক আমোদজনক অধ্যায়। অসমত ছপাশাল প্ৰতিষ্ঠাৰ সন্মান দুই আমেৰিকান ব্যাপ্টিষ্ট মিচনেৰী নাথান ব্ৰাউন আৰু অলিভাৰ কাট্টাৰলৈ যায় যিয়ে ১৮৩৬ চনৰ প্ৰথম ভাগত তেওঁলোকৰ কর্ম-পদ্ধতি আৰম্ভ কৰিছিল। একে বছৰতে অসমৰ আয়ুক্ত মেজৰ এফ. টেনকিন্সে (F. Tenkins) বংগৰ অসমাৰিক সেৱাৰ বিষয়া মি. ট্ৰেভেলিয়ানলৈ শদিয়াত ব্যাপ্টিষ্ট মিচনেৰীসকলৰ ঘাটি স্থাপন কৰিবলৈ নিমন্ত্ৰণ জনাই এক পত্ৰ প্ৰেৰণ কৰিছিল। ডেকা মিচনেৰী নাথান ব্ৰাউনে সুযোগ গ্ৰহণ কৰিছিল। আন এজন মিচনেৰী আৰু মুদ্ৰক অলিভাৰ কাট্টাৰে (Oliver Cutter) ছপাশালত কাম কৰাৰ কাৰণে তেওঁক সহযোগ কৰিছিল। আৰম্ভণিতে তেওঁলোকে শদিয়াত ছপাশাল স্থাপন

কৰিছিল আৰু ১৮৪৬ চনত ইয়াক শিৱসাগৰলৈ স্থানান্তৰিত কৰিছিল। ক্ৰমান্বয়ে দেশীয় ছপাশাল যেনে ধৰ্মপ্ৰকাশ প্ৰেছ, আউনীআটি সত্ৰ আৰু গুৱাহাটীৰ চিদানন্দ প্ৰেছৰ স্থাপন হৈছিল।

অসমৰ প্ৰথম বাতৰি সংক্ৰান্তীয় আলোচনী *অৰুনোদয়* ১৮৪৬ চনৰ জানুৱাৰী মাহত শিৱসাগৰৰ পৰা প্ৰকাশ হৈছিল আৰু ১৮৮০ চনলৈকে প্ৰচলন আছিল। ইয়াৰ প্ৰথম সম্পাদক আছিল নাথান ব্ৰাউন। অৰুনোদয়ে চৰকাৰৰ অনুগ্ৰহ আদায় কৰিবলৈ চেষ্টা কৰাও দেখা গৈছিল। ই কাচিৎহে চৰকাৰৰ বিৰুদ্ধে যিকোনো লেখনি প্ৰকাশ কৰিছিল। কিন্তু '*ঢাকা নিউজ*', '*সোমপ্ৰকাশ*' আদি বাতৰিকাকতে অসমৰ গুৰুত্বপূৰ্ণ বিষয়সমূহত চৰকাৰৰ মনোযোগ আকৰ্ষণ কৰি গৈছিল। কিন্তু, *অৰুনোদয়ে* অসমত বৌদ্ধিক জাগৰণৰ ভেঁটি প্ৰস্তুত কৰিছিল।

অৰুনোদয়ে অসমত যথেষ্ট সংখ্যক বাতৰি কাকত আৰু আলোচনীৰ জন্মত প্ৰেৰণা যোগাইছিল। অসমৰ প্ৰথম সাপ্তাহিক বাতৰিকাকত আছিল '*আসাম মিহিৰ*' যিয়ে ১৮৭২ চনত ভুমুকি মাৰিছিল। অসমৰ প্ৰথম দৈনিক বাতৰি কাকত আছিল '*দৈনিক বাতৰি*'। মাহেকীয়া আলোচনী '*অসম দৰ্পন*' এবছৰহে বৰ্তি আছিল। হেমচন্দ্ৰ বৰুৱাৰ সম্পাদনাত গুৱাহাটীৰ পৰা প্ৰকাশ হোৱা প্ৰথম এংলো-অসমীয়া সাপ্তাহিক আছিল '*আসাম নিউজ*'। জনসাধাৰণৰ সামূহিক সমস্যাত জনমত সৃষ্টিত ই সফল হৈছিল।

গুণাভিৰাম বৰুৱাৰ সম্পাদনাত ১৮৮৫ চনত নগাঁৱৰ পৰা প্ৰকাশ হোৱা *অসম বন্ধু* কাকতখনে প্ৰধানকৈ কলা, বিজ্ঞান আৰু সাধাৰণ বিষয়সমূহক লৈ কাম কৰিছিল। হৰনাথ বৰাই সম্পাদনা কৰা মাহেকীয়া আলোচনী *মৌয়ে* (The Bee) (১৮৮৬-১৮৮৮) সেই সময়ৰ প্ৰধান সমস্যা সমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। ই অসমীয়া যুৱকসকলক ঔদ্যোগিক বৃত্তি গ্ৰহণ আৰু কলাৰ অভ্যাস গঢ়ি তুলিবলৈ আহ্বান জনাইছিল। স্থানীয় নিকায়সমূহলৈ মনোনীত কৰা প্ৰচলিত ব্যৱস্থাক ই মুকলিভাৱে সমালোচনা কৰিছিল। এই আলোচনীখনে ভাৰতীয় জাতীয় কংগ্ৰেছৰ আদৰ্শক সমৰ্থন জনাইছিল। এই মাহেকীয়া আলোচনীখনে অসমৰ ৰায়ত সভাসমূহে জনসাধাৰণৰ দুখ যন্ত্ৰণাক লাঘব কৰিৱলৈ গ্ৰহণ কৰা নীতি আৰু পদ্ধতিসমূহক দোষাৰোপ কৰিছিল।

চন্দ্ৰকুমাৰ আগৰৱালাৰ নেতৃত্বত কলিকতাৰ পৰা প্ৰকাশিত এখন গুৰুত্বপূৰ্ণ মাহেকীয়া আলোচনী *জোনাকী* অৰাজনৈতিক চৰিত্ৰৰ আছিল। *জোনাকী* অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ মুখপাত্ৰ আছিল। চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ সফল সম্পাদনাত *জোনাকী* এচাম প্ৰখ্যাত লেখকৰ আলোচনাৰ স্থান হৈ পৰিছিল আৰু ই অসমীয়া সংবাদজগতৰ এটা নতুন যুগৰ সূচনা কৰিছিল। ই বিজ্ঞানভিত্তিক, ঐতিহাসিক, সাহিত্য আৰু প্ৰয়োজনীয় বিষয়সমূহত গুৰুত্ব প্ৰদান কৰিছিল। আন তিনিখন মাহেকীয়া আলোচনী *উষা* (১৯০৭) *বন্তী* আৰু *আলোচনী* কেইবা বছৰো প্ৰচলন হৈ আছিল। কিন্তু *দিপ্তী* (১৯০৫) *ইষ্টাৰ্ণ হেৰাল্ড* (১৮৯৮), *চিটিজেন*, (১৯০২), *দি অসম ক্ৰনিকেল* (১৯০৫), দি আসাম হেৰাল্ড (১৯১২) আদিয়ে পৰ্যাপ্ত পুঁজিৰ অভাৱ, ছপাৰ সমস্যা আৰু জনসাধাৰণৰ সমৰ্থনৰ অভাৱত অতি কম সময়ৰ ভিতৰত প্ৰচলন বন্ধ কৰিবলৈ বাধ্য হৈছিল।

পদ্মনাথ গোঁহাই বৰুৱাই সম্পাদনা কৰা *বিজুলী* (১৮৯১) য়ে ৰাজনৈতিক আৰু ৰাষ্ট্রীয় সমস্যাসমূহক গুৰুত্ব প্রদান কৰিছিল। সাপ্তাহিক অসমীয়া কাকত যেনে- *দি অসম* (১৮৯৪), *দি এডভোকেট অৱ আসাম* (১৯০৪-৭) আৰু *অসম বিলাসিনী* ৰাষ্ট্রীয়তাবাদী চৰিত্রৰ আছিল। আউনীআটি সত্রৰ ধর্ম প্রকাশ প্রেছৰ পৰা কৃষ্ণকান্ত ভট্টাচার্যৰ সম্পাদনাত প্রকাশিত অসম *বিলাসিনী* (১৯১৪) চৰকাৰৰ দমনমূলক নীতিৰ ফলত বেছিদিন বর্তি নাথাকিল। মথুৰা মোহন বৰুৱাই সম্পাদনা কৰা *এডভোকেট অৱ আসামে* জাতীয়তাবাদ, স্বদেশী আৰু স্বৰাজৰ পক্ষত থিয় দিছিল। ই চৰকাৰৰ অন্যায়মূলক নীতিসমূহক সজোৰে দোষাৰোপ কৰিছিল।

পদ্মনাথ গোহাঁই বৰুৱাৰ দ্বাৰা সম্পাদিত *অসম বন্ধি* (১৯০০) আৰু ৰাধানাথ চাংকাকতিৰ দ্বাৰা সম্পাদিত *টাইমচ অৱ আসাম* (১৮৯৫) নামৰ সাপ্তাহিকী দুখন শান্ত-সংযমী মধ্যমপন্থী আছিল। অসমীয়া কাকতসমূহে অসমৰ শিক্ষানুষ্ঠানসমূহত অনা-অসমীয়া লোকক নিয়োগ কৰাটোক সজোৰে প্রতিবাদ জনাইছিল আৰু বিধান পৰিষদৰ অসমীয়া সদস্যসকলক জনগণৰ আগ্রহক প্রভাৱিত কৰা বিষয়সমূহৰ বিৰুদ্ধে তেওঁলোকে মাত মতাত বিফল হোৱাত কঠোৰভাৱে সমালোচনা কৰিছিল।

অসমীয়া বাতৰি কাকতে ৰাষ্ট্রীয় আৰু আন্তঃৰাষ্ট্রীয় বিষয় যেনে মর্লে-মিণ্টো সংস্কাৰ আইনে (১৯০৯) সৃষ্টি কৰা অসন্তুষ্টিৰ কাৰণ, তুর্কী আৰু ইটালীৰ মাজত সংঘটিত যুদ্ধত (১৯১১-১২) ইংলেণ্ডে তুর্কীৰ প্রতি দেখুওৱা শত্রু ভাৱাপন্ন মনোভাব আৰু বৃটিছ উপনিৱেশ বিশেষকৈ কানাডা আৰু বৃটিছ কলম্বিয়াত থকা ভাৰতীয় সকলৰ অৱস্থাৰ উন্নতিৰ হকে ভাৰত চৰকাৰক আবেদন জনাইছিল।

সুৰমা উপত্যকাৰ বাতৰি কাকত যেনে *পৰিদর্শক* (১৮৮৬), *শিলচৰ* (১৮৮৬) আৰু *শ্রীহট্ট মিহিৰ* শান্ত-মধ্যমপন্থী প্রকাৰৰ আছিল। বিধুভূষণ সেনে সম্পাদনা কৰা *শিলচৰে* জনমতক পথ প্রদর্শন কৰা আৰু সেই সময়ৰ সামাজিক আৰু ৰাজনৈতিক বিষয়সমূহত গুৰুত্ব আৰোপ কৰাত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল। সুৰমা উপত্যকাৰ চন্দ্রোদয় বিদ্যাবিনোদে সম্পাদনা কৰা বাংলা সাপ্তাহিক *দি সুৰমাই* জনমত উত্থাপন কৰাত সফল হৈছিল। মোহন নাথ দেই সম্পাদনা কৰা *দেশব্রত* আৰু *প্রজাশক্তি* স্পষ্টৰূপত বৈপ্লৱিক চৰিত্রৰ আছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ঃ অলিভাৰ কাট্টাৰ কোন আছিল?

.....

প্রশ্ন ২ঃ অসমৰ প্রথম দৈনিক বাতৰি কাকতখনৰ নাম কি আছিল?

.....

প্রশ্ন ৩ঃ মাহেকীয়া আলোচনী *জোনাকী*ৰ প্রথম সম্পাদক কোন আছিল?

.....



জানি থোৱা ভাল

ভাৰতৰ প্ৰথম বাতৰি কাকতখন আছিল *বেংগল গেজেট* অথবা *কলিকতা জেনেৰেল এড্ভাৰটাইজাৰ*। ইয়াক ১৭৮০ চনত জেমচ আগচ্টাচ হিকিয়ে প্ৰকাশ কৰিছিল।

৬.৪ ঔপনিবেশিক শাসনকালত ৰাজনৈতিক সংস্থা আৰু ৰাজহুৱা সংগঠনৰ বিকাশ

ঊনবিংশ শতিকাৰ মাজভাগৰ পৰা অসমৰ মধ্যবিত্ত শ্ৰেণীটোৰ মনক এক নৱজাগৰণৰ ঢৌৱে চুই গৈছিল। ই ১৮৫২ চনৰ ১১ জুনৰ দিনা প্ৰথম দৃষ্টিগোচৰ হৈছিল। সেইদিনা গুৱাহাটীৰ কেইজনমান নেতৃস্থানীয় লোকে কামৰূপৰ উপায়ুক্তক ১৮৫০ চনৰ XXVI আইনৰ অনুযায়ী কামৰূপত পৌৰ প্ৰশাসন আৰম্ভ কৰিবলৈ আবেদন জনাইছিল। ১৮৫৭ চনত আনন্দৰাম ঢেকিয়াল ফুকন আৰু গুণাভিৰাম বৰুৱাই অসমীয়াসকলক উন্নত জ্ঞান প্ৰদান কৰিবলৈ 'জ্ঞান প্ৰদায়িনী সভা' গঠন কৰিছিল। ১৮৮৮ বৰ্ষত অসমীয়া ভাষা উন্নতি সাধিনী সভা গঠন হৈছিল। সাহিত্যৰ লগত জড়িত যদিও ই জনসাধাৰণৰ মাজত একতা আৰু দেশভক্তিৰ ভাব গঢ়ি তোলাত সফল হৈছিল। তেজপুৰ ৰায়ত সভা কৃষিজীৱী লোকক মাটিৰ খাজনা বৃদ্ধিৰ পৰা সকাহ দিবলৈ গঠন হৈছিল।

১৮৮৫ চনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ জন্মই ভাৰতৰ ৰাজনৈতিক সংগঠনৰ ইতিহাসত এক নতুন যুগৰ সূচনা কৰিছিল। দেশৰ অন্যান্য প্ৰান্তৰ দৰে অসমতো, অসমৰ বুদ্ধিজীৱীসকলে জনসাধাৰণৰ ইচ্ছা- আকাংক্ষাক চৰকাৰৰ ওচৰত দাঙি ধৰিবলৈ এক বহল ভিত্তিক ৰাজনৈতিক সংস্থাৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছিল। এই সমূহৰ ভিতৰত প্ৰখ্যাত আছিল যোৰহাট সাৰ্বজনিক সভা (১৮৮৪), তেজপুৰ ৰায়ত সভা (১৮৮৪), নগাঁও ৰায়ত সভা, উজনি অসম এচ'চিয়েচন, আৰু অসম এচ'চিয়েচন। এই সকলোবোৰ সংস্থাই ৰাইজৰ অসন্তুষ্টিৰ প্ৰতি চৰকাৰৰ মনোযোগ আকৰ্ষণ কৰিবলৈ চেষ্টা কৰিছিল।

পৰৱৰ্তী শাখাত আমি যোৰহাট সাৰ্বজনিক সভা, অসম এচ'চিয়েচন আৰু সুৰমা ভেলী পলিটিকেল কন্ফাৰেন্সে জনসাধাৰণৰ আগ্ৰহক প্ৰভাৱিত কৰা বিষয়সমূহ আৰু জনসাধাৰণৰ মনত জাতীয়তাবাদী ভাবধাৰা প্ৰসাৰ আৰু প্ৰচাৰত পালন কৰা গুৰুত্বপূৰ্ণ ভূমিকা সম্পৰ্কে আলোচনা কৰিম।

৬.৫ যোৰহাট সাৰ্বজনিক সভা

জগন্নাথ বৰুৱাই ১৮৮৪ চনত অসমৰ প্ৰথম ৰাজনৈতিক সংস্থা যোৰহাট সাৰ্বজনিক সভা গঠন কৰিছিল। ইয়াৰ প্ৰথম সভাপতি আছিল আহোম ৰাজপৰিয়ালৰ নৰনাৰায়ণ সিংহ আৰু ইয়াৰ প্ৰথম সম্পাদক আছিল জগন্নাথ বৰুৱা। নৰনাৰায়ণ সিংহৰ মৃত্যুৰ পাছত জগন্নাথ বৰুৱা সভাপতি আৰু দেৱীচৰণ বৰুৱা সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হৈছিল। সভাৰ মূল উদ্দেশ্য আছিল জনসাধাৰণৰ ইচ্ছা আকাংক্ষাক চৰকাৰৰ আগত অৱগত কৰা আৰু চৰকাৰৰ উদ্দেশ্য আৰু নীতিসমূহৰ

বিষয়ে জনসাধাৰণক সজাগ কৰা। ১৮৮৬ চনৰ অসম ভূমি ৰাজহ আইনৰ বিৰোধিতা কৰি ই ১৮৯২ চনৰ অক্টোবৰ মাহৰ পৰা ১৮৯৩ চনৰ ফেব্ৰুৱাৰী মাহলৈকে এলানি সভা অনুষ্ঠিত কৰিছিল।

সভাই চৰকাৰৰ শিক্ষা নীতিক বিশেষকৈ অসমৰ উচ্চশিক্ষাৰ জলপানিৰ সংখ্যা হ্ৰাস কৰা কাৰ্যক সমালোচনা কৰিছিল। সভাই বৃহৎ মাত্ৰাত থলুৱা লোকৰ নিযুক্তি দাবী কৰিছিল আৰু তেওঁলোকৰ মজুৰি আৰু উন্নতি সাধনত জোৰ দিছিল। সাৰ্বজনিক সভাই অসমত কানিৰ প্ৰচলন ক্ৰমশঃ হ্ৰাস কৰাৰ পৰামৰ্শ আগবঢ়াইছিল কাৰণ তাৎক্ষণিকভাৱে কানিৰ প্ৰচলন নিষিদ্ধ কৰিলে কৃষকসকলে উচ্চ হাৰত মাটিৰ খাজনা আদায় দিয়াৰ লগতে ই নিয়মীয়া সেৱনকাৰীসকলৰ কাৰণে মাৰাত্মক হৈ পৰিব।

১৯০৭ চনত জগন্নাথ বৰুৱাৰ মৃত্যু আৰু পৰৱৰ্তী পৰ্যায়ত ইয়াৰ সদস্যসকলৰ মাজত বিভাজনৰ ফলত সাৰ্বজনিক সভা স্থবিৰ হৈ পৰিছিল।

৬.৬ অসম এচ'চিয়েচন

১৯০৩ চনত মানিক চন্দ্ৰ বৰুৱাই অসম এচ'চিয়েচন গঠন কৰিছিল। মানিক চন্দ্ৰ বৰুৱা অসম এচ'চিয়েচনৰ প্ৰথম সাধাৰণ সম্পাদক, গৌৰীপুৰৰ ৰাজা প্ৰভাত চন্দ্ৰ বৰুৱা প্ৰথম সভাপতি আৰু জগন্নাথ বৰুৱা প্ৰথম উপ-সভাপতি আছিল। ইয়াৰ বেছিভাগ সদস্য মাণিক চন্দ্ৰ বৰুৱা, ঘনশ্যাম বৰুৱা, ফণিধৰ চলিহা, তৰুণৰাম ফুকন আৰু নবীন চন্দ্ৰ বৰদলৈ সেই সময়ৰ বিধায়ক আছিল। সেয়েহে, বিধান পৰিষদৰ মজিয়াত তেওঁলোকৰ বক্তৃতাৰ যোগেদি এচ'চিয়েচনৰ প্ৰস্তাৰ আৰু দাবীসমূহৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ প্ৰথম অধিবেশন ১৯০৫ চনত ডিব্ৰুগড়ত অনুষ্ঠিত হৈছিল।

বংগ বিভাজনৰ লগে লগে পূৰ্ববংগ আৰু অসম নামৰ এখন নতুন প্ৰদেশৰ সৃষ্টি হৈছিল। নতুন প্ৰদেশখনৰ বিধান পৰিষদ আৰু ৰাজকীয় পৰিষদত ব্ৰহ্মপুত্ৰ উপত্যকাৰ কোনো প্ৰতিনিধি নাছিল। তদুপৰি, অনা-অসমীয়া সদস্যসকলে ব্ৰহ্মপুত্ৰ উপত্যকাৰ বিষয়সমূহৰ প্ৰতি নিচেই কম বা কোনো মনোযোগ নিদিয়াৰ কাৰণে অসম এচ'চিয়েচনে প্ৰাদেশিক বিধান পৰিষদত ইয়াৰ প্ৰতিনিধিত্বৰ দাবী তুলিছিল। অৱশেষত, পূৰ্ববংগ আৰু অসমৰ বিধান পৰিষদলৈ প্ৰতিনিধি প্ৰেৰণ কৰাৰ অধিকাৰ প্ৰদান কৰা হৈছিল আৰু মাণিক চন্দ্ৰ বৰুৱাই বিধান পৰিষদত প্ৰথম আত্মপ্ৰকাশ কৰিছিল।

অসম এচ'চিয়েচনে উত্থাপন কৰা কিছুমান বিষয় আছিল -

- অসামৰিক সেৱাক প্ৰগতিশীল ভাৰতীয়কৰণ কৰা।
- বিধান পৰিষদক অধিক গণতান্ত্ৰিক কৰা।

১৯১৫ চনত মাণিক চন্দ্ৰ বৰুৱাৰ মৃত্যুৰ পাছত ৰায় বাহাদুৰ ঘনশ্যাম বৰুৱা অসম এচ'চিয়েচনৰ সম্পাদক হয়। ১৯১৫ চনৰপৰা ১৯২০ চনৰ মাজত ইয়াৰ অধিৱেশনসমূহ ডিব্ৰুগড়, গুৱাহাটী, শিৱসাগৰ, গোৱালপাৰা, বৰপেটা আৰু যোৰহাটত অনুষ্ঠিত হৈছিল। ১৯১৬ চনৰ পৰা অসম এচ'চিয়েচনৰ কাৰ্যপন্থাৰ কিছু পৰিৱৰ্তন সাধন হৈছিল যেতিয়া অম্বিকাগিৰী ৰায়চৌধুৰী; চন্দ্ৰনাথ শৰ্মা আদি ৰাজ্যৰ কিছু যুবকে ইয়াত যোগ দিছিল। তেওঁলোক শান্তিপূৰ্ণ আৰু সাংবিধানিক পদ্ধতিৰ পৰিৱৰ্তে বিপ্লৱী কাৰ্যপন্থাৰ প্ৰতি আগ্ৰহী আছিল।

এনেদৰে, আমি ক'ব পাৰো যে অসম এচ'চিয়েচন বৰ্তি থকা সময়চোৱাত চৰকাৰৰ সন্মুখত জনসাধাৰণৰ প্ৰয়োজনীয়তা আৰু আকাংক্ষাক উত্থাপন কৰাত উপত্যকাটোৰ মুখপাত্ৰ হিচাপে সেৱা আগবঢ়াইছিল। ক্ৰমান্বয়ে, ইয়াৰ সদস্যসকল ভাৰতীয় জাতীয় কংগ্ৰেছৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল। ১৯২১ চনত অসম প্ৰদেশ কংগ্ৰেছৰ গঠনৰ লগে লগে অসম এচ'চিয়েচন স্থবিৰ হৈ পৰে। যি কি নহওক, অসম প্ৰদেশ কংগ্ৰেছ গঠনৰ আগতে অসম এচ'চিয়েচন অসমৰ আটাইতকৈ বৃহৎ ৰাজনৈতিক সংস্থা আছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ঃ ৪ ঃ যোৰহাট সাৰ্বজনিক সভাৰ প্ৰথম সভাপতি কোন আছিল?

.....

প্ৰশ্ন ঃ ৫ ঃ অসম এচ'চিয়েচনৰ প্ৰতিস্থাপক কোন আছিল?

.....

৬.৭ সুৰমা উপত্যকাৰ ৰাজনৈতিক সভা

বংগ ভংগ বিৰোধী আন্দোলনে সুৰমা উপত্যকাত যথেষ্ট সংখ্যক সংস্থাৰ জন্ম দিছিল। ১৯০৬ চনত শ্ৰীহট্ট স্বদেশ সেৱক সমিতিৰ কেইজনমান নেতৃস্থানীয় সদস্যই সমগ্ৰ উপত্যকাটোৰ কাৰণে এক সন্মিলন গঠন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল।

কিছুমান বিখ্যাত নেতা যেনে- বিপিন চন্দ্ৰ পাল, কামিনী কুমাৰ চন্দা, জমিদাৰ, বণিক আৰু মিৰাচদাৰৰ উদ্যোগত, ১৯০৬ চনৰ এপ্ৰিলত সুৰমা উপত্যকা ৰাজনৈতিক সভা গঠন হৈছিল। আৰম্ভণিৰে পৰা ইয়াৰ নীতি আৰু কাৰ্যপন্থা আছিল গভীৰ জাতীয়তাবাদী। কিন্তু, ই কোনো প্ৰকাৰৰ উগ্ৰবাদৰ পথ অনুসৰণ কৰা নাছিল। এই সভাই স্বদেশী আন্দোলনলৈ সম্পূৰ্ণ সমৰ্থন আগবঢ়াইছিল। ই লগতে জাতীয় বিদ্যালয়ৰ প্ৰতিষ্ঠা, স্বদেশী আৰু যুৱকসকলক লাঠী চালনা আৰু তৰোৱাল চালনাৰ শাৰীৰিক প্ৰশিক্ষণ দিয়াৰো পোষকতা কৰিছিল।

সভাৰ প্ৰথম অধিবেশন ১৯০৬ চনৰ ১১-১২ আগষ্টত চিলেটত অনুষ্ঠিত হৈছিল। ইয়াত কামিনী কুমাৰ চন্দাই সভাপতিত্ব কৰিছিল। সভাৰ বিষয় সমিতিৰ কাৰ্যবিৱৰণীৰ মতে চিলেটক মুখ্য কাৰ্যালয় হিচাপে লৈ এখন কেন্দ্ৰীয় সমিতি আৰু উপত্যকাটোৰ বিভিন্ন অংশক লৈ উপ-সমিতিসমূহ গঠন কৰা হৈছিল। সমিতিসমূহৰ মুখ্য কাৰ্যাৱলী আছিল-

- শিক্ষা, স্বাস্থ্য আৰু ৰাজহুৱা স্বাস্থ্য বিধিসন্মত ব্যৱস্থাৱলীৰ উন্নতি সাধন কৰা।
- স্বদেশী ধাৰণাটোৰ প্ৰসাৰ ঘটোৱা।
- সমবায় সমিতি আৰু দেশীয় শিক্ষা প্ৰতিষ্ঠান স্থাপন কৰা।
- পুঁজিৰ সংগ্ৰহ।

সভাৰ দ্বিতীয় অধিৱেশন ১৯০৮ চনৰ ১৮-২০ এপ্ৰিলত কৰিমগঞ্জত অনুষ্ঠিত হৈছিল। এই সভাত ৰাধা বিনোদ দাসে সভাপতিত্ব কৰিছিল। সুৰমা উপত্যকা সভাই ঘোষণা কৰিছিল যে ইয়াৰ একমাত্ৰ ৰাজনৈতিক লক্ষ্য হৈছে স্বৰাজ আহৰণ কৰা যাক একতাৰ বিকাশ সাধনৰ যোগেদি লাভ কৰিব পৰা যায়। ৰাধা বিনোদ দাসে সভাৰ সদস্যসকলক গাঁৱে গাঁৱে গৈ স্বৰাজ, স্বদেশী, বৰ্জনৰ ধাৰণাক প্ৰচাৰ কৰিবলৈ আহ্বান জনাইছিল আৰু ইয়াৰ লক্ষ্যত উপনীত হ'বলৈ জনসাধাৰণৰ মাজত অতি প্ৰয়োজনীয় একতাৰ বিষয়ে প্ৰচাৰ চলাবলৈ আহ্বান জনাইছিল।

১৯০৯ চনত ৰাজনৈতিক সভাৰ তৃতীয় অধিৱেশন হাবিগঞ্জত অনুষ্ঠিত হৈছিল। ইয়াত শৰত চন্দ্ৰ চৌধুৰীয়ে সভাপতিত্ব কৰিছিল। শ্ৰীঅৰবিন্দ, কামিনী কুমাৰ চন্দা, ৰমণী মোহন দাসৰ অনুপ্ৰেৰণামূলক বক্তৃতাই স্বদেশী, আত্ম-সহায়ক আৰু জাতীয় ঐক্যৰ ভাবধাৰা জগাই তুলিছিল। ইয়াৰ অবিৰত প্ৰচেষ্টাই সমগ্ৰ উপত্যকাটোকেই স্বৰাজ, স্বদেশীৰ গ্ৰহণ আৰু বিদেশী বস্তু বৰ্জনৰ কাৰণে কৰা আন্দোলনৰ প্ৰধান সমৰ্থক কৰি তুলিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ঃ ৬ ঃ সুৰমা উপত্যকা ৰাজনৈতিক সভা কেতিয়া গঠন হৈছিল?

.....

প্ৰশ্ন ঃ ৭ ঃ সুৰমা উপত্যকা সভাৰ তৃতীয় অধিৱেশন কেতিয়া অনুষ্ঠিত হৈছিল?

.....



৬.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ১৮৩৫ চনৰ প্ৰেছ আইনৰ উদাৰ নীতিয়ে ভাৰতত ছপাশালৰ বিকাশত উৎসাহ যোগাইছিল। ছপাশালে জনগণৰ মতামতক ৰাষ্ট্ৰৰ গুৰুত্বপূৰ্ণ বিষয়সমূহৰ ওপৰত একত্ৰিত আৰু শক্তিশালী কৰাত সহায় কৰিছিল।
- প্ৰথম বাতৰিৰ আলোচনী অৰুনোদয়ৰ জন্ম অসমত ছপাশালৰ বিকাশৰ ইতিহাসৰ এক স্মৰণীয় ঘটনা।
- ভাৰতীয় প্ৰেছ কম-বেছি পৰিমাণে কোম্পানী শাসনৰ ফল আৰু প্ৰথমে বেংগল প্ৰেছ হিচাপে ভুমুকি মাৰিছিল।
- অসমত ছপাশাল প্ৰতিষ্ঠাৰ সন্মান দুই আমেৰিকান ব্যাপ্টিষ্ট মিচনেৰী নাথান ব্ৰাউন আৰু অলিভাৰ কাট্টাৰক আৰোপ কৰা হয়, যি ১৮৩৬ চনৰ প্ৰথম ভাগত তেওঁলোকৰ কৰ্ম-পদ্ধতি আৰম্ভণি কৰিছিল।

- অসমৰ প্ৰথম বাতৰি সংক্ৰান্তীয় আলোচনী *অৰুনোদয়* ১৮৪৬ চনৰ জানুৱাৰী মাহত শিৱসাগৰৰ পৰা প্ৰকাশ হৈছিল আৰু ১৮৮০ চনলৈকে প্ৰচলন আছিল। ইয়াৰ প্ৰথম সম্পাদক আছিল নাথান ব্ৰাউন।
- গুণাভিৰাম বৰুৱাৰ সম্পাদনাত ১৮৮৫ চনত নগাঁৰৰ পৰা প্ৰকাশ হোৱা *অসম বন্ধু* কাকতখনে প্ৰধানকৈ কলা, বিজ্ঞান আৰু সাধাৰণ বিষয়সমূহক লৈ কাম কৰিছিল।
- চন্দ্ৰকুমাৰ আগৰৱালাৰ নেতৃত্বত কলিকতাৰ পৰা প্ৰকাশিত এখন গুৰুত্বপূৰ্ণ মাহেকীয়া আলোচনী 'জোনাকী' অৰাজনৈতিক চৰিত্ৰৰ আছিল।
- জগন্নাথ বৰুৱাই ১৮৮৪ চনত অসমৰ প্ৰথম ৰাজনৈতিক সংস্থা যোৰহাট সাৰ্বজনিক সভা গঠন কৰিছিল। ১৯০৭ চনত জগন্নাথ বৰুৱাৰ মৃত্যু আৰু পৰৱৰ্তী পৰ্যায়ত ইয়াৰ সদস্যসকলৰ মাজত বিভাজনৰ ফলত সাৰ্বজনিক সভা অকাৰ্যক্ষম হৈ পৰিছিল।
- ১৯০৩ চনত মানিক চন্দ্ৰ বৰুৱাই অসম এচ'চিয়েচন গঠন কৰিছিল। মানিক চন্দ্ৰ বৰুৱা অসম এচ'চিয়েচনৰ প্ৰথম সাধাৰণ সম্পাদক, গৌৰীপুৰৰ ৰাজা প্ৰভাত চন্দ্ৰ বৰুৱা প্ৰথম সভাপতি আছিল।
- কিছুমান বিখ্যাত নেতা যেনে- বিপিন চন্দ্ৰ পাল, কামিনী কুমাৰ চন্দা, জমিদাৰ, বণিক আৰু মিৰাচদাৰৰ উদ্যোগত, ১৯০৬ চনৰ এপ্ৰিলত সুৰমা উপত্যকা ৰাজনৈতিক সভা গঠন হৈছিল।
- ১৯ শতিকাৰ শেষৰ ফালে অসমীয়া ছপাশালৰ, ঔপনিবেশিক শাসকসকলে প্ৰেছৰ ওপৰত সময়ে সময়ে আৰোপ কৰা অসংখ্য সীমাবদ্ধতা স্বত্বেও, নজিৰ বিহীন উত্থান ঘটিছিল।



৬.৯ অধিক জানিবলৈ

1. Barua, S. (1985). *A comprehensive history of Assam*. New Delhi: Munshiram monoharlal.
2. Borpuzari, H. K. (Ed.). (1993). *The comprehensive history of Assam*. Vol. (v), Publication Board of Assam.
3. Borpujari, H. K. (Ed). (1977). *Political history of Assam 1826-1919*. Dispur: Government of Assam.
4. Goswami, M. Dutta, U. & Pujari, S. (1992). *Asomor itihash*. Jorhat, Assam: Grantha-Sanskriti Edu Cell.



৬.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ আমেৰিকান মিচনেৰী আৰু মুদ্রক যিয়ে নাথান ব্রাউনৰ লগত মূদ্রণৰ কাম কৰিবলৈ আহিছিল।

২ নং প্রশ্নৰ উত্তৰ ঃ দৈনিক বাতৰি

৩ নং প্রশ্নৰ উত্তৰ ঃ চন্দ্র কুমাৰ আগৰৱালা।

৪ নং প্রশ্নৰ উত্তৰ ঃ নৱনাৰায়ণ সিংহ।

৫ নং প্রশ্নৰ উত্তৰ ঃ মাণিক চন্দ্র বৰুৱা

৬ নং প্রশ্নৰ উত্তৰ ঃ ১৯০৬ চনৰ এপ্রিল মাহত।

৭ নং প্রশ্নৰ উত্তৰ ঃ ১৯০৯ চনত।

৬.১১ আৰ্হি প্রশ্ন

ক) অতি চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ 'অৰুনোদয়'ৰ প্রথম সম্পাদক কোন আছিল?

প্রশ্ন ২ঃ অসমৰ প্রথম এংলো-অসমীয়া সাপ্তাহিকীখন কি আছিল?

প্রশ্ন ৩ঃ অসম এচ'চিয়েচনৰ প্রথম সভাপতি কোন আছিল?

প্রশ্ন ৪ঃ অসম এচ'চিয়েচন কেতিয়া গঠন হৈছিল?

প্রশ্ন ৫ঃ কোন চনত সুৰমা উপত্যকা ৰাজনৈতিক সভাৰ দ্বিতীয় অধিৱেশন অনুষ্ঠিত হৈছিল?

প্রশ্ন ৬ঃ সুৰমা উপত্যকা ৰাজনৈতিক সভাৰ তৃতীয় অধিৱেশনত কোনে সভাপতিত্ব কৰিছিল?

খ) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত লিখক)

চমু টোকা লিখক ঃ

প্রশ্ন ১ঃ যোৰহাট সার্বজনিক সভাৰ ওপৰত এটি চমুটোকা লিখা।

প্রশ্ন ২ঃ জনমত গঠনৰ ক্ষেত্রত অসম এচ'চিয়েচনৰ গঠন আৰু ভূমিকা চমুকৈ ব্যাখ্যা কৰক।

প্রশ্ন ৩ঃ সুৰমা উপত্যকা ৰাজনৈতিক সভাৰ ওপৰত এটি চমুটোকা লিখক।

গ) ৰচনাধর্মী প্রশ্ন (উত্তৰসমূহ ৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ উপনিবেশিক শাসনকালত অসমত হোৱা ছপাশালৰ বিকাশৰ বিষয়ে বর্ণনা কৰক।

প্রশ্ন ২ঃ উপনিবেশিক শাসনকালত অসমত ৰাজনৈতিক সংস্থা আৰু ৰাজহুৱা অনুষ্ঠানৰ উত্থানৰ সম্পর্কে আলোচনা কৰক।

****

অধ্যায় ৭ ঃ স্বাধীনতা সংগ্রাম আৰু অসম ঃ অসহযোগ আন্দোলন, আইন অমান্য আন্দোলন আৰু ভাৰত ত্যাগ আন্দোলন

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ অসমত অসহযোগ আন্দোলন

৭.৪ অসমত আইন অমান্য আন্দোলন

৭.৫ অসমত ভাৰত ত্যাগ আন্দোলন

৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.৭ অধিক জানিবলৈ

৭.৮ অগ্রগতিৰ খতিয়ান

৭.৯ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনিঃ

- অসহযোগ আন্দোলনত অসমৰ ভূমিকাৰ বিষয়ে জানিব পাৰিব
- অসমত আইন অমান্য আন্দোলনৰ বিষয়ে জ্ঞান অর্জন কৰিব পাৰিব
- অসমত ভাৰত ত্যাগ আন্দোলনৰ সৈতে পৰিচিত হ'ব পাৰিব
- স্বাধীনতা আন্দোলনত অসমৰ ভূমিকাৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।

৭.২ পৰিচয়

ইষ্ট ইণ্ডিয়া কোম্পানী পূব আৰু দক্ষিণ-পূব এছিয়া আৰু ভাৰতৰ লগত বাণিজ্য চলাবলৈ গঠন হৈছিল। এই কোম্পানীয়ে ১৬০০ খ্রীষ্টাব্দত মহাৰাণী ভিক্টোৰিয়াৰ পৰা চনদ লাভ কৰিছিল। ইউৰোপৰ আন দেশসমূহৰ তুলনাত, ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতলৈ পলমকৈ বাণিজ্য কৰিবলৈ আহিছিল। অতি সাধাৰণভাবে বাণিজ্য আৰম্ভ কৰি ইষ্ট ইণ্ডিয়া কোম্পানী ভাৰতৰ ৰাজনীতিৰ লগত জড়িত হৈ পৰিছিল। কর্ণাটকৰ তৃতীয় যুদ্ধই (১৭৫৮-৬৩) অন্যান্য ইউৰোপীয় বাণিজ্যিক কোম্পানীসমূহৰ ওপৰত বৃটিছসকলৰ আধিপত্য প্রতিষ্ঠা কৰিছিল। পলাচী (১৭৫৭) আৰু বক্সাৰ (১৭৬৪) যুদ্ধৰ পাছত বৃটিছসকল বেংগল, বিহাৰ আৰু উৰিষ্যাৰ কার্যতঃ গৰাকী হিচাপে পৰিগণিত হৈছিল। বছৰ বছৰ ধৰি ইষ্ট ইণ্ডিয়া কোম্পানীৰ ভাৰতীয় ৰাজ্য অধিগ্রহণ আৰু বাণিজ্যিক শোষণে ভাৰতৰ সকলো শ্রেণীৰ লোককে ব্যতিব্যস্ত কৰি তুলিছিল। ইয়াৰ পৰিণতিত ১৮৫৭ চনত এক ভয়ংকৰ বিদ্রোহৰ সূচনা হৈছিল যিয়েই ভাৰতত প্রতিস্থিত বৃটিছ সামাজ্যৰ ভেঁটি কঁপাই তুলিছিল।

অষ্টাদশ শতিকাত ভাৰতবর্ষই এক স্থিৰ সভ্যতা আৰু স্থলিত সমাজৰ প্রতিচ্ছবি দাঙি ধৰিছিল। কিন্তু, ১৮৫৭ চনৰ বিদ্রোহে এক নতুন যুগৰ বীজ ৰোপন কৰিছিল। ভাৰতৰ শাসনভাৰ ইষ্ট ইণ্ডিয়া কোম্পানীৰ হাতৰ পৰা বৃটিছ ৰাজমুকুটৰ অধীনলৈ যোৱাৰ পাছৰে পৰা ইংৰাজসকলৰ ভাৰতীয়সকলৰ প্রতি থকা মনোভাৱৰ পৰিৱর্তন ঘটিছিল। ঔপনিৱেশিক শাসনত পশ্চিমীয়া শিক্ষাৰ বিকাশে ভাৰতৰ সমাজখনৰ বৈপ্লৱিক পৰিৱর্তন সাধন কৰিছিল। পশ্চিমীয়া শিক্ষাৰ প্রসাৰে ভাৰতত এক শ্রেণীৰ বিশিষ্ট লোকৰ সৃষ্টি কৰিছিল। এই শ্রেণীটোৱে ভাৰতীয় সমাজৰ পৰা কু-প্রথাসমূহ আঁতৰ কৰাৰ লগতে ভাৰতীয় জনসাধাৰণৰ মনত সামাজিক আৰু ৰাজনৈতিক সচেতনতা সৃষ্টিৰ নিৰন্তৰ প্রয়াস চলাইছিল।

১৮৮৫ বর্ষটো ভাৰতৰ ইতিহাসৰ এক যুগান্তকাৰী বর্ষ আছিল। সেই বর্ষটোত সদৌ ভাৰতৰ প্রথমটো ৰাজনৈতিক সংগঠন ভাৰতীয় জাতীয় কংগ্রেছ গঠন হৈছিল। ভাৰতীয় জাতীয় কংগ্রেছৰ নেতৃত্বত ভাৰতৰ জাতীয় সংগ্রামে গতি লাভ কৰাৰ লগতে ভাৰতৰ জনসাধাৰণো তেওঁলোকৰ ৰাজনৈতিক স্থিতিৰ সম্পর্কে সজাগ হৈছিল। ঔপনিবেশিক শাসনত ভাৰতত বৃটিছৰ অত্যাচাৰী নীতিসমূহৰ বিৰুদ্ধে বহুতো আন্দোলন সংঘটিত হৈছিল। ভাৰতবাসীয়ে কৰা ব্যাপক আন্দোলন সমূহৰ ভিতৰত উল্লেখযোগ্য হৈছে অসহযোগ আন্দোলন, আইন অমান্য আন্দোলন আৰু ভাৰত ত্যাগ আন্দোলন। এই আন্দোলনসমূহে ইংৰাজ চৰকাৰক ভাৰত ত্যাগ কৰিবলৈ বাধ্য কৰাৰ লগতে ১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে প্রায় ২০০ বছৰীয়া বৃটিছ শাসনৰ অন্ত পেলাইছিল। তলত এই বিষয়ে আলোচনা কৰা হ'ল।

৭.৩ অসমত অসহযোগ আন্দোলন

অসহযোগ আন্দোলন ভাৰতৰ স্বাধীনতা সংগ্রামৰ এক গুৰুত্বপূর্ণ পর্যায় আছিল। ঔপনিবেশিক শাসনৰ দমনমূলক নীতি যেনে- ৰাওলাট আইনৰ প্রণয়ন আৰু জালিয়ানৱালাবাগৰ হত্যাকাণ্ড আদি ঘটনাৰ প্রতিক্রিয়া হিচাপে এই আন্দোলনৰ সূচনা হৈছিল। জালিয়ানৱালাবাগৰ হত্যাকাণ্ডৰ পাছত গান্ধীজীয়ে ভাৰতত বৃটিছ বিৰোধী অহিংস অসহযোগ আন্দোলন আৰম্ভ কৰিছিল। ১৯২০ চনৰ ছেপ্টেম্বৰ মাহত কলিকতাত অনুষ্ঠিত হোৱা ভাৰতীয় জাতীয় কংগ্রেছৰ বিশেষ অধিবেশনত এই আন্দোলনৰ অংশস্বৰূপে চৰকাৰী সন্মান ওভতাই দিয়া, আইনসভা বর্জন কৰা, আইন-আদালত, বিদ্যালয় আৰু মহাবিদ্যালয় বর্জন কৰা আৰু শেষত কৰ আদায় নিদিয়াৰ সম্পর্কত প্রস্তাৱ লোৱা হৈছিল। অসহযোগ আন্দোলনৰ এটা উদ্দেশ্য আছিল শান্তিৰ পন্থা আৰু আইনী প্রক্রিয়া অনুসৰণ কৰি 'স্বৰাজ' বা স্ব-শাসন লাভ কৰা।

- **অসম এচ'চিয়েচন আৰু অসহযোগ আন্দোলন**

  অসম ভাৰতৰ ৰাজনীতিৰ মূলসূঁতিৰ পৰা কেতিয়াও আঁতৰত নাছিল। ভাৰতৰ জাতীয় আন্দোলনৰ ক্ষেত্রখনত অসমে সদায় এক সক্রিয় ভূমিকা পালন কৰিছিল। ভাৰতৰ জাতীয় কংগেছৰ কলিকতাত বহা বিশেষ অধিবেশনত অসম এচ'চিয়েচনৰ হৈ নবীন চন্দ্র বৰদলৈ,

চন্দ্রনাথ শর্মা আৰু ফইজনুৰ আলিয়ে অংশগ্রহণ কৰিছিল। কিন্তু তেওঁলোকে অসহযোগৰ প্রসংগটোত এচ'চিয়েচনৰ পৰা নির্দেশ নোপোৱাত সর্বসন্মতভাবে সন্মতি জনাব পৰা নাছিল। ১৯২০ চনৰ ১১ অক্টোবৰ তাৰিখে অসম এচ'চিয়েচনৰ পৰৱর্তী সভাত সকলো সদস্যই সর্বসন্মতভাবে বিদেশী সামগ্রী বর্জন আৰু আসন্ন প্রথম পৰিষদৰ নির্বাচন বর্জনৰ সহমত প্রকাশ কৰিছিল। এচ'চিয়েচনে লগতে স্ব দেশী কার্যসূচী কার্যকৰী কৰাৰ সিদ্ধান্তও গ্রহণ কৰিছিল। আসাম এচ'চিয়েচনৰ ১৯২০ চনৰ ডিচেম্বৰ মাহত তেজপুৰত অনুস্থিত হোৱা ১৭ সংখ্যক বার্ষিক সন্মিলনত অসহযোগৰ সন্দর্ভত এচ'চিয়েচনৰ গুৱাহাটী সভাৰ সিদ্ধান্ত মানি লৈছিল। নবীন চন্দ্র বৰদলৈ অসম এচ'চিয়েচনৰ কেইজনমান প্রতিনিধিৰ সৈতে নাগপুৰত অনুষ্ঠিত হোৱা ভাৰতীয় জাতীয় কংগ্রেছৰ ৩৫তম অধিবেশনত অংশ লৈছিল।

দি আসাম ভেলি মুছলিম এচ'চিয়েচনে (The Assam Valley Muslim Association) এ ১৯২০ চনৰ ২৭ অক্টোবৰত যোৰহাটত অনুষ্ঠিত হোৱা সভাত এই আন্দোলনলৈ পূর্ণ সহযোগিতা আগবঢ়োৱাৰ সিদ্ধান্ত গ্রহণ কৰিছিল।

সুৰমা ভেলীৰ জনসাধাৰণে ভাৰতীয় জাতীয় কংগ্রেছৰ কলিকতা অধিবেশনত গ্রহণ কৰা অসহযোগ আন্দোলনৰ সিদ্ধান্তৰ প্রতি অধীৰ আগ্রহ দেখুৱাইছিল। ১৯২০ চনৰ ১৯ আৰু ২০ ছেপ্টেম্বৰত পঞ্চম সুৰমা ভেলী প্রাদেশিক সন্মিলন অনুষ্ঠিত হৈছিল। বিপিন চন্দ্র পাল, সুন্দৰীমোহন দাস আৰু আক্রাম খানৰ দৰে বহুতো বিখ্যাত ৰাষ্ট্রীয় নেতাই এই সন্মিলনত অংশ গ্রহণ কৰিছিল। বিপিন চন্দ্র পালে ছাত্রসমাজক অসহযোগ আন্দোলনৰ প্রতি সহযোগিতা আগবঢ়ালৈ স্কুল আৰু কলেজ বর্জন কৰিবলৈ আহ্বান জনাইছিল। এই সন্মিলনত ইউৰোপীয় বেপাৰী আৰু চাহ খেতিয়কৰ বিৰুদ্ধে এক অহিংস অসহযোগ আন্দোলন আৰম্ভ কৰাৰ সিদ্ধান্ত গ্রহণ কৰা হৈছিল।

নবীন চন্দ্র বৰদলৈ, তৰুণ ৰাম ফুকন আৰু চন্দ্র নাথ শর্মা আদিৰ দৰে ব্রহ্মপুত্র উপত্যকাৰ বহুতো বিখ্যাত নেতাই ৰাজ্যৰ চুকে-কোণে সভা আহ্বান কৰি অসহযোগৰ বাণী প্রচাৰ কৰিছিল। ভাৰতবর্ষৰ ভাইচৰয় লর্ড ছেমচফর্ডৰ আসন্ন অসম ভ্রমণক বর্জন কৰাৰ উদ্দেশ্যেৰে ৰাজ্যৰ বিভিন্ন স্থানত সভা অনুষ্ঠিত কৰা হৈছিল।

- **ছাত্রসকলৰ ভূমিকা**

অসমৰ ছাত্রসকলে অসহযোগৰ বিষয়টোক গভীৰভাৱে লৈ এই আন্দোলনত এক সক্রিয় ভূমিকা পালন কৰিছিল। চন্দ্র নাথ শর্মাই তেজপুৰ আদালতত ওকালতি পৰিত্যাগ কৰি গুৱাহাটীলৈ আহি ছাত্র সমাজক একত্রিত কৰাৰ প্রচেষ্টাত ব্রতী হয়। তেওঁ কেইজনমান কলেজীয়া ছাত্রৰ সৈতে ১৯২০ চনৰ ২৫ আৰু ২৬ ডিচেম্বৰত নাগপুৰত অনুষ্ঠিত হোৱা সদৌ ভাৰত ছাত্র সন্মিলনত অংশ লৈছিল। এই সন্মিলনে অসহযোগ আন্দোলনলৈ সমর্থন জনায় "তাৎক্ষণিক আৰু নিঃচর্তভাবে চৰকাৰী আৰু চৰকাৰী সাহার্যপ্রাপ্ত কলেজ

বৰ্জন" কৰিবলৈ ছাত্রসকলক আহ্বান জনাইছিল। এই সন্মিলনৰ বয়কট আহ্বানে কটন কলেজৰ ছাত্রসকলক জোঁকাৰি গৈছিল আৰু ১৯২০ চনৰ জানুৱাৰী মাহত তেওঁলোকে অনির্দিষ্ট কালৰ বাবে ধর্মঘট কৰাৰ সিদ্ধান্ত লৈছিল। অসমৰ বিভিন্ন বিদ্যালয় আৰু মহাবিদ্যালয়ৰ ছাত্রসকল এই আন্দোলনত অংশ গ্রহণ কৰিবলৈ আগবাঢ়ি আহিছিল। অসহযোগ আন্দোলনৰ প্রতি সঁহাৰি জনায় সুৰমা ভেলীৰ বহুতো ছাত্রই তেওঁলোকৰ শিক্ষা ত্যাগ কৰে। ইতিমধ্যে সমগ্র ৰাজ্যতে মাতৃভাষাৰ শিক্ষানুষ্ঠান স্থাপনৰ প্রবল দাবী উত্থাপন হৈছিল আৰু অৱশেষত ৰাজ্যৰ বিভিন্ন স্থানত এনে শিক্ষানুষ্ঠান গঢ়ি উঠিছিল।

অসহযোগ আন্দোলনে চাহ বাগিচাৰ শ্রমিকসকলৰ দীর্ঘদিনীয়া অর্থনৈতিক শোষণৰ পৰা মুক্তি লভাৰ এক সুন্দৰ বাতাবৰণ সৃষ্টি কৰিছিল। জাতিগত বৈষম্যৰ আটাইতকৈ বেয়াকৈ বলি হোৱা সুৰমা ভেলীৰ চাহ শ্রমিক সকলে মজুৰি বৃদ্ধিৰ দাবীত হৰতাল আৰম্ভ কৰিছিল। কৰিমগঞ্জৰ চাৰগোলা (Sargola) আৰু লনমাই (Lonmai) ভেলীৰ তেৰখন চাহবাগানৰ শ্রমিকে ১৯২১ চনৰ ২ মে' তাৰিখৰ পৰা মজুৰি বৃদ্ধিৰ দাবীত হৰতাল কৰে। চান্দপুৰ ৰেল ষ্টেচনত প্রায় ৯০০০ শ্রমিক সমবেত হৈ "মহাত্মা গান্ধী কী জয়" ধ্বনি দিবলৈ ধৰে আৰু তেওঁলোকৰ জন্মভূমিলৈ যাবলৈ জাহাজৰ অপেক্ষাত ৰৈছিল। জিলা প্রশাসন আৰু চাহ খেতিয়কসকলে শ্রমিকসকলক ৰেল ষ্টেচনৰ পৰা আঁতৰি যাবলৈ হেঁচা প্রয়োগ কৰিলে। অৱশেষত, মাজনিশা পুলিচ আৰু চৰকাৰী বিষয়াসকলে মতা-মাইকী, ল'ৰা-ছোৱালী সকলোকে ৰেল ষ্টেচনৰ পৰা আঁতৰাই পঠাবলৈ উঠি পৰি লাগিল। বহুতো শ্রমিক আঘাতপ্রাপ্ত হোৱাৰ লগতে কিছু সংখ্যকৰ পানীত ডুবি মৃত্যু হয়।

অসমৰ ভিন্ন প্রান্তৰ মানুহে চন্দপুৰৰ ঘটনাত শ্রমিকসকলৰ ওপৰত চলোৱা অত্যাচাৰক গৰিহণা দিয়ে। শ্রমিকৰ ওপৰত চলোৱা এই আক্রমণৰ প্রতিবাদ স্বৰূপে 'আসাম-বেংগল ৰেলৱে" আৰু বাষ্পচালিত নৌজাহাজ সেৱাৰ কর্মীসকলে অনির্দিষ্ট কালৰ বাবে ধর্মঘট আৰম্ভ কৰিছিল। আনকি, গুৱাহাটীৰ আইনজীৱীসকলেও চন্দপুৰৰ ঘটনাত শ্রমিকসকলৰ ওপৰত চলোৱা আক্রমণৰ প্রতিবাদ স্বৰূপে ১৯২১ চনৰ ৩ জুন তাৰিখে তিনি দিনৰ বাবে ওকালতি বন্ধ ৰাখিবলৈ সিদ্ধান্ত গ্রহণ কৰিছিল।

- **অসম প্রাদেশিক কংগ্রেছৰ ভূমিকা**

কুলধৰ চলিহাক সভাপতি আৰু নবীন চন্দ্র বৰদলৈক সম্পাদক হিচাপে লৈ ১৯২১ চনৰ ৫ জুন তাৰিখে প্রথম অসম প্রদেশ কংগ্রেছ সমিতি গঠন হৈছিল। কাছাৰ আৰু চিলেট জিলা আগৰ দৰে তেতিয়াও বেংগল প্রদেশ কংগ্রেছ সমিতিৰ অধীনতে আছিল। অসম প্রদেশ কংগ্রেছ সমিতিয়ে খুব কম সময়ৰ ভিতৰতে জিলা কংগ্রেছ সমিতি গঠন কৰাৰ লগতে নিম্ন পর্যায়ত প্রতিটো মহকুমাতে গাঁও সমিতি আৰু মৌজা সমিতি গঠন কৰিছিল। কংগ্রেছ কর্মীসকলে অসহযোগ আন্দোলন কৃতকার্য কৰি তুলিবলৈ সকলো প্রকাৰৰ প্রচেষ্টা হাতত লৈছিল। হৰতাল, বয়কট আৰু পিকেটিং নগৰ অঞ্চলৰ এক নিয়মীয়া বৈশিষ্ট্যত পৰিণত হৈছিল।

অসম প্রদেশ কংগ্রেছ সমিতিৰ সদস্যসকলৰ আমন্ত্রণক্রমে মহাত্মা গান্ধী ১৯২১ চনৰ আগষ্ট মাহত অসমলৈ আহে আৰু অসমত ১২ দিন কটায়। তেওঁ অসমৰ বিভিন্ন ঠাই ভ্রমণ কৰি নিজৰ বক্তৃতা আগবঢ়ায়। গান্ধীজীয়ে সকলো বিদেশী বস্তু বর্জন কৰিবলৈ কৰা আহ্বানক তেওঁৰ সভাত উপস্থিত থকা ৰাইজে তাৎক্ষণিক সঁহাৰি জনাইছিল। ৰাইজে আনকি তেওঁলোকৰ বিদেশী সামগ্রীৰে প্রস্তুত কৰা ব্যক্তিগত সাজ পোছাকো দলিয়াই পেলাবলৈ কুণ্ঠাবোধ কৰা নাছিল। গান্ধীজীৰ ভ্রমণে অসমত অসহযোগ আন্দোলনক এক নতুন মাত্রা প্রদান কৰিছিল। যথেষ্ট সংখ্যক উকীল, চৰকাৰী বিষয়া, শিক্ষক, ছাত্র আৰু সকলো শ্রেণীৰ লোকেই নতুন উদ্যম আৰু সাহসেৰে এই আন্দোলনত জঁপিয়াই পৰিছিল। কংগ্রেছৰ স্বেচ্ছাসেৱীসকলে স্থানীয় বেপাৰীসকলক চাহ বাগিছাৰ হাট-বজাৰ বর্জন কৰিবলৈ আহ্বান জনোৱাৰ লগতে জনসাধাৰণক খদ্দৰ কাপোৰ পৰিধান কৰিবলৈ আহ্বান জনাইছিল। সকলো ঠাইতে বিদেশী বস্তু আৰু বিলাতী সুৰা বর্জন কৰা হৈছিল। সুৰমা ভেলীত অসহযোগ আন্দোলনতকৈ খিলাফট আন্দোলনে বেছি জনপ্রিয়তা লাভ কৰিছিল।

আন্দোলনৰ প্রবলতা বৃদ্ধি পোৱাত চৰকাৰেও ইয়াক দমন কৰিবলৈ সকলো ধৰণৰ প্রচেষ্টা হাতত লৈছিল। গান্ধীবাদ আৰু স্বৰাজৰ ওপৰত ৰচিত সকলো লেখনীৰ ক্ষেত্রত বাধা আৰোপ কৰা হৈছিল। ব্রহ্মপুত্র উপত্যকাৰ *জনশক্তি* আৰু *সুৰমা* কাকত দুখন এই নিষেধাজ্ঞাৰ বলী হ'ব লগা হৈছিল। সকলো স্বেচ্ছাসেৱী সংগঠনকে চৰকাৰে বেআইনী ঘোষণা কৰিছিল। আন্দোলন মষিমূৰ কৰিবলৈ চৰকাৰে "The Prevention of Seditions Meeting Act, 1911" আৰু "The Criminal Law Amendment Act" বলবৎ কৰিছিল। চৰকাৰে কংগ্রেছ পার্টীৰ কার্যালয়বোৰ ভঙাৰ লগতে কংগ্রেছ নেতাসকলক গ্রেপ্তাৰ কৰিছিল। অসমৰ বিভিন্ন জিলা কাৰাগাৰত প্রায় ১৫০০ কংগ্রেছ কর্মীক বন্দী কৰি ৰখা হৈছিল।

অসহযোগ আন্দোলন সংযুক্ত প্রদেশৰ গোৰখপুৰ জিলাৰ চৌৰিচৌৰা নামৰ ঠাইত হোৱা সংঘর্ষই জটিল ৰূপ ধাৰণ কৰিছিল। ১৯২২ চনৰ ৫ ফেব্রুৱাৰী তাৰিখে এদল উন্মাদ ৰাইজে পুলিচ চকীত আক্রমণ কৰি ২১ জন পুলিচক হত্যা কৰিছিল। এই ঘটনাত গান্ধীজী অতি নিৰাশ হৈ তাৎক্ষণিকভাবে অসহযোগ আন্দোলন বাতিল কৰিছিল। তেওঁ কংগ্রেছ কর্মীসকলক অহিংস নীতিত বর্তি থকাৰ লগতে পূর্বতকৈ বেছি সক্রিয়ভাৰে স্বদেশী কার্যসূচী গ্রহণ কৰিবলৈ আহ্বান জনাইছিল।



জানি থোৱা ভাল

"এনি বেচান্ত ভাৰতীয় জাতীয় কংগ্রেছৰ প্রথম মহিলা সভানেত্রী আৰু সৰোজিনী নাইডু প্রথম ভাৰতীয় মহিলা সভানেত্রী আছিল।"



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ খালী ঠাই পূৰণ কৰক।

(ক) --------চনত ভাৰতীয় জাতীয় কংগ্রেছ গঠন হৈছিল। (১৮৮৪/১৮৮৫/১৮৮৬)।

(খ) পঞ্চম সুৰমা ভেলী প্রাদেশিক সন্মিলন -------- বর্ষত / চনত অনুষ্ঠিত হৈছিল। (১৯২০/১৯২১/১৯২২)

(গ) গান্ধীজীয়ে -------- চনত প্রথম অসম ভ্রমণ কৰিছিল। (১৯২০/১৯২১/১৯২২)

৭.৪ অসমত আইন অমান্য আন্দোলন

আইন অমান্য আন্দোলন ভাৰতৰ স্বাধীনতা সংগ্রামৰ এক গুৰুত্বপূর্ণ পর্যায় আছিল। এই আন্দোলন প্রধানকৈ চৰকাৰী আইন, দাবী আৰু আদেশ আদি অমান্য কৰাৰ উদ্দেশ্যেৰে গঢ়ি উঠিছিল। এই আন্দোলনৰ এটা অন্যতম কাৰণ আছিল ভাৰতৰ সংবিধানৰ গৃহীত ৰূপ দিবলৈ ইংৰাজ চৰকাৰে ১৯২৭ চনত গঠন কৰা চাইমন আয়োগ। চাইমন আয়োগত কোনো ভাৰতীয় সদস্য অন্তর্ভুক্ত নোহোৱাত ভাৰতীয় জাতীয় কংগ্রেছ আৰু ভাৰতৰ অন্যান্য ৰাজনৈতিক আৰু সামাজিক সংগঠনসমূহে ইয়াক প্রত্যাখান কৰিছিল। আইন অমান্য আন্দোলনৰ আন এটা কাৰণ আছিল ইংৰাজ চৰকাৰৰ দ্বাৰা 'নেহৰু প্রতিবেদন' প্রত্যাখ্যান। মতিলাল নেহৰুৰ নেতৃত্বত গঠিত এখন সমিতিয়ে ১৯২৮ চনত এখন নতুন সংবিধান প্রস্তুত কৰিছিল। নেহৰুৰ প্রতিবেদনৰ মূল বিষয়বস্তু আছিল ভাৰতে স্বায়ত্ব শাসিত দেশৰ মর্যাদা লাভ কৰা। চৰকাৰে উত্তৰত জনাইছিল যে বিষয়টো চাইমন আয়োগৰ অনুমোদনৰ ভিত্তিত লণ্ডনত অনুষ্ঠিত হ'ব লগা ঘূৰণীয়া মেজমেলত আলোচনা কৰা হ'ব। কিন্তু, ভাৰতীয় জাতীয় কংগ্রেছৰ লাহোৰ অধিবেশনত বিধান পৰিষদ আৰু ঘূৰণীয়া মেজমেল বর্জন কৰাৰ লগতে আইন অমান্য কৰাৰ সিদ্ধান্ত গ্রহণ কৰে। ১৯৩০ চনত মহাত্মা গান্ধীয়ে লোণ আইন ভংগ কৰি আইন অমান্য আন্দোলন আৰম্ভ কৰে। গান্ধীজীয়ে ১৯৩০ চনৰ ১২ মার্চ তাৰিখে সৱৰমতী আশ্রমৰ ৭৯ গৰাকী সদস্যক লৈ সাগৰৰ পানীৰ পৰা লোণ প্রস্তুত কৰাৰ উদ্দেশ্যে গুজৰাটৰ উপকূলত অৱস্থিত দাণ্ডিলৈ যাত্রা আৰম্ভ কৰিছিল।

অসমত লাহোৰ কংগ্রেছৰ সিদ্ধান্তৰ মিশ্রিত প্রভাৱ পৰিছিল। তৰুণৰাম ফুকন, গোপীনাথ বৰদলৈ, ৰোহিনীকান্ত চৌধুৰী আদি প্রবীণ কংগ্রেছী নেতাই মত পোষণ কৰিছিল যে অসম সেই সময়ত আইন অমান্য আন্দোলন আৰম্ভ কৰাৰ বাবে সাজুহৈ উঠা নাই। সেয়ে, তেওঁলোকে প্রাদেশিক কংগ্রেছৰ নির্দিষ্ট পদবীৰ পৰা ইস্তফা দিয়াৰ লগতে, নিজকে আন্দোলনৰ মূল সূঁতিৰ পৰা আঁতৰাই ৰখাৰ সিদ্ধান্ত লৈছিল। এনে এক সংকটপূর্ণ মুহূর্তত বিষ্ণুৰাম মেধি আগবাঢ়ি আহি সিদ্ধিনাথ শর্মা, হেমচন্দ্র বৰুৱা, অম্বিকাগিৰী ৰায় চৌধুৰী আৰু অমিয় কুমাৰ দাস আদিৰ সহযোগত অসম প্রদেশ কংগ্রেছ সমিতিৰ সভাপতিৰ পদ আৰু মহম্মদ তৈয়বুল্লাই সাধাৰণ সম্পাদকৰ পদ গ্রহণ কৰে। এই সকলোবোৰ নেতাই নতুন উদ্দ্যমেৰে আন্দোলনটো চলাই নিছিল।

সুৰমা ভেলীৰ জনসাধাৰণে জাতীয় কংগ্রেছৰ আইন অমান্য আহ্বানৰ প্রতি তাৎক্ষণিক সঁহাৰি জনাইছিল। কংগ্রেছ লীগৰ সভাপতি ব্রজেন্দ্রনাৰায়ণ চৌধুৰীয়ে চিলেট জিলাত সঘনাই সভা পাতি জনসাধাৰণক লোণ আইন ভংগ কৰিবলৈ উৎসাহিত কৰিছিল। ১৯৩০ চনৰ ৬ এপ্রিল তাৰিখে ধীৰেন্দ্র নাথ দাসগুপ্তাৰ অধীনত এদল মানুহে বংগোপসাগৰৰ লুণীয়া পানীৰ পৰা নিমখ উৎপন্ন কৰিবলৈ নোৱাখালিৰ (Noakhali) পৰা যাত্রা কৰে। ব্রজেন্দ্রনাথ চৌধুৰীয়ে সুনামগঞ্জ (Sunamgang) আৰু হাবিগঞ্জ (Habiganj) মহকুমাৰ জনসাধাৰণক 'চৌকীদাৰী কৰ' আদায় নিদিবলৈ প্রস্তাৱ আগবঢ়াইছিল। দৰিকানাথ গোস্বামীয়ে চিলেট জিলাৰ কিছু সংখ্যক ছাত্রক লৈ "Socialist Youth Conference" গঠন কৰি আন্দোলনত সক্রিয়ভাবে অংশগ্রহণ কৰিছিল। অসমৰ ব্রহ্মপুত্র আৰু বৰাক উপত্যকাৰ ছাত্রসকলৰ ৰাজনীতিত সক্রিয় অংশগ্রহণক লৈ চৰকাৰ চিন্তিত হৈ পৰিছিল। চৰকাৰে মুৰাৰী চান্দ কলেজ আৰু কটন কলেজৰ অধ্যক্ষক ছাত্রসকলক অৱগত কৰিবলৈ নির্দেশ দিয়ে যে আন্দোলনত ছাত্রসকলে অংশ গ্রহণ কৰিলে ভৰিষ্যতে তেওঁলোক চৰকাৰী চাকৰিৰ বাবে অযোগ্য ঘোষিত হ'ব। এই সাবধানবাণী স্বত্বেও মুৰাৰী চান্দ কলেজৰ ছাত্রসকলে জৱহৰলাল নেহৰুক চৰকাৰে আটক কৰাৰ প্রতিবাদত ১৫ এপ্রিলত হৰতাল কৰাৰ লগতে কলেজৰ শ্রেণী বর্জন কৰিছিল।

- **কানিংহাম চার্কুলাৰ**

আইন অমান্য আন্দোলনত ছাত্রসমাজৰ ক্রমবর্ধমান অংশগ্রহণত চিন্তিত হৈ চৰকাৰে তেওঁলোকক সক্রিয় ৰাজনীতিত অংশগ্রহণৰপৰা বিৰত ৰাখিবলৈ কার্যব্যৱস্থা হাতত লৈছিল। সেই সময়ৰ অসমৰ শিক্ষাধিকর্তা জে. এ. কানিংহামে (J. A. Cunningham) প্রদেশখনৰ সকলো শিক্ষানুষ্ঠানৰ মূৰব্বীলৈ এখন জাননী জাৰি কৰিছিল। এই জাননীত অনুসৰি সকলো ছাত্র-ছাত্রীৰ লগতে তেওঁলোকৰ পিতৃ-মাতৃ বা অভিভাৱকে শিক্ষানুষ্ঠানৰ মূৰব্বীক ৰাজনৈতিক কার্যকলাপত জড়িত নাথাকো বুলি লিখিত প্রতিশ্রুতি দিব লগা হৈছিল। তদুপৰি, শিক্ষানুষ্ঠান আৰু শিক্ষা বিভাগৰ নীতি নির্দেশনা পালন কৰিবলৈ বাধ্য কৰোৱা হৈছিল। কানিংহাম চার্কুলাৰে প্রদেশখনৰ জাতীয়তাবাদী নেতা আৰু ছাত্রসমাজক ক্ষোভিত কৰি তুলিছিল। ৰাইজৰ দান বৰঙণিৰে গুৱাহাটী, তেজপুৰ, শিৱসাগৰ, ডিব্রুগড়, শিলচৰ মৌলবী বজাৰ, হাবিবগঞ্জ আদিত বহুতো মাতৃভাষাৰ বিদ্যালয় আৰম্ভ কৰা হৈছিল।

অসমৰ বিভিন্ন অঞ্চলত কংগ্রেছ কর্মীসকলে গ্রহণ কৰা প্রতিবাদী কার্যসূচীত মহিলাসকলে এক গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিছিল। নগাঁৱৰ গুণেশ্বৰী দেৱী আৰু মুক্তেশ্বৰী দেৱী ভাৰতৰ স্বাধীনতা সংগ্রামত কাৰাবৰণ খটা ৰাজ্যৰ প্রথম মহিলা আছিল। পিকেটিং কৰাৰ অপৰাধত চন্দ্রপ্রভা শইকীয়ানীক গ্রেপ্তাৰ কৰা হৈছিল আৰু মহিলাসকলক আন্দোলনৰ প্রতি আকর্ষিত কৰি সংগঠিত কৰাৰ কাৰণে গিৰিজা বালা গুপ্তাক গ্রেপ্তাৰ কৰা হৈছিল।

কংগ্রেছ স্বেচ্ছাসেৱকসকলক গ্রেপ্তাৰ কৰি কাৰাবৰণ দিয়া স্বত্বেও আইন অমান্য আন্দোলনে দিনক দিনে নতুন শক্তি লাভ কৰিছিল। ভাইচৰয় লর্ড আৰউইনৰ অসম ভ্রমণৰ প্রতিবাদত দেৱেশ্বৰ শর্মাই যোৰহাটত এক প্রতিবাদী কার্যসূচী আৰম্ভ কৰিছিল।

লর্ড আৰউইনৰ লগত হোৱা এক চুক্তি অনুসৰি মহাত্মা গান্ধীয়ে ১৯৩১ চনৰ ৪ মার্চ তাৰিখে আইন অমান্য আন্দোলন সাময়িকভাৱে বন্ধ কৰিছিল। এই চুক্তি অনুযায়ী বৃটিছ চৰকাৰে কংগ্রেছ নেতৃবৃন্দক লণ্ডনত অনুষ্ঠিত হ'ব লগা ঘূৰণীয়া মেজমেললৈ নিমন্ত্রণ জনোৱাৰ লগতে হিংসাত্মক কার্যত জড়িত নথকা সকলো কাৰাবন্দীক মুক্তি দিবলৈ সন্মত হৈছিল। নেহৰু, পেটেল আদি বহুতো ৰাষ্ট্রীয় নেতাই গান্ধীজীয়ে আইন অমান্য আন্দোলন সাময়িকভাৱে বন্ধ কৰা কার্যত হচকিত হৈ পৰিছিল।

- **সাম্প্রদায়িক বাটোৰাৰা (১৯৩২)**

বৃটিছ প্রধানমন্ত্রী ৰামছে মেকডনাল্ডে ১৯৩২ চনৰ ১৬ আগষ্ট তাৰিখে কুখ্যাত 'সাম্প্রদায়িক বাটোৰাৰা' ঘোষণা কৰিছিল। সাম্প্রদায়িক বাটোৰাৰা অনুযায়ী মুছলীম আৰু অন্যান্য সংখ্যালঘূ সম্প্রদায়ৰ বাবে সুকীয়া নির্বাচক মণ্ডলী গঠনৰ অধিকাৰ প্রদান কৰা হৈছিল। ই লগতে দলিতসকলক সংখ্যালঘূৰ মর্যাদা প্রদান কৰিছিল আৰু মুছলীম সংখ্যালঘূ প্রদেশবোৰত কিছু সালসলনি কৰি ওৰেটেজ নীতি অর্থাৎ অধিক সংখ্যাধিক্যৰ নীতি (Principle of Weightage) প্রয়োগ কৰিছিল।

সাম্প্রদায়িক বটোৰাৰাই কোনো এটা ভাৰতীয় দলকে সন্তুষ্ট কৰিব পৰা নাছিল। মুছলীমসকল পঞ্জাৰ আৰু বেংগলত সংখ্যালঘূত পৰিণত হোৱাত অসন্তুষ্ট হৈছিল। অন্যহাতেদি, হিন্দুসকলে দলিতসকলক সংখ্যালঘূ হিচাপে মানি ল'বলৈ অস্বীকাৰ কৰিছিল।

- **আইন অমান্য আন্দোলনৰ দ্বিতীয় পর্যায়**

প্রথম ঘূৰণীয়া মেজমেলৰ ব্যর্থতা আৰু বৃটিছ প্রধানমন্ত্রী ৰামছে মেকডনাল্ডৰ 'সাম্প্রদায়িক বটোৰাৰা' ঘোষণাই কংগ্রেছ ৱর্কিং কমিটিক ১৯৩২ চনৰ ১ জানুৱাৰী তাৰিখে পুনৰ আইন অমান্য আন্দোলন আৰম্ভ কৰিবলৈ বাধ্য কৰিছিল। চৰকাৰে ৩ দিন পাছত গান্ধীজীক গ্রেপ্তাৰ কৰাৰ লগতে কংগ্রেছ দলক অবৈধ ঘোষণা কৰিছিল। আন্দোলন মষিমূৰ কৰিবলৈ চৰকাৰেও কিছুমান নতুন দমনমূলক নীতি গ্রহণ কৰিছিল। অসমত কংগ্রেছ কর্মীসকলে চৰকাৰৰ দমনমূলক নীতিক অৱমাননা কৰিছিল। নবীন চন্দ্র বৰদলৈ আদিৰ দৰে যিসকল প্রাদেশিক নেতাই প্রথম পর্যায়ৰ আন্দোলনৰ পৰা নিজকে আঁতৰাই ৰাখিছিল, তেওঁলোকে এতিয়া আন্দোলনত সক্রিয়ভাবে জড়িত হৈ পৰিছিল। চৰকাৰী সূত্রমতে, ৩১ আগষ্টলৈকে সর্বমুঠ ১,৪৯৪ জন লোকক গ্রেপ্তাৰ কৰা হৈছিল। চন্দ্রপ্রভা শইকীয়ানী, হেমচন্দ্র বৰুৱা, পূর্ণ চন্দ্র শর্মা, গহন চন্দ্র গোস্বামী, বিজয় চন্দ্র ভাগৱতী, এম. এম. চৌধুৰী, বি.এন. চৌধুৰী, বি.পি. চলিহা, সুধাংশু বেনার্জী, জ্যোতিপ্রসাদ আগৰৱালা, হেমাংগ বিশ্বাস আৰু ধীৰেন চন্দ্র দত্তকে আদি কৰি বহুতো প্রখ্যাত কংগ্রেছ কর্মীক কাৰাগাৰালৈ নিক্ষেপ কৰা হৈছিল।

এই আন্দোলনৰ প্রভাৰ অসমৰ চুবুৰীয়া পাহাৰীয়া অঞ্চলটো পৰিছিল। আইন অমান্য আন্দোলনৰ দ্বাৰা প্রভাৱিত হৈ নগাৰাণী গাইডলু আৰু তেওঁৰ অনুগামীসকলে দেশবাসীৰ

স্বাধীনতাৰ সপোন দেখিছিল। চৰকাৰে তেওঁক গ্ৰেপ্তাৰ কৰিছিল আৰু ১৯৩৩ চনৰ জানুৱাৰী মাহত আজীৱন নিষেধাজ্ঞা আৰোপ কৰিছিল।

সাম্প্ৰদায়িক বটোৱাৰাৰ প্ৰতিবাদ স্বৰূপে মহাত্মা গান্ধীয়ে জেলৰ ভিতৰতে আমৰণ অনশন আৰম্ভ কৰিছিল। ১৯৩২ চনৰ ২৪ ছেপ্টেম্বৰ তাৰিখে গান্ধীজীয়ে বি.আৰ. আম্বেদকাৰৰ সৈতে 'পুণা চুক্তি'ত স্বাক্ষৰ কৰাৰ লগে লগে আইন অমান্য আন্দোলনৰ অন্ত পৰিছিল। সাম্প্ৰদায়িক বটোৱাৰা গান্ধীজীৰ বাবে একপ্ৰকাৰ আঘাত আছিল আৰু শেষত তেওঁ আইন অমান্য আন্দোলন প্ৰত্যাহাৰ কৰিবলৈ সিদ্ধান্ত লৈছিল।



জানি থওঁ আহক

'ভাৰতীয় জাতীয় কংগ্ৰেছৰ ৪১ সংখ্যক অধিৱেশন ১৯২৬ চনত গুৱাহাটীৰ পাণ্ডুত অনুষ্ঠিত হৈছিল। এই অধিৱেশনত শ্ৰীনিৱাস আয়েংগাৰে সভাপতিত্ব কৰিছিল।'



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ২ ঃ তলত উল্লিখিত বাক্যবোৰৰ ভুল শুদ্ধ বিচাৰ কৰক।

ক) ১৯২৭ চনত ভাৰতৰ সংবিধানৰ গৃহীত ৰূপ দিবলৈ চাইমন আয়োগ গঠন কৰিছিল।

.....

খ) আইন অমান্য আন্দোলনৰ সময়ত জে.এ. কানিংহাম অসমৰ শিক্ষাধিকৰ্তা আছিল।

.....

গ) জৱাহৰলাল নেহেৰুৰ নেতৃত্বত গঠিত এখন সমিতিয়ে নেহেৰু ৰিপৰ্ট প্ৰস্তুত কৰিছিল।

.....

ঘ) চৌৰিচৌৰাৰ ঘটনাৰ কাৰণে গান্ধীজীয়ে আইন অমান্য আন্দোলন প্ৰত্যাহাৰ কৰিছিল।

.....

৭.৫ অসমত ভাৰত ত্যাগ আন্দোলন

১৯৪২ চনত ঐতিহাসিক ভাৰত ত্যাগ আন্দোলন আৰম্ভ হৈছিল। দ্বিতীয় বিশ্ব যুদ্ধৰ সময়ত জাপানীসকলৰ ভাৰত আক্ৰমণৰ শংকা আৰু ক্ৰিপচ মিচনৰ ব্যৰ্থতাই সৰ্ব-ভাৰতীয় কংগ্ৰেছ সমিতিক ভাৰত ত্যাগ আন্দোলন আৰম্ভ কৰিবলৈ বাধ্য কৰিছিল। জাতীয় কংগ্ৰেছৰ বোম্বাইত বহা অধিৱেশনত ১৯৪২ চনৰ ৮ আগষ্ট তাৰিখে 'ভাৰত ত্যাগ' প্ৰস্তাৱ গ্ৰহণ কৰাৰ লগতে ভাৰতৰ পৰা বৃটিছ শাসনৰ অৱসান ঘটোৱাৰ সিদ্ধান্ত লোৱা হৈছিল। মহাত্মা গান্ধীয়ে দেশবাসীক 'কৰিম অথবা মৰিম' বাণীৰে উদ্বুদ্ধ কৰি তুলিছিল। ইয়াৰ পিছদিনা বৃটিছ চৰকাৰে মহাত্মা গান্ধীৰ লগতে সমগ্ৰ দেশৰে বহুতো কংগ্ৰেছ কৰ্মীক গ্ৰেপ্তাৰ কৰি কাৰাগাৰলৈ নিক্ষেপ

কৰিছিল। লগতে ভাৰতীয় জাতীয় কংগ্রেছক অবৈধ ঘোষণা কৰিছিল। চৰকাৰৰ এনে দমনমূলক নীতিয়ে সমগ্র ভাৰতৰ জনসাধাৰণকে উত্তেজিত কৰি তুলিছিল। হৰতাল, ধর্মঘট, প্রতিবাদ আদি নৈমিত্তিক ঘটনাত পৰিণত হৈছিল। কিছুমান ঠাইত জনসাধাৰণৰ প্রতিবাদে হিংস্র ৰূপ লৈছিল। লেওঁলোকে প্রশাসনিক ভৱন, আদালত, ৰেল আৰু বাছআস্থান, ডাকঘৰ আদিত আক্রমণ চলাইছিল।

অসমৰ জনসাধাৰণে স্বতঃস্ফূর্তভাৱে ভাৰত ত্যাগ আন্দোলনত অংশগ্রহণ কৰিছিল। গোপীনাথ বৰদলৈ আৰু সিদ্ধিনাথ শর্মাক সর্বভাৰতীয় কংগ্রেছ কমিটিৰ বোম্বে অধিৱেশনৰ পৰা ঘূৰি আহোতে ধুবুৰীত গ্রেপ্তাৰ কৰা হৈছিল। বিমলা প্রসাদ চলিহা, বিষ্ণুৰাম মেধি, মহম্মদ তৈয়বুল্লা, অমিয় কুমাৰ দাস, দেৱেশ্বৰ শর্মা আদি বহুতো বিখ্যাত কংগ্রেছ নেতাক অসমৰ বিভিন্ন প্রান্তত গ্রেপ্তাৰ কৰি কাৰাবাস দিয়া হৈছিল। মাজুলীৰ গড়মূৰ সত্রৰ সত্রাধিকাৰ পীতাম্বৰ দেৱ গোস্বামী আৰু তেওঁৰ প্রতিনিধি কৃষ্ণ দেৱ গোস্বামীক আন্দোলনত সহযোগিতা কৰা আৰু অংশগ্রহণ কৰাৰ বাবে গ্রেপ্তাৰ কৰা হৈছিল। অসমৰ মানুহে ক্রমান্বয়ে কুটাঘাটমূলক কার্যত লিপ্ত হৈছিল। সৰভোগত উত্তেজিত ৰাইজে বিমানঘাটিত আচম্বিতে আক্রমণ কৰাৰ লগতে মিলিটাৰী বাহিনীৰ ভঁৰাল আৰু কার্যালয় ধ্বংস কৰিছিল। চৰকাৰৰ দমনমূলক নীতিৰ বিৰুদ্ধে প্রতিবাদী কার্যসূচী পালন কৰোতে মদন চন্দ্র বর্মন আৰু ৰেউতাৰাম বড়োৱে সামৰিক বাহিনীৰ 'বেয়নেট'ৰ আঘাটত প্রাণ হেৰুৱাব লগা হৈছিল। নগাঁও জিলাৰ বঢ়হমপুৰত ১৮ ছেপ্টেম্বৰৰ দিনা শান্তি সেনাৰ শিবিৰ পুনৰ দখলৰ উৎযাপনৰ বাবে সমবেত হোৱা এক বিশাল জনগণৰ ওপৰত পুলিচ বাহিনীয়ে গুলীচালনা কৰে। পুলিচৰ গুলীচালনাৰ পৰিণতিত লক্ষ্মীকান্ত হাজৰিকা, থগীৰাম সূত, বলোৰাম সূত আৰু ভোগেশ্বৰী ফুকননীয়ে মৃত্যুক আঁকোৱালি ল'ব লগা হৈছিল। ২০ ছেপ্টেম্বৰৰ দিনা কমলাকান্ত দাসৰ নেতৃত্বত ঢেকীয়াজুলী থানাত কংগ্রেছৰ পতাকা উত্তোলন কৰিবলৈ যোৱা এদল শোভাযাত্রাকাৰীৰ ওপৰত পুলিচে গুলীচালনা কৰিছিল। এই ঘটনাত তিনিগৰাকী মহিলাকে ধৰি আঠজন মানুহৰ থিতাতে মৃত্যু হৈছিল। গহপূৰত সংঘটিত অন্য এক অনুৰূপ ঘটনাত কনকলতা বৰুৱা নামৰ মৃত্যুবাহিনীৰ সদস্যা এগৰাকীয়ে স্থানীয় পুলিচ থানাত কংগ্রেছৰ পতাকা উত্তোলন কৰিবলৈ ছয়দুৱাৰৰ পৰা এদল শোভাযাত্রাকাৰীক নেতৃত্ব দি আগবাঢ়ি যাওঁতে পুলিচৰ গুলীত মৃত্যু হৈছিল। মুকুন্দ কাকতীয়ে কনকলতাৰ হাতৰ পৰা পতাকাখন লৈ আগবাঢ়ি যাওঁতে তেওঁকো গুলিয়াই হত্যা কৰা হৈছিল।

অসমৰ বিভিন্ন অঞ্চলত যেনে হাবিবগঞ্জৰ চাহাজীবজাৰৰ ওচৰত, কামৰূপৰ পানীখাইটি আৰু ৰঙিয়াত, নগাঁৱৰ পুৰণিগুদামত, শিৱসাগৰৰ চফ্রাইত, গোলাঘাটৰ কাছমাৰী আৰু সৰুপথাৰত কংগ্রেছ কর্মীসকলে ৰেল লাইনত কূটাঘাত সংঘটিত কৰিছিল। সৰুপথাৰৰ ৰেল বগৰোৱাৰ অপৰাধত কুশল কোঁৱৰক ফাঁচী দিয়া হৈছিল। উত্তৰ লক্ষীমপুৰ, ঢলপুৰ, বিহপুৰীয়া, দিখৌঘাট, তেজপুৰ, ঢেকীয়াজুলী, বিহালী, বৰপেটা, শিৱসাগৰ, নিতাইপুখুৰী, টীয়ক, দেৰগাঁও, গোলাঘাট আৰু নগাঁৱ চহৰত পুলিচৰ লাঠীচালনাৰ ঘটনা সংঘটিত হৈছিল।

মিলিটাৰীসকলে গাঁও আৰু স্বেচ্ছাসেৱী শিবিৰ তালাচী চলোৱা আৰু সমূহীয়া কৰ সংগ্রহ কৰাৰ সময়ত সর্বসাধাৰণ লোক মিলিটেৰীৰ আক্রমণৰ সন্মুখীন হ'ব লগা হৈছিল। নিধিৰাম কোঁচ নামৰ গোৱালপাৰাৰ এজন দুখীয়া খেতিয়কে সমূহীয়া কৰৰ নিজৰ অংশ পৰিশোধ কৰিবলৈ অসমর্থ হোৱাত মিলিটেৰীৰ গুলীত মৃত্যু হৈছিল।

সুৰমা উপত্যকাৰ জনসাধাৰণে ভাৰত ত্যাগ আন্দোলনত জোৰদাৰ সঁহাৰি জনাইছিল। সুৰমা উপত্যকাত সত্যাগ্রহৰ ব্যাপকতা বৃদ্ধিৰ বাবে এখন 'যুদ্ধ পৰিষদ' (War Council) গঠন কৰা হৈছিল। ইয়াৰ মানুহে দলং উৰুৱাই সেনাবাহিনীৰ চাল-চলনত বাধা দিয়াৰ লগতে প্রশাসন যন্ত্র বিকল কৰিবলৈ টেলিফোন আৰু টেলিগ্রাফ লাইন বিচ্ছিন্ন কৰি দিছিল। লালা, বদৰপুৰ আৰু বিশ্বনাথৰ পুলিচ থানা দলীয় আক্রমণৰ লক্ষ্য হৈ পৰিছিল।

ভাৰত ত্যাগ আন্দোলনত মহিলা সকল গভীৰভাবে জড়িত হৈ পৰিছিল। মহিলাসকলে শোভাযাত্রা, প্রতিবাদী কার্যসূচী, পিকেটিং আদিত সক্রিয় অংশগ্রহণ কৰিছিল। চিলেটৰ সৰলাবালা দেৱী আৰু স্নেহলতা দেৱী এই আন্দোলনত অংশগ্রহণ কৰা সক্রিয় মহিলা আছিল।

অসমৰ দুয়োটা উপত্যকাৰ ছাত্র আৰু যুৱসমাজে এই আন্দোলনত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল। কলিকতা আৰু অন্যান্য প্রদেশত অধ্যয়ন কৰি থকা অসমৰ ছাত্রসকলে শিক্ষা ত্যাগ কৰিছিল। তেওঁলোক অসমলৈ আহি আন্দোলনত যোগ দি সাংগঠনিক কামত লিপ্ত হয়। অসমৰ মুখ্য নেতাসকল গ্রেপ্তাৰ হোৱাৰ পাছত এওঁলোকে বিভিন্ন প্রতিবাদী আন্দোলন যেনে ধর্মঘট, হৰতাল, শোভাযাত্রা, কূটাঘাটমূলক কার্যসূচীত লিপ্ত হৈ পৰিছিল।

শংকৰ চন্দ্র বৰুৱা, জ্যোতিপ্রসাদ আগৰৱালা, লক্ষ্মীপ্রসাদ গোস্বামী, বিষ্ণুপ্রসাদ ৰাভা, বৈকুণ্ঠ সিং আৰু লক্ষ্যধৰ চৌধুৰী আদি অসমৰ যুৱ বিপ্লৱী জয়প্রকাশ নাৰায়ণ, ৰাম মনোহৰ লোহিয়া আৰু অৰুণা আশ্রুফ আলিৰ আদর্শেৰে অনুপ্রাণিত হৈ আত্মগোপন কৰি বিভিন্ন ধৰণৰ বিপ্লৱী কার্যসূচীৰ পথ প্রদর্শক আৰু সম্পর্কৰক্ষী হিচাপে কাম কৰিছিল। এই বিপ্লৱীসকলে শক্তিশালী ৰূপত কৰ অনাদায় অভিযান চলাইছিল আৰু জনসাধাৰণক বৃটিছৰ বিৰুদ্ধে অস্ত্র হাতত তুলি ল'বলৈ উৎসাহিত কৰিছিল। কামৰূপৰ বিভিন্ন অঞ্চলত বোমা প্রস্তুত কৰা হৈছিল। নলবাৰী, পাটাৰকুছি, নগাঁৰ আদি অঞ্চলত চৰকাৰী বন্দুক লুট কৰা হৈছিল। জামুগুৰি, চতিয়া, বজালী, কেন্দুগুৰি আদি অঞ্চলত সমান্তৰাল চৰকাৰ প্রতিষ্ঠা কৰা হৈছিল।

১৯৪৩ চনৰ আজাদ হিন্দ ফৌজ বার্মা হৈ ভাৰতলৈ আগবাঢ়ি আহি অসমত প্রৱেশ কৰে। পৰিস্থিতিৰ জটিলতাত শংকিত হৈ ইংৰাজ চৰকাৰে ১৯৪৪ চনৰ মে' মাহত মহাত্মা গান্ধীক জেলৰ পৰা মুক্তি দিয়ে। ১৯৪৫ চনৰ জানুৱাৰী মাহত মহাত্মা গান্ধীয়ে গুৱাহাটী ভ্রমণ কৰি সমূহীয়া প্রার্থনাত অংশগ্রহণ কৰিছিল। যাহওঁক, ক্রমান্বয়ে অসমত আন্দোলনৰ দুর্যোগপূর্ণ দিনবোৰৰ সমাপ্তি ঘটে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৩ ঃ খালী ঠাই পূৰ কৰক।

ক) ভাৰতৰ জাতীয় কংগ্রেছৰ ..... অধিবেশনে ১৯৪২ চনত ভাৰত ত্যাগ প্রস্তাব গ্রহণ কৰিছিল।

খ) গহপুৰত কনকলতা বৰুৱাৰ লগত ..... গুলিয়াই হত্যা কৰা হৈছিল।

গ) ..... ক সৰুপথাৰৰ ৰেল লাইনচ্যুত কৰাৰ লগত জড়িত থকাৰ অপৰাধত ফাঁচি দিয়া হৈছিল।



৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলো

- অসহযোগ আন্দোলন ভাৰতৰ স্বাধীনতা সংগ্রামৰ এক গুৰুত্বপূর্ণ পর্যায় আছিল। ঔপনিবেশিক শাসনৰ দমনমূলক নীতি যেনে- ৰাওলাট আইনৰ প্রণয়ন আৰু জালিয়ানাবাগৰ হত্যাকাণ্ড আদি ঘটনাৰ প্রতিক্রিয়া হিচাপে এই আন্দোলনৰ সূচনা হৈছিল।
- অসহযোগ আন্দোলনৰ এটা উদ্দেশ্য আছিল শান্তিৰ পন্থা আৰু আইনী প্রক্রিয়া অনুসৰণ কৰি 'স্বৰাজ' বা স্ব-শাসন লাভ কৰা।
- অসমৰ ছাত্রসকলে অসহযোগৰ বিষয়টোক গভীৰভাৱে লৈ এই আন্দোলনত এক সক্রিয় ভূমিকা পালন কৰিছিল।
- অসহযোগ আন্দোলনে চাহ বাগিচাৰ শ্রমিকসকলৰ দীর্ঘদিনীয়া অর্থনৈতিক শোষণৰ পৰা মুক্তি লভাৰ এক সুন্দৰ বাতাবৰণ সৃষ্টি কৰিছিল।
- অসহযোগ আন্দোলন সংযুক্ত প্রদেশৰ গোৰখপুৰ জিলাৰ চৌৰিচৌৰা নামৰ ঠাইত হোৱা সংঘর্ষৰ ফলত বেয়াকৈ ক্ষতিগ্রস্ত হৈছিল।
- আইন অমান্য আন্দোলন চৰকাৰী আইন, আদেশ আদি অগ্রাহ্য কৰাৰ উদ্দেশ্যৰে গঢ়ি উঠিছিল। এই আন্দোলনত সমগ্র ভাৰত জুৰি লোণ আইন ভংগ কৰা, চৰকাৰী সামগ্রী বর্জন কৰা আৰু বিলাতী সুৰাৰ দোকানৰ সন্মুখত পিকেটিং কৰা আদি কার্যসূচী হাতত লোৱা হৈছিল।
- দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত জাপানৰ আক্রমণৰ শংকা আৰু ক্রিপচ মিচনৰ ব্যর্থতাই ভাৰতীয় জাতীয় কংগ্রেছক ১৯৪২ চনত ভাৰত ত্যাগ আন্দোলন আৰম্ভ কৰিবলৈ বাধ্য কৰিছিল।
- মহাত্মা গান্ধীয়ে এই আন্দোলনত 'কৰিম অথবা মৰিম' বাণীৰে জনসাধাৰণক উদ্বুদ্ধ কৰি তুলিছিল।
- ভাৰত ত্যাগ আন্দোলনৰ সময়ত কংগ্রেছ কর্মীসকলে অসমত কিছুমান কূটাঘাটমূলক কার্য যেনে যোগাযোগ ব্যৱস্থা ব্যাহত কৰা, ৰাজহুৱা সম্পত্তি অনিষ্ট কৰা, পুলিচ থানা আৰু ডাকঘৰৰ ক্ষতিসাধন কৰা, টেলিফোন আৰু টেলিগ্রাফ লাইন বিচ্ছিন্ন কৰা আদি কার্য হাতত লৈছিল।

- এই আন্দোলনত ভোগেশ্বৰী ফুকননী, কনকলতা বৰুৱা, মুকুন্দ কাকতী, কুশল কোঁৱৰ আৰু আন বহুতেই প্ৰাণ বিসৰ্জন দিৱলগীয়া হৈছিল।



৭.৭ অধিক জানিবলৈ

1. Barua, S. (1985). *A comprehensive history of Assam*. New Delhi: Munshiram monoharlal.
2. Borpujari, H. K. (Ed.). (1993). *The comprehensive history of Assam*. Vol. (v), Publication Board of Assam.
3. Dutta, K. N. (1993). *Landmarks in the freedom struggle in Assam*. Guwahati: Lawyers' Book Stall.
4. Grover, B.L. & Grover, S. (1998). *A new outlook at modern Indian history*. New Delhi: S. Chand & Company Ltd.

৭.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ

(ক) ১৮৮৫ চন।

(খ) ১৯২০ চন।

(গ) ১৯২১ চন।

২ নং প্ৰশ্নৰ উত্তৰ ঃ

(ক) সত্য।

(খ) সত্য।

(গ) অসত্য।

(ঘ) সত্য।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ

(ক) বোম্বে।

(খ) মুকুন্দ কাকতি।

(গ) কুশল কোঁৱৰ।



৭.৯ আৰ্হি প্ৰশ্ন

ক) অতি চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ অসহযোগ আন্দোলনৰ লক্ষ্য কি আছিল?

প্ৰশ্ন ২ঃ অসম প্ৰাদেশিক কংগ্ৰেছৰ প্ৰথম সভাপতি কোন আছিল?

প্ৰশ্ন ৩ঃ আইন অমান্য আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰা অসমৰ দুগৰাকী বিখ্যাত মহিলা নেত্ৰীৰ নাম লিখক।

প্ৰশ্ন ৪ঃ কেতিয়া আৰু কাৰ কাৰ মাজত পুণা চুক্তি স্বাক্ষৰিত হৈছিল?

প্ৰশ্ন ৫ঃ কেতিয়া ভাৰতীয় জাতীয় কংগ্ৰেছে ভাৰত ত্যাগ প্ৰস্তাৱ লৈছিল?

প্ৰশ্ন ৬ঃ ভাৰত ত্যাগ আন্দোলনত অংশগ্ৰহণ আৰু সহায় আগবঢ়োৱাৰ কাৰণে গ্ৰেপ্তাৰ কৰা মাজুলীৰ গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰজনৰ নাম লিখক।

খ) চমু প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰসমূহ লিখক)

প্ৰশ্ন ১ঃ অসহযোগ আন্দোলনত ছাত্ৰসকলৰ ভূমিকাৰ বিষয়ে এটি চমুটোকা লিখক।

প্ৰশ্ন ২ঃ কানিংহাম চাৰ্কুলাৰৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ৩ঃ সাম্প্ৰদায়িক বাটোৱাৰাৰ ওপৰত এটি টোকা লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (উত্তৰসমূহ ৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ অসহযোগ আন্দোলনত অসমৰ ভূমিকাৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ২ঃ আইন অমান্য আন্দোলনত অসমৰ ভূমিকাৰ বিষয়ে চমুকৈ আলোচনা কৰক।

প্ৰশ্ন ৩ঃ অসমত ভাৰত ত্যাগ আন্দোলনৰ প্ৰভাৱৰ বিষয়ে চমুকৈ বৰ্ণনা কৰক।

****

অধ্যায় ৮ ঃ কেবিনেট মিছন পৰিকল্পনা আৰু অসম

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ কেবিনেট মিছন
৮.৪ কেবিনেট মিছন পৰিকল্পনা
৮.৫ কংগ্রেছ আৰু মুছলীম লীগৰ প্রতিক্রিয়া
৮.৬ কেবিনেট মিছন প্লেন আৰু অসম
৮.৭ গ্রুপিং ব্যৱস্থা আৰু অসমৰ প্রতিক্রিয়া
৮.৮ গোপীনাথ বৰদলৈ আৰু গ্রুপিং ব্যৱস্থা
৮.৯ অসমৰ প্রতি মহাত্মা গান্ধীৰ মনোভাৱ
৮.১০ ৰাষ্ট্রীয় নেতৃত্বৰ মনোভাৱ
৮.১১ স্বাধীনতা আৰু দেশ বিভাজন
৮.১২ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.১৩ অধিক জানিবলৈ
৮.১৪ অগ্রগতিৰ খতিয়ান
৮.১৫ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনিঃ

- ভাৰতৰ স্বাধীনতা সংগ্রামৰ পটভূমিৰ বিষয়ে জানিব পাৰিব
- কেবিনেট মিছন পৰিকল্পনাৰ বিষয়ে আলোচনা কৰিব পাৰিব
- গ্রুপিং ব্যৱস্থাৰ ওপৰত অসমৰ প্রতিক্রিয়া সম্পর্কে ব্যাখ্যা কৰিব পাৰিব
- গ্রুপিং ব্যৱস্থাৰ বিৰুদ্ধে গোপীনাথ বৰদলৈৰ সাহসী পদক্ষেপৰ বিষয়ে জানিব পাৰিব
- অসমৰ প্রতি মহাত্মা গান্ধী আৰু অন্যান্য ৰাষ্ট্রীয় নেতৃবৃন্দৰ মনোভাৱৰ বিষয়ে জানিব পাৰিব।

৮.২ পৰিচয়

বৃটিছ সকল সপ্তদশ শতিকাত ভাৰতত বেপাৰ কৰিবলৈ আহি ভাৰতৰ ঔপনিবেশিক গৰাকী হিচাপে ১৯৪৭ চনলৈকে থাকিবলৈ লৈছিল। তেওঁলোকৰ আগমনৰ ১৫৭ বছৰৰ ভিতৰত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতৰ ওপৰত চতুৰ শাসন প্রতিষ্ঠা কৰাৰ অৱস্থালৈ আহিছিল। কেইবছৰ

মান পাছত তেওঁলোকে ভাৰতৰ বহুতো অঞ্চলত প্ৰত্যক্ষ শাসন প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল। তেওঁলোকৰ কুকাৰ্য, দুৰ্নীতি আৰু অতিকৈ শোষণ কৰা শাসন ব্যৱস্থাই জনসাধাৰণক বাৰুকৈ অসন্তুষ্ট কৰি তুলিছিল আৰু তেওঁলোকৰ শাসন বিদ্ৰোহৰ লক্ষ্য হৈ পৰিছিল। ১৮৫৭ চনত বৃটিছ শাসকৰ বিৰুদ্ধে প্ৰথম বিদ্ৰোহ সংঘটিত হৈছিল। ঊনবিংশ শতিকাৰ দ্বিতীয় ভাগত ভাৰতীয়সকলৰ মাজত এক নতুন সচেতনতা গঢ় লৈ উঠিছিল। ভাৰতীয় জনসাধাৰণৰ নৱজাগৰণে বৃটিছসকলৰ বিপক্ষে বিৰুদ্ধাচৰণৰ মনোভাৱ বেছি দৃঢ় কৰি তুলিছিল। ভাৰত আৰু ভাৰতৰ বাহিৰত বহুতো দল যেনে হিন্দুস্তান ৰিপাব্লিকান পার্টি, ইণ্ডিয়ান নেচনেল আর্মি, গদ্দৰ পার্টি আদিয়ে বিদেশী শাসন সমাপ্ত কৰিবলৈ সামৰিক পদ্ধতি লৈছিল। ভাৰতীয়সকলৰ এই সকলোবোৰ চেষ্টাৰ ফলশ্ৰুতিত ভাৰতৰ স্বাধীনতাৰ পটভূমি ৰচিত হৈছিল যি অৱশেষত ১৯৪৭ চনত পূৰ্ণতা লাভ কৰিছিল।

ভাৰতীয়সকলে বৃটিছৰ পৰা স্বাধীনতা লাভ কৰিবলৈ সম্পূৰ্ণ দৃঢ়তা প্ৰদৰ্শন কৰিছিল। ১৯৪৫-৪৬ চনৰ সময়ছোৱাত অগণন আন্দোলন, হৰতাল, বিক্ষোভ প্ৰদৰ্শন আৰু বৰ্জন আদি ভাৰতীয় সমাজ জীৱনৰ বৈশিষ্ট্য হৈ পৰিছিল। এনেকুৱা প্ৰতিবাদ, হৰতাল আৰু বিদ্ৰোহৰ পৰিস্থিতিত বৃটিছ প্ৰশাসন আৰু দমনৰ ভাঙোন আৰম্ভ হৈছিল। দুখন বিশ্বযুদ্ধৰ ফলতো বৃটিছৰ সামৰিক, অর্থনৈতিক আৰু ৰাজনৈতিক শক্তি নিস্প্ৰভ হৈ পৰিছিল আৰু বৃটেইনৰ পক্ষে দূ�ৰৈত অৱস্থিত উপনিৱেশসমূহ শাসন কৰাটো কঠিন হৈ পৰিছিল। ১৯৪৫ চনত বৃটিছ সংসদত লেবাৰ পার্টি জয়ী হৈছিল আৰু বৃটেইনৰ ৰাজনৈতিক পৰিস্থিতি ভাৰতৰ স্বাধীনতাৰ পক্ষত মোৰ লৈছিল। লেবাৰ চৰকাৰে ভাৰতলৈ ক্ষমতা হস্তান্তৰৰ বিষয়টো নিষ্পত্তি কৰিবলৈ এক উচ্চস্তৰৰ কেবিনেট মিছন ভাৰতলৈ পঠাইছিল।

৮.৩ কেবিনেট মিছন

কেবিনেট মিছন ভাৰতলৈ ১৯৪৬ চনৰ ২৪ মার্চত আহিছিল। কেবিনেট মিছন তিনিজন বৃটিছ কেবিনেট মন্ত্ৰী চাৰ পেথিক লৰেন্স, ভাৰতৰ সচিব, চাৰ ষ্টাফর্ড ক্ৰিপচ, ব'র্ড অফ ট্ৰেডৰ সভাপতি আৰু বৃটেইনৰ ৰাজকীয় নৌসেনা বিভাগৰ ৰাজনৈতিক মুৰব্বী, এ. ভি. আলেকজেণ্ডাৰক লৈ গঠিত হৈছিল। কেবিনেট মিছনৰ মূল উদ্দেশ্য আছিল ভাৰতৰ ৰাজনৈতিক সংকট সমাধা কৰা, স্বাধীন ভাৰতৰ বাবে এখন সংবিধান প্ৰস্তুত কৰা আৰু অন্তৰ্ৱর্তীকালীন চৰকাৰৰ কাৰণে প্ৰয়োজনীয় যা-যোগাৰ কৰা। মিছনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ কাম আছিল ক্ষমতা হস্তান্তৰ কৰাৰ কাৰণে পদ্ধতি প্ৰস্তুত কৰা আৰু সংবিধান ৰচনা কৰাৰ কাৰণে সমিতি গঠনৰ পৰামর্শ আগৰঢ়োৱা আৰু লগতে অন্তৰ্ৱর্তীকালীন চৰকাৰ স্থাপন কৰা।

৮.৪ কেবিনেট মিছনৰ পৰিকল্পনা

মিছনৰ সদস্য সকলে বিভিন্ন ৰাজনৈতিক দলৰ সদস্যসকল, ভাইচৰয়ৰ কার্যবাহী পৰিষদৰ সদস্যসকল আৰু ক্ষুদ্ৰ ৰাজ্যৰ শাসক সকলৰ লগত আলোচনা কৰি প্ৰথম তিনি সপ্তাহ অতিবাহিত কৰিছিল। এই সকলোৰে লগত আলোচনাৰ পাছত কেবিনেট মিছনে ১৯৪৬ চনৰ ১৬ মে'ত ইয়াৰ অনুমোদন ঘোষণা কৰিলে।

ক) ভাৰতৰ সাংবিধান পৰিকল্পনা

১) ভাৰতৰ ইউনিয়ন বাহাল ৰখা হ'ব। বৃটিছৰ অধীনস্থ ভাৰত আৰু ৰাজ্যসমূহক লৈ ৰাষ্ট্ৰৰ সৃষ্টি কৰা হ'ব।

২) ইউনিয়নৰ এখন কার্যনির্বাহক আৰু বিধানমণ্ডল থাকিব যি বৃটিছ ভাৰত আৰু ৰাজ্যসমূহৰ প্ৰতিনিধিৰে গঠিত হ'ব।

৩) কেন্দ্ৰীয় বিষয় আৰু অৱশিষ্ট ক্ষমতাসমূহৰ বাহিৰে সকলো বিষয় প্ৰদেশসমূহক অৰ্পণ কৰা হ'ব।

৪) সকলো প্ৰদেশেই তেওঁলোকৰ কার্যনির্বাহক আৰু বিধানমণ্ডলৰ সৈতে গোট গঠন কৰাৰ কাৰণে মুক্ত আছিল। প্ৰদেশসমূহ তিনিটা গোটত ভাগ কৰা হৈছিল।

ক গোট - মাদ্ৰাজ, বোম্বে, উত্তৰ প্ৰদেশ, বিহাৰ, উৰিষ্যা আৰু চেন্টেল প্ৰভিন্স/কেন্দ্ৰীয় প্ৰদেশ/ৰাজ্য।

খ গোট - পঞ্জাৱ, উত্তৰ পশ্চিম সীমান্ত প্ৰদেশ আৰু সিন্ধ।

গ গোট - বেংগল আৰু অসম।

৫) কেবিনেট মিছনে সংবিধানৰ খচৰা প্ৰস্তুত কৰিবলৈ এখন সাংবিধানিক স ভা আহ্বান কৰাৰ অনুমোদন দিছিল।

খ) মধ্যৱৰ্ত্তীকালীন চৰকাৰৰ পৰিকল্পনা

কেবিনেট মিছনে এখন মধ্যৱৰ্তীকালীন চৰকাৰ গঠন কৰাত বেছি গুৰুত্ব দিছিল। এই পৰিকল্পনা সকলো ৰাজনৈতিক দলে গ্ৰহণ কৰিছিল। এই পৰিকল্পনাত প্ৰস্তাৱ আগবঢ়োৱা হৈছিল যে যুদ্ধকে ধৰি সকলো দপ্তৰ ভাৰতীয় নেতাক অৰ্পণ কৰা হ'ব যাতে জনসাধাৰণৰ আস্থা লাভ কৰিব পাৰে। এই মিছন কংগ্ৰেছ আৰু মুছলীম লীগৰ মতক একত্ৰিত কৰাৰ এক প্ৰয়াসো আছিল। ই ভাৰতক কিছুমান ৰাজ্যৰ সংঘ হিচাপে একত্ৰিত কৰিছিল। এই পৰিকল্পনাই পাকিস্তানৰ দাবী নাকচ কৰাত কংগ্ৰেছে ইয়াক গ্ৰহণ কৰিছিল। তেওঁলোকে এখন ঐক্যবদ্ধ গণতান্ত্ৰিক ভাৰত গঠন হ'ব বুলি আশা কৰিছিল। মুছলীম লীগে ইয়াক গ্ৰহণ কৰিছিল কিয়নো ই পৰোক্ষভাৱে এটা গোট হিচাপে এখন মুছলীম বসতিপ্ৰধান ৰাজ্যৰ দাবী গ্ৰহণ কৰিছিল। ১৯৪৬ চনৰ চেপ্তেম্বৰ মাহত জৱহাৰলাল নেহৰুৰ নেতৃত্বত গঠিত এখন মন্ত্ৰী পৰিষদ লৈ কংগ্ৰেছে এখন মধ্যৱৰ্তী কালীন চৰকাৰ গঠন কৰিছিল। মুছলীম লীগে কেবিনেটত অংশগ্ৰহণ কৰিছিল কিন্তু সাংবিধানিক সভাত অংশগ্ৰহণ কৰাৰ পৰা বিৰত আছিল।

৮.৫ কংগ্ৰেছ আৰু মুছলীম লীগৰ প্ৰতিক্ৰিয়া

কংগ্ৰেছ আৰু লীগে কিছুমান মৌলিক বিষয় যেনে- ভাৰতৰ একতা বা বিভাজনৰ ক্ষেত্ৰত কোনো সিদ্ধান্তত উপনীত হ'ব পৰা নাছিল। সাংবিধানিক বিষয়ৰ নীতি আৰু কার্যপ্ৰণালীৰ

ক্ষেত্ৰত ভাৰতীয় নেতৃবৃন্দৰ লগত ভাইচৰয়ৰ সহযোগত এক চুক্তিৰ উদ্দেশ্যেৰে কেবিনেট মিছন ভাৰতলৈ আহিছিল। কেবিনেট মিছনে বিভিন্ন কাৰণত পাকিস্তানৰ হকে মুছলীম লীগৰ দাবীক অগ্ৰাহ্য কৰিছিল। পাকিস্তানৰ সৃষ্টিয়ে সাম্প্ৰদায়িক সংখ্যালঘূসকলৰ সমস্যাটো সমাধা কৰিব নোৱাৰে। সেয়েহে, মিছনে অন্তত কিছুমান নিৰ্দিষ্ট বিষয়ক সামৰি এখন কেন্দ্ৰীয় চৰকাৰ গঠনৰ পৰামৰ্শ দিছিল। প্ৰদেশভিত্তিত দল গঠন কৰা প্ৰস্তাৱৰ অংশটোক বিভিন্ন প্ৰকাৰে ব্যাখ্যা আগবঢ়োৱা হৈছিল। মুছলীম লীগে প্ৰদেশসমূহৰ বাধ্যতামূলক গোটৰ ব্যৱস্থাটো গ্ৰহণ কৰিছিল। কিন্তু, কংগ্ৰেছে ভাবিছিল প্ৰদেশসমূহৰ গোটৰ ব্যৱস্থাটো ঐচ্ছিক হ'ব লাগে। অৱশেষত, মিছনে লীগৰ মতামতৰ পক্ষত যোৱাৰ সিদ্ধান্ত লৈছিল। কিছুমান সংৰক্ষণৰ সৈতে মুছলীম লীগ আৰু কংগ্ৰেছে কেবিনেট মিছনক গ্ৰহণ কৰিছিল। যি কি নহওঁক, ১৯৪৬ চনৰ জুলাই মাহৰ নিৰ্বাচনত ২৯৬ খন আসনৰ বিধান পৰিষদত কংগ্ৰেছে ২০৯ খন আসন লাভ কৰাত মুছলীম লীগে বিধানপৰিষদত তেওঁলোকৰ অস্তিত্ব লোপ পাব বুলি ভয় খাই কেবিনেট মিছনৰ প্ৰতি সন্মতি উঠাই লয়।

মুছলীম লীগে ভাৰতৰ পৰা এখন পৃথক পাকিস্তান ৰাষ্ট্ৰৰ গঠনৰ দাবী তোলে। ই পাকিস্তানক এখন পৃথক মুছলীম ৰাষ্ট্ৰ হিচাপে গঠন কৰাৰ দাবী তোলে। কেইমাহমান পাছত লীগে কেবিনেট মিছনৰ পৰিকল্পনা প্ৰত্যাখান কৰিছিল। ভাইচৰয়ে তেতিয়া লীগৰ প্ৰতিনিধিৰ অবিহনে তেওঁৰ পৰিষদখন পুনৰ গঠন কৰিছিল। লীগে ভাইচৰয়ৰ বিৰোধিতা কৰাৰ লগতে ১৯৪৬ চনৰ ১৬ আগষ্টত প্ৰত্যক্ষ সংগ্ৰাম দিৱস পালন কৰিছিল আৰু ই দেশৰ বিভিন্ন অংশত সাম্প্ৰদায়িক সংঘৰ্ষৰ সৃষ্টি কৰিছিল। কলিকতাত প্ৰায় ১০০ মানুহ হত্যা কৰাৰ লগতে বুজন পৰিমাণৰ সম্পত্তিৰ ক্ষতিসাধন হৈছিল। ইয়াৰ পৰৱৰ্তী পৰ্যায়ত, পূৰ্ববংগৰ নোৱাখালি (Noakkali) আৰু বিহাৰত হিংসাত্মক সাম্প্ৰদায়িক সংঘৰ্ষ হৈছিল আৰু পাছত পঞ্জাৱত ভালেসংখ্যক নিৰ্দোষী মানুহে প্ৰাণ হেৰুৱাইছিল। গান্ধীজীয়ে তেওঁৰ অহিংস নীতিক সম্পূৰ্ণৰূপে অসন্মান কৰাত গভীৰভাৱে দুখিত হৈছিল। গান্ধীজীয়ে পূৰ্ববংগ আৰু বিহাৰলৈ খোজ কাঢ়ি গৈছিল। কিন্তু, ঔপনিবেশিক চৰকাৰৰ পৃষ্ঠপোষকতাত ৰোপণ কৰা সাম্প্ৰদায়িকতাৰ বীজ গভীৰভাৱে শিপাইছিল যাক উভালি পেলোৱাটো কঠিন আছিল।

৮.৬ কেবিনেট মিছন আৰু অসম

অসমৰ পৃথকীকৰণ ঃ কেবিনেট মিছনৰ গ্ৰুপিং নীতিয়ে অসমক বেংগলৰ সৈতে একে গ্ৰুপ কৰা কাৰ্যই অসমত বহল ভিত্তিত বিৰূপ ভাৱৰ সৃষ্টি কৰিছিল কিয়নো পূৰ্ব ভাৰতত প্ৰধানকৈ মুছলীম অধ্যুষিত অঞ্চল সৃষ্টি কৰাই ইয়াৰ উদ্দেশ্য আছিল। ই দেশখনক A,B&C তিনিটা গ্ৰুপত ভাগ কৰিছিল। A গ্ৰুপত মাদ্ৰাজ, বোম্বে, উত্তৰপ্ৰদেশ, বিহাৰ, উৰিষ্যা আৰু মধ্যপ্ৰদেশ আৰু হিন্দু অধ্যুষিত অঞ্চল অন্তৰ্ভূক্ত আছিল। B গ্ৰুপৰ গোটত পাঞ্জাৱ, সিন্ধ, উত্তৰ পশ্চিম সীমান্ত প্ৰদেশ, বেলুচিস্তান আৰু মুছলীম অধ্যুষিত অঞ্চল অন্তৰ্ভূক্ত আছিল। C গ্ৰুপত বেংগল আৰু অসম অন্তৰ্ভূক্ত আছিল।

৮.৭ গ্ৰুপিং নীতি আৰু অসমৰ প্ৰতিক্ৰিয়া

অসম প্ৰদেশ কংগ্ৰেছ সমিতিয়ে গ্ৰুপিং নীতিক কঠোৰ ভাৱে সমালোচনা কৰিছিল। এইটো শংকা কৰা হৈছিল যে অসমে নতুন ৰাজনৈতিক ভাগ বটোৱাৰাত ইয়াৰ পৰিচয় আৰু স্বকীয়তা হেৰুৱাব। অসমৰ বিভিন্ন প্ৰান্তত শ শ প্ৰতিবাদী সভা অনুষ্ঠিত হৈছিল। এই নীতিৰ বিৰুদ্ধে কৰা প্ৰতিবাদত অসম জাতীয় মহাসভাই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। সভাই আনকি কিছুমান নথি-প্ৰত্ৰ সংগ্ৰহ কৰি গোপনে লীগৰ ষড়যন্ত্ৰ ফাদিল কৰিছিল। বিষয়টোৱে ব্ৰহ্মপুত্ৰ উপত্যকাৰ কামৰূপ, নগাঁও আৰু গোৱালপাৰা জিলা আৰু বৰাক উপত্যকাৰ চিলেট আৰু কাছাৰ জিলাত জটিল ৰূপ ধাৰণ কৰিছিল।

৮.৮ গোপীনাথ বৰদলৈ আৰু গ্ৰুপিং নীতি

১৯৪৬ চনৰ ১৬ জুলাইত গোপীনাথ বৰদলৈৰ মন্ত্ৰীসভাই গ্ৰুপিং নীতিৰ প্ৰতি ইয়াৰ সবল অসন্মতি প্ৰকাশ কৰিছিল আৰু অসমৰ দহজন প্ৰতিনিধি সাংবিধানিক সভালৈ পঠিয়াই অসমৰ সংবিধানৰ আঁচনিৰ ক্ষেত্ৰত অন্যান্য প্ৰদেশৰ লগত একেলগে নবহিবলৈ আৰু অসমৰ লগত জড়িত যিকোনো প্ৰশ্নৰ সমাধানৰ ক্ষেত্ৰত অন্যান্য প্ৰদেশৰ যিকোনো গোটত অংশ নল'বলৈ নিৰ্দেশ দিছিল। কিন্তু ইয়াক মৌলানা বাসানী আৰু মুছলীম লীগৰ অন্যান্য নেতাই প্ৰত্যাহ্বান জনাইছিল যে সদনৰ এনেধৰণৰ নিৰ্দেশ প্ৰদান কৰাৰ কৰ্তৃত্ব আছেনে আৰু এনে ধৰণৰ প্ৰস্তাৱত বিধানসভাই সন্মতি জনাব পাৰেনে? চাদ্দুল্লাই গ্ৰুপিং নীতিক সমৰ্থন জনাই মন্তব্য আগবঢ়াইছিল যে যদি অসম বেংগলৰ লগত চামিল হয় তেতিয়া অৰ্থনৈতিকভাৱে লাভৱান হ'ব। কিন্তু বৰদলৈয়ে চাদ্দুল্লাৰ মতক বিৰোধিতা কৰিছিল আৰু কৈছিল যে অসমৰ স্বায়ত্ব শাসনৰ ক্ষমতা যিকোনো পৰিস্থিতিতে বিসৰ্জন দিয়া নহ'ব। বৃটিছ চৰকাৰে ১৯৪৬ চনৰ ৬ ডিচেম্বৰ তাৰিখে এটা ঘোষণা কৰিছিল যে যুক্তৰাষ্ট্ৰৰ ন্যায়ালয়ে বিবাদমান গ্ৰুপিঙৰ ক্ষেত্ৰত মীমাংসাৰ ব্যৱস্থা গ্ৰহণ কৰিব। যিহেতু সিদ্ধান্তটো অসমৰ বাবে ক্ষতিকাৰক হ'ব, অসম প্ৰদেশ কংগ্ৰেছ সমিতিয়ে কংগ্ৰেছৰ হাইকমাণ্ডক ৬ ডিচেম্বৰৰ বিবৃতিটো নাকচ কৰিবলৈ এটা প্ৰতিনিধি দল প্ৰেৰণ কৰিছিল। এই বিষয়ত স্থিতি স্পষ্ট কৰিবলৈ কংগ্ৰেছ ৰকিং কমিতিয়ে সময় লৈছিল। গোপীনাথ বৰদলৈয়ে এক বলিষ্ঠ পদক্ষেপ লৈ কংগ্ৰেছৰ সভাপতি জৱাহৰলাল নেহৰুক জনাইছিল যে অসমে গান্ধীজীৰ পৰামৰ্শ ক্ৰমে "নিজৰ সংবিধান প্ৰণয়ন কৰা আৰু সেইমতে গ্ৰুপিং নিৰ্ধাৰণ কৰাৰ" পক্ষ ল'ব।

৮.৯ মহাত্মা গান্ধীৰ মনোভাৱ

গোপীনাথ বৰদলৈয়ে গান্ধীজীক লগ কৰি গ্ৰুপিং নীতিৰ কাৰণ আৰু ফলাফলৰ বিষয়ে আলোচনা কৰিছিল। গান্ধীজীয়ে বৃটিছ কেবিনেট মিছন পৰিকল্পনাৰ বিৰুদ্ধে জনতাৰ সংগ্ৰামক তীব্ৰতৰ কৰি তুলিবলৈ পৰামৰ্শ দিছিল। তেওঁ খোলাখুলিকৈ ঘোষণা কৰিছিল যে প্ৰয়োজন

হ'লে অসম কংগ্রেছৰপৰা আঁতৰি থাকিব আৰু কেবিনেট প্লেনৰ বিৰুদ্ধে অহিংস আন্দোলন তীব্রতৰ কৰি তুলিব। গান্ধীজীয়ে বৰদলৈক কৈছিল যে যদি কংগ্রেছ ৰকিং কমিটিয়ে স্পষ্ট নেতৃত্ব দিব নোৱাৰে, অসমক শাখাত অন্তর্ভুক্ত কৰাটো উচিত নহ'ব। তেওঁ বৰং কৈছিল যে ই কংগ্রেছৰ হিতৰ কাৰণে কংগ্রেছৰ বিপক্ষে এক প্রকাৰৰ সত্যাগ্রহ হ'ব। তেওঁ নিশ্চিতি দিছিল যে অসমে শাখাত অন্তর্ভূক্ত হ'বলৈ যোৱাত অমান্তি হোৱা কার্যই ভাৰতক স্বাধীনতাৰ অভিমুখেহে লৈ যাব, বিপৰীতে নহয়।

অসমৰ প্রতিনিধিসকলে নেহৰু আৰু আজাদক লগ কৰি এই গুৰুত্বপূর্ণ বিষয়টো আলোচনা কৰিছিল। তেওঁলোক দুয়োৱে অসমৰ প্রতিনিধিবর্গৰ সৈতে মিটমাট কৰিবলৈ চেষ্টা কৰিছিল। অন্যহাতেদি, মহাত্মা গান্ধীয়ে তেওঁলোকক সকলো প্রকাৰৰ সহায় আগবঢ়োৱাৰ নিশ্চিতি প্রদান কৰিছিল। কংগ্রেছ আৰু ছাত্রসকলৰ যুটীয়া প্রচেষ্টাত ১৯৪৬ চনৰ ১৯ ডিচেম্বৰত গুৱাহাটীৰ জুবিলী গার্ডেনত এক সভা অনুষ্ঠিত হৈছিল। বিজয় চন্দ্র ভাগৱতীয়ে সভাত অংশ গ্রহণ কৰি গান্ধীজীৰ বার্তা প্রচাৰ কৰিছিল। সভাই যুক্তৰাষ্ট্রীয় ন্যায়ালয়ৰ হস্তক্ষেপৰ বিৰোধীতা কৰি এক প্রস্তাৱ গ্রহণ কৰিছিল আৰু অসমৰ জনসাধাৰণক এক আন্দোলনৰ কাৰণে প্রস্তুত হ'বলৈ আহ্বান জনাইছিল।

৮.১০ ৰাষ্ট্রীয় নেতাসকলৰ মনোভাৱ

সদৌ ভাৰত কংগ্রেছ সমিতিয়ে (AICC) ইয়াৰ ১৯৪৭ চনৰ জানুৱাৰী মাহত বহা পূর্ণাংগ অধিবেশনত পৰিস্থিতিৰ পুনৰীক্ষণ কৰিছিল। AICCয়ে সাংবিধানিক সভাৰ সৈতে যোৱাৰ ইচ্ছা প্রকাশ কৰিছিল যদিও ই অমুছলমান অসমীয়া আৰু পাঞ্জাৱৰ শিখ সকলৰ কথা ভাৱিবলগীয়া হৈছিল। ই লগতে বৃটিছৰ ৬ ডিচেম্বৰৰ ঘোষণাৰ চর্তও গ্রহণ কৰিবলগীয়া হৈছিল যে ইয়াৰ সিদ্ধান্ত সমূহ মানি চলিবলৈ দলসমূহৰ মাজত আগতীয়া বুজাবুজি সম্পাদন হ'ব লাগিব। প্রস্তাৱত এইটোও স্পষ্ট কৰা হৈছিল যে প্রদেশসমূহক ইয়াৰ ইচ্ছাৰ বিৰুদ্ধে যাবলৈ বাধ্য কৰিবলৈ কোনো পদক্ষেপ ল'ব নোৱাৰিব। সমগ্র অসম উপত্যকা চুই যোৱা গ্রুপিং বিৰোধী আন্দোলনলৈ কংগ্রেছৰ সমাজবাদী আৰু কমিউনিষ্ট সকলে তেওঁলোকৰ পূর্ণ সমর্থন আগবঢ়াইছিল।

অসমৰ কংগ্রেছ ৰকিং কমিটিয়ে ১৯৪৭ চনৰ ১৭ জানুৱাৰীত পুনৰ দোহাৰিছিল যে প্রদেশ সমূহৰ সংবিধান ইয়াৰ নিজৰ প্রতিনিধিসকলে অকলেই ৰচনা কৰিব। গান্ধীজীয়ে অসম প্রদেশ কংগ্রেছ সমিতিলৈ লিখিছিল যে AICC য়ে অসমৰ জনসাধাৰণৰ ইচ্ছাৰ বিৰুদ্ধে কাম নকৰে। এনেকৈয়ে, প্রধানকৈ অসমৰ বেংগলৰ সৈতে গ্রুপিং কৰাৰ বিৰোধিতাৰ বাবেই মুছলীম লীগে ইয়াৰ কেবিনেট মিছন প্লেন গ্রহণ কৰা পূর্বৰ স্তিতি সলনি কৰিছিল।

ইতিমধ্যে বৃটেইনৰ ৰাজনৈতিক পৰিস্থিতিৰ পৰিৱর্তন হৈছিল। বৃটিছ প্রধানমন্ত্রী ক্লীমেণ্ট এটলী ভাৰতৰ স্বাধীনতাৰ পক্ষে সহানুভূতিশীল আছিল আৰু নতুন পৰিৱেশে ভাৰতৰ পৰা

শাসন উঠাই লোৱা বিষয়টো শক্তিশালী কৰি তুলিছিল। ১৯৪৭ চনৰ ২০ ফেব্রুৱাৰীত এটলীয়ে ঘোষণা কৰিছিল যে বৃটিছসকলে ১৯৪৮ চনৰ জুনৰ ভিতৰত ভাৰতলৈ ক্ষমতা হস্তান্তৰ কৰিব। ক্ষমতাৰ হস্তান্তৰকৰণৰ বিষয়টো গ্ৰহণ কৰিবলৈ এটলীয়ে লৰ্ড মাউণ্টবেটেনক ভাৰতৰ ভাইচৰয় হিচাপে নিযুক্তি দিছিল। তেওঁ অতি সোনকালে উপলব্ধি কৰিছিল যে সমস্যাটোৰ একমাত্ৰ সমাধান হৈছে দেশখনক ভাৰত আৰু পাকিস্তান এই দুভাগত ভাগ কৰা।

৮.১১ স্বাধীনতা আৰু দেশ বিভাজন

ক্ষমতাৰ হস্তান্তৰকৰণৰ বিষয়টো কাৰ্যকৰী কৰিবলৈ বৃটিছ প্ৰধানমন্ত্ৰী ক্লীমেণ্ট এটলীয়ে ১৯৪৭ চনৰ ২৪ মাৰ্চত লৰ্ড মাউণ্টবেটেনক ভাইচৰয় হিচাপে নিযুক্তি দিয়ে। ভাৰতৰ নেতৃবৃন্দৰ লগত আলোচনা কৰি মাউণ্টবেটেনে উপলব্ধি কৰিছিল যে সমস্যাটো সমাধান কৰিবলৈ দেশখনক ভাৰত আৰু পাকিস্তান— এই দুভাগত বিভক্ত কৰাটো প্ৰয়োজন। বৃটিছ চৰকাৰৰ লগত আলোচনা কৰি তেওঁ এক পৰিকল্পনা প্ৰস্তুত কৰিছিল আৰু ১৯৪৭ চনৰ ৩ জুনত ইয়াক ৰাজহুৱা কৰিছিল যাক মাউণ্টবেটেন প্লেন নামেৰে জনা যায়।

পৰিকল্পনাৰ মূল বৈশিষ্ট্যসমূহ

- ভাৰতক বিভক্ত কৰাটো নিশ্চিত।
- মুছলীম অধ্যুষিত জিলাৰ প্ৰতিনিধি আৰু বেংগল আৰু পঞ্জাৰ প্ৰদেশৰ বিধানসভাক প্ৰতিনিধিত্ব কৰা নেতৃবৃন্দ পৃথকভাৱে মিলিত হ'ব আৰু সাধাৰণ সংখ্যাগৰিষ্ঠ ভোটৰ দ্বাৰা তেওঁলোকৰ নিজ নিজ প্ৰদেশবোৰ ভাগ কৰিব নে নকৰে সিদ্ধান্ত ল'ব।
- সিন্ধৰ বিধান সভাই দিল্লীৰ সাংবিধানিক সভাত যোগ দিব নে দিল্লীত যোগ নিদিয়া নতুন সাংবিধানিক সভাত থাকিব, তাৰ সিদ্ধান্ত নিজেই ল'ব।
- চিলেট পূৰ্ব বংগ নে অসমৰ লগত থাকিব এক গণভোট অনুষ্ঠিত কৰি সিদ্ধান্ত ল'ব।
- উত্তৰ পশ্চিম সীমান্ত প্ৰদেশ দিল্লীৰ লগত যোগ দিব নে এক নতুন প্ৰদেশ গঠন কৰিব তাক এক গণভোট অনুষ্ঠিত কৰি সিদ্ধান্ত ল'ব।

মাউণ্টবেটেনৰ প্ৰস্তাৱ কংগ্ৰেছ আৰু মুছলীম লীগ উভয়ে গ্ৰহণ কৰিছিল। এই প্ৰস্তাৱ গ্ৰহণ কৰাৰ পাছত বৃটিছ সংসদে ১৯৪৭ চনৰ ভাৰতৰ স্বাধীনতা আইন অনাৰ লগতে পাকিস্তানক পশ্চিম পাকিস্তান আৰু পূব পাকিস্তান, এই দুভাগত বিভক্ত কৰিছিল। ১৯৭১ চনত পূব পাকিস্তানে নিজকে পাকিস্তানৰ পৰা মুক্ত কৰি বাংলাদেশ হৈছিল।

চিলেট গণভোট

মাউণ্টবেটেন প্লেন অনুসৰি, চিলেট ভাৰতবৰ্ষৰ অন্তৰ্গত অসমৰ এটা অংশ হৈ থাকিবনে পূৰ্ববংগৰ লগ লাগিব, সেইটো এক গণভোটৰ জড়িয়তে ঠিৰাং কৰিব। ক্ষমতা হস্তান্তৰৰ তাৰিখ ১৯৪৭ চনৰ ১৫ আগষ্ট নিৰ্ধাৰণ কৰা হৈছিল। চিলেটৰ হিন্দুসকলে চিলেটক বংগৰ সৈতে পুনৰ চামিলকৰণৰ দাবী তুলিছিল। কিন্তু মুছলমানসকলে ইয়াক বিৰোধিতা কৰিছিল।

চিলেটৰ জমিয়ত-উল-উলেমাই পাকিস্তানৰ ধাৰণাটোৰ বিৰোধিতা কৰিছিল আৰু এখন অবিভক্ত অসমৰ কাৰণে ভোট দিবলৈ সকলো মুছলমানকে পৰামৰ্শ দিছিল। অসম উপত্যকাৰ জনসাধাৰণে চিলেটক অসমৰপৰা পৃথক কৰাৰ দাবী তুলিছিল। অৱশেষত, গণভোট অনুষ্ঠিত হৈছিল আৰু চিলেটৰ পৃথকীকৰণৰ পক্ষত ভোট দিয়া হৈছিল যিয়ে ব্ৰহ্মপুত্ৰ উপত্যকাৰ জনসাধাৰণক সকাহ দিছিল।



জানি থওঁ আহক

- মুছলীম লীগৰ প্ৰথম সভাপতি আছিল ছেলিমুল্লাহ খান।
- ১৯৪৬ চনৰ ১৬ আগষ্টত মুছলীম লীগে 'প্ৰত্যক্ষ সংগ্ৰাম দিৱস' পালন কৰিছিল।
- ভাৰতীয় মুছলীম লীগ ১৯০৬ চনৰ ৩ ডিচেম্বৰত প্ৰতিষ্ঠা কৰা হৈছিল।
- ভাৰতীয় মুছলীম লীগে 'Star of India' নামৰ বাতৰি কাকতখন প্ৰকাশ কৰিছিল।
- পাকিস্তান শব্দটো চৌধুৰী ৰহমত খানে ৰচনা কৰিছিল।
- ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসনকালত ৰাৱেণ হেষ্টিংছ (১৭৭৪-৮৫) ভাৰতৰ প্ৰথম গৱৰ্ণৰ জেনেৰেল আছিল।
- লৰ্ড মাউণ্টবেটেন স্বাধীন ভাৰতৰ প্ৰথম গৱৰ্ণৰ জেনেৰেল আছিল।
- চক্ৰৱৰ্ত্তী ৰাজাগোপালাচাৰী (১৯৪৮-৫০) স্বাধীন ভাৰতৰ প্ৰথম আৰু শেষ ভাৰতীয় গৱৰ্ণৰ জেনেৰেল আছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ শুদ্ধ উত্তৰটো বাচি উলিয়াওকঃ

ক) কেবিনেট মিচন ১৯৪৫/১৯৪৬/১৯৪৭ চনৰ ২৪ মাৰ্চত ভাৰতলৈ আহিছিল।

.....

খ) চাৰ পেথিক লৰেন্স/চাৰ ষ্টাফৰ্ড ক্ৰিপচ/এ. ভি. আলেকজেণ্ডাৰে কেবিনেট মিচনৰ নেতৃত্ব দিছিল।

.....

গ) নোৱাখালি পঞ্জাৱ/বিহাৰ/পূৰ্ব বংগত অৱস্থিত।

.....

ঘ) প্ৰত্যক্ষ সংগ্ৰাম দিৱস ১৯৪৬ চনৰ ১৬/১৭/১৮ আগষ্টত পালন কৰা হৈছিল।

.....

ঙ) বৃটিছ প্ৰধানমন্ত্ৰী ক্লীমেণ্ট এটলী/লৰ্ড ৰাভেল/লৰ্ড মাউণ্টবেটেনে ভাৰতলৈ কেবিনেট

মিচন পঠিয়াবলৈ আগভাগ লৈছিল।

.....

প্ৰশ্ন ২ ঃ চমু উত্তৰ দিয়ক ঃ

ক) গ্ৰুপিং নীতিৰ সময়ত অসমৰ প্ৰধানমন্ত্ৰী কোন আছিল?

.....

খ) লৰ্ড ৱাভেলৰ পাছত কোন ভাৰতৰ গৱৰ্ণৰ জেনেৰেল হৈছিল?

.....

গ) কেবিনেট মিচন প্লেনৰ প্ৰতিবাদ স্বৰূপে কোনে প্ৰত্যক্ষ সংগ্ৰাম দিৱস পালন কৰিছিল?

.....

ঘ) পাকিস্তান শব্দটোৰ ৰচক কোন?

.....



৮.১২ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতে এক শান্তিপূৰ্ণ আন্দোলনৰ যোগেদি স্বাধীনতা লাভ কৰিছিল। ঔপনিবেশিক বৃটিছ চৰকাৰৰ আৰ্থ-সামাজিক শোষণৰ প্ৰতিক্ৰিয়া হিচাপে ই সংঘটিত হৈছিল।
- ভাৰতীয়সকলৰ প্ৰচেষ্টাৰ বলত ভাৰতৰ মুক্তিৰ মঞ্চ তৈয়াৰ কৰা হৈছিল যিটো শেষত ১৯৪৭ চনত লাভ কৰিছিল।
- কংগ্ৰেছ আৰু মুছলীম লীগৰ নেতাসকলে নিজকে চৰকাৰৰ লগত বুজাবুজি কৰিবলৈ প্ৰস্তুত কৰিছিল।
- বৃটিছ প্ৰধানমন্ত্ৰীয়ে ১৯৪৬ চনৰ ২৪ মাৰ্চত এক কেবিনেট মিচন ভাৰতলৈ পঠিয়াইছিল, যি তিনিজন বৃটিছ কেবিনেট মন্ত্ৰী ক্ৰমে চাৰ পেথিক লৰেন্স, চাৰ ষ্টাফৰ্ড ক্ৰিপচ আৰু এ.ভি. আলেকজেণ্ডাৰক লৈ গঠিত হৈছিল।
- মিছনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ কাম আছিল ক্ষমতা হস্তান্তৰৰ পদ্ধতি প্ৰস্তুত কৰা আৰু সংবিধান প্ৰণয়নৰ যন্ত্ৰটোৰ গাঁঠনি সম্পৰ্কে পৰামৰ্শ আগবঢ়োৱা আৰু অন্তৰ্ৱৰ্তীকালীন চৰকাৰ গঠন কৰা।
- মিচনে ১৯৪৬ চনৰ ১৬ মে'ত ইয়াৰ অনুমোদন ৰাজহুৱা কৰিছিল। ই দেশখনক A, B আৰু C এই তিনিটা গ্ৰুপত ভাগ কৰিছিল। গ্ৰুপ C ত বেংগল আৰু অসম অন্তৰ্ভূক্তআছিল।
- গ্ৰুপিং নীতিয়ে অসমৰ জনসাধাৰণৰ মনত গভীৰ অপমানৰ সৃষ্টি কৰিছিল। অৱশেষত, এই মিছন বিফল হৈছিল।



৮.১৩ অধিক জানিবলৈ

1. Agarwal, R. C. (1969). *Constitutional history of India and national movement*. New Delhi, India: S. Chand & Co.
2. Baruah, S.L. (2007). *A comprehensive history of Assam*. Delhi: Munshiram manoharlal Publishers Pvt. Ltd.
3. Ghai, K. K. (2003). *Indian polity (Democratic government and politics in India*. New Delhi: Kalyani Publishers.
4. Gupta, D. C. (1970). *Indian national movement*. Delhi: Vikas Publications.



৮.১৪ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ

ক) ১৯৪৬ চন।

খ) চাৰ পেথিক লৰেন্স

গ) পূর্ব বংগ

ঘ) ১৬ আগষ্ট, ১৯৪৬ চন।

ঙ) ক্লীমেণ্ট এটলী।

২ নং প্রশ্নৰ উত্তৰ ঃ

ক) গোপীনাথ বৰদলৈ

খ) লর্ড মাউণ্টবেটেন

গ) মুছলীম লীগ

ঘ) চৌধুৰী ৰহমত আলী।



৮.১৫ আৰ্হি প্রশ্ন

ক) অতি চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ চাৰ ষ্টাফর্ড ক্রিপচ কোন আছিল?

প্রশ্ন ২ঃ গ্রুপিং নীতিৰ খ (B) গ্রুপৰ প্রদেশসমূহ কি কি আছিল?

প্রশ্ন ৩ঃ মুছলীম লীগ কেতিয়া গঠন হৈছিল?

খ) চমু প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰসমূহ লিখক)

প্রশ্ন ১ঃ কেবিনেট মিছন পৰিকল্পনাৰ ওপৰত এটি চমুটোকা লিখক।

প্রশ্ন ২ঃ কেবিনেট মিছন সম্পর্কত মুছলীম লীগৰ প্রতিক্রিয়া ব্যাখ্যা কৰক।

প্রশ্ন ৩ঃ চিলেট গণভোট সম্পর্কে চমুকৈ ব্যাখ্যা কৰক।

গ) ৰচনাধর্মী প্রশ্ন (উত্তৰসমূহ ৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ কেবিনেট মিছন কিয় ভাৰতলৈ পঠোৱা হৈছিল? এই আঁচনিৰ মূল বৈশিষ্ট্যসমূহ কি কি?

প্রশ্ন ২ঃ গ্রুপিং নীতি কি? গ্রুপিং নীতিৰ বিৰুদ্ধে অসমৰ প্রতিক্রিয়া কি আছিল আলোচনা কৰক।

****

কাকতৰ নাম ঃ
পাঠ্যবিষয়ৰ কোড (সাংকেতিক সংখ্যা) ঃ

আভ্যন্তৰীণ গুণগত আশ্বাসন কেন্দ্ৰ (CIQA)
কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

নগৰ কাৰ্যালয়, হাউছফেড কমপ্লেক্স, গুৱাহাটী-০৬

পাঠ্যবিষয় সন্দৰ্ভত শিক্ষাৰ্থীৰ সঁহাৰি

প্ৰিয় শিক্ষাৰ্থী,

ওপৰত উল্লেখ কৰা পাঠ্যবিষয়টোৰ সন্দৰ্ভত আপোনাৰ বহুমূলীয়া মতামত আৰু মন্তব্য বিচৰা হৈছে। আপোনাৰ সঁহাৰিয়ে আমাক ভৱিষ্যৎ স্ব-শিক্ষণ সামগ্ৰীবোৰৰ মান উন্নত কৰাত সহায় কৰিব। অনুগ্ৰহ কৰি তলৰ প্ৰবিৱৰণবোৰৰ বিপৰীতে আপোনাৰ মতামত উপযুক্তভাৱে প্ৰতিফলিত কৰা বিকল্পটোত চিন দিয়ক। মন্তব্যৰ সৈতে সম্পূৰ্ণ সঁহাৰি জনোৱাৰ পাছত পৃষ্ঠাটো ফালি তলৰ ঠিকনাত ডাকযোগে প্ৰেৰণ কৰে যেন।

সঞ্চালক,

আভ্যন্তৰীণ গুণগত আশ্বাসন কেন্দ্ৰ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
হাউছফেডকমপ্লেক্স, দিছপুৰ, গুৱাহাটী-০৬
ই-মেইল ঠিকনা ঃ ciqa@kkhsou.in

১) পাঠ্যবিষয়ৰ অন্তৰ্ভুক্ত অধ্যায়বোৰ পঢ়িবলৈ আপুনি আনুমানিকভাৱে কিমান ঘণ্টা ব্যয় কৰিলে ? | | | |

২) খণ্ডটো অধ্যয়ন কৰাৰ অন্তত তলৰ প্ৰবিৱৰণবোৰ সন্দৰ্ভত আপোনাৰ মতামত ব্যাখ্যা কৰক (✓ চিন দিয়ক)

ক্ৰমাংক	প্ৰবিৱৰণ	দৃঢ়ভাৱে একমত	একমত	একমতো নহয় অসন্মতো নহয়	অসন্মত	দৃঢ়ভাৱে অসন্মত
i)	পাঠ্যবিষয়ৰ স্ব- শিক্ষণ সামগ্ৰীবোৰে প্ৰতিটো অধ্যায়ৰ আৰম্ভণিতে ধাৰ্য কৰি লোৱা শিক্ষণ উদ্দেশ্যবোৰ পূৰণ কৰিব পাৰিছে					
ii)	স্ব- শিক্ষণ সামগ্ৰীত সন্নিৱিষ্ট অধ্যায়বোৰে মোৰ শৈক্ষিক প্ৰয়োজনীয়তা আৰু প্ৰত্যাশা পূৰণ কৰিব পাৰিছে					
iii)	অধ্যায় লেখক/ লেখিকাসকলৰ পাঠ্যবিষয়ত সন্নিৱিষ্ট পাঠসমূহৰ উত্তম জ্ঞান আছে					
iv)	অধ্যায়বোৰত সন্নিৱিষ্ট পাঠবোৰৰ ভাষা আৰু বিষয়বস্তু মই সহজে বুজি পোৱা ধৰণে উপস্থাপন কৰা হৈছে					
v)	অধ্যায়বোৰত কাৰ্যকলাপত ভাগ ল'ব পৰাকৈ/অনুশীলনীত অংশগ্ৰহণ কৰিব পৰাকৈ পৰ্যাপ্ত সুযোগ আছে					
vi)	ধাৰণাবোৰ স্পষ্ট কৰিবলৈ পৰ্যাপ্ত চিত্ৰ (ৰেখাচিত্ৰ, তালিকা ইত্যাদি) সংলগ্ন কৰা হৈছে					
vii)	পাঠবোৰত সন্নিৱিষ্ট বিষয়বস্তুসমূহ চিত্তাকৰ্ষক, প্ৰাসংগিক আৰু শেহতীয়া তথ্যভিত্তিক					
viii)	'অগ্ৰগতি নিৰীক্ষণ' শিতানৰ প্ৰশ্নবোৰ যথেষ্ট উপযোগী					
ix)	'আৰ্হি প্ৰশ্ন' আৰু 'অগ্ৰগতিৰ খতিয়ান' শিতান দুটাই মোক যথেষ্ট উপকৃত কৰিছে					

অতিৰিক্ত মন্তব্য (অনুগ্ৰহ কৰি মুকলিমূৰীয়াকৈ মতামত আগবঢ়াওক) ঃ

১) আপোনাৰ মতে স্ব-শিক্ষণ সামগ্ৰীবোৰৰ কোনকেইটা দিশ সবাতোকৈ ফলপ্ৰসূ হৈছে?

---

২) স্ব-শিক্ষণ সামগ্ৰীবোৰৰ সামগ্ৰিক গুণ উন্নত কৰিবলৈ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে কেনেধৰণৰ পৰিৱৰ্তন/উন্নতি সাধন কৰিব পাৰে বুলি আপুনি ভাবে?

প্ৰ-পত্ৰ পূৰাবলৈ সময় উলিওৱাৰ বাবে আপোনাক ধন্যবাদ জনালোঁ।